জনজাতি আৰু গাৰো জনজাতি

ড° বিমল মজুমদাৰ

বীণা লাইব্ৰেৰী
গুৱাহাটী ঃ অসম

Janajāti Āru Gāro Janajāti : A study on tribes and a monograph of Gāro Tribes written by Dr. Bimal Mazumdar and published by Sri Santiranjan Dev, Bina Library, College Hostel Road, Panbazar, Guwahati-781001, Assam.

First Edition . January, 2004

Cover Direction Chandan Dey, M Sc

Distributor . Bina Library, College Hostel Road, Guwahati-1, Assam

Price . Rs 70.00

Printed by :
Ajanta Printers
61, Surya Sen Street
Kolkata-700009.

উছৰ্গা

গাৰো সমাজ-সংস্কৃতিৰ নিষ্ঠাবান গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰাক্তন অধ্যাপক, বিশিষ্ট নৃতত্ত্ববিদ তথা আমাৰ জেঠাদেউ প্ৰয়াত

ড° ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰ

আৰু

জেঠীদেউ

ক্লাৰিচ জি. মোমিনৰ

সজল স্মৃতিত এই পুথিখনি উছৰ্গা কৰা হ'ল।

—লেখক

লেখকৰ অন্যান্য গ্ৰন্থসমূহ ঃ

- অসমীয়া কবিতাৰ বিচাৰ
- ভক্তি সাহিত্য
- পুৰাণৰ পৰিচয়
- যাত্ৰা (উপন্যাস)

ঘুটীয়াভাৱে ৰচিত তথা প্ৰকাশিতব্য গ্ৰন্থ ঃ

- বঙলা আৰু অসমীয়া সাহিত্যৰ তুলনা
- হিন্দী আৰু অসমীয়া সাহিত্যৰ তুলনা

।। বাটচ'ৰাত ।।

মই গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰাৰ কেইবছৰমানৰ ভিতৰতে এগৰাকী তৰুণ গৱেষকক সদায়েই ড° পৰীক্ষিত হাজৰিকা ছাৰৰ ওচৰলৈ আহি থকা দেখিছিলোঁ। সেইগৰাকী কণিষ্ঠতম তৰুণ গৱেষকে ১৯৯৭ চনতে মাত্র চাৰে-তিনিবছৰৰ ভিতৰতে সম্পূর্ণ এক ভিন্ন পৰিৱেশত বাস কৰা আমাৰ দাঁতি-কাষৰীয়া মেঘালয় ৰাজ্য আৰু আমাৰো সীমামূৰীয়া অঞ্চলত বসবাস কৰা গাৰোসকলৰ লোকসাহিত্যৰ সৈতে অসমীয়া লোকসাহিত্যৰ তুলনামূলক অধ্যয়ন কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰি অভিলেখ সৃষ্টি কৰে।

সেই গৰাকী তৰুণ আৰু কর্ম উদ্যোগী যুৱকজনৰ সৈতে চিনা-পৰিচয় হ'বলৈ আৰু তেওঁৰ কর্মক্ষেত্ৰৰ অনুপ্রেৰণাদাতা বা দাত্ৰীক জানিবলৈ স্বাভাৱিকতে হেপাহ এটা জাগিছিল আৰু খা-খবৰ লৈ গম পালোঁ যে, তেওঁ আন কোনো নহয় গাৰো অধ্যয়নৰ পিতৃস্বৰূপ (doyen of Garo Studies) ড° ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰৰ আপোন ভতিজা ল'ৰা। সেই সূত্রে তেওঁৰ তেজতো গাৰো-প্ৰীতিৰ উমান দেখিবলৈ পোৱাটো একো অস্বাভাৱিক নাছিল। ছমৰীয়া আৰু ভালুকঘাটা সত্ৰৰ বিখ্যাত মজুমদাৰ বংশৰ ল'ৰা হৈও সকলোৰেপৰা তেজ-মঙহৰ পাহাৰীয়া ককায়েক-বায়েকৰ ওচৰলৈ সঘনাই আহ-যাহ কৰি বিচ্ছিন্ন প্রায় হৈ থকা পাৰিবাৰিক সম্পর্ক অক্ষুণ্ণ ৰখাত আগভাগ লৈছিল। অকালতে বৰ-দেউতাকক হেৰুৱাই তেওঁৰ আধৰুৱা হৈ থকা কাম কৰিবলৈ ছাগে তেওঁ মনতে আশা পুহি ৰাখে। এই আশা গৱেষণা গ্ৰন্থৰ উপৰিও অন্যান্য লিখনিৰ মাজেদিয়েও ক্রমে-অনুক্রমে প্রতিভাত হ'বলৈ ধৰে।

মোৰ সৈতে তেওঁৰ ঘণিষ্ঠতা গাঢ় হয় উত্তৰ-পূব পার্বত্য বিশ্ববিদ্যালয়ৰ তুৰা চৌহদত অনুষ্ঠিত এখনি ৰাষ্ট্ৰীয় আলোচনা সত্ৰলৈ অংশগ্ৰহণৰ উদ্দেশ্যে গাওঁতে। তাত তিনিদিন ধৰি আমি একেলগে আছিলোঁ আৰু সেই সময়তে ড° ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰৰ তুৰাস্থিত বাসভৱনত তেওঁৰ সুযোগ্যা কন্যা শ্ৰীমতী গিৰিবালা জি. মোমিন (Deputy Secratory, Meghalaya Borad of School Education) আৰু সুযোগ্য পুত্ৰ শ্ৰীযুত ছিভি জি. মোমিনৰ (Inspector, Central Excise) আতিথ্য লাভ কৰি ধন্য হৈছিলোঁ।

ড° ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰ আৰু তেওঁৰ সতীর্থসকলে বাঠিৰ দশকত আৰম্ভ কৰা জনজাতি অধ্যয়নৰ সফল ৰূপায়ণ বর্তমান গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি উত্তৰ-পূব ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত হ'বলৈ লৈছে। মই নিজে এজন নৃতত্বৰ ছাত্ৰ নহলেও জন্মসূত্রে জনজাতি-প্ৰীতি থকা হেতুকে নৰেৰৰ দশকৰপৰা বড়ো লোক-সংস্কৃতি আৰু

ৰাভা ভাষা-সাহিত্যৰ লগতে অন্যান্য জনজাতিৰ সমাজ-সংস্কৃতিৰ দিশত কিছু লেখা-মেলা কৰি এই দিশত সামান্য বৰঙণি আগবঢ়াবলৈ পাই সুখী হৈছোঁ। মোৰ অনুজ শ্ৰীমান বিমল মজুমদাৰৰ এই জনজাতীয় অধ্যয়ন অব্যাহত থকা দেখি মই অভিভূত হৈছোঁ আৰু তেওঁৰ এই মহৎ প্ৰচেষ্টাৰ লগত জড়িত হ'বলৈ পাই গৌৰব অনুভৱ কৰিছোঁ।

ড° বিমল মজুমদাৰৰ এইখন পি-এইচ.ডি. ডিগ্ৰীৰ বাবে প্ৰদত্ত গৱেষণা-গ্ৰন্থ নহয় যদিও মই ভাবো এইখন সেইখনতকৈ কোনো গুণে নিম্নখাপৰ নহয়। এটা সামান্য অংশত গাৰোসকলৰ ভৌগোলিক, ঐতিহাসিক আৰু নৃতাত্ত্বিক পৰিচয় তথা গাৰো ভাষা আৰু লোক-সাহিত্যৰ আলোচনাত সেইখন গৱেষণা-গ্ৰন্থৰ পুনৰাবৃত্তি ঘটিছে যদিও, বেছিভাগে সম্পূৰ্ণ নতুনকৈ ক্ষেত্ৰ অধ্যয়ন কৰি যুগুতোৱা এইখন পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থ।

গ্ৰন্থখনি পৰিকল্পিতভাৱে সাতোটা অধ্যায়ত বিভক্ত কৰা হৈছে। প্ৰথম অধ্যায়ত সামগ্ৰিকভাৱে জনজাতিৰ এটি পৰিচয় দিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াত জনজাতিৰ সংজ্ঞা, জনজাতিৰ বৈশিষ্ট্য আৰু অসমৰ জনজাতি সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা হৈছে। জনজাতিৰ সংজ্ঞা নিৰুপণৰ ক্ষেত্ৰত সংবিধানিক আৰু নৃতাত্ত্বিক এই দুয়োটা দৃষ্টিভঙ্গীকে সমানে গুৰুত্ব দিয়া হৈছে। আনহাতে, জনজাতীয় বৈশিষ্ট্য নিৰূপণৰ ক্ষেত্ৰত উব্ৰিউ চি স্মিথে উল্লেখ কৰি যোৱা বৈশিষ্ট্যকেইটিকে মুখ্যভাৱে লোৱা হৈছে যদিও গ্ৰন্থখনিত সেই বৈশিষ্ট্যকেইটিৰ বহল আলোচনা তথা বিভিন্ন জনজাতিৰপৰা উদাহৰণ পৰিবেশন কৰি ইয়াক তথ্যপূৰ্ণ কৰি তোলা হৈছে। লগতে স্মিথৰ চিনাক্তকৃত তেৰটা বৈশিষ্ট্যৰ লগত লীলা গগৈয়ে উল্লেখ কৰা জনজাতিৰ বাৰটা বৈশিষ্ট্য আৰু এই লেখকৰ চিনাক্তকৃত অইন পাঁচটা বৈশিষ্ট্যৰ কথাও সংযোগ কৰি জনজাতীয় বৈশিষ্ট্যৰ এটা পূৰ্ণাঙ্গ ৰূপ দিবলৈ প্ৰয়াস কৰা হৈছে। অসমৰ জনজাতি প্ৰসঙ্গত পাহাৰী আৰু ভৈয়ামৰ জনজাতি দুটা ভাগত বিভক্ত কৰি আলোচনা কৰাৰ লগতে অসমত কোনটো ভাষী লোকৰ কিমান জনসংখ্যা আছে তাৰ তালিকা এখনি সন্নিবিষ্ট কৰা হৈছে।

দ্বিতীয় অধ্যায়ৰপৰা গাৰো জনজাতিৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায়ত 'গাৰো' নামটোৰ উৎপত্তি তথা অৰ্থ, গাৰোভূমিৰ ভৌগোলিক অৱস্থান, ঐতিহাসিক দৃষ্টিত গাৰো জনজাতি আৰু নৃতাত্ত্বিক দৃষ্টিত গাৰো জনজাতি- -এই চাৰিটা দিশ সামৰা হৈছে।

তৃতীয় অধ্যায়ত মাতৃসূত্ৰীয় সমাজ ব্যৱস্থা, সমাজগঠন, শাসন ব্যৱস্থা, বিবাহ, টোটেম, ধৰ্ম-বিশ্বাস, মৃতদেহ সংকাৰ, জন্ম আৰু নামকৰণ—এই কেইটা দিশৰ আলোচনা আগবঢ়োৱা হৈছে। আলোচনা প্ৰসঙ্গত মাতৃপ্ৰধান (Matriachal) সমাজ ব্যৱস্থা আৰু মাতৃসূত্ৰীয় (Matrilineal) সমাজ ব্যৱস্থাৰ এটি ধাৰণা দিবলৈ প্ৰয়াস কৰি গাৰো সমাজ ব্যৱস্থাৰ আভাস দিয়া হৈছে। এই অধ্যায়তে গাৰো গোত্ৰ ব্যৱস্থা, গোত্ৰৰ সংখ্যা, মাহাৰী, নোকমা, বিয়াৰ বিভিন্ন প্ৰকাৰ আৰু ৰীতি, বিভিন্ন প্ৰকাৰৰ দেৱতা আৰু অপদেৱতাৰ

পৰিচয় জ্ঞাপন কৰা হৈছে। এইবোৰ দিশে গাৰো সমাজক সুকীয়া বা বিশেষত্বপূৰ্ণ জনজাতি হিচাপে প্ৰতিষ্ঠা কৰিছে।

চতুৰ্থ অধ্যায়ত গাৰোসকলৰ গৃহ নিৰ্মাণ পদ্ধতি, কৃষিকৰ্ম, খাদ্যসম্ভাৰ, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ, অস্ত্ৰ-শস্ত্ৰ, খেল-ধেমালি আদিৰ বিষয়ে বৰ্ণনা কৰা হৈছে। এই অধ্যায়ৰ বৰ্ণনাৰ পৰা চাংঘৰ, ডেকাচাং, ঝুমখেতি, আৰু থলুৱা খেল-ধেমালি, সাজ-পাৰ, আ-অলংকাৰ, খাদ্যাভ্যাস আদিৰ পৰিচয় পাব পাৰি।

পঞ্চম অধ্যায়টো গাৰো ভাষা আৰু সাহিত্য সম্পৰ্কীয়। ইয়াত গাৰো ভাষা উৎপত্তি, উপভাষা, লিপি, লোকসাহিত্য, লিখিত সাহিত্য তথা সংবাদ-পত্ৰৰ বিষয়ে বিশদ আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়ত গাৰো উৎসৱ-অনুষ্ঠান সম্পৰ্কে আলোচনা কৰা হৈছে। ওৱানগালা, দোচীয়া, আচোংটাটা, আমুৱা, অথ্‌লা, আগালমাকা, দামা গোগাতা, ৰংচুগালা, জামে গাপ্‌পা, মাণ্ডোনা, ঘোড়ী ৰ'আ আদি গাৰো উৎসৱসমূহৰ বৰ্ণনা এই অধ্যায়ত দাঙি ধৰাৰ লগতে উৎসৱৰ লগত জৰিত হৈ থকা বাদ্য-যন্ত্ৰ, নৃত্য-গীত, পৰম্পৰাগত ৰীতি-নীতি আদিৰ কথাও আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়ত বিদ্যায়তনিক অধ্যয়নৰ বাবে একান্ত প্ৰয়োজনীয় 'গ্ৰন্থপঞ্জী' সংযোগ কৰা হৈছে। 'জনজাতি আৰু গাৰো জনজাতি' শীৰ্ষক অধ্যয়নৰ বাবে প্ৰয়োজনীয় তথ্য এই গ্ৰন্থ, আলোচনী, বাৰ্তাৰ কাকতসমূহৰপৰা আহৰণ কৰা হৈছে।

এইটো নকলেও চলে যে, লোকপিয়লৰ শেহতীয়া তথ্য আৰু জনজাতিৰ সংজ্ঞা, স্বৰূপ আৰু বৈশিষ্ট্য সম্পৰ্কে এক সুবিন্যস্ত ৰচনাৰে এইখন পৰিপুষ্ট হৈছে। সেয়েহে সাধাৰণ শ্ৰেণীৰ পঢ়ুৱৈৰ বাবেই নহয়, বিশ্ববিদ্যালয় তথা মহাবিদ্যালয়ৰ লোক-সংস্কৃতি অধ্যয়ন বিভাগ আৰু অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও ই অৱশ্যে পঠনীয় সন্দৰ্ভ গ্ৰন্থ হিচাপে বিবেচিত হৈ থাকিব। এই আশাৰে যথাযথ সংহাৰি বিচাৰি ড' বিমল মজুমদাৰৰ গ্ৰন্থখনি পঢ়ুৱৈৰ উদ্দেশ্যে আগবঢ়াই দিলোঁ।

দীপান্বিতা
২৫ অক্টোবৰ, ২০০৩ ইং
গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ, জালুকবাৰী।

(ড° উপেন ৰাভা হাকাচাম)
ৰীডাৰ, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

কৃতজ্ঞতা স্বীকাৰ

গাৰো সমাজ তথা তেওঁলোকৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ লগত পৰিচিত হ'বলৈ যি গৰাকী ব্যক্তিয়ে প্ৰথমে সুযোগ দিছিল, সেই গৰাকী নৃতাত্বিক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰাক্তন অধ্যাপক তথা ব্যক্তিগতভাৱে আমাৰ জেঠাদেউ প্ৰয়াত ড° ধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰৰ ঋণ প্ৰথমে সুঁৱৰিছোঁ।

দ্বিতীয়তে, এই গ্ৰন্থখনিয়ে প্ৰকাশৰ মুখ দেখাৰ মূলতে হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ শ্ৰদ্ধেয় ড° উপেন ৰাভা হাকাচাম চাৰ। তেখেতে প্ৰকাশক বিচাৰি দিয়াৰপৰা আৰম্ভ কৰি পাতনি লেখালৈকে সকলো দায়িত্ব আগ্ৰহেৰে কান্ধ পাতি লৈ আমাক সঁচাকৈয়ে ঋণী কৰিলে। সিমানেই নহয়, তেওঁৰ ব্যক্তিগত সংগ্ৰহৰপৰা ভালেমান মূল্যবান পুথি যোগান ধৰি, লগতে পুথিখনি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত যিধৰণে তাগিদা দিছে—সেই সকলোবোৰৰ শলাগ ল'বলৈ আমাৰ ভাষাৰ নাটনি।

তৃতীয়তে, যি গৰাকী ব্যক্তিৰ তত্ত্বাবধানত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰিছিলো, সেই গৰাকী তত্ত্বাবধায়ক তথা শিক্ষাগুৰু ড° পৰীক্ষিত হাজৰিকাদেৱৰ প্ৰতি এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে গৱেষণা কৰ্মৰ সময়ত বিশেষকৈ অনুবাদকৰ ভূমিকা পালন কৰা হাঁহিম হাইস্কুলৰ শিক্ষক জেকিং এন চাংমা, পৰোক্ষভাৱে সহায় কৰা 'মেঘালয় স্কুল শিক্ষা পৰিষদ'ৰ উপ-সচিব গিৰিবালা জি. মোমিন, জিলা মেলেৰীয়া বিভাগৰ বিষয়া বাৰ্লিন এম. চাংমা, আবকাৰী বিভাগৰ পৰিদৰ্শক টিডি. জি. মোমিন, গড়কাপ্তানী বিভাগৰ অভিযন্তা কমল জি মোমিন আৰু বন তথা ভূমি সংৰক্ষণ বিভাগৰ বিষয়া চেলউইন জি. মোমিনৰ উপকাৰ পাহৰিব নোৱাৰো। আটাইকেইগৰাকীলৈ মোৰ আন্তৰিক শলাগ তথা কৃতজ্ঞতা নিবেদন কৰিলো।

গ্ৰন্থপঞ্জীত উল্লেখিত পুথি, আলোচনী, বাতৰি কাকত আদি পুথিখনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায়ক হৈছে। সেইসকল গ্ৰন্থকাৰ, লেখক, সম্পাদক আৰু প্ৰকাশকলৈ শলাগৰ শৰাই যাঁচিছোঁ। লগতে বেটুপাতৰ পৰিকল্পনাৰ বাবে চন্দন দেলৈ ধন্যবাদ জনাইছোঁ।

গ্ৰন্থখনিৰ প্ৰকাশৰ ক্ষেত্ৰত অসমৰ অগ্ৰণী তথা অভিজাত প্ৰকাশন গোষ্ঠী বীণা লাইব্ৰেৰীৰ স্বত্বাধিকাৰী শ্ৰীযুত শান্তিৰঞ্জন দে আৰু শ্ৰী চন্দন দে'ই যি উদ্যোগ ল'লে তাৰ বাবে দুয়োগৰাকীলৈ অন্তৰ-ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

নলবাৰী কলেজ
অসম

বিমল মজুমদাৰ

সূচীপত্র

উপক্রমণিকা ১১

প্রথম অধ্যায় ঃ জনজাতি ১৫

- জনজাতীয় বৈশিষ্ট্য ১৮
- অসমৰ জনজাতি ২৮

দ্বিতীয় অধ্যায় ঃ গাৰো জনজাতিৰ পৰিচয় ৩১

- 'গাৰো' শব্দৰ উৎপত্তি ৩১
- গাৰো ভূমিৰ ভৌগোলিক অৱস্থান ৩২
- ঐতিহাসিক দৃষ্টিত গাৰো জনজাতি ৩৪
- নৃতত্ত্বৰ দৃষ্টিত গাৰো জনজাতি ৩৯

তৃতীয় অধ্যায় ঃ গাৰো সমাজ জীৱন ৪২

- মাতৃসূত্রীয় সমাজ ব্যৱস্থা ৪২
- সমাজ গঠন ৪৩
- শাসন ব্যৱস্থা ৪৫
- বিবাহ প্রথা ৪৭
- টোটেম ৫৬
- ধর্ম বিশ্বাস ৬০
- মৃতদেহ সৎকাৰ ৬৭
- জন্ম আৰু নামকৰণ ৭০

চতুৰ্থ অধ্যায় ঃ ঘৰুৱা জীৱন ৭২

- গৃহ নিৰ্মাণ প্ৰণালী ৭২
- কৃষি-কৰ্ম ৭৭
- খাদ্য-সম্ভাৰ ৭৯
- পোছাক-পৰিচ্ছদ ৮৩
- আ-অলংকাৰ ৮৪

- অস্ত্র-শস্ত্র ৮৬
- খেল-ধেমালি ৮৭
- গাবো বর্ষপঞ্জী ৮৮

পঞ্চম অধ্যায় : গাবো ভাষা আৰু সাহিত্য ৯২

- গাবো ভাষাৰ উৎপত্তি ৯২
- গাবো উপভাষা ৯৩
- গাবো লিপি ৯৫
- লোক-সাহিত্য ৯৮
- গাবো লোক-সাহিত্য ১০৮
- গাবো লিখিত সাহিত্য ১৬৩
- গাবো সংবাদ-পত্র ১৭৬

ষষ্ঠ অধ্যায় : গাবো লোক-উৎসব ১৮১

- ওৱানগালা ১৮১
- দোটীয়া ১৮৪
- আচোংটাটা, আমুৱা, অথলা ১৮৬
- আগালমাকা, দামা গোগাতা ১৮৭
- ৰংচুগালা ১৮৮
- জামে গাপ্‌পা ১৮৯
- মাঙোনা ১৮৯
- ঘোড়ী ৰ'আ ১৯০
- গ্ৰন্থপঞ্জী ১৯১

উপক্ৰমণিকা

(১)

সাম্প্ৰতিক কালত দেশে-বিদেশে জনজাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ চিন্তা-চৰ্চাই এক বিশেষ গুৰুত্ব লাভ কৰি অহা পৰিলক্ষিত হৈছে। এনে প্ৰৱণতাৰ কাৰণ দুটা—এটা হ'ল গোলকীকৰণ (Globalisation)ৰ প্ৰভাৱ আৰু আনটো হ'ল আত্ম-প্ৰতিষ্ঠাৰ প্ৰয়াস। গোলকীকৰণে সমগ্ৰ বিশ্বকে এখন গাঁৱত পৰিণত কৰিব খুজিছে। এনে পৰিস্থিতিত চুবুৰীয়া জনজাতিসকলৰ বিষয়ে সামগ্ৰিক ধাৰণা একোটা লোৱাৰ প্ৰয়াসৰ ফলত জনজাতীয় চিন্তা-চৰ্চাই ভালেখিনি উৎকৰ্ষতা লাভ কৰিছে। দ্বিতীয়তে, আজি কেইটামান দশক ধৰি জনজাতীয় লোকসকলে আত্ম-প্ৰতিষ্ঠাৰ বাবে কৰা সংগ্ৰামে বহুতকে এই জনগোষ্ঠীসমূহৰ বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ বাধ্য কৰাইছে।

উত্তৰ পূৰ্বাঞ্চল (North-East Region) সাতখন ৰাজ্যৰ সমষ্টি। এসময়ত এই সাতোখন ৰাজ্য 'বৰ অসম'ৰ অন্তৰ্গত আছিল। আনহাতে, উত্তৰ-পূব পৰিষদ (North East Council) বুলিলে ওপৰোক্ত সাতখন ৰাজ্যৰ উপৰিও ছিকিমক সামৰি লয়। বিচিত্ৰ দেশ ভাৰতবৰ্ষ; তাতকৈ বিচিত্ৰ উত্তৰ-পূৰ্বাঞ্চল। কিয়নো ই বিভিন্ন জনজাতিৰ আবাস-ভূমি তথা বৰ্ণাঢ্য সংস্কৃতিৰ মিলন-ভূমি। উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতি আৰু তেওঁলোকৰ বৈচিত্ৰ্যময় সংস্কৃতিক প্ৰথম অৱস্থাত বৃটিছ শাসনকৰ্তা তথা মিছনেৰীসকলে বিশ্বৰ আগত পৰিচয় কৰাই দিছিল। লাহে লাহে স্থানীয় লোকসকলেও এনে চিন্তা-চৰ্চাত আগভাগ লৈ নিজৰ জনগোষ্ঠীটোৰ বিষয়ে ঐতিহাসিক, ধৰ্মীয়, ভাষিক, সাংস্কৃতিক দিশসমূহৰ তথ্য উদ্ঘাটনৰ বাবে প্ৰচেষ্টা চলায়। পৰৱৰ্তীকালত বিদ্যায়তনিক (Academic) দিশৰ লগত জড়িত হৈ পৰাত জনজাতি তথা তেওঁলোকৰ জীৱন ধাৰা গৱেষণাৰ বিষয়বস্তু হৈ পৰে।

জনজাতিসকলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশৰ অধ্যয়নৰ প্ৰয়োজনীয়তা বা প্ৰাসঙ্গিকতা দিনে দিনে বৃদ্ধি পাই আহিছে। প্ৰথম কথা, এনেধৰণৰ নিৰ্মোহ অধ্যয়নে জনজাতি সম্পৰ্কে আমাৰ সমাজত থকা বদ্ধমূল ধাৰণাসমূহ আঁতৰ কৰাত সহায়ক হ'ব পাৰে। দ্বিতীয়তে, বিভিন্ন জাতি-জনজাতিৰ অধ্যয়নে সামাজিক সমন্বয় সাধন প্ৰক্ৰিয়াত ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পাৰে; যিটো বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিতান্তই আৱশ্যক। এনেবোৰ কাৰণতে জনজাতীয় চিন্তা-চৰ্চাই সাম্প্ৰতিক কালত বিশেষ গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ সুফল হিচাপে এহাতে ভাষা-সাহিত্য-সংস্কৃতিৰ পথাৰত নতুন নতুন মাত্ৰা সংযোগ হৈছে, আনহাতে, সামাজিক দৃষ্টিকোণৰ পৰা মানসিক দিগন্ত বিস্তৃত তথা উদাৰ কৰি তোলাত সহায়ক হৈছে।

(২)

ভাৰতবৰ্ষত যিকেইটা জনজাতিয়ে মাতৃসূত্ৰীয় (Matrilineal) সমাজ ব্যৱস্থাৰ মাধ্যমত স্বকীয়তা এতিয়াও অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে, তাৰে ভিতৰত মেঘালয় ৰাজ্যৰ অন্তৰ্গত গাৰোসকল অন্যতম। এওঁলোকৰ বৈচিত্ৰ্যময় মাতৃসূত্ৰীয় সমাজ-ব্যৱস্থা, উত্তৰাধিকাৰী আইন, বিবাহ-প্ৰথা আদিয়ে দেশী-বিদেশী পণ্ডিত সমাজ তথা নৃতত্ত্ববিদসকলৰ মাজত বেছ কৌতূহলৰ উদ্ৰেক কৰিছে। এই কৌতূহলৰ বশৱৰ্তী হৈ অনুসন্ধিৎসুসকলে গাৰো জনজাতিৰ বিষয়ে বিস্তৃত তথ্য আহৰণ কৰাৰ উদ্দেশ্যে উনৈছ শতিকাৰ শেষভাগৰ পৰা গাৰোসকলৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ আৰম্ভ কৰে। প্ৰাথমিক পৰ্যায়ত, এই যোগাযোগৰ লগত প্ৰশাসনীয় স্বাৰ্থ নিহিত আছিল। কাৰণ বৃটিছ শাসকসকলৰ তেতিয়াৰ উদ্দেশ্য আছিল এই স্বাধীন তথা নিৰ্ভীক গাৰো জনজাতিক সম্পূৰ্ণভাৱে আয়ত্তলৈ আনি বশ্যতা স্বীকাৰ কৰোৱা। শেষ পৰ্যন্ত, বৃটিছ শাসকসকলে এই উদ্দেশ্যত সফলতাও অৰ্জন কৰে। তাৰ পিছৰেপৰাই বিভিন্ন সময়ত, বিভিন্ন পণ্ডিত বিশেষকৈ নৃতত্ত্ববিদসকলে গাৰোসকলক লৈ ব্যাপক অনুসন্ধান চলাবলৈ আৰম্ভ কৰে। তাৰে ভিতৰত গাৰো পাহাৰৰ এসময়ৰ ডেপুটি কমিচনাৰ (উপায়ুক্ত) তথা নৃতত্ত্ববিদ মেজৰ এ. প্লেফেয়াৰৰ নাম সকলোতকৈ আগত। তেওঁৱেই পোন প্ৰথমবাৰৰ বাবে বাস্তৱ অভিজ্ঞতা সমৃদ্ধ সুলিখিত বিৱৰণৰ যোগেদি পৃথিৱীৰ সভ্য সমাজক গাৰোসকলৰ বিষয়ে বিশদ তথ্য জানিবলৈ বাট মুকলি কৰি দিয়ে। এই প্ৰসঙ্গত তেওঁৰ 'The Garos' (1909) গ্ৰন্থ উল্লেখযোগ্য। প্লেফেয়াৰৰ পৰৱৰ্তী কালত চিয়ে নাকনে, বাট্ৰাণ্ড গাব্ৰিয়েল, তৰুণ চন্দ্ৰ সিন্হা, প্ৰভৃতি খ্যাতনামা নৃতত্ত্ববিদে গাৰো জনজাতিক লৈ ব্যাপক গৱেষণা চলায় আৰু এই সম্পৰ্কে বহু মূল্যবান তথ্য লিপিবদ্ধ কৰি শিক্ষিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰে। সাম্প্ৰতিক কালত ৰবিন্চ বাৰ্লিন, মাধবচন্দ্ৰ গোস্বামী, ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰ, পৰিমল চন্দ্ৰ কৰ, দেৱানসিং ৰংমুথু, মিল্টন চাংমা, সুভাষ জেংচাম, হৰেন্দ্ৰ মাৰাক প্ৰমুখ্যে নৃতত্ত্ববিদ আৰু সমাজ বিজ্ঞানীয়ে গাৰোসকলক লৈ গৱেষণাৰ ভিত্তিক সামাজিক, সাংস্কৃতিক, ভাষিক, ধৰ্মীয়, ঐতিহাসিক জীৱনৰ বিভিন্ন দিশ উন্মোচন কৰে।

(৩)

'বৃহৎ অসম'ৰ ৰাজনৈতিক মানচিত্ৰ আজি খণ্ড-বিখণ্ড। সত্তৰ আৰু আশীৰ দশকত নগালেণ্ড, মিজোৰাম, অৰুণাচল, মণিপুৰ, ত্ৰিপুৰা, মেঘালয়ক প্ৰশাসনীয় সুবিধাৰ দোহাই দি অসমৰ পৰা বিছিন্ন কৰি সুকীয়া সুকীয়া ৰাজ্য স্থাপন কৰা হ'ল। মেঘালয় ৰাজ্য স্থাপনৰ লগে লগে গাৰোসকলৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক মানচিত্ৰত এক উল্লেখযোগ্য স্থানৰ অধিকাৰী হ'ল। যদিও ৰাজনৈতিকভাৱে গাৰো পাহাৰ অসমৰপৰা আঁতৰি গৈ মেঘালয় ৰাজ্যৰ লগ লাগিল, তথাপি অসমীয়া সংস্কৃতিৰ সীমান্তত বসবাস কৰা পৰ্বতবাসী গাৰোসকল মানসিক বা সাংস্কৃতিকভাৱে আজিও অসমীয়া সংস্কৃতিৰ লগত থকা যোগসূত্ৰ বিছিন্ন নহ'ল। আনহাতে, এতিয়াও এক বৃহৎ সংখ্যক গাৰো জনজাতিৰ লোক অসমৰ স্থায়ী বাসিন্দা।

গাৰো পাহাৰ অসমৰ প্ৰতিবেশী এলেকা। তথাপি গাৰোসকলৰ ভাষা, সংস্কৃতি,

সাহিত্য সম্পৰ্কীয় অধ্যয়ন অসমীয়া ভাষাত নিচেই তাকৰ। ড° ধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰৰ 'গাৰো সংস্কৃতিৰ ৰূপৰেখা' (১৯৭৪) নামৰ ৬৩ পৃষ্ঠাৰ এখনি পুথিৰ বাহিৰে গাৰো জনজাতি সম্পৰ্কে কোনো উল্লেখযোগ্য পুথি এতিয়ালৈকে প্ৰকাশ হোৱা নাই। এই অভাৱ পূৰণৰ বাবেই 'জনজাতি আৰু গাৰো জনজাতি' নামৰ এই গ্ৰন্থখনিৰ জন্ম।

গাৰো সমাজৰ লগত আমাৰ ব্যক্তিগত সম্পৰ্ক বহুদিনীয়া। প্ৰয়াত নৃতত্ত্ববিদ তথা আমাৰ জেঠাদেউ ড° ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰে গাৰো ছোৱালী বিয়া কৰাই গাৰো সমাজৰ লগত সম্পৰ্ক স্থাপন কৰে। সেই সূত্ৰে গাৰো সমাজৰ লগত আমাৰো আত্মীয়তা বৃদ্ধি পায়। তেতিয়াৰেপৰা গাৰোসকলৰ বিভিন্ন ৰীতি-নীতি, গীত-মাত, উৎসৱ-অনুষ্ঠান, জীৱন-যাপনৰ প্ৰণালী সম্পৰ্কে ওচৰৰপৰা নিৰীক্ষণ কৰাৰ সুযোগ পাওঁ। এনে সুযোগৰ ফলতেই "গাৰো লোক-সাহিত্যৰ লগত অসমীয়া লোক সাহিত্যৰ তুলনামূলক অধ্যয়ন" শীৰ্ষক গৱেষণা-গ্ৰন্থ প্ৰস্তুত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰিবলৈ সক্ষম হওঁ। এই গৱেষণা-গ্ৰন্থৰ বাবেই ১৯৯৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আমাক পি.এইচ.ডি. ডিগ্ৰী প্ৰদান কৰে। উক্ত গৱেষণা-কৰ্ম কেৱল গাৰো লোকসাহিত্যৰ মাজতে সীমাবদ্ধ আছিল। সম্প্ৰতি এই গ্ৰন্থখনিত গাৰো সমাজৰ সকলোবোৰ দিশকে সামৰি লৈ ব্যাপক পটভূমিত বিচাৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত (অসমীয়া আৰু নৃতত্ত্ব বিষয়ত) জনজাতি পাঠ্যক্ৰমৰ ভিতৰৰা এটি বিশেষ বিষয়। পুথিখনি প্ৰস্তুত কৰোঁতে এই দিশটোৰ প্ৰতিও দৃষ্টি ৰখা হৈছে ; যাতে ছাত্ৰ-ছাত্ৰীয়ে কিছু সমল এই পুথিখনিৰ পৰা আহৰণ কৰিব পাৰে।

এই পুথিখনিত সন্নিবিষ্ট আলোচনাবিলাকৰ কিছু অংশ সুকীয়া সুকীয়াকৈ প্ৰবন্ধ আকাৰে কেইবাখনো সম্পাদিত পুথি, বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ হৈ গৈছে। ড° নবীন চন্দ্ৰ শৰ্মাৰ দ্বাৰা সম্পাদিত 'অসমৰ সংস্কৃতি-সমীক্ষা' (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সোণালী জয়ন্তী প্ৰকাশন, ২০০০) গ্ৰন্থত প্ৰকাশিত 'গাৰো সংস্কৃতিৰ আভাস' প্ৰবন্ধ; ড° শৰ্মাৰ দ্বাৰা প্ৰকাশিত আন এখনি সম্পাদিত গ্ৰন্থ 'অসমৰ মাঘবিহু' (২০০০)ত প্ৰকাশিত 'গাৰো মাঘবিহু'; হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত 'আমাৰ অসম'ত প্ৰকাশিত 'জনজাতি : সংবিধান আৰু নৃতত্ত্ব দৃষ্টিত', 'গাৰো সংবাদ পত্ৰৰ বুৰঞ্জী'; কীৰ্তেন বৰুৱাৰ দ্বাৰা সম্পাদিত 'খবৰ'ত প্ৰকাশিত 'গাৰো জনগোষ্ঠী', 'বাৰ্তা পত্ৰিকা'ত প্ৰকাশিত 'অসমৰ গাৰো' আদি প্ৰবন্ধ এই প্ৰসঙ্গত উল্লেখনীয়। তেনেদৰে আলোচনা চক্ৰত পঠিত দুখন গৱেষণা পত্ৰও ইয়াত সংযোগ কৰা হৈছে।

পুথিখনিয়ে সুধী সমাজৰ পৰা সামান্যতম সঁহাৰি লাভ কৰিব পাৰিলেও আমাৰ শ্ৰম সাৰ্থক হ'ব।

নলবাৰী কলেজ
১৫/৮/০৩ ইং.

(বিজয় মজুমদাৰ)

প্ৰথম অধ্যায়

জনজাতি

বৰ্তমান সময়ত বহুলভাৱে প্ৰচলিত এটা শব্দ হ'ল "জনজাতি"। অসমীয়া ভাষাত এইটো এটা নতুনকৈ নিৰ্মিত শব্দ। ইংৰাজী (tribe) শব্দৰ সমাৰ্থক হিচাপে অসমীয়াত 'জনজাতি' শব্দটো ব্যৱহাৰ কৰা হয়। কোনো কোনোৱে আকৌ জনজাতিক বুজাবলৈ ইণ্ডিজিনিয়াচ পিপ'লচ (Indigenous peoples) শব্দটোৱো ব্যৱহাৰ কৰে। একেদৰে জনজাতিক বুজাবলৈ 'পিছপৰা' (backward), 'আদিম' (Primitive) 'অনাৰ্য (Non-Aryan), 'ভূমিপুত্ৰ', 'থলুৱা', 'খিলঞ্জীয়া' 'উপজাতি', 'আদিবাসী' আদি শব্দৰো প্ৰচলন আছে।

'জনজাতি' বুলি ক'লে আমাৰ মানস পটত সচৰাচৰ সুকীয়া আৱয়ৱিক বা দৈহিক গঠনেৰে পৰিপুষ্ট একশ্ৰেণী মানুহৰ চিত্ৰ ভাঁহি উঠে। চেপেটা মুখমণ্ডল, অনুচ্চ নাক, চকুৰ আকাৰ সৰু তথা চকুৰ পল্লৱদ্বয় কম মেলখোৱা, ঠৰঙা চুলি, পাতল গোঁফ, গাল গোলাকাৰ, ভৰিৰ পতা বহল আদি দৈহিক গঠনৰ অধিকাৰীসকলেই তথাকথিত 'জনজাতি'। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে, বহুকাল ধৰি অন্যান্য গোষ্ঠীৰ লগত হোৱা সংমিশ্ৰণ তথা সাংস্কৃতিক বিনিময়ৰ ফলত জনজাতিসকলে ওপৰত উল্লেখ কৰা স্বকীয় আৱয়ৱিক বৈশিষ্ট্য সম্প্ৰতি বহু পৰিমাণে হেৰুৱাই পেলোৱাৰ লগতে বহুক্ষেত্ৰত তেজৰ বিশুদ্ধতাও ইতিমধ্যে হেৰুৱাই পেলাইছে।

ইংৰাজী 'tribe' শব্দটো লেটিন 'tribus' শব্দৰ পৰা আহিছে। Tribus আছিল প্ৰাচীন ৰোমানসকলৰ তিনিটা শ্ৰেণীৰ ভিতৰত এটা। পৰৱৰ্তী কালত এই শব্দটোৱে এছিয়া, আফ্ৰিকা আৰু ওচেনিয়াৰ পিছপৰা সম্প্ৰদায়সমূহক সূচাবলৈ ধৰে।[1]

'জনজাতি' শব্দটো দুই ধৰণে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। এটা হ'ল ভাৰতীয় সংবিধানে স্বীকৃতি দিয়া tribe বা জনজাতি আৰু আনটো হ'ল নৃতত্ত্ববিদসকলৰ জনজাতি। দুয়োটাৰে দৃষ্টিভঙ্গী তথা বিভাজন সুকীয়া সুকীয়া। ৰাষ্ট্ৰ-ব্যৱহৃত আইনগতভাৱে বহু সম্প্ৰদায়ক জনজাতি হিচাপে স্বীকৃতি দিয়া হৈছে। ভাৰতীয় সংবিধানত বিশেষ কেতবোৰ সম্প্ৰদায়ক জনজাতি হিচাপে ধৰি লোৱা হৈছে আৰু এই জনজাতি বোলা সম্প্ৰদায়সমূহে সাংবিধানিকভাৱে কেতবোৰ সা-সুবিধা উপভোগ কৰে। সংবিধানত এখন অনুসূচী যোগে এই সম্প্ৰদায়সমূহক জনজাতি বুলি ঘোষণা কৰা হৈছে আৰু সেইবাবেই এই সম্প্ৰদায়সমূহক অনুসূচীত জনজাতি (Scheduled tribe) বোলা হয়। সংবিধানৰ উদ্দেশ্য হ'ল সামাজিক বা অৰ্থনৈতিকভাৱে পিছপৰা এই সম্প্ৰদায়সমূহক সাংবিধানিকভাৱে সুৰক্ষা বা সংৰক্ষণৰ সুবিধা দি অন্যান্য সম্প্ৰদায়সমূহৰ জীৱন-যাত্ৰাৰ মানৰ লগত সমতা স্থাপন কৰা।

আনহাতে, নৃতত্বৰ ফালৰ পৰা জনজাতি সংজ্ঞা কেইবাটাও। Andre Beteille ৰ মতে জনজাতি মানে উন্নত কৃষিকৰ্মৰ বিষয়ে অজ্ঞ, জুম খেতিৰ বাবে অস্থায়ী বাসস্থান, উন্নত সংস্কৃতিৰ অভাৱ থকা একশ্ৰেণীৰ আদিম জাতি।[২] Dr. D.N. Mazumdar ৰ মতে, জনজাতি শব্দটোৱে সাধাৰণতে ভিতৰুৱা অঞ্চলত (Isolated area) থকা বন্য-সংস্কৃতিৰ ফালৰ পৰা পিছপৰা সুকীয়া সাংস্কৃতিক বৈশিষ্ট্যপূৰ্ণ (Unfamiliar cultural trait) কেতবোৰ জনগোষ্ঠীক বুজোৱা হয়।[৩] কোনো কোনোৰ মতে জনজাতি হ'ল সভ্যতাৰ পোহৰত পিছপৰি থকা সুকীয়া বৈশিষ্ট্যপূৰ্ণ সুসংবদ্ধ গোষ্ঠী।[৪] নৃতত্ববিদ মাধৱচন্দ্ৰ গোস্বামীয়ে জনজাতি সম্পৰ্কে এনে বিৱৰণ দিছে—" I define tribe as a well-defined social and cultural entity which differentiates itself from other similarly composed units. The common bon generated through the use of a common tongue or because of occupying the same territory does no longer operate among many tribal groups.[৫]

সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে, ভাৰতীয় সংবিধান স্বীকৃত 'জনজাতি' আৰু নৃতত্ববিদসকলৰ 'জনজাতি'ৰ সংজ্ঞাৰ মাজত বহুক্ষেত্ৰত অস্পষ্টতা আছে। উদাহৰণ স্বৰূপে মঙ্গোলীয় প্ৰজাতিৰ (অসমৰ ক্ষেত্ৰত) বড়ো, ৰাভা, গাৰো, ডিমাচা আদি সংবিধান স্বীকৃত জনজাতি। কিন্তু নৃতত্বৰ বিচাৰত এই একে শাখাৰ ভিতৰত থকা কোঁচ, মৰাণ, চুটীয়া আদি গোষ্ঠীক সংবিধানে জনজাতি হিচাপে শ্ৰেণীভুক্ত কৰা নাই। আনহাতে, জাতি-গোষ্ঠীৰ বিচাৰত মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত জাপানী, চীনা আদিক 'পিছপৰা' বা জনজাতি শ্ৰেণীৰ লোক বুলি ক'ব পৰা যায় নে? যিহেতু জাপানী বা চীনাসকল বৰ্তমান এছিয়াৰ ভিতৰতে, সুসভ্য তথা উন্নত জাতি। গতিকে দেখা যায় যে, মঙ্গোলীয় হ'লেই পিছপৰা বা জনজাতি নহ'বও পাৰে। আনহাতে, 'পিছপৰা' অৰ্থতেই যদি জনজাতি বুলি কোনো সম্প্ৰদায়ক স্বীকৃতি দিয়া হয়, তেনেহ'লে অনা-মঙ্গোলীয়সকলোকো (যিসকল প্ৰকৃত অৰ্থত পিছপৰা) জনজাতি বুলি চিহ্নিত কৰা উচিত।

গতিকে সংবিধান আৰু নৃতত্ব দুয়োটা দৃষ্টিভঙ্গীয়েই জনজাতি সম্পৰ্কত কিছু খেলি-মেলিৰ সৃষ্টি নকৰা নহয়। নৃতত্ববিদসকলে কোৱা সুকীয়া বৈশিষ্ট্যপূৰ্ণ সাংস্কৃতিক পৰম্পৰা পালন কৰিলেই কোনো মানুহক 'জনজাতি' বুলি কোৱা সমীচীন নে? কাৰণ পৃথিৱীৰ বহু উন্নত জাতিৰেই নিজস্ব বা সুকীয়া সাংস্কৃতিক পৰম্পৰা আছে। এনে খেলি-মেলিক আৰু অধিক জটিল কৰি তুলিছে এনে ধৰণৰ মন্তব্যই—"আৰ্য বুলি নিজকে আখ্যা দিয়া এই নৰ্ডিক জাতিৰ লোকসকল এসময়ত এটি জনজাতি ৰূপে ভাৰতৰ বাহিৰত বাস কৰি চামে চামে ইয়াত প্ৰৱেশ কৰিছিল।"[৬] ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে নৰ্ডিক আৰ্যসকল একালত অসভ্য জনজাতি আছিল বুলি অভিমত দিছে।

গতিকে দেখা যায় যে, 'জনজাতি' শব্দটো প্ৰয়োগৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্টতা নাই। আৰ্যসকলো এদিন জনজাতি আছিল। পৰৱৰ্তীকালত জীৱন যাপনৰ উৎকৰ্ষতা লাভ কৰা বাবে হয়তো এদিন 'জনজাতি'ৰ মোহৰটো তেওঁলোকৰ গাৰ পৰা আঁতৰিল। সেই অৰ্থত

জাপানী বা চীনাসকল মঙ্গোলীয় গোষ্ঠীৰ হ'লেও ইতিমধ্যে উৎকৰ্ষতা লাভ কৰাৰ বাবে বৰ্তমানেও তেওঁলোকক 'জনজাতি' বুলি কোৱাৰ কোনো যুক্তিযুক্ততা নাই। অথচ ১৯৯১ চনৰ লোকপিয়লত দেখুওৱা হৈছে পৃথিৱীৰ ২৫ কোটি জনজাতিৰ ভিতৰত কেৱল চীনতে আছে সৰ্বাধিক ৯ কোটি জনজাতি। অৰ্থাৎ চীনাসকল জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত।

দৰাচলতে, ভাৰতবৰ্ষত জনজাতি বা tribe ৰ সৃষ্টি কৰে বৃটিছ শাসকসকলে। সাম্ৰাজ্যবাদী বৃটিছসকলৰ নীতি আছিল বিভাজন আৰু শাসন (Devide and rule)। জনজাতি আৰু অজনজাতিসকলৰ মাজত ব্যৱধান চিৰস্থায়ী কৰিবলৈ বৃটিছ সাম্ৰাজ্যবাদীসকলে 'পিছপৰা এলেকা' (Backward tracts), জনজাতীয় খণ্ড (Tribal block), জনজাতীয় বেষ্টনী (Tribal belt) আদিৰ সৃষ্টি কৰিছিল। বৃটিছ চৰকাৰে ১৯১৯ চনতে 'পিছপৰা এলেকা' বুলি ঘোষণা কৰা উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰীয়া জনজাতি অধ্যুষিত অঞ্চলসমূহক বহিৰ্ভূত এলেকা (Excluded area) আৰু 'আংশিক বহিৰ্ভূত এলেকা' (Partially excluded area) এনে দুটা ভাগতো ভাগ কৰিছিল। পাহাৰৰ জনজাতীসকলে ভৈয়ামৰ মানুহৰ লগত মিলা-মিছা কৰাৰ পথ ৰোধ কৰাৰ উদ্দেশ্যে বৃটিছ চৰকাৰে মাথোন ওপৰত উল্লেখ কৰা প্ৰশাসনীয় ব্যৱস্থাসমূহ লৈয়ে ক্ষান্ত থকা নাছিল, তেওঁলোকে এনে ব্যৱস্থা গ্ৰহণ কৰিছিল শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰতো। উন্নতিৰ উদ্দেশ্যেৰেই জনজাতীয় অঞ্চলসমূহৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে বুলি বৃটিছ চৰকাৰে বাহিৰত ঘোষণা কৰিছিল। কিন্তু তেওঁলোকৰ ভিতৰুৱা উদ্দেশ্য আছিল পাহাৰৰ লোকসকলক ভৈয়ামৰ মানুহৰ পৰা পৃথক কৰি ৰখা।[৭] গতিকে দেখা যায় যে, tribe সৃষ্টি কৰাৰ অন্তৰালত বৃটিছসকলৰ কোনো মহৎ উদ্দেশ্য নিহিত নাছিল।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা সুদীৰ্ঘ পচপন্ন বছৰ ধৰি জনজাতিসকলে সাংবিধানিক সুবিধা উপভোগ কৰি আহিছে। কিন্তু প্ৰকৃতপক্ষে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক দিশত কিবা উল্লেখ্যযোগ্য পৰিবৰ্তন বা উন্নতি হৈছে নে? উত্তৰ নিঃসন্দেহে নেতিবাচক। সেইবাবে বহুতে ক'ব খোজে—'জনজাতি' শব্দটো দৰাচলতে সময়ৰ এটা কিবাট ভ্ৰান্তি।

---

১. Mazumdar, D.N.–The Garos, P–47.
২. Beleille, Andre–The defenation of tribes প্ৰবন্ধ, Tribes Caste, and Religion গ্ৰন্থ, পৃ : 9-10.
৩. Mazumder, D.N.– উক্ত গ্ৰন্থ, পৃ : 48.
৪. ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ—'অসমীয়া সংস্কৃতিত জনজাতীয় বৰঙণি' প্ৰবন্ধ অসমীয়া সংস্কৃতি গ্ৰন্থ, পৃ : 98.
৫. Goswami M.C. Tribe–Caste Relation in N.F. India, Journal of G.U Vol-XX-XXII-1969-71. P-2.
৬. Chattarji, S.K–Kirata Jana Krti, P-11
৭. বৰ্মণ, শিৱনাথ—অসমৰ জনজাতি সমস্যা, পৃ : 25-26.

জনজাতীয় বৈশিষ্ট্য

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা জনজাতিসকলৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। আমেৰিকাৰ খ্ৰীষ্টিয়ান মিছনেৰী তথা বিখ্যাত সমাজতত্ত্ববিদ ড° ডব্লিউ, চি, স্মিথে তেওঁৰ "Ao Naga Tribes of Assam : a study in Ethnology and Sociology" (London, 1925) নামৰ গ্ৰন্থত মঙ্গোলীয় (তিব্বত বাৰ্মা)সকলৰ তেৰটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেই তেৰটা বৈশিষ্ট্য হ'ল—মূৰ চিকাৰ, চাংঘৰত বসবাস, ডেকাচাঙৰ প্ৰচলন, গাত উল্কি আঁকা, চাঙৰ ওপৰত মৰা-শ সংকাৰ, কঁকালত বোৱা তাঁতাশাল, তামোল-পাণৰ বহুল প্ৰচলন, গাখীৰৰ প্ৰতি অনীহা, পৰ্বতত বসবাস, প্ৰাক্-বৈবাহিক যৌন-মিলন, ৰাজনীতিযুক্ত শাসন ব্যৱস্থা, ঢালৰ ব্যৱহাৰ আৰু কমাৰৰ ভাতীৰ প্ৰচলন। ভাৰতৰ প্ৰতিটো জনজাতিৰ ক্ষেত্ৰত এই বৈশিষ্ট্যসমূহ নিৰঙ্কুশভাৱে প্ৰযোজ্য নহয় যদিও বেছিভাগ ক্ষেত্ৰতে পৰিলক্ষিত হয়। তলত স্মিথে উল্লেখ কৰি যোৱা প্ৰতিটো বৈশিষ্ট্যৰ বিষয়ে একোটিকৈ চমু আভাস দিবলৈ প্ৰয়াস কৰা হ'ল।

১। মূৰ চিকাৰ (Head hunting) : নৃতাত্ত্বিক তথা প্ৰত্নতাত্ত্বিকসকলৰ মতে মানুহৰ সভ্যতাৰ আদিম স্তৰত চিকাৰেই আছিল প্ৰধান জীৱিকা। চিকাৰ কৰি যি জীৱ-জন্তু পাইছিল তাৰ পৰাই জীৱন-নিৰ্বাহ কৰিছিল।[১] মেথিয়াচ হাবমেন্‌ছ, ড° হাটন, স্মিথ আদিয়েও এই কথা স্বীকাৰ কৰি গৈছে। জীৱ-জন্তু চিকাৰৰ উপৰিও জনজাতিসকলৰ মাজত মূৰ চিকাৰ কৰা এটা বিশেষ প্ৰথা হিচাপে প্ৰচলন আছিল। মূৰ চিকাৰৰ প্ৰধান তাৎপৰ্য হ'ল শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা। নগা জনজাতিসকলৰ মাজত এই প্ৰথাটো অধিক ব্যাপক ৰূপত প্ৰচলিত আছিল। তেওঁলোকৰ বিশ্বাস আছিল যে, যুদ্ধত যিজনে যিমান সংখ্যক মানুহৰ মূৰ কাটিব পাৰে, তেওঁ সিমানেই শক্তিশালী বা বলী। এতিয়াও নগা মানুহৰ ঘৰত মানুহৰ কটা মূৰৰ আঁকা দেখিবলৈ পোৱা যায়। যুদ্ধ বা মূৰ চিকাৰ অভিযানত তেওঁলোকে একোটা ডাঙৰ ঢোল লৈ গৈছিল। প্ৰথমে চিকাৰ কৰি অনা মানুহৰ মূৰবোৰ ঢোলটোৰ সমুখত লৈ বিজয়ী দলে আনন্দত আত্মহাৰা হৈ নাচিছিল, ঢোল বজাই বং-বহইচ কৰি কিৰিলি পাৰিছিল। তাৰ পিছত মূৰবোৰ বিতৰণ কৰা হয়। যিয়ে যিমান সাহসী বুলি খ্যাতি অৰ্জন কৰিব পাৰে, তেওঁ সিমান বেছিকৈ ইয়াৰ অংশ পায়। বিয়া-বাৰু কৰোঁৱা যুঁজাৰুৱে চিকাৰ কৰা মূৰবোৰ নিজৰ ঘৰলৈ নিয়ে; আনহাতে বিবিলাকে অবিবাহিত, তেওঁলোকে মৰংঘৰ অৰ্থাৎ ডেকাচাঙলৈ

---

১. Herskorits, Melville—Cultural Anthropology, P-125.

নি সেইবোৰ ওলোমাই থয়। ইংৰাজৰ আগৰ সময়লৈকে এই মূৰ চিকাৰ প্ৰথাৰ প্ৰচলন আছিল।[২]

ডফলাসকল চিকাৰী হিচাপে পাহাৰীয়া জাতিৰ মাজত বিখ্যাত। প্ৰায়বোৰেই নিপুন চিকাৰী। জন্তু চিকাৰ কৰিলে জন্তুৰ মূৰবোৰ দুৱাৰৰ আগত ওলোমাই থোৱা হয়। এয়া চিকাৰীৰ বাবে গৌৰৱৰ চিহ্ন। এওঁলোকৰ মাজত মূৰ চিকাৰ প্ৰথাৰো প্ৰচলন আছিল। যুদ্ধ-বন্দীসকলক তেওঁলোকে কেতিয়াবা বহুমূলীয়া বস্তুৰ বিনিময়ত এৰি দিছিল, কেতিয়াবা আকৌ প্ৰতিশোধ ল'বৰ বাবে মূৰ কাটিছিল।[৩]

মিজোসকল (লুচাই) নগাসকলৰ দৰেই দুৰ্দ্ধৰ্ষ তথা চিকাৰ প্ৰিয় জনজাতি। এওঁলোকে নৰমুণ্ড চিকাৰো কৰিছিল। সৌ সিদিনা অৰ্থাৎ ১৮৪৪ চনত মণিপুৰৰ কুহ্মাবাৰী অঞ্চল আক্ৰমণ কৰি মিজোসকলে ২০ জন মানুহৰ মূৰ লৈ উভতি আহে।[৪]

একেদৰে গাৰো জনজাতিৰ মাজতো যে মূৰ চিকাৰ প্ৰথাৰ প্ৰচলন আছিল তাৰ উমান পোৱা যায় এই বাক্যটিতে—"It was our former custom to hang human Skulls in our house."[৫] কিন্তু বৃটিছ শাসন আৰম্ভ হোৱাৰ পিছত চি, এছ, বেনোল্ড আৰু গাৰো নক্‌মাৰ (গাওঁবুঢ়া) মাজত হোৱা চুক্তি অনুযায়ী এই প্ৰথাৰ বিলোপ সাধন কৰা হয়।

২। চাংঘৰ ঃ ডব্লিউ, চি, স্মিথে উল্লেখ কৰি যোৱা জনজাতিসকলৰ দ্বিতীয় বৈশিষ্ট্যটো হৈছে চাংঘৰ। সাধাৰণতে পাহাৰত বসবাস কৰা জনজাতিসকলে চাংঘৰত বসবাস কৰে। ভৈয়ামৰ দুই এটা জনজাতিয়েও চাংঘৰ সাজি বসবাস কৰা দেখা যায়। এই চাংঘৰ কিছুমান জনজাতিয়ে পৰ্বতৰ টিঙত, কিছুমান জনজাতিয়ে পৰ্বতৰ গাত, কিছুমান জনজাতিয়ে পৰ্বতৰ নামনি অঞ্চলত আৰু কিছুমান জনজাতিয়ে একেবাৰে ভৈয়ামতো সাজে।

পাহাৰৰ গাত খুঁটা পুতি তাত বাঁহৰ চাং সাজি তাৰে ওপৰত ঘৰ সাজে। চাঙৰ খুটাবোৰ বাঁহ বা কাঠৰ। তাৰ ওপৰত গোটা বাঁহৰ গাটে পাৰি দি মজিয়া নিৰ্মাণ কৰা হয়। চালৰ কাৰণে টকৌ গছৰ পাত, কেঙুপাত বা খেৰ ব্যৱহাৰ কৰে। এই গছৰ পাতবোৰ এটাৰ ওপৰত এটাকৈ পাৰি দি যাতে পানী সৰকিব নোৱাৰে তেনেকৈ চাল তৈয়াৰ কৰে। ঘৰত ভেটি তোলাৰ প্ৰয়োজন নহয়। চাঙৰ তলখন গাহৰি বা অন্যান্য জীৱ-জন্তুৰ গড়াল হিচাপে ব্যৱহৃত হয় গোটেই চাঙঘৰটো কেইবাটাও কোঠালিত বিভক্ত। সন্মুখৰ কোঠাটো চ'ৰাঘৰ হিচাপে ব্যৱহৃত হয় আৰু আলহী আহিলে তাতেই বহিবলৈ দিয়া হয়। চাঙঘৰবোৰত দাঙি তুলি নিব পৰা একোখন জুহাল থাকে। প্ৰায়বোৰ চাঙঘৰতে পিছফালে বাৰান্দাৰ

---

২. সভাপণ্ডিত, মহেন্দ্ৰনাথ—'আওনগা' প্ৰবন্ধ, অসমৰ জনজাতি গ্ৰন্থ, পৃঃ ১১৬-১৭।

৩. কৰা, হেমলতা—'ডফলা' প্ৰবন্ধ, উক্ত গ্ৰন্থ, পৃঃ ৮২-৮৪

৪. মহন্ত চিত্ৰ — 'মিজো' প্ৰবন্ধ, উক্ত গ্ৰন্থ, পৃঃ১৪২

৫ Sangma, Milton. S—History and Culture of the Garos. P- 48

নিচিনা এখন মুকলি চাং থাকে। ইয়াত পৰিয়ালৰ মানুহে খোৱা-বোৱা, জহকালি বিশ্ৰাম লোৱা আদি কাম কৰে।

চাঙঘৰসমূহে বনৰীয়া হিংস্ৰ জীব-জন্তুৰ আক্ৰমনৰ পৰা ৰক্ষা কৰাৰ উপৰিও চাঙৰ তলেৰে পানী সহজে বৈ যাব পাৰে। ফলত বৰষুণৰ পানীয়েই হওঁক বা বানপানীয়েই হওঁক সহজে তাৰ পৰা হাত সাৰিব পাৰি। আনহাতে, চাঙঘৰৰ মজিয়া সেমেকি নাথাকে আৰু চাঙৰ তলত গৰু-ছাগলি বা অন্যান্য সা-সঁজুলি থ'ব পাৰি।

এই চাঙঘৰৰ প্ৰভাব পৰৱৰ্তীকালত অজনজাতিসকলৰ ওপৰত পৰা দেখা যায়। বিশেষকৈ ভঁৰালৰ নিৰ্মাণ কৌশলত জনজাতিসকলৰ চাঙঘৰৰ প্ৰভাব অনস্বীকাৰ্য।

৩। **ডেকা চাং (Bachelors Dormitory) :** ডেকা চাং আৰু গাভৰু চাং জনজাতীয় সংস্কৃতিৰ এক পৰম্পৰাগত তথা ঐতিহ্যপূৰ্ণ দিশ। ডেকা চাঙবোৰ অবিবাহিত ডেকাৰ বাবে আৰু গাভৰু চাঙবোৰ অবিবাহিতা গাভৰুৰ উমৈহতীয়া আবাস স্থান। ডেকা-গাভৰুসকলে গাঁৱৰ আকস্মিক দুৰ্ঘটনা, শত্ৰুৰ বিপক্ষে হ'ব পৰা যুদ্ধ, বনৰীয়া হিংস্ৰ জন্তুৰ আক্ৰমন প্ৰতিহত কৰা আদিৰ বাবে সদায় প্ৰস্তুত হ'ব পৰাকৈ নিজৰ ঘৰত নাথাকি গাঁৱৰ এটা উমৈহতীয়া ঘৰত ৰাতি কটায়। পুৱা ঘৰলৈ উভতি গৈ দৈনন্দিত কাৰ্যত আত্মনিয়োগ কৰে। এই ডেকা চাং বা গাভৰু চাঙবোৰ যেনেদৰে আমোদ-প্ৰমোদৰ স্থান; তেনেদৰে ই সামাজিক শিক্ষালাভৰ কেন্দ্ৰ স্বৰূপ। এই ডেকা চাঙবোৰৰ যোগেদিয়েই যুদ্ধ বিদ্যা, কৃষি-কৰ্ম, সামাজিক ৰীতি-নীতি, নৃত্য-গীত আদি দৈনন্দিন জীৱন যাত্ৰাৰ প্ৰয়োজনীয় শিক্ষা তথা সমলসমূহ ডেকাসকলে আহৰণ কৰে। সেইবাবে এই ডেকা চাঙসমূহে জনজাতীয় জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

অসম তথা পূৰ্বাঞ্চলৰ প্ৰায়বোৰ জনজাতিৰ মাজতে ডেকা চাঙৰ প্ৰচলন আছে। কোনো কোনো জনজাতিৰ মাজত গাভৰু চাঙবো প্ৰচলন আছে। এইবোৰক বিভিন্ন নামেৰে জনা যায়। তলত তাৰ এখনি তালিকা দিয়া হ'ল।

জনজাতিৰ নাম		ডেকা চাং		গাভৰু চাং
গাৰো	—	ন'কপান্থে		
মিজো	—	জ'লবুক		
টাংচা	—	লুপপং	—	লিকপ্যা বা লুপ্ বা লিক্
নক্টে	—	মৰং		
আদি বা আবৰ	—	মচুপ	—	ৰাশেং
ডিমাছা	—	নদ্ৰেং		
আও নগা	—	আৰিচু বা মৰং		
মিচিং	—	মুৰং	—	ৰাচেং

কার্বি	—	ফিবকেডাম
দেউৰী	—	মিচং
টাংখুল নগা	—	লংনোই
মণিপুৰী	—	পাখানলা
আটং	—	লোকফাণ্ডে।

এই জনজাতিসমূহৰ উপৰিও ৰাভো, লালুং, খামতি আদি জনজাতিৰ মাজতো ডেকা চাঙৰ প্ৰচলন আছে। তাৰে ভিতৰত আওনগাৰ ডেকা চাঙবোৰ অধিক শৃংখলাবদ্ধ। ড° ভুৱনমোহন দাসৰ বৰ্ণনা অনুসৰি প্ৰতি তিনি বছৰৰ মূৰে মূৰে গাঁৱৰ বাৰ-চৈধ্য বছৰীয়া ল'ৰাবোৰক মৰং ঘৰত ভৰ্ত্তি কৰোৱা হয়। এই দলটোৰ নাম 'নোজাবাৰিহাৰী'। সিহঁতে ভৃত্যৰ দৰে জেষ্ঠসকলৰ নিৰ্দেশ তথা কাম-কাজ কৰে। সিহঁতে মৰঙত ৰাতি থকাটো বাধ্যতামূলক। তিনি বছৰৰ পিছত যেতিয়া আন এদল ল'ৰাই সিহঁতৰ স্থান অধিকাৰ কৰে, তেতিয়া সিহঁতৰ পদোন্নতি ঘটি 'টুকাপৰাৰিহাৰী' নাম পায়। তাৰ পিছত সিহঁতে নতুনকৈ অহা দলটোৰ ল'ৰাবোৰক কামত খুটৱায় আৰু গাঁৱৰ সাধাৰণ কাম-কাজ, বস্তু অনা-নিয়া কৰা আদি কামবোৰ কৰে। এনেদৰে তিনিবছৰ কটোৱাৰ পিছত এই দলটো পুনৰ উন্নীত হয় 'চুচেনব্যৰিহাৰী' দললৈ। এই সময়ত সিহঁত মৰঙৰ দলপতি হয়। প্ৰাচীন কালত এই সময়তহোৱাতেই সিহঁতে নৰমুণ্ড চিকাৰ (Head hunting) অভিযানত ওলাইছিল। এইদৰে প্ৰতি তিনি বছৰৰ অন্তৰে অন্তৰে সিহঁতৰ পদোন্নতি হৈ গৈ থাকে আৰু সেই অনুযায়ী সামাজিক সম্মানৰ অধিকাৰ ভোগ কৰে। 'টাটাৰী' অৱস্থান (মৰঙৰ শেষ পৰ্যায়) তেওঁলোকে গাঁৱৰ শাসনভাৰৰ গুৰু দায়িত্ব গ্ৰহণ কৰে।[৬]

অকল অসম বা উত্তৰ-পূৰ্বাঞ্চলতে নহয়, আনকি আন্দামানৰ ওংগেচ জনজাতিৰ মাজতো ডেকা চাং আৰু গাভৰু চাঙৰ প্ৰচলন আছে।[৭]

আনহাতে, মধ্য ভাৰতৰ জনজাতিসকলৰ মাজত প্ৰচলিত ডেকা চাংসমূহ 'ঘোটাল' নামে জনাজাত।[৮] কিন্তু পৰিতাপৰ কথা যে, জনজাতীয় সংস্কৃতিৰ এনে এটি গুৰুত্বপূৰ্ণ অনুষ্ঠান লাহে লাহে লুপ্ত পাবলৈ ধৰিছে। তাৰ মাজতো সুখৰ কথা যে কোনো কোনো ডেকাচাং হৈ পৰিছে যৌৱনৰ সাধনাৰ কেন্দ্ৰ স্বৰূপ। উদাহৰণ স্বৰূপে মিজো জনজাতিৰ ডেকাচাঙত হেনো কম্পিউটাৰ ইণ্টাৰনেট সংযোগৰ ব্যৱস্থাও হৈছে।[৯]

৪। গাত উল্কি আঁকা (Tatooing) : 'উল্কি' অৰ্থাৎ শৰীৰৰ বিভিন্ন অঙ্গত ফুলজালি বা আঁক-বাক কৰাটো জনজাতীয়সকলৰ এক বিশেষ বৈশিষ্ট্য। অৱশ্যে সকলোবোৰ

---

৬ দাস, ভুৱনমোহন—'অসমৰ জনজাতীয় সংস্কৃতি' প্ৰবন্ধ; অসমীয়া সংস্কৃতি গ্ৰন্থ, পৃঃ-২৫৬

৭ শৰ্মা, শশী—অসমৰ লোক-সাহিত্য, পৃ : ৬৫

৮ মহন্ত, জুনু—ভেৰিয়াৰ এলুইন আৰু ভাৰতৰ জনজাতি 'প্ৰবন্ধ' আমাৰ অসম, ১৩ নৱেম্বৰ ০২।

৯ বৰুৱা, চন্দ্ৰধৰ —'ডেকাচাং' প্ৰবন্ধ, পূৰ্বাচল আলোচনী, পৃ : ২০

জনজাতিৰ মাজতে উল্কি অঁকাৰ পৰম্পৰা নাই। সীমিত সংখ্যক জনজাতিৰ মাজতহে এনে ব্যৱস্থা দেখা যায়। ভাৰতবৰ্ষৰ আন ঠাইৰ জনজাতিৰ তুলনাত অসমৰ জনজাতিৰ মাজত উল্কি অঁকা প্ৰথাৰ প্ৰচলন কম। তাৰে ভিতৰত মিকিৰ, আওনগা, অঁকা, আপাটানি, নক্টে, বাংছু, টাংখুল আদি জনজাতিৰ গাভৰু তথা মহিলাসকলৰ মাজত উল্কিৰ প্ৰচলন দেখা যায়। মিকিৰ ছোৱালীয়ে গাভৰু হোৱাৰ পিছত কপালৰ পৰা নাকৰ মাজেৰে থুঁতৰিলৈকে ক'লা ৰেখা এডাল টানে। কন্যাক নগাৰ যোদ্ধাসকলে মুখত উল্কি কাটে। আনহাতে, অন্যবোৰে বুকুত আঁকে। আওনগাৰ গাত থকা উল্কিৰ চিন চাই তেওঁ কোন ভাগৰ ভাষা কয় সেইটো জানিব পাৰি।[১০] অঁকা জনজাতিৰ মাজতো উল্কি দিয়াৰ প্ৰথাৰ প্ৰচলন আছে। অঁকাসকলে গছৰ কাঁইটেৰে খুচি খুচি তাত আন এবিধ বিশেষ গছৰ পাতৰ ৰঙেৰে ৰং দি ছবি আঁকি লয়। এনেদৰে অঁকা ছবিবোৰ কোনোদিনে মচ নেখায়। ছোৱালীবোৰে বিয়া নোহোৱালৈকে সৰল গছৰ তেল আৰু কাঠ-কয়লাৰে মুখত নানাবিধ ছবি অঁকাই লয়।[১১] আপাটানি, বাংছুসকলৰ জ্যামিতিসন্মত উল্কিবোৰ আগতে প্ৰথা অনুসৰি কৰা হৈছিল। আপাটনিসকলৰ থুঁতৰি, ভৰিত অঁকা উল্কিবোৰ জাতীয় বিশেষত্বৰূপে অঁকা হৈছিল। আনহাতে, বাংছুসকলৰ মুখ, হাত, পিঠি, ভৰিত অঁকা উল্কিবোৰ মুৰকটা যুগৰ বীৰত্বৰ নিদৰ্শন। কিন্তু শিল্পৰ দৃষ্টিৰ পৰা সেই উল্কিৰ ৰচনাই গোষ্ঠীকেন্দ্ৰিকতাত বাদেও সৌন্দৰ্যবোধৰ পৰিচয় দিয়ে। প্ৰকৃতিৰ বুকুত লালিত-পালিত জনজাতীয় মনৰ গতিৰ পম খেদাত এই ছবিবোৰে যথেষ্ট সহায় কৰে।[১২]

৫। চাঙৰ ওপৰত মৰাশ সংকাৰ ঃ জনজাতীয় বিশেষত্বৰ এটি উল্লেখযোগ্য দিশ হ'ল মৃতকৰ সংকাৰ তথা 'গেনালগা' প্ৰথা। সৰহভাগ জনজাতীয় লোকে মানুহ মৰিলে শটো পোৰে বা দাহন কৰে। অৱশ্যে দুই-চাৰিটা জনজাতিৰ মাজত শৱ মাটিত পুতি থোৱাৰ নিয়মো প্ৰচলিত আছে। জনজাতীয় পদ্ধতি মতে শৱ দাহন কৰোঁতে প্ৰথমে এখনি চাং তৈয়াৰ কৰা হয় আৰু সেই চাঙৰ ওপৰত মৰাশ সংকাৰ কৰা হয়। কিছুমান জনজাতিৰ মতে, চাঙৰ ওপৰত থকা শৱটো খৰিৰে নেদেখা হ'ব লাগে। আকৌ, কিছুমান সমাজত মৃতকৰ পদমৰ্যদা অনুসাৰে খৰি দিয়াৰ নিয়ম। সাধাৰণ মানুহৰ মৃত্যু হ'লে তিনিজাপ খৰি, সমাজৰ বিষয়ববীয়া হ'লে পাঁচ জাপ খৰি, পূজাৰীৰ মৃত্যু হ'লে সাত জাপ খৰি চাঙৰ ওপৰত পাৰি দিয়াৰ নিয়ম।

আও নগাসকলে মৃতকৰ শটো চাঙঘৰ সজাই ওপৰ চাঙত থৈ দিয়ে আৰু মৃতকৰ শৰীৰ গেলি-পচি মাটিত পৰে। আদিতে হেনো তেওঁলোকে মৃতকৰ শৰীৰ ওখ চাঙৰ

১০. দাস, ভুবনমোহন—উক্ত প্ৰবন্ধ, পৃঃ ২৫০

১১. মহাপাত্ৰ, উষা ডেকা —'অঁকা' প্ৰবন্ধ; অসমৰ জনজাতি গ্ৰন্থ, পৃঃ২-৩

১২. বৰদলৈ, মুক্তিনাথ—'উত্তৰ-পূব সীমান্তৰ সংস্কৃতি' প্ৰবন্ধ, অসমীয়া সংস্কৃতি গ্ৰন্থ, পৃঃ ১৫৪

ওপৰত থৈ তলৰ পৰা জুই ধৰি ধোঁৱা দি শুকুৱাই থোৱাৰ নিয়ম আছিল। ইয়াকে 'লপচাং' বুলি কোৱা হয়।[১৩] কন্যাক নগাসকলে যুদ্ধত হোৱা মৃত্যুত গৌৰববোধ কৰে। সেইবাবে যুদ্ধত কোনো মানুহৰ মৃত্যু হ'লে শটো চাং এখনত পৰ্বতৰ টিঙলৈ তুলি নিয়া হয়।

অজনজাতি বা হিন্দুসকলেও জনজাতিসকলৰ দৰেই চাঙৰ ওপৰত মৃতকক সংকাৰ কৰে। এই প্ৰসঙ্গত চিতা নিৰ্মাণৰ আহিঁ জনজাতিসকলৰ চাঙৰ পৰা অহা বুলি ভাবিবৰ থল আছে।

৬। কঁকালত বোৱা তাঁতশাল ঃ বয়ন শিল্পৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ এক সুকীয়া বৈশিষ্ট্য আছে। জনজাতি-অজনজাতি নিৰ্বিশেষে তিৰোতাসকল, আনকি পুৰুষসকলো পাকৈত শিপিনী। বোৱন-কাটনত অকাজী তিৰুৱী-বোৱাৰীক এসময়ত হেয়জ্ঞান কৰা হৈছিল। অসমৰ জনজাতিসকলৰ সাজ-পাৰত বৈচিত্ৰ্যতা পৰিলক্ষিত হয়। সেইবাবে এই অঞ্চলৰ জনজাতিসকলৰ পিন্ধন-উৰণত প্ৰাচুৰ্য বেছি। প্ৰায়বোৰ জনজাতীয় তিৰোতাই বং-বিৰঙৰ কাপোৰ পিন্ধি নিজকে ধুনীয়া কৰি ৰাখিবলৈ চেষ্টা কৰে। নিঃসন্দেহে ই তেওঁলোকৰ সৌন্দৰ্যবোধৰ পৰিচায়ক। সৌন্দৰ্যৰ সন্ধান বিশ্বৰ মানব জাতিৰ এক সাধাৰণ ধৰ্ম।[১৪] তেওঁলোকে প্ৰয়োজনীয় কাপোৰ নিজে বই লয়। অৱশ্যে বোৱা-কটাৰ প্ৰণালীৰ মাজত কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। অধিকাংশ জনজাতীয় তিৰোতাই কঁকালত বন্ধা শালত কাপোৰ বয়। তিৰোতাসকলে কঁকালত চামৰাৰ বছী লগাই বৰলৈ লোৱা কাপোৰৰ এটা মূৰ নিজৰ গাত বান্ধি লয় আৰু আনটো মূৰ আন ক'ৰবাত বা খুঁটিত বান্ধে। সেইবাবে এনে প্ৰণালীৰে বোৱা কাপোৰ শিপিনীৰ কঁকালতকৈ বৰ বেছি বহল নহয়। ৰাভা তিৰোতাসকলে কঁকালত বোৱা এই শালখনকে 'কুম্-চিম্প্ৰাং' বোলে।[১৫] অৱশ্যে পিছলৈ জনজাতিসকলেও উৰণীয়া মাকোৰে তাঁতশাল ব'বলৈ ধৰে।

৭। তামোল-পাণৰ ব্যৱহাৰ ঃ ধূমপানৰ প্ৰচলন বা অভ্যাস প্ৰায়বোৰ জনজাতীয় লোকৰ মাজত দেখা যায়। ধূমপানৰ ভিতৰত মদ আৰু তামোল-পাণ উল্লেখযোগ্য। এই দুবিধ অকল সেৱনৰ বাবেই নহয়, পূজা-পাতলৰো অপৰিহাৰ্য অঙ্গ। সেইবাবে ইয়াৰ লগত সামাজিক তথা জাতীয় তাৎপৰ্যও নিহিত আছে। জনজাতীসকলৰ ভিতৰত খাচী, মিৰি, নগা, ৰাভা, বড়ো, গাৰো আদিৰ মাজত তামোলৰ বহল প্ৰচলন দেখা যায়। ইয়াৰ ভিতৰতো আকৌ খাচীসকলৰ তামোলৰ প্ৰতি আসক্তি অতি বেছি। তেওঁলোকৰ মুখৰ পৰা তামোল নুগুচেই। সেইবাবে খাচীসকলৰ পৰাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলত তামোল খোৱা ৰীতিৰ প্ৰচলন হয় বুলি বহুতে অনুমান কৰে।[১৬] কেঁচা তামোল, পাণ, চুণ তথা ধপাতেৰে খোৱা

---

১৩ ৰায়, হৰিপ্ৰসাদ—'নগাভূমিৰ জনজাতি' প্ৰবন্ধ, অসমৰ জনজাতি গ্ৰন্থ পৃঃ ১৮৭-১৮৮

১৪ Herskovits, Melville–উক্ত গ্ৰন্থ, পৃঃ ২৩৪

১৫ Rabha, Rajen–The Rabhas, P-180

১৬ Chatterji, S K–Kirata-Jana-Krti P-57।

ৰীতি অসমৰ বাহিৰে আন কোনো ঠাইতে দেখা নেযায়। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁৰ 'অসমৰ লোক-সংস্কৃতি' গ্ৰন্থত ড° হুটনৰ উদ্ধৃতি দি কৈছে যে, আও, লঠা, আৰু কন্যাক নগাসকলে তামোল খোৱাৰ অভ্যাস অসমীয়াৰ পৰাই পাইছে। বেভাৰেও বোগ্‌চেৰ মতে, গাৰোসকলেও এই অভ্যাস অসমীয়াসকলৰ পৰাই শিকিছে। বৰুৱাৰ মতে, জনজাতিসকলৰ ভিতৰত খাচী আৰু মিকিৰসকলেই বেছি তামোল খায়। খাচীসকলে মৃতকৰ সংকাৰ কৰোঁতে শৱৰ ওপৰত তামোল এখন থৈ নিবেদন জনায়—"বিদায়! ভগৱানৰ ওচৰলৈ গৈ এখন তামোল খোৱাগৈ।" মিকিৰসকলে পথৰ দূৰত্ব তামোল এখন খোৱাৰ পৰৰ পৰাই নিৰ্ণয় কৰে। কেইকাৰণে তেওঁলোকে ভ্ৰমণত ওলালে হাঁচতিত সৰহকৈ তামোল পাণ বান্ধি লয়।[17]

৮। **গাখীৰৰ প্ৰতি অনীহা ঃ** জনজাতিসকলে ঘৰে ঘৰে গৰু-ছাগলি আদি জীৱ-জন্তু বৰ যতনেৰে পোহা দেখা যায়। গৰু পুহিছিল যদিও অধিকাংশ জনজাতীয় লোকে গাখীৰ নেখাইছিল আৰু গাখীৰ খোৱাৰ নিয়মো নাছিল। আনকি গাখীৰ খীৰোৱা নিয়মো নাছিল। অকল গাখীৰেই নহয়, কিছুমান জনজাতীয় লোকে গাখীৰৰ চাহ পৰ্যন্ত নেখাইছিল।[18]

গাখীৰৰ প্ৰতি জনজাতীয় লোকসকলৰ এই অনীহাৰ কাৰণ কি তাক স্পষ্টকৈ জনা নেযায়। কিছুমানে ক'ব খোজে যে, জনজাতিসকলে গৰুক বৰ শ্ৰদ্ধাৰ চকুৰে চায়। আনকি লক্ষ্মীদেৱী বুলি জ্ঞান কৰি পূজাও কৰে। এনে শ্ৰদ্ধাজনিত কাৰণতেই হয়তো গাখীৰ খীৰাই খোৱাটো তেওঁলোকে অনুচিত বুলি ভাবে।

৯। **পৰ্বতত বসবাস ঃ** জনজাতিসকল পৰ্বতপ্ৰেমী। ভৈয়াম বা সমতল ভূমিতকৈ তেওঁলোকে পাহাৰীয়া অঞ্চলত বসবাস কৰিবলৈ অধিক পছন্দ কৰে। বহুতো জনজাতিয়ে সমতল ভূমিত আচহুৱা অনুভৱ কৰে। জনজাতীয়সকলে প্ৰকৃতিৰ সন্তানৰূপে প্ৰকৃতিৰ নিচেই ওচৰ চাপি বাস কৰিবলৈ ভাল পায়। এই চাৰিত্ৰীক দুৰ্বলতাই বোধকৰোঁ তেওঁলোকক পৰ্বতবাসী কৰি তুলিছে। সুউচ্চ হিমালয় পৰ্বতে সাৱতি আছে ভাৰতৰ পূৰ্ব-সীমান্ত। এই সীমান্তই অতীজৰে পৰা আজিলৈকে ওচৰ-চুবুৰীয়া পাহাৰীয়া জনজাতিসকলক বুকুত সাৱতি লৈ বিজয় গৌৰৱেৰে থিয় দি আছে।"[19] হিমালয়ৰ উপৰিও পাটকাই, খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ, কুকি পাহাৰ, গাৰো পাহাৰ, নগা পাহাৰ, মিকিৰ পাহাৰ, উত্তৰ কাছাৰ পাহাৰ, লুচাই পাহাৰ, ডফলা পাহাৰ, ভূটান পাহাৰ আদি পৰ্বতসমূহ প্ৰধানতঃ জনজাতি অধ্যুষিত। পাহাৰসমূহৰ নাম জনজাতি অনুযায়ী হোৱাটোও এই প্ৰসঙ্গত মন কৰিবলগীয়া। পৰ্বতত বসবাস কৰা কাৰণেই গাৰোসকলক 'আচিক' (পাহাৰীয়া মানুহ), লালুংসকলক 'সাজুৱালি' (পাহাৰবাসী) বোলা হয়।

১০। **প্ৰাক্-বৈবাহিক যৌন মিলন ঃ** আদিম মানুহৰ মাজত যৌন প্ৰবৃত্তি চৰিতাৰ্থ

---

১৭. বৰুৱা, বিৰিঞ্চি কুমাৰ—অসমৰ লোক-সংস্কৃতি, পৃঃ ১২০

১৮. বাভা, ৰাজেন—ৰাভা জনজাতি, পৃঃ .২৮

১৯. বাৰুৰুৱা, শৰৎ—'আদি বা আবৰ' প্ৰবন্ধ ; অসম জনজাতি গ্ৰন্থ পৃঃ ১০

কৰাৰ অনুশীলনত কোনো ধৰা-বন্ধা নিয়ম নাছিল। পৰৱৰ্তীকালৰ সমাজ ব্যৱস্থাত বৈবাহিক জীৱনৰ যৌন মিলনকহে স্বীকৃতি দিয়া হৈছিল যদিও জনজাতিসকলৰ মাজত প্ৰাক্-বৈবাহিক জীৱনত ঘটা যৌন-মিলনক অপৰাধ বুলি গণ্য কৰা হোৱা নাছিল। বৰং ইয়াক এক স্বাভাৱিক প্ৰক্ৰিয়া বুলি গ্ৰহণ কৰা হৈছিল। অষ্ট্ৰিক সংস্কৃতিৰ ধাৰণা মতে অবাধ যৌন-মিলনৰ লগত উৰ্বৰা লোক বিশ্বাস জৰিত হৈ আছে। আনহাতে, ফ্ৰেজাৰৰ ধাৰণা মতে, অবাধ যৌন-মিলনৰ দ্বাৰা অধিক শস্য উৎপাদন কৰা যাদুধৰ্মীয় লোক-বিশ্বাস নিবিড়ভাৱে জৰিত হৈ আছে।[২০] সেইবাবে আঙ্গামীসকলৰ বিয়া খেতি-পথাৰৰ লগত জৰিত প্ৰজনন কৃত্যৰ যুৰীয়া সপোন।

প্ৰাক্-বৈবাহিক যৌন-মিলন জনজাতি বা মঙ্গোলীয়সকলৰ অন্যতম বৈশিষ্ট্য যদিও ইয়াৰ মাজত বাধা-নিষেধ নথকা নহয়। কোনো কোনো জনজাতিয়ে এনে মিলনক স্বীকৃতি নিদিয়ে। বৰং দণ্ড বিহাৰ ব্যৱস্থাহে আছে। তথাপি বেছিভাগ জনজাতি এই দিশত কিছু শিথিল, নমনীয়। গাৰো সমাজ ব্যৱস্থাত প্ৰাক-বৈবাহিক যৌন-জীৱনত ডেকা-গাভৰুৱে ভালেখিনি স্বাধীনতা উপভোগ কৰে। এই কালত ঘটা কোনো যৌন সম্বন্ধক সামাজিক অপৰাধ বুলি গণ্য কৰা নহয় আৰু ইয়াৰ বাবে শাস্তি বিহাৰ কোনো ব্যৱস্থাও সমাজত নাই। এই সম্বন্ধৰ ফলত যদি গাভৰু গৰ্ভৱতী সন্তান-সম্ভৱা হয় বা সন্তানৰ জন্ম দিয়ে, তথাপি পৰৱৰ্তীকালত বিয়া-বাৰুৰ ক্ষেত্ৰত কোনো সমস্যাৰ সৃষ্টি নহয়।[২১] আদি বা আবৰ জনজাতিসকলৰ নিয়ম মতে, বিয়াৰ আগতে ডেকা-গাভৰুৰ অহা-যোৱা, মিলা-মিচা চলি থাকে। এনেদৰে মিলা-মিচা চলি থকাৰ ভিতৰতে কোনো সন্তানৰ জন্ম হ'লেই সিহঁতৰ মাজত বিয়া হৈ যোৱা বুলি ধৰি লোৱা হয়। গতিকে এই সমাজতো পৰোক্ষভাৱে প্ৰাক্-বৈবাহিক যৌন-মিলনক স্বীকৃতি দিয়া হয়।

১১। **ৰাজনীতিমুক্ত শাসন ব্যৱস্থা :** জনজাতিসকলৰ মাজত কোনো নিৰ্দিষ্ট ৰাজনৈতিক শাসন যন্ত্ৰ নাথাকে। এওঁলোকৰ নিজা নিজা শাসন ব্যৱস্থা আছে আৰু এই শাসন ব্যৱস্থা পৰম্পৰাগত নীতি-নিয়মৰ অধীন। সেইবাবে ৰাজনৈতিক বা-বতাহৰ পৰা এওঁলোক সম্পূৰ্ণৰূপে মুক্ত।

গাৰো সমাজত শাসনৰ একো-একোটা গোট হ'ল 'মাহাৰী'। এখন গাঁৱত কেইবাটাও মাহাৰী থাকে। লগতে গাঁওখনৰ এজন মুখীয়াল (নোক্‌মা) থাকে। মাহাৰী আৰু নোক্‌মাৰ যোগেদি গাৰো গাঁওসমূহ পৰিচালিত হৈ থাকে। গাৰো পৰম্পৰাগত শাসন ব্যৱস্থা অনুযায়ী গাঁওসমূহৰ ওপৰ পৰ্যায়ৰ গোটটো হ'ল 'আখিং'। তেনেদৰে বড়োসকলৰ সমাজ ব্যৱস্থাত প্ৰতিখন গাঁৱতে একোখনকৈ গাঁও পঞ্চায়ত (বাইজানি মেথেং) থাকে। ইয়াৰ দ্বাৰা গাঁওসমূহ পৰিচালিত হয়। মিচিংসকলৰ সমাজ পৰিচালনা কৰাৰ বাবে একোখনকৈ

২০। Frazer. Jams George–The Golden Bough: P-20

২১। Goswami, M C and Mazumder D.N –Social Institutions of the Garo of Meghalaya, P-101

কাঁবাং (মেল বা সভা) থাকে। আৰে গামে (গাওঁবুঢ়াই) এই অনুষ্ঠানটি পৰিচালনা কৰে। মিচিংসকলৰ এই মেল বা সভা তিনি তৰপীয়া—কাঁবাং, বাঃনৌ কাঁবাং আৰু বাংগ কাঁবাং।[২২]

আপাটানিসিকলৰ মাজত বয়সীয়া মানুহেৰে গঠিত একোখনকৈ পৰিষদ আছে। তেনেদৰে ইদুসকলৰ মাজত 'আব্বালা', কামানসকলৰ মাজত 'ফাৰাই', আঙ্গামী নগাসকলৰ মাজত 'কেমভো' আদি বিভিন্ন নামেৰে পঞ্চায়ত বা পৰিষদৰ ব্যৱস্থা আছে। কোনো কোনো জনজাতিৰ মাজত বিশেষকৈ কন্যাক নগাসকলৰ মাজত 'আঙ্গ', কাৰ্বিসমাজত 'লিন্দকপ' আদি প্ৰশাসকে সমাজত পৰিচালনা কৰে। এই আটাইবোৰ শাসন-ব্যৱস্থা পৰম্পৰাগত তথা অলিখিত নীতি-নিয়মেৰে পৰিচালিত। সেইবাবে ৰাজনৈতিক প্ৰভাব জনজাতীয় সমাজ ব্যৱস্থাত দেখিবলৈ পোৱা নেযায়। প্ৰায়বোৰ জনজাতীয় গাঁৱতে একোজনকৈ মুখীয়াল বা গাওঁবুঢ়া থকাটো এটি মনকৰিবলগীয়া বিশেষত্ব।

১২। **ঢালৰ ব্যৱহাৰ ঃ** চিকাৰ বা যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ হিচাপে জনজাতিসকলে তৰোৱাল, ঢাল, ধনু, কাঁড়, যাঠি আদি ব্যৱহাৰ কৰিছিল। ইয়াৰ ভিতৰত ঢালৰ ব্যৱহাৰ বিশেষ মনকৰিবলগীয়া। যুদ্ধক্ষেত্ৰত ঢাল মূলতঃ বিপৰীত পক্ষ বা শত্ৰুৱে নিক্ষেপ কৰা কাঁড়, তৰোৱাল আদি প্ৰতিহত কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয়। নিজক ৰক্ষা কৰাৰ বাবে যুদ্ধক্ষেত্ৰত এইবিধ আহিলাৰ প্ৰয়োজন অপৰিহাৰ্য। বিভিন্ন জনজাতিৰ মাজত ঢালৰ আকৃতি বেলেগ বেলেগ। কিছুমান জনজাতিৰ ঢাল ছয়চুকীয়া, কিছুমানৰ ঘূৰণীয়া। ৰাভাসকলে ঢালক 'খুছুং খাপাক' বোলে। এক ফুটৰ পৰা ডেৰ ফুট জোখৰ ব্যাসৰ ঘূৰণীয়া গঁড়ৰ ডাঠ ছালেৰে এওঁলোকে ঢাল তৈয়াৰ কৰে। এইবিধ অস্ত্ৰৰ বৰ্হিভাগৰ সোঁমাজতে এটা আৰু তাৰ চাৰিওফালে চাৰিটা পিতলৰ টোপোৰা টানকৈ সজোৱা থাকে। ভিতৰফালে লৰচৰ কৰিব নোৱাৰাকৈ কৌশলেৰে এটা হাত ধৰা সঁজুলি লগোৱা থাকে। হতাহতি যুদ্ধত শত্ৰুৰ হাতৰ পৰা নিজক ৰক্ষা কৰিবলৈ ৰাভাসকলে এই ঢাল ব্যৱহাৰ কৰে।[২৩] ডফলাসকলেও যুদ্ধৰ সময়ত মেথোনৰ ছালেৰে তৈয়াৰী ঢাল ব্যৱহাৰ কৰে। এওঁলোকে ঢাল পিঠিৰ পিনেও পিন্ধি লয়; যাতে পিছফালৰ পৰা শত্ৰুৱে আক্ৰমণ কৰিব নোৱাৰে। আবৰসকলে ডফলাৰ দৰে হাত আৰু পিঠি দুয়োফালে ঢালৰ ব্যৱহাৰ কৰে। ঢালক এওঁলোকে 'তাম্‌তে' বোলে। চিংফৌ, মিছিমি আৰু খামটিসকলৰ ঢালখন মহৰ ছালেৰে তৈয়াৰী আৰু ইয়াৰ আকৃতি ঘূৰণীয়া। গাৰোসকসলৰ মাজতো ঢালৰ ব্যৱহাৰ দেখা যায়। অৱশ্যে এওঁলোকৰ ঢাল ছয়চুকীয়া।

১৩। **কমাৰৰ ভাতী ঃ** ডব্লিউ চি. স্মিথে উল্লেখ কৰি থৈ যোৱা বৈশিষ্ট্যসমূহৰ ভিতৰত এটা হ'ল জনজাতিসকলে ব্যৱহাৰ কৰা দুমুখীয়া তথা থিয় কমাৰৰ ভাতী। ভাতীৰ ব্যৱহাৰ বৰ্তমান কালত লোপ পালেও এসময়ত জনজাতিসকলে নিত্য প্ৰয়োজনীয় দা, কুঠাৰ, কোৰ, যাঠি, কটাৰী, নাঙল, খন্টি, তৰোৱাল আদি বিভিন্ন আহিলা তথা অস্ত্ৰ-শস্ত্ৰসমূহ নিজে ভাতীত গঢ়ি লৈছিল।

ডব্লিউ. চি. স্মিথে ওপৰত আলোচনা কৰি অহা তেৰটা বৈশিষ্ট্যৰ উপৰিও ড° লীলা

---

২২. পাদুন, নাহেন্দ্ৰ—অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙনি, পৃঃ ১২১

২৩ Rabha, Rajen–The Rabhas, P-55

গগৈয়ে মঙ্গোলীয়সকলৰ মাজত প্ৰচলিত আৰু বাৰটা উমৈহতীয়া বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেই বৈশিষ্ট্যকেইটা হ'ল—(১) দেৱ-দেৱীৰ পূজাত কেঁচা তেজৰ উপহাৰ, (২) সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত চাউলৰ পৰা তৈয়াৰী লাওপানী বা মদৰ মুকলি ব্যৱহাৰ, (৩) হিন্দুৰ আদৰ্শত অস্পৃশ্য বুলি বিবেচিত কুকুৰা, গাহৰি আদিক খাদ্যৰূপে গ্ৰহণ (৪) বিবাহত গা-ধন লোৱাৰ ব্যৱস্থা, (৫) ঝুমখেতিৰ জনপ্ৰিয়তা, (৬) শুকান মাছ-মাংস খাদ্যৰূপে গ্ৰহণ, (৭) কৈৰাতজ ধৰ্মৰ প্ৰভাৱ, (৮) বিপদ-আপদ, ৰং-আনন্দ সকলোতে সামূহিক দায়িত্ব গ্ৰহণ, (৯) মান-মৰ্যাদাৰ প্ৰশ্নত অনমনীয়তা, (১০) নিজা অস্তিত্ব ৰক্ষাৰ অৰ্থে অসীম চেষ্টা, (১১) সৰলতা আৰু (১২) জাতি-বৰ্ণ ভেদভাৱহীনতা।[২৪]

এইখোৰৰ উপৰিও ড° উপেন ৰাভা হাকাচামে মঙ্গোলীয় বা জনজাতিসকলৰ আনকেইটামান উমৈহতীয়া বৈশিষ্ট্যৰ প্ৰসঙ্গলৈ আঙুলিয়াইছে।[২৫] তেনে কেইটিমান বৈশিষ্ট্য হ'ল—

(১) বাঁহৰ ব্যৱহাৰ (বাঁহৰ পৰা তৈয়াৰী বিভিন্ন আহিলা, বাঁহ গাজৰ খৰিচা, বাঁহ-নৃত্য আদি)।

(২) কেঁচুৱাক বোকোচাত লোৱা।

(৩) সগোত্ৰৰ মাজত বৈবাহিক সম্পৰ্কৰ বাধা-নিষেধ।

(৪) পৰজন্ম আৰু পুনৰ জন্মৰ প্ৰতি অগাধ বিশ্বাস।

(৫) উৰলৰ ব্যৱহাৰ।

এইদৰে স্মিথ, গগৈ আৰু হাকাচামৰ আলোচনাত আলোকপাত কৰিলে মঙ্গোলীয় বা জনজাতিসকলৰ সৰ্বমুঠ ত্ৰিশটা বৈশিষ্ট্যই আমাৰ সন্মুখত ধৰা দিয়ে। হয়তো সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে এনে উমৈহতীয়া বৈশিষ্ট্য আৰু অনেক ওলাব। অৱশ্যে এই বৈশিষ্ট্যৰাজিৰ সকলোবোৰ কোনো এটা জনজাতিৰ মাজত নিৰঙ্কুশভাৱে প্ৰচলন থকা দেখা নেযায়। এই সম্পৰ্কে ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে তেওঁৰ 'কিৰাত-জন-কৃতি' শীৰ্ষক গ্ৰন্থতো উল্লেখ কৰিছে।[২৬] সমাজতাত্ত্বিকসকলৰ মতেও সময়ৰ বিৱৰ্তনৰ লগে লগে সমাজৰ বিশেষত্বপূৰ্ণ দিশবোৰ ৰূপান্তৰিত হৈছে অথবা লোপ পোৱাৰ উপক্ৰম হৈছে।[২৭] তথাপি ক'ব পাৰি যে ওপৰত আলোচনা কৰি অহা বৈশিষ্ট্যসমূহৰ সমষ্টিয়ে সামগ্ৰিকভাৱে জনজাতিসকলৰ এখনি সম্যক চিত্ৰ আমাৰ মানস পটত অঙ্কন কৰিবলৈ সমৰ্থ হয়।

---

২৪. গগৈ, লীলা—অসমৰ সংস্কৃতি, পৃঃ ১৩

২৫. ৰাভা হাকাচাম, উপেন —'অসমৰ জনজাতীয় ঐতিহ্য পৰম্পৰা আৰু বৰ্তমান ইয়াৰ স্বৰূপ' প্ৰবন্ধ; 'পৰিকৃৎ' আলোচনী, পৃঃ ৫-১৪

২৬ Chatterji, S.K –Kirata-Jana-Krti. P-57

২৭. Devi Laxmi–Encyclopaedia of Social Change (Edt) Vol-II, P-6

অসমৰ জনজাতি

অসম নৃতত্ত্বৰ এটা বিৰাট যাদুঘৰ। বিভিন্ন জনগোষ্ঠী, বিভিন্ন ভাষা-ভাষীৰ লোকে, ইয়াত ওচৰা-ওচৰিকৈ যুগ যুগ ধৰি বসবাস কৰি আহিছে। অসমৰ মানুহক মূলতঃ দুটা ভাগত ভগাব পাৰি—জনজাতি আৰু অজনজাতি।১৯৯১ চনৰ লোকপিয়ল অনুসৰি পৃথিবীৰ মুঠ জনজাতীয় লোকৰ সংখ্যা প্ৰায় ২৫ কৌটি। এই সংখ্যা মুঠ জনসংখ্যাৰ ৮.০৮ শতাংশ। আনহাতে, ভাৰতবৰ্ষত জনজাতীয় লোকৰ সংখ্যা ৫.৫ কৌটি আৰু ই মুঠ জনসংখ্যাৰ ৭ শতাংশ। আনহাতে, অসমৰ মুঠ জনসংখ্যা ২, ২৪, ১৪, ৩২২ জনৰ বিপৰীতে জনজাতীয় লোকৰ সংখ্যা ২৮,৭৪,৪১১ জন। ই মুঠ জনসংখ্যাৰ ১২.৮২ শতাংশ। গতিকে আন্তৰ্জাতিক তথা আন্তৰাষ্ট্ৰীয় পটভূমিত বিচাৰ কৰিলে দেখা যায় যে, অসমত জনজাতীয় লোকৰ সংখ্যা তুলনামূলকভাৱে বেছি।

অসমৰ জনজাতিসকলক ভৌগোলিক সীমাৰেখা টানি আলোচনাৰ মাজলৈ অনাটো কোনো পধ্যে সম্ভৱপৰ নহয়। কিয়নো উত্তৰ-পূব সীমান্ত অঞ্চলত বসবাস কৰা জনজাতিবিলাকৰ বহুতেই শাখা প্ৰশাখা বিস্তাৰ কৰি অসমত আছে। অসম ভাৰতীয় উপমহাদেশখনৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত। এসময়ত গোটেই উত্তৰ-পূব ভাৰত অসমৰ ৰাজনৈতিক মানচিত্ৰৰ ভিতৰত আছিল। বৰ্তমানে সেই অসমৰে বিভিন্ন অংশক লৈ নাগালেণ্ড, অৰুণাচল, মিজোৰাম, মেঘালয় আদি সুকীয়া সুকীয়া ৰাজ্য স্থাপন হৈছে যদিও, সেই ৰাজ্যসমূহৰ বহুতো জনজাতীয় লোক এতিয়াও অসমত স্থায়ীভাৱে বসবাস কৰি আছে। সেইবাবে অসমৰ জনজাতি বুলিলে অসমৰ ৰাজনৈতিক মানচিত্ৰৰ ভিতৰত বসবাস কৰা জনজাতিবিলাকৰ বাহিৰেও চুবুৰীয়া ৰাজ্যকেইখনত বাস কৰা জনজাতিসকলকো বুজিব লাগিব। তথাপি বৰ্তমান অসমৰ ভৌগোলিক পৰিসৰৰ ভিতৰত থকা জনজাতিসকলৰ বাসস্থান হৈছে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী দুখনৰ উপত্যকা দুটা আৰু এই দুটা নদী-উপত্যকাৰ মাজত থকা পাৰ্বত্য অঞ্চল। অসমৰ সাম্প্ৰতিক ভৌগোলিক পৰিসীমাৰ ভিতৰত জনজাতি বুলি চৰকাৰৰ দ্বাৰা স্বীকৃতি গোষ্ঠী তেইশটা। সেই গোষ্ঠীকেইটা হ'ল—বড়ো, ৰাভা, মিচিং, দেউৰী, সোনোৱাল কছাৰী, ডিমাছা, কাৰ্বি (মিকিৰ), তিৱা বা লালুং, বৰ্মন, হোজাই, মেচ, গাৰো, হাজং, চাক্‌মা, মাৰ (হ্‌মাৰ) , লাখেৰ, মান, মিজো বা চিংফৌ, পাৱি, চিন্‌টেং, নগা, কুকি, খাচী।

বাসস্থানৰ ফালৰ পৰা অসমৰ জনজাতিসকলক দুটা ভাগত ভাগ কৰিব পাৰি—পাহাৰীয়া জনজাতি আৰু ভৈয়ামৰ জনজাতি। ওপৰত উল্লেখ কৰি অহা তেইশটা গোষ্ঠীৰ ভিতৰত নটা ভৈয়ামৰ জনজাতি আৰু বাকী চৌদ্দটা পাহাৰীয়া জনজাতি।

ভৈয়ামৰ জনজাতি ঃ ১। বড়ো ২। মিচিং (মিৰি) ৩। দেউৰী ৪। ৰাভা ৫। সোনোৱাল কছাৰী ৬। তিৱা বা লালুং ৭। বৰ্মন ৮। হোজাই আৰু ৯। মেচ।

পাহাৰীয়া জনজাতি ঃ ১। ডিমাছা ২। কাৰ্বি (মিকিৰ) ৩। গাৰো ৪। হাজং ৫। চাক্‌মা ৬। ম্ৰাৰ (হ্‌মাৰ) ৭। লাখেৰ ৮। মান ৯। মিজো বা চিংফৌ ১০। পাৱি (পাউন্দ) ১১। চিনটেং ১২। নগা ১৩। কুকি আৰু ১৪। খাচী।

ভাষাৰ ভিত্তিত জনজাতিসকলক দুটা প্ৰধান ভাগত ভগাব পাৰি। এটা হ'ল অষ্ট্ৰিক গোষ্ঠী আৰু আনটো হ'ল শ্যামচীন-গোষ্ঠী। অষ্ট্ৰিক ভাষা-ভাষী জনজাতি হ'ল খাচী, জয়ন্তীয়া আৰু চিনটেংসকল। ভাষাতত্ত্ববিদসকলে শ্যাম-চীন ভাষা গোষ্ঠীক চাৰিটা ভাগত ভাগ কৰিছে। তাৰে এটা ভাগৰ নাম তিব্বত-বৰ্মী। তিব্বত-বৰ্মীৰ আকৌ তিনিটা শাখা তিব্বত-হিমালয়ী, অসম-বৰ্মী আৰু উত্তৰ অসম উপশাখা। অসম-বৰ্মী ভাষা কোৱা জনজাতিৰ সংখ্যাই অসমত বেছি। বড়ো, কুকি-চীন, নগা আদি এই ভাষাৰ অন্তৰ্গত। বড়ো ভাষা-ভাষী জনজাতিসকল হৈছে—বড়ো, ৰাভা, গাৰো, লালুং, ডিমাছা, কোচ, হাজং, মেচ, টিপৰা, মৰাণ আদি। নগা শাখাক পাঁচটা ভাগত ভাগ কৰা হৈছে। যেনে—নগা বড়ো, পশ্চিম-নগা, মধ্য-নগা, পূব-নগা, নগা-কুকি। মৈইতেই বা মণিপুৰী, কুকি আৰু মিজোসকলৰ ভাষা কুকি-চীন শাখাৰ অন্তৰ্গত। উত্তৰ-অসম শাখাৰ ভিতৰত পৰে আকা, ডফলা, মিৰি, মিচিমি, আবৰ আদি। ইয়াৰ বাহিৰেও শ্যাম-চীন ভাষাগোষ্ঠীৰ আন এটা ভাগ শ্যাম বা থাই ভাষা-ভাষী মানুহো অসমত আছে। সেইবোৰৰ ভিতৰত খাম্‌তি, খাময়াং, আইটন, ফাকিয়াল আৰু তুৰুংসকল উল্লেখযোগ্য। ১৯৯১ চনৰ লোকপিয়ল অনুসৰি অসমত জনজাতীয় ভাষী লোকৰ সংখ্যা এনেধৰণ—বড়ো ভাষী—১১, ৮৪, ৫৬৯, জন, ৰাভা ভাষী—১, ১২, ৪২৪ জন, মিচিং ভাষী—৩, ৮১, ৫৬২ জন, দেউৰী ভাষী—১৫, ৯৫৫ জন, তিৱা ভাষী—৩২, ৬৩৩ জন, কাৰ্বি ভাষী—৩, ৫৫, ০৩২ জন, ডিমাছা—৮৪, ৬৫৪ জন, গাৰো ভাষী—১, ১৪, ৭৭৯ জন, কোচ ভাষী—৭, ২০৫ জন, মণিপুৰী বা মৈইথেই ভাষী—১, ২৬, ৯৮৭ জন, মাৰ ভাষী—১৯, ০৫৪ জন, কুকি ভাষী—১৫, ২০৯ জন, মিজো বা লুচাই—২, ৭১৯ জন, নগা ভাষী—৩৮, ০৩১ জন, খাচী জয়ন্তীয়া ভাষী ২৯, ৩৮৪ জন, আদি ভাষী ২, ৩১৬ জন আৰু ডফলা ভাষী—১, ৪, ৫০ জন আদি।

আনহাতে ১৯৯১ চনৰ লোকপিয়ল অনুসৰি অসমৰ অনুসূচিত জনজাতিসকলৰ জিলাভিত্তিক জনসংখ্যা এনেধৰণৰ :

জিলা	মুঠ জনসংখ্যা	জনজাতিৰ সংখ্যা	শতাংশ
ধুবুৰী	১৩৩২৪৭৫	৩২২৬০	২.৪২
কোকৰাঝাৰ	৮০০৬৫৯	৩২৯৪৬১	৪১.১৪
বঙাইগাঁও	৮০৭৫২৩	১৪১৫৪২	১৭.৫২
বৰপেটা	১৩৮৫৬৫৯	১১০৪৫২	৫.৭৯

নলবাৰী	১০১৬৩৯০	১৭৯৬৪১	১৭.৬৭
কামৰূপ	২০০০০৭১	২১৪৩৪০	১০.৭১
দৰং	১২৯৮৮৬০	২২৪৯৫৭	১৭.৩১
শোণিতপুৰ	১৪২৪২৮৭	১৫৮৪৯৮	১০.৭০
লক্ষীমপুৰ	৭৫১৫১৭	১৭৭১৫৬	২৩.৫৭
ধেমাজি	৪৭৮৮৩০	২১০৩১২	৪৩.৯২
মৰিগাঁও	৬৩৯৬৮২	১৪০২১৫	২১.৯১
নগাঁও	১৮৯৩১৭১	৬৯৮৪৮	৩.৬৯
গোলাঘাট	৮২৮০৯৬	৮৪৯১৬	৫.৪২
যোৰহাট	৮৭১২০৬	১০৫৩০৭	১২.০৮
শিবসাগৰ	৯০৭৯৮৩	৩৪৪৯৬	৩.৭৯
ডিব্ৰুগড়	১০৪২৪৫৭	৮২৯২০	৭.৯৫
তিনিচুকীয়া	৯৬২৭২৩	৫১৪৯৩	৫.৩৫
কাৰ্বিআংলং	৬৬২৪২৩	৩৪১৭১৮	৫১.৫৬
উত্তৰ কাছাৰ	১৫০৮০১	৯৮৮৩৪	৬৫.৫৩
কৰিমগঞ্জ	৮২৭০৬০	১৪৩০	০.১৭
হাইলাকান্দি	৪৪৯০৪৮	৭১৫	০.১৫
কাছাৰ	১২১৫৩৮৫	১৬৫৬৩	১.৩৬
অসম	২২৪১৪৩২২	২৮৭৪৪৪১	১২.৮২

—o—

দ্বিতীয় অধ্যায়

গাৰো জনজাতিৰ পৰিচয়

'গাৰো' শব্দৰ উৎপত্তি

'গাৰো' শব্দটিৰ উৎপত্তি বা নামকৰণকলৈ ভিন্ন ভিন্ন মতবাদৰ প্ৰচলন আছে। বহুতৰ মতে, 'গাৰো' নামটো অন্য সম্প্ৰদায় বা বাহিৰৰ মানুহে দিয়া। গাৰোসকলে নিজৰ সম্প্ৰদায়টোক বুজাবলৈ কেতিয়াও এই শব্দটো ব্যৱহাৰ নকৰে। তেওঁলোকে নিজকে আচিক (Achik) বুলিহে পৰিচয় দিয়ে। 'আচিক' শব্দটোৰ মৌলিক অৰ্থ হ'ল পাহাৰ আৰু ইয়াক যেতিয়া বহু বচনত 'আচিকাবাং' ৰূপে ব্যৱহাৰ কৰে, তেতিয়া ই গৌণভাৱে গাৰো সম্প্ৰদায়ক বুজায়। 'আচিক' শব্দটোৰ বিপৰীতে 'আজং' শব্দটো ব্যৱহাৰ কৰা হয়; যাৰ অৰ্থ অনা-গাৰো। গাৰোসকলে নিজকে বুজাবলৈ 'মান্দে' (Mande) শব্দটো ব্যৱহাৰ কৰে। 'মান্দে' শব্দটোৰ অৰ্থ হ'ল মানুহ। সেইবাবে গাৰোসকলে নিজকে আচিক মান্দে (অৰ্থাৎ পাহাৰৰ মানুহ) বুলি পৰিচয় দিবলৈহে বেছি পছন্দ কৰে।[1] 'আচিক মান্দে'ৰ দৰে গাৰো ভূমিক বুজাবলৈ 'আচিক আচং' (A'chik A'song) বা গাৰো ভাষাক বুজাবলৈ 'আচিক কুচিক' (A'chik Ku'chik) পদৰ ব্যৱহাৰ কৰে।

আন এক মতবাদ মতে, গাৰো পাহাৰ জিলাৰ সদৰ কাৰ্যালয় 'তুৰা' প্ৰাচীনকালত 'ধুৰা' নামেৰে পৰিচিত আছিল। সেইকাৰণে কোনোৱে ক'ব খোজে যে, 'গাৰো' শব্দটো 'ধুৰা' শব্দৰেই বিকৃত অথবা উন্নত ৰূপ।[2] ফলত গোৱালপাৰাৰ দক্ষিণে পাৰ্বত্য অঞ্চলত বসবাসকাৰী অধিবাসীসকল 'গাৰো' নামেৰেই জনাজাত হ'ল।

আন এটি মতবাদ মতে, গাৰো পাহাৰত বসবাসকাৰী গাৰোসকলৰ এটি দলৰ এগৰাকী অন্যতম শক্তিশালী দলনেতাৰ নাম আছিল 'গাৰা'। এই 'গাৰা'ৰ নামানুসাৰেই জাতিটোৰো নামকৰণ হয় 'গাৰো' বুলি। একেদৰে আন কিছুমানে ক'ব খোজে যে, গাৰোসকলৰ এটি শাখা 'গাৰা-গানচিংয়ে'ৰ নামানুসাৰে 'গাৰো' শব্দটি প্ৰচলিত হৈছে।[3]

এনে ভিন্ন ভিন্ন মতবাদৰ বাবেই 'গাৰো' নামকৰণৰ প্ৰকৃত অৰ্থ বা উৎপত্তি সম্পৰ্কে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নেযায়। যিহেতু প্ৰতিটো মতবাদৰে সপক্ষে সবল যুক্তি আছে, তথাপি বেছিভাগ পণ্ডিতেই অনুমান কৰে যে, 'গাৰো' নামটো বাহিৰৰ পৰা অৰ্থাৎ অনা-গাৰো মানুহে দিয়া। গাৰো পাহাৰত বসতি স্থাপন কৰা বাবেও এই সম্প্ৰদায়টোৰ নাম 'গাৰো' হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

---

১. মজুমদাৰ, বীৰেন্দ্ৰনাৰায়ণ—গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৭

২ জেংচাম, সুভাষ : গাৰো সাংস্কৃতিক জীৱনধাৰা, পৃ : ১১

৩ Nakane, Chie · Garo and Khasi, P-21।

গাৰো ভূমিৰ ভৌগোলিক অৱস্থান

গাৰোসকলৰ প্ৰধান বাসভূমি ভাৰত ৰাষ্ট্ৰৰ মেঘালয় ৰাজ্য। তথাপি, উত্তৰ-পূৱ ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে গাৰোসকলে বসবাস কৰি আহিছে। মেঘালয়ৰ গাৰোপাহাৰৰ সংলগ্ন কামৰূপ, গোৱালপাৰা জিলাৰ উপৰিও অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, দৰং, মিকিৰ পাহাৰ জিলা আদিতো বহুসংখ্যক গাৰো গাওঁ আছে। তদুপৰি ত্ৰিপুৰা আৰু পশ্চিমবঙ্গৰ উত্তৰ অঞ্চলতো কম পৰিমাণে হ'লেও গাৰো লোক আছে। ইফালে বাংলাদেশৰ মৈমনসিং, জামালপুৰ, টাংগাইল আৰু চিলেট জিলাতো ভালেখিনি গাৰো মানুহে বসবাস কৰি আহিছে। তথাপি, ভাৰতবৰ্ষৰ মেঘালয় ৰাজ্যৰ গাৰো পাহাৰ জিলাতেই গাৰোসকলৰ মুখ্য বাসভূমি হিচাপে গণ্য কৰা হয়; কিয়নো ইয়াতেই গাৰোসকলৰ সৰ্বমুঠ জনসংখ্যাৰ শতকৰা ৬৫ ভাগ লোকে স্থায়ীভাৱে বসবাস কৰি আহিছে।

মেঘালয় ৰাজ্যৰ সৰ্বমুঠ জিলাৰ সংখ্যা সাত খন—পূৱ খাচী পাহাৰ, পশ্চিম খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ, ৰিভোই, উত্তৰ গাৰো পাহাৰ, পূৱ গাৰো পাহাৰ আৰু পশ্চিম গাৰো পাহাৰ। ইয়াৰে শেষ তিনিখন জিলা প্ৰধানভাৱে গাৰো অধ্যুষিত। বাকী তিনিখন জিলা খাচী আৰু জয়ন্তীয়া মানুহৰ আবাসভূমি। ২০০১ চনৰ পিয়ল অনুসৰি মেঘালয় ৰাজ্যৰ জিলা ভিত্তিক জনসংখ্যা, মাটিৰ কালি আৰু সদৰ ঠাই এনে ধৰণৰ :

জিলা	সদৰঠাই	জনসংখ্যা	মাটিৰ কালি (বৰ্গ কিঃমিটাৰ)
১। পূৱ খাচী পাহাৰ	চিলং	৬৬০৯৯৪	২৬০৩
২। পশ্চিম খাচী পাহাৰ	নংষ্টৈন	২৯৪১১৫	৫২৪৭
৩। জয়ন্তীয়া পাহাৰ	জোৱাই	২৯৫৬৯২	৩৮১৯
৪। পূৱ গাৰো পাহাৰ	উইলিয়াম নগৰ	২৪৭৫৫৫	২৬০৩
৫। পশ্চিম গাৰো পাহাৰ	তুৰা	৫১৫৮১৩	৩৭১৪
৬। উত্তৰ গাৰো পাহাৰ	বাঘমাৰা	৯৯১০৫	১৮৫০
৭। ৰিভোই পাহাৰ	নংপো	১৯২৭৯৫	২৪৪৮
		২,৩০,৬,০৬৯	২২,৪২৯ কিঃমিটাৰ

গাৰো পাহাৰ জিলা কেইখন মেঘালয় ৰাজ্যৰ পশ্চিম সীমাত আৰু অসমৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত। গাৰো পাহাৰ এসময়ত অবিভক্ত অসমৰেই অন্তৰ্ভুক্ত আছিল। বৃটিছ শাসনৰ আৰম্ভণিৰ পৰা ১৮৬৯ চনলৈ সমগ্ৰ গাৰো পাহাৰ অসমৰ গোৱালপাৰা

জিলাৰ অধীনত আছিল। ১৯৭১ চনত সুকীয়া সুকীয়া মেঘালয় ৰাজ্য স্থাপন হোৱাৰ লগে লগে গাৰো পাহাৰ অসমৰ পৰা আঁতৰি গৈ মেঘালয় ৰাজ্যৰ লগ লাগিল। মেঘালয় ৰাজ্য স্থাপন হোৱাৰ লগে লগে গাৰোসকল ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত এক সুকীয়া স্থানৰ অধিকাৰী হ'ল।

গাৰো পাহাৰ জিলা কেইখনিৰ চাৰিসীমা এনেধৰণৰ : উত্তৰে অসমৰ কামৰূপ আৰু গোৱালপাৰা জিলা, দক্ষিণে আৰু পশ্চিমে বাংলাদেশৰ মৈমনসিং তথা ৰংপুৰ জিলা আৰু পূবে খাচী পাহাৰ জিলা। গাৰো পাহাৰ জিলা কেইখনি ভাৰতৰ উত্তৰ-পূব কোণত ২৫°৯' আৰু ২৬°১' উত্তৰ অক্ষৰেখা আৰু ৮৯°৪৯' আৰু ৯১°২' পূব দ্ৰাঘিমাৰেখাৰ মাজত অৱস্থিত।

উত্তৰ, পূব আৰু পশ্চিম গাৰো পাহাৰ জিলাকেইখনিক মেঘালয়ৰ মালভূমিৰ পশ্চিমাঞ্চল বুলি কোৱা হয়। জিলা তিনিখনৰ নামকৰণৰ পৰা বুজিব পাৰি যে, ই পাহাৰীয়া ঠাই। যদিও সমগ্ৰ গাৰো-পাহাৰ অঞ্চলটো পাৰ্বত্যময় তথাপি, মাজে মাজে পাদদেশত বিস্তৃত অঞ্চলজুৰি সমভূমিও আছে। গাৰো পাহাৰ জিলা কেইখনিৰ সৰ্বমুঠ মাটিৰ কালিৰ পৰিমাণ ৮,১৬৭.০ বৰ্গকিলোমিটাৰ আৰু এই পৰিমাণ সমগ্ৰ মেঘালয় ৰাজ্যৰ শতকৰা ৩৬.২৮ ভাগ। তাৰে ভিতৰত ৩,১৫২.০ বৰ্গকিলোমিটাৰ সংৰক্ষিত বনাঞ্চল। আনহাতে, গাৰো পাহাৰৰ প্ৰতি বৰ্গকিলোমিটাৰত জন বসতিৰ ঘনত্ব ৫৬ জন।

গাৰো পাহাৰ সৰু বৰ বহুতো টিলা বা পাহাৰৰ সমষ্টি। ইয়াৰ ভিতৰত সবাতোকৈ উচ্চ শৃংগটো হ'ল নক্ৰেক। ইয়াৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা ৪,৬৫২ ফুট। মালভূমি অঞ্চলৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা ৩,০০০ ফুটৰ পৰা ২,০০০ ফুটলৈ। জিলা দুখনিৰ সদৰ ঠাই তুৰা আৰু উইলিয়াম নগৰ পাদভূমিত অৱস্থিত। ইয়াৰ উচ্চতা সমুদ্ৰ পৃষ্ঠৰ পৰা প্ৰায় ১,৭০০ ফুট।[৪]

গাৰো পাহাৰত নদ-নদীৰ সংখ্যাও একেবাৰে কম নহয়। প্ৰধান নদীসমূহৰ ভিতৰত সোমেশ্বৰী, জিনাৰী, কৃষ্ণাই, ৰঙাই, কালু, দাৰেং, ভোগাই আদি উল্লেখযোগ্য। এই নদীসমূহ গাৰোসকলৰ মাজত যথাক্ৰমে চিমচাং, নিত্ৰাম, দামৰিং, মাৰিনা (মালদা), ৰিংগি, গানল, নিতাই, বুগী নামেৰে জনাজাত। অসমৰ গোৱালপাৰা জিলাৰ মাজেৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰা দুধনৈ আৰু কৃষ্ণাই নদীৰ উৎস গাৰো পাহাৰতেই। গাৰো পাহাৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য নদী হৈছে সোমেশ্বৰী নদী; গাৰোসকলে যাক 'চিমচাং' বোলে। 'চিমচাং' ইমানেই বিখ্যাত যে, এই নদীখনিক লৈ অসমীয়া ভাষাত দুখন উপন্যাসো ৰচিত হৈছে। উপন্যাস দুখনি হৈছে গণপতি ভৰালী (উমাকান্ত শৰ্মা)ৰ 'চিমচাঙৰ দুটি পাৰ' (১৯৬৫) আৰু স্বৰ্ণ বৰাৰ 'চিমচাং নদীৰ হাঁহি' (১৯৮৭)।

---

৪. Basic Facts of Meghalaya, P-3

চিমচাং নদীৰ উৎস তুৰা আৰু নকৰেক শৃংগদ্বয়ৰ মধ্যাঞ্চলত। মালভূমিৰ পৰা সমভূমিলৈ নামি অহা অৱস্থাতে নৈখন চুণশিলৰ পাহাৰৰ মাজেৰে বৈ আহিছে আৰু নদীৰ সোঁতত চুণশিল ক্ষয় হৈ দুয়োপাৰে কিছুমান শিলৰ স্তম্ভৰ আকৃতি লৈছে। এই প্ৰধান নদীকেইখনৰ উপৰিও গোটেই গাৰো পাহাৰত ভালেমান সৰু জান-জুৰি আছে। এইবোৰৰ কোনো কোনোটোৱে সৰু-বৰ জলপ্ৰপাতবো সৃষ্টি কৰিছে। পাহাৰ-পৰ্বত, জান-জুৰি, নদ-নদী, শৃংগ-মালভূমি আদিয়ে আৱৰি ৰখা প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে এই জিলা দুখনিক 'পাহাৰী কন্যা' (Hill queen) বুলিও অভিহিত কৰা হয়।

গাৰো পাহাৰৰ জলবায়ু নাতিশীতোষ্ণ। সমতল অঞ্চলৰ জলবায়ু অসমৰ পশ্চিম অঞ্চলৰ জলবায়ুৰ নিচিনাই। অৱশ্যে খাচী পাহাৰৰ সংলগ্ন অঞ্চলত শীত বেছি। এইবোৰ ঠাইত শীতকালত কেতিয়াবা কেতিয়াবা তুষাৰপাত হয়। আনহাতে, মৌচুমী অঞ্চলত অৱস্থিত বাবে দুয়োখন জিলাতে যথেষ্ট পৰিমাণে বৰষুণ হয়। বিশেষকৈ এপ্ৰিল মাহৰ পৰা অক্টোবৰ মাহলৈ বৰষুণৰ পৰিমাণ বেছি। বৰষুণৰ পৰিমান গড়ে ২৮৩৩৮ মিলিমিটাৰ। আনহাতে, উষ্ণতা উচ্চতম ৩২ ৫ ডিগ্ৰী চেলচিয়াচ আৰু নিম্নতম ১৬ ৯ ডিগ্ৰী চেলচিয়াচ।[৫] সেইবাবে বৃহত্তৰ এই অঞ্চলটো ডাঠ হাবি-বননিৰে ভৰপূৰ।

ঐতিহাসিক দৃষ্টিত গাৰো জনজাতি

গাৰো সমাজৰ উৎপত্তি বা তেওঁলোকৰ আদি বাসস্থান সম্পৰ্কে সঠিক তথ্য প্ৰদান কৰা একপ্ৰকাৰ অসম্ভৱ।[৬] কাৰণ তেওঁলোকৰ কোনো লিখিত তথ্য বা ধাৰাবাহিক প্ৰমাণ নিৰ্ভৰ ইতিহাস পোৱা নেযায়। তাতে আকৌ গাৰো সমাজৰ বংশ পৰম্পৰাত যিবোৰ কাহিনী, উপকথা, কিংবদন্তী আদিৰ প্ৰচলন আছে সেইবোৰেও কাৰ্যত তেওঁলোকৰ উৎপত্তি বা আদিস্থান নিৰ্ণয়ৰ ক্ষেত্ৰত সিমান মূল্যবান তথ্যৰ যোগান ধৰিব পৰা নাই। আনহাতে, এইবোৰৰো উৎকৰ্ষ সাধিত হৈছে এই উপমহাদেশত তেওঁলোকৰ স্থায়ী বসবাসৰ বহুখিনি পিছতহে। সেই বাবেই গাৰো সমাজৰ উৎপত্তি বা তেওঁলোকৰ ক্ৰমবিকাশ সম্পৰ্কে জানিবলৈ হ'লে আমি প্ৰধানতঃ নৃতত্ত্ববিদ আৰু ভাষাবিজ্ঞানীৰ গৱেষণা তথা বিচাৰ-বিশ্লেষণৰ ওচৰত প্ৰধানভাৱে শৰণ ল'বলগীয়া হয়।

নৃতাত্ত্বিক আৰু ভাষাতাত্ত্বিকসকলে ভাৰতবৰ্ষৰ সমগ্ৰ মানবগোষ্ঠীক জাতিগতভাৱে ছটা প্ৰধান ভাগত বিভক্ত কৰিছে। ভেণ্টন, বিজলী, স্মিড্‌ট আদি বিদেশী পণ্ডিতৰ উপৰিও বিৰজা শংকৰ গুহ আৰু সুনীতি কুমাৰ চট্টোপাধ্যায়ে আগবঢ়োৱা অভিমত অনুসৰি ভাৰতত এই ছটা জাতিগত বিভাগৰ মানুহ দেখিবলৈ পোৱা যায়ঃ*

---

৫ District Statistical Abstrat, Garo Hills, 1984

৬ Chatterji, S K Kirata Jana Krti, P-6

১। নেগ্রিটো বা নেগ্রইড।
২। প্রট-অষ্ট্রলয়ড বা দক্ষিণ জাতি,
৩। মেডিটেৰানীয়ান বা ভূমধ্য সাগৰীয় জাতি,
৪। ৱেষ্টার্ণ বেক্রিচেফাল বা পশ্চিমীয়া হ্রস্ব কপিলী জাতি,
৫। নৰ্ডিক বা উদীচ্য জাতি আৰু
৬। মঙ্গলয়ড বা মঙ্গোলীয় জাতি।

এই ছটা মানবগোষ্ঠীৰ ভিতৰত গাৰোসকল মঙ্গোলীয় জনগোষ্ঠীৰ লোক। বুৰঞ্জী আৰু নৃতত্ত্ববিদসকলৰ মতেও গাৰোসকল মঙ্গোলীয় গোষ্ঠীভুক্ত তিব্বতো-বর্মী বংশৰ লোক।

মঙ্গোলীয়সকলক বিভিন্ন পুৰাণত 'কিৰাত' বুলি কোৱা হৈছে। 'কিৰাত' শব্দটিৰে ব্যাপকভাৱে মঙ্গোলীয় লোকক বুজোৱা হয়। যজুর্বেদ, মহাভাৰত, ৰামায়ণ, যোগিনীতন্ত্র, কালিকাপুৰাণতো প্রাচীন কামৰূপৰ ধর্ম কৈৰাতজঃ আৰু পূর্বোত্তৰ সীমা অঞ্চল কিৰাতভূমি বুলি স্পষ্টকৈ বৰ্ণোনা হৈছে—'সিদ্ধেশী যোগিনী পীঠে ধর্মঃ কৈৰাতজঃ মতঃ"।[৭] বড়ো, ডিমাচা, লালুং, সোনোৱাল, কছাৰী, ৰাভা, গাৰো, মিৰি, কোচ, কাৰ্বি আদি জনজাতিক পণ্ডিতসকলে মঙ্গোলীয় জাতিৰ ভিতৰত স্থান দিছে। 'পুৰণি কামৰূপৰ ধর্মৰ ধাৰা'ত ড° বাণীকান্ত কাকতিয়ে সংস্কৃত শাস্ত্র 'কালিকা পুৰাণ'ৰ পৰা উদ্ধৃতি দি কৈছে যে—"বৰাহৰূপী বিষ্ণুৱে মাতৃ বসুমতীৰ হতুৱাই নৰকাসুৰক প্রাগ্‌জ্যোতিষপুৰত ৰজা পাতিবলৈ লৈ অহাৰ সময়ত প্রাগ্‌জ্যোতিষপুৰত শিৱই কিৰাতসকলক লৈ ৰাজ্য স্থাপন কৰি বিৰাজ কৰিছিল।"[৮] পিছত নৰকৰ পিতৃ বৰাহ বিষ্ণুৱে শিৱৰ সন্মতি লৈ ললিতা-কান্তাক সীমা কৰি কৰতোৱা নদীলৈকে এই ঠাইখণ্ডৰ পৰা কিৰাতসকলক আঁতৰাই নৰকক প্রাগ্‌জ্যোতিষৰ ৰজা পাতিছিলঃ

"এবমুক্তা স্বয়ং বিষ্ণুঃ শম্ভোৰনুমতেঃ তদা।
সর্বান্ কিৰাতান্ পুৰস্যাৎ সাগৰান্ত ন্যবেশয়ৎ।।
পূর্ব ললিতাকান্তায়াঃ সমাদায় বিধিং পুনঃ।
যাৱৎ সাগৰ পর্য্যান্তং কিৰাতাস্তাৱদাম্মন্।।"[৯]

আনহাতে 'অমৰকোষ' অভিধানত কিৰাতসকলক ম্লেচ্ছ বুলি অভিহিত কৰা হৈছেঃ

"লোকত্ৰয়ং ভাৰতবৰ্ষং শাৰৱত্যান্ত যোদেৱৈঃ
দেশ প্রাগ্ দক্ষিণ প্রাচ্য উদীচ্য পশ্চিমোত্তৰ
প্রত্যন্তে ম্লেচ্ছ দেশ স্যাৎমধ্য দেশস্তমধ্যমঃ"

তেনেদৰে 'কালিকা পুৰাণ'তো কিৰাতসকলক ম্লেচ্ছ অর্থাৎ চতুর্বর্ণহীন, জ্ঞান বিবর্জিত, মদ-মাংস আসক্ত বুলি কোৱা হৈছে ঃ

"কিৰাতৈৰ্বালিভিঃ কুবৈৰম্ভে ৰাপি চ ৰাসিতঃ

---

৭ যোগিনীতন্ত্র—২/৯/১৩
৮ কাকতি, বাণীকান্ত—পুৰণি কামৰূপৰ ধর্মৰ ধাৰা, পৃঃ ৫২
৯ কালিকা পুৰাণ

কন্নস্তত্ত নিভাস্তত্র কিৰাতন্ জ্ঞানবৰ্জিতান্
অনৰ্থমুণ্ডিতান মদ্য মাংসনৈক্যকণ্ডপ্ৰবাণ।"

আন কিছুমানৰ মতে, "হিড়িম্বা ৰজা কিৰাত আছিল। আৰু ভীমৰ ঔৰসত হিড়িম্বাৰ গৰ্ভত জন্মা ঘটোৎকচৰ পৰাইহে কছাৰী জাতিৰ উপত্তি হৈছে। সংস্কৃত সাহিত্যৰ পণ্ডিতৰ মতে শোণিতপুৰৰ ৰজা বাণ কিৰাত বংশীয় আছিল আৰু কুণ্ডিল ৰাজ্যৰ ৰজা ভীষ্মক কিৰাত বংশীয় আছিল।[১০]

আনহাতে, প্ৰব্ৰজনৰ ইতিহাস অন্বেষণ কৰিলে আমি পাওঁ খৃষ্টপূৰ্ব দুহেজাৰ বছৰ আগতে এই কিৰাত বা মঙ্গোলীয় গোষ্ঠীৰ মানুহ চাইবেৰীয়া আৰু মঙ্গোল এই দুই দেশত ভ্ৰমি ফুৰিছিল। কালক্ৰমত তেওঁলোক তিনিটা ভাগৰ্ত বিভক্ত হয়। এটা ভাগ ইউৰোপৰ ফাললৈ যায় আৰু তুৰ্কী তথা ইটালীত বসবাস আৰম্ভ কৰে। বৰ্তমান ইটালী আৰু তুৰ্কী মানুহবোৰ মূলতঃ মঙ্গোলীয় গোষ্ঠীৰ বুলি ঠাৱৰ কৰা হৈছে। দ্বিতীয় ভাগটো চাইবেৰীয়াইদি বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰেগৈ। তেওঁলোকৰ আনটো ঠাল জাপানত বাস কৰিবলৈ লয়। বৰ্তমান উত্তৰ জাপানৰ ইবিছু আৰু উত্তৰ আমেৰিকাৰ মেক্সিকো জাতি মূলতঃ মঙ্গোলীয় গোষ্ঠীৰ মানুহ।[১১]

তৃতীয় ভাগটো ক্ৰমান্বয়ে দক্ষিণ ফালেদি নামি চীনৰ দক্ষিণ-পশ্চিমত থকা হোৱাংহো উপত্যকা আৰু তিব্বত মালভূমিত বাস কৰিবলৈ লয়। তাতেই তেওঁলোকে সমৃদ্ধিশালী সংস্কৃতি গঢ়ি তোলে। হোৱাংহো উপত্যকাৰ আন এটা ঠাল ভাগ হৈ 'টাই' নাম লৈ ব্ৰহ্মদেশ পায়গৈ। তিব্বতৰ পৰাও মঙ্গোলীয়সকল চামে চামে আহি হিমালয়ৰ নামনি অঞ্চলত বাস কৰিবলৈ ধৰে। বৰ্তমান এওঁলোকক নেপাল, ভূটান আদিত পোৱা যায়।[১২]

তিব্বতত বাস কৰা কিছুমান মঙ্গোলীয় লোক ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি উত্তৰ-পূব ভাৰতত প্ৰৱেশ কৰে। এই প্ৰসঙ্গত সুনীতি কুমাৰ চট্টোপাধ্যায়ে মঙ্গোলীয়সকলে ভাৰত-তিব্বত আৰু ভাৰত-চীনৰ মাজত বেহা-বেপাৰ চলোৱাৰ ইঙ্গিত দিয়া গ্ৰীক ভাষাত ৰচিত এখনি নৌ বিদ্যাৰ পুথি 'The Periplus of the Erythreecon Sea'লৈ আঙুলিয়াইছে।[১৩] উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ঠালটোৱে পিচত ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি কাষৰীয়া ঠাইত বাস কৰিবলৈ লয় আৰু তাতে সৰু সৰু ৰাজ্য স্থাপন কৰে।

ইতিহাসৰ আঁত ধৰি ক'বলৈ হ'লে মঙ্গোলীয় গোষ্ঠীৰ মানুহ ভাৰতলৈ তিনিটা দিশেদি প্ৰৱেশ কৰে। এটা দলে প্ৰাচীন ভাৰতৰ বিদেহ, মিথিলা অৰ্থাৎ বৰ্তমানৰ উত্তৰ-পশ্চিম বিহাৰ আৰু উত্তৰ বঙ্গেৰে সোমাই গংগা উপত্যকাত বিয়পি পৰে। দ্বিতীয় দলটো দক্ষিণ-পূব কোণেদি ভাৰতত সোমাই বৰ্তমানৰ ত্ৰিপুৰা, শ্ৰীহট্ট, চট্টগ্ৰাম, মৈমনসিং, ঢাকা আদিত

---

১০. মাজী, ভবেন—বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃঃ ৯

১১. Chattarji, S.K. : Kirata-Jana-Krti, P-20-21

১২. উক্ত গ্ৰন্থ, পৃঃ ২০

১৩. চট্টোপাধ্যায়, সুনীতি কুমাৰ : 'অসম আৰু ভাৰত' প্ৰবন্ধ, হৰি প্ৰসাদ নেওগ আৰু লীলা গগৈ সম্পাদিত 'অসমীয়া সংস্কৃতি' গ্ৰন্থ, পৃঃ২৬২

প্ৰৱেশ কৰে। অৱশ্যে এই ঠাইবোৰ এতিয়া সৰহভাগ পূব-পাকিস্থানৰ অন্তৰ্গত। ত্ৰিপুৰাৰ বাহিৰে বাকী ৰাজ্যবোৰ পিছত মুছলমান ৰজাৰ হাতলৈ যায় আৰু সেইবোৰত বসবাস কৰা মঙ্গোলীয় লোকসকল ইছলাম ধৰ্মত দীক্ষিত হৈ মুছলমান হৈ পৰে। তৃতীয় দলটো উত্তৰ-পূব কোণৰ ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি ব্ৰহ্মপুত্ৰ উপত্যকাত সোমাই তাত আৰু পাহাৰৰ নামনি অঞ্চলত সৰু সৰু ৰাজ্য স্থাপন কৰে।"[১৪]

এইখিনিতে উল্লেখ কৰি থোৱা প্ৰাসঙ্গিক হ'ব যে, গাৰোসকল তিব্বত-বৰ্মী গোষ্ঠীৰ বৃহৎ বড়ো জনগোষ্ঠীৰ এটা শাখা আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন অঞ্চলত বসবাসৰত বৃহৎ বড়ো জনগোষ্ঠীৰ অন্যান্য শাখা যেনে—কছাৰী, মেচ, কোচ, মিকিৰ, নগা, মিচিমি প্ৰভৃতি উপ-জাতিৰ লগত গাৰোসকলৰ নানা দিশত সাদৃশ্য বিদ্যমান।

পৃথিৱীৰ প্ৰত্যেক জাতিৰেই একোটা নিজস্ব ইতিহাস আছে। কিন্তু গাৰোসকলৰ ইতিহাস প্ৰব্ৰজনৰ ইতিহাস। চীনৰ হোৱাংহো আৰু ইয়াং চিকিয়াঙৰ পৰা ব্ৰহ্মপুত্ৰৰি আহি গাৰো পাহাৰত থিতাপি লোৱালৈকে এটা সুদীৰ্ঘ বিৰামহীন যাত্ৰা। এটা জনশ্ৰুতি মতে, গাৰোসকলৰ আদি পুৰুষৰ দলটি জাপফা জালিনফা আৰু সুখফা বোংগিফা নামৰ দুগৰাকী নেতাৰ নেতৃত্বত তিব্বতৰ পৰা হিমালয়ৰ দুৰ্গম গিৰিপথ অতিক্ৰম কৰি প্ৰথমে ভূটানৰ কালিম্পঙত উপস্থিত হয়। ইয়াতে তেওঁলোকে ভালেকেইবছৰ বসবাস কৰে। সেই সময়ৰ ভূটানৰ ৰজা আছিল মহাদেৱ। মহাদেৱ এগৰাকী গাৰো যুৱতীৰ প্ৰেমত পৰে আৰু শেষত তেওঁক বিয়া কৰায়।[১৫] কিন্তু কালিম্পঙত তেওঁলোকৰ বসবাস স্থায়ী নহ'ল। এইবাৰ তেওঁলোক উপস্থিত হ'ল কোচ বিহাৰত। কোচ বিহাৰত তেওঁলোকে দীৰ্ঘ চাৰি শতিকা কাল বসবাস কৰে আৰু সকলো ফালৰ পৰা সমৃদ্ধি লাভ কৰে। কোচ বিহাৰ এৰাৰ পিছত বিহাৰৰ ৰজাই তেওঁলোকক স্বাগতম্ জনায়। বিহাৰত অৱস্থান কৰাৰ সময়তে তেওঁলোকে ধনু, তৰোৱাল, যাঠি আদি যুদ্ধ বিদ্যাৰ কৌশলৰ অনুশীলন কৰে আৰু গাৰোসকলৰ যুদ্ধ-নিপুণতা দেখি বিহাৰৰ ৰজা ভীতিগ্ৰস্ত হৈ বিহাৰৰ পৰা তেওঁলোকক বিতাড়িত কৰে। বিহাৰৰ পৰা বিতাড়িত হোৱাৰ পিছত তেওঁলোকে আৰ্য বংশীয় বহুতো ৰজাৰ শত্ৰুতাত দুৰ্ভোগ ভুগিবলগীয়া হয় আৰু এখনৰ পিছত আন এখন ঠাইলৈ সঘনে বাসস্থান সলনি কৰিবলগীয়া হয়। শেষত তেওঁলোকে ব্ৰহ্মপুত্ৰ নদীৰ পূব দিশে যাত্ৰা আৰম্ভ কৰে। সেই সময়ত তেওঁলোকে কিছুদিনৰ বাবে গোৱালপাৰা জিলাৰ ৰঙামাটিত থিতাপি লয়। কিন্তু ৰঙামাটিলৈ অহাৰ সময়ত তেওঁলোকে ব্ৰহ্মপুত্ৰ নদী পাৰ হ'বলগীয়া হৈছিল। কথিত মতে "তেওঁলোকে ব্ৰহ্মপুত্ৰ পাৰ হ'বৰ বাবে ৰজাৰ ওচৰত নৌকা প্ৰাৰ্থনা কৰে। কিন্তু ৰজাই দুগৰাকী গাৰো যুৱতীৰ বিনিময়তহে নৌকা দিবলৈ ৰাজী হয়। উপায়ন্তৰ হৈ মিৰিক আৰু ডিমৃৰি নামৰ দুগৰাকী গাৰো যুৱতীৰ বিনিময়ত তেওঁলোকে তিনিশভাল কলগছ লয়। এই কলগছেৰে ভুৰ তৈয়াৰ কৰি তেওঁলোকে

১৪. Grierson, G.A. : Linguistic Survey of India, Vol-I, P-40
১৫. Simon, I.M : Meghalaya, State of our union, P-8

গোৱালপাৰাৰ ৰঙামাটিত উপস্থিত হয়।[১৬] পিছত তেওঁলোকে ৰঙামাটিৰ পৰা পূবদিশে প্ৰব্ৰজন কৰি কামৰূপত উপস্থিত হয়।

অসমত গাৰোসকলৰ বসতিকাল আনুমানিক খৃষ্ঠপূৰ্ব পঞ্চদশ শতিকাৰ পৰা এয়োদশ শতিকা বুলি ঠাবৰ কৰা হৈছে। অৰ্থাৎ আজিৰ পৰা প্ৰায় তিনিহেজাৰ বছৰ আগৰ কথা। কাৰণ এদল দুধৰ্ষ গাৰো যুবক অসমৰ ৰজা ভগদত্তৰ সৈন্যৰূপে কুৰুক্ষেত্ৰ যুদ্ধত অৱতীৰ্ণ হোৱাৰ কথা হিন্দুসকলৰ প্ৰাচীন মহাকাব্য মহাভাৰতত পোৱা যায়।[১৭] কুৰুক্ষেত্ৰ যুদ্ধ মোটামুটিভাৱে ইতিহাস নিৰ্ভৰ আৰু ইয়াৰ সংঘটিত কাল খৃষ্ঠপূৰ্ব দ্বাদশ শতাব্দী।[১৮] মহাভাৰতৰ প্ৰাণ পুৰুষ শ্ৰীকৃষ্ণ ঐতিহাসিক ব্যক্তি বুলি স্বীকৃত আৰু তেওঁৰ অন্যতমা মহিষী ৰুক্মিনী আছিল বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ মিছিমি উপজাতিৰ কন্যা আৰু এই সূত্ৰ ধৰিয়েই শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ বাবে মিছিমি দলপতি বাণ ৰজাৰ কন্যা উষাক নাতি-বোৱাৰী হিচাপে গ্ৰহণ কৰিছিল। মহাভাৰতৰেই অন্যতম ব্যক্তিত্ব অৰ্জুন ভাৰত উত্তৰ-পূৰ্বাঞ্চলত তেওঁৰ পৰিভ্ৰমণকালত এগৰাকী উপজাতিভুক্ত কন্যা উলুপীৰ পাণি গ্ৰহণ কৰিছিল আৰু পৰৱৰ্তীকালত আন এগৰাকী মণিপুৰী ৰাজকন্যা চিত্ৰাংগদাৰ পাণি গ্ৰহণ কৰিছিল। আৰ্য বেদ-প্ৰণেতা তথা ৰামায়ণ, মহাভাৰত আদি মহাকাব্য আৰু পুৰণি ৰচয়িতাসকলে গাৰো, নগা, মিছিমি আদি উপজাতিসমূহক 'কিৰাত' নামেৰে নামকৰণ কৰি গৈছে আৰু এই আদিবাসী উপজাতিসমূহ প্ৰাক্-আৰ্য যুগতো যে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক ক্ষেত্ৰত এক বিশেষ স্থান দখল কৰি আছিল তাৰ অকাট্য প্ৰমাণ দাঙি ধৰে। "প্ৰাগ্-ঐতিহাসিক যুগৰ বৰ্মন, শালস্তম্ভ, পাল, কোচ, টাই-আহোম প্ৰমুখ্যে অসমৰ প্ৰায়বোৰ ৰাজবংশকেই বোলা হৈছে কিৰাত।"[১৯]

পৰৱৰ্তীকালত গাৰোসকলে পুনৰ অসমৰ বাসস্থান পৰিত্যাগ কৰি পশ্চিমফালে যাত্ৰা আৰম্ভ কৰে আৰু বৰ্তমান গোৱালপাৰাৰ হাব্ৰাঘাট অঞ্চলত বসতি স্থাপন কৰে। ইয়াতেই গাৰোসকল বিভিন্ন দলত বিভক্ত হৈ পৰাৰ লগতে অসমৰ বিভিন্ন প্ৰান্ততো সিঁচৰতি হৈ পৰে। আনহাতে, "গাৰোসকলৰ একক শক্তিশালী দলটোৱে আব্ৰাসেন নামৰ এজন দুধৰ্ষ নেতাৰ অধীনত ইয়াতেই প্ৰথম গাৰো ৰাজ্য স্থাপন কৰে। এই ৰাজ্যৰ ৰাজধানীৰ কিছু কিছু ধ্বংসাৱশেষ এতিয়াও দেখিবলৈ পোৱা যায়। এই হাব্ৰাঘাটৰ পৰা পিছত ৰজা আবংৰ নেতৃত্বত এদল দুঃসাহসী গাৰোৱেই বৰ্তমান গাৰো পাহাৰৰ তুৰাৰ ওচৰত নকৰেক পাহাৰলৈ আগমন কৰে আৰু তাতে বসবাস কৰিবলৈ লয়। এওঁলোকেই গাৰো পাহাৰৰ প্ৰথম বাসিন্দা আৰু এওঁলোকৰ পৰাই পৰ্যায়ক্ৰমে গাৰোসকলে গাৰোপাহাৰৰ বিভিন্ন অঞ্চলত

---

১৬. ৰাংচা, প্ৰণৱ সালসেং : 'গারো জাতিৰ সংক্ষিপ্ত ইতিহাস' প্ৰবন্ধ, মাহবুবুল হাচান সম্পাদিত 'জানিয়া' (বাংলাদেশ) পত্ৰিকা, পৃঃ ১৬

১৭. জেংচাম, সুভাষ : গারোদের সাংস্কৃতিক জীৱনধারা, পৃঃ ১০

১৮. Pradhan, S.N : Chronology of Ancient India, P.

১৯. শৰ্মা, শশী : অসমৰ লোক সাহিত্য, পৃঃ ৬

বসতি স্থাপন কৰি বিভিন্ন গোত্ৰ, উপ-গোত্ৰত পৰিচিত হ'বলৈ ধৰে।"[২০] পৰৱৰ্তীকালত এই গোত্ৰ, উপ-গোত্ৰসমূহৰ মাজত প্ৰায়েই বিবাদ-বিসম্বাদ, যুদ্ধ-বিগ্ৰহ লাগিবলৈ ধৰে; যাৰ পৰিণতিত অপেক্ষাকৃত নিৰীহ গাৰো লোক কিছুমানে গাৰো পাহাৰৰ নিকটৱৰ্তী সমতল ভূমিত পলায়ন পূৰ্বক বসতি কৰে। এওঁলোকেই বৰ্তমানৰ বাংলাদেশৰ বিভিন্ন অঞ্চলৰ লগতে কামৰূপ, গোৱালপাৰা আদিত বসবাসকাৰী গাৰোসকলৰ পূৰ্বপুৰুষ।

এইখনিতেই বৃটিছ শাসনৰ পূৰ্বৱৰ্ত্তী আৰু পৰৱৰ্ত্তী কালৰ গাৰো পাহাৰ জিলাৰ প্ৰশাসন ব্যৱস্থাৰো এটি সংক্ষিপ্ত আভাস দিয়াটো বোধকৰো অপ্ৰাসঙ্গিক নহ'ব। সমগ্ৰ গাৰো জাতিটো বৃটিছ শাসনৰ আগছোৱাত বহু দলত বিভক্ত আছিল। প্ৰত্যেকটি দল প্ৰভাৱশালী তথা শক্তিশালী একোজন নেতাৰ অধীনত আছিল। সেইবাবে সমগ্ৰ গাৰো জাতিটোক একত্ৰিত কৰি প্ৰশাসনৰ নিয়ন্ত্ৰণলৈ অনাৰ ক্ষেত্ৰত বৃটিছে বহুখিনি ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। গাৰোসকলৰ কোনো কোনো দল নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ সন্ধানত সমতল ভূমিত অৱতৰণ কৰি সেই ঠাইৰ বাসিন্দাসকলৰ ওপৰত আক্ৰমণো চলাইছিল। মোগলৰ ৰাজত্ব কালত অসমৰ পশ্চিমাংশত প্ৰধানত স্থানীয় জমিদাৰেই শাসন চলাইছিল। বৃটিছ ৰাজত্বৰ প্ৰথমাৰ্দ্ধত গাৰো পাহাৰ গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল আৰু সম্পূৰ্ণ অঞ্চলটোৰ শাসনভাৰ এগৰাকী বেসামৰিক কমিচনাৰৰ ওপৰত ন্যস্ত আছিল। ১৮৬৯ চনত গাৰো পাহাৰ এটি পৃথক জিলালৈ ৰূপান্তৰিত হয় আৰু প্ৰশাসন ব্যৱস্থাৰ বাবে এজন ভাৰপ্ৰাপ্ত বিষয়া নিয়োগ কৰে। এইকথা সঁচা যে, বহু বাধা-বিপত্তি তথা নানা প্ৰতিবন্ধকতাৰ মাজেদি বহু চেষ্টাৰ মূৰতহে সমগ্ৰ গাৰো পাহাৰ এলেকা বৃটিছ চৰকাৰৰ আয়ত্তলৈ আহে আৰু আযত্তলৈ অনাৰ পিছৰেপৰা গাৰোসকলে শান্তিপূৰ্ণভাৱে বসবাস আৰম্ভ কৰে।

নৃতত্ত্বৰ দৃষ্টিত গাৰো জনজাতি

সাধাৰণভাৱে ক'বলৈ হ'লে 'মানুহ আৰু তাৰ সংস্কৃতি' অধ্যয়নেই নৃতত্ত্বৰ মূলকথা। অৱশ্যে ইয়াত 'মানুহ' শব্দটোৰ দ্বাৰা কোনো এজন নিৰ্দিষ্ট ব্যক্তিক বুজোৱা হোৱা নাই, বুজোৱা হৈছে মানৱ দল বা সমষ্টিক। সেই সমষ্টিৰ মানুহসকলক আৰু তেওঁলোকৰ সংস্কৃতিক সমূহীয়াভাৱে অধ্যয়ন কৰাটোৱেই হৈছে প্ৰকৃত নৃতাত্ত্বিক অধ্যয়ন।"[২১] এই দৃষ্টিভঙ্গীৰে চাবলৈ গ'লে নৃতত্ত্বৰ মূল বিষয়বস্তু দুটা প্ৰধান ভাগত বিভক্ত কৰি জনসমষ্টি এটাৰ ওপৰত দৃষ্টিপাত কৰিব পাৰি : এটা হ'ল মানুহক জীৱ হিচাপে লৈ তাৰ প্ৰাসঙ্গিক বিষয়বস্তু চৰ্চা আৰু আনটো হ'ল মানুহৰ সংস্কৃতিৰ (আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা, উৎসৱ অনুষ্ঠান, সাজ-পোছাক, শিল্প-উৰণ, খাদ্য-বোৱন, অা-অলংকাৰ আদিৰ) বিশদ আলোচনা। সেইবাবে "সমাজ সংস্কৃতিৰ পৰা বিচ্ছিন্ন কৰি মানুহৰ জৈৱিক দিশটো অধ্যয়ন কৰাটো যুক্তিসঙ্গত নহয়। সেইদৰে মানুহৰ জৈৱিক দিশটোলৈ আওকাণ কৰিলেও সমাজ সংস্কৃতিৰ

---

২০ Playfair, A The Garos, P-10

২১ Herskovits J Melville Cultural Anthropology, P-4

পূৰ্ণাঙ্গ অধ্যয়ন হ'ব নোৱাৰে। দৰাচলতে, মানুহৰ এই দুটা দিশ একেটা মুদ্ৰাৰে দুটা পিঠিৰ দৰে।"[22] এই দুয়োটা দিশকে ইংৰাজীত কোৱা হৈছে ক্ৰমে Physical Anthropology আৰু Cultural Anthropology.

গাৰোসকলৰ সাংস্কৃতিক দিশ সম্পৰ্কে পৰৱৰ্তী অধ্যায়ত বিস্তৃতভাৱে আলোচনা আগবঢ়োৱা কৰা হ'ব। এই অধ্যায়ত কেৱল জৈৱিক বা আবয়বিক দিশটোৰ বিষয়েহে আলোচনাত কৰা হ'ব।

গাৰোসকল মঙ্গোলীয় প্ৰজাতিৰ লোক। সেই হিচাপে মঙ্গোলীয় প্ৰজাতিগত বৈশিষ্ট্যং গাৰোসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। গাৰোসকল শাৰীৰিক উচ্চতাৰ ফালৰ পৰা মধ্যমাকৃতিৰ অৰ্থাৎ বৰ ওখও নহয় আৰু একেবাৰে চাপৰো নহয়। দীৰ্ঘদেহী গাৰো লোক খুব কমেই দেখা যায়। অৱশ্যে পাহাৰী গাৰোসকলৰ তুলনাত সমভূমি বা ভৈয়ামৰ গাৰোসকল তুলনামূলকভাৱে দীৰ্ঘদেহী। গাৰোসকল খৰ্বাকৃতিৰ, ভৰিৰ পতা বহল আৰু মুখমণ্ডল চেপেটা। চকুৰ আকাৰ সৰু তথা চকুৰ পৰবৰয় কম মেল খোৱা। নাক সাধাৰণতে অনুচ্চ আৰু চেপেটা। সামগ্ৰিকভাৱে গাৰ বং মিঠাবৰণীয়া। খুব বেছি বগা বা খুব বেছি ক'লা বৰণৰ গাৰো মানুহ প্ৰায়েই দেখিবলৈ পোৱা নেযায়। অৱশ্যে গাৰো তিৰোতাৰ গাৰ বং প্ৰায়েই বগা। গাৰো পুৰুষৰ চুলি ঠৰঙা আৰু গোঁফ পাতলীয়া। নাৰী আৰু পুৰুষ উভয়ৰে শৰীৰৰ গঠন হৃষ্ট-পুষ্ট আৰু তেওঁলোক প্ৰত্যেকেই সুঠাম দেহৰ অধিকাৰী। আনহাতে, গাৰোসকলৰ মুৰ চুটি, কপাল বহল আৰু গাল গোলাকাৰ।[23] প্লেফেয়াৰৰ মতে, গাৰো পুৰুষৰ উচ্চতা গড় হিচাপত পাঁচ ফুট ডেৰ ইঞ্চি আৰু গাৰো তিৰোতাৰ উচ্চতা গড়ে চাৰি ফুট দহ ইঞ্চি। তেওঁৰ মতে খুব বেছি শকত মানুহ গাৰো সমাজত দেখিবলৈ পোৱা নেযায়। তিৰোতাসকল দেখিবলৈ বৰ শুৱনি নহয়; বিশেষকৈ মধ্যবয়স পাৰ হোৱা তিৰোতাসকল। অৱশ্যে গাৰো যুৱতীসকল দেখিবলৈ ধুনীয়া। এই ধুনীয়াত আৰু বেছি বহল চৰায় তেওঁলোকৰ মুখত লাগি থকা হাঁহিটোৱে।[24]

গাৰোসকলৰ দৈহিক গঠনৰ ক্ষেত্ৰত পাহাৰী আৰু ভৈয়ামৰ মাজত কিছু তাৰতম্য দেখা যায়। ওপৰত উল্লেখ কৰা দৈহিক গঠনৰ বৈশিষ্ট্যসমূহ কেৱল পাহাৰী গাৰোসকলৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ভৈয়াম আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলত বসবাস কৰা গাৰোসকলৰ শৰীৰত আকৃতি ভৈয়ামৰ অধিবাসীসকলৰহে বেছি ওচৰ চপা। ইয়াৰ কাৰণ হ'ল প্ৰজাতিগত সংমিশ্ৰণ আৰু ভৌগোলিক পৰিবেশৰ প্ৰভাৱ।

---

২২. দাস, ভুবনমোহন : 'অসমৰ মানুহ আৰু সংস্কৃতি' প্ৰবন্ধ; ভুবনমোহন দাস সম্পাদিত 'অসমৰ মানুহ' গ্ৰন্থ, পৃঃ ১

২৩. মজুমদাৰ, ধীৰেন্দ্ৰ নাৰায়ণ : গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৯

২৪. Playfair, A : The Garos, P-2



Map 1.–Location of Garo Hills (East, West and South)

তৃতীয় অধ্যায়

গাৰো সমাজ জীৱন

মাতৃসূত্ৰীয় সমাজ-ব্যৱস্থা

সমাজত পুৰুষৰ আৰু নাৰীৰ আসন বা অগ্ৰাধিকাৰৰ ভিত্তিত সমাজ-ব্যৱস্থাক মূলতঃ দুটা ভাগত বিভক্ত কৰা হৈছে—(ক) মাতৃপ্ৰধান সমাজ ব্যৱস্থা আৰু (খ) পিতৃপ্ৰধান সমাজ ব্যৱস্থা। ইংৰাজীত ইয়াকে কোৱা হৈছে ক্ৰমে Matriachal আৰু Patriachal। বহুতে Matriachal সমাজ হিচাপে মেঘালয়ৰ গাৰো আৰু খাচীসকলকে আঙুলিয়াইছে। Matriachal শব্দটোৰ আভিধানিক অৰ্থ হ'ল 'Rule by the women'বা 'A society where women overpower men. চুইজাৰলেণ্ডৰ এগৰাকী আইনজ্ঞ J. J. Bachofen এ প্ৰথমে নৃতত্ত্ব বিজ্ঞানত এই শব্দটোৰ অৱতাৰণা কৰে আৰু তেওঁ Matriachal সমাজৰ কেইটিমান বৈশিষ্ট্যৰ কথাও এই প্ৰসঙ্গতে উল্লেখ কৰে। তেওঁৰ 'Das Mutterpecht' (1861) মতে মাতৃপ্ৰধানতাৰ বৈশিষ্ট্য তিনিটা[১] ঃ

(১) মাতৃসূত্ৰীয় বংশাণুক্ৰম (Matrilineal inheritance)

(২) সম্পত্তিৰ ওপৰত পুত্ৰীৰ অধিকাৰ (Matrilineal descent)

(৩) মাতৃক আবাসস্থানিক বিবাহ-প্ৰথা (Uxorilocal residence)

এই তিনিওটা লক্ষণ একেলগে পৰিলক্ষিত হোৱা সমাজৰ সংখ্যা বিৰল। উত্তৰ-পূব ভাৰতত কেৱল গাৰো আৰু খাচী সমাজতহে এই তিনিওটা লক্ষণ একেলগে দেখা যায়। গাৰো আৰু খাচীসকলে মাকৰ ফালৰ পৰা বংশ গণনা কৰে। মাক যি গোত্ৰৰ (clan) হয়, ল'ৰা-ছোৱালীয়ে সেই গোত্ৰৰ হয়। তেনেদৰে সম্পত্তিৰ অধিকাৰো মাকৰ পৰা জীয়েকে পায়। আনহাতে, বিয়াৰ পিছত ল'ৰা ছোৱালীৰ ঘৰলৈ আহে আৰু ছোৱালীৰ পৰিয়ালৰ লগত বসবাস কৰে।

এই ফালৰ পৰা গাৰো আৰু খাচী Matriachal সমাজ ব্যৱস্থাৰ নিদৰ্শন। কিন্তু বাস্তৱ ক্ষেত্ৰত গাৰো সমাজত নাৰীৰে ৰাজত্ব বা শাসন নচলায় বা পুৰুষতকৈ তেওঁলোকৰ অধিকাৰো বহুগুণে বেছি নহয়। অৱশ্যে পুৰুষ প্ৰধান সমাজ ব্যৱস্থাতকৈ গাৰো নাৰীসকলে তেওঁলোকৰ সমাজ ব্যৱস্থাত যে স্বাভাৱিক জীৱন যাপন কৰাৰ কিছু সুযোগ লাভ কৰে,

---

১. ড' ডি. এন. মজুমদাৰে তেওঁৰ 'The Garos' গ্ৰন্থত দিয়া উদ্ধৃতি অনুসৰি, পৃঃ ৬৮

সেইটো নিঃসন্দেহে সত্য। সেইবাবে ক'ব পাৰি গাৰো Matriachal নহয়, Matrilineal সমাজ ব্যৱস্থাৰহে নিদৰ্শন।

সমাজ গঠন

প্ৰত্যেক জাতিৰে সমাজখন কিছুমান সুকীয়া ৰীতি-নীতি বা পদ্ধতিৰে গঢ় লৈ উঠে। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম জনজাতি গাৰোসকলো ইয়াৰ ব্যতিক্ৰম নহয়। গাৰো সমাজখন সুনিৰ্দিষ্ট এক পদ্ধতিৰ বা প্ৰক্ৰিয়াৰ মাজেৰে গঠিত হৈছে। তেওঁলোকৰ সমাজ সংগঠনৰ ন্যূনতম অংশ বা প্ৰাথমিক স্তৰটো হ'ল পৰিয়াল। গাৰো ভাষাত পৰিয়ালক 'নোক' বোলে। 'নোক' শব্দৰ মৌলিক অৰ্থ হ'ল ঘৰ অৰ্থাৎ গাৰোসকলে এটা ঘৰত একেলগে থকা মানুহখিনিৰ সমষ্টিটোক এটা পৰিয়াল বুলি গণ্য কৰে। গাৰো ভাষাত পৰিয়ালৰ মানুহখিনি, ঘৰটো, আচ-বাব, সা-সম্পত্তি—এই আটাইখিনিকে একেলগে 'নোকদাং' বুলি কোৱা হয়।[২]

গাৰো সমাজত পৰিয়ালতকৈ ওপৰ পৰ্যায়ৰ সামাজিক গোটটো হ'ল 'গোত্ৰ' (clan)। গোত্ৰশ্ৰেণীক গাৰোসকলে 'চাৎচী' বা 'কাৎচী' বোলে। গাৰো গোত্ৰসমূহ পাঁচটা শ্ৰেণীত বিভক্ত : চাংমা, মাৰাক, মোমিন, চিৰা আৰু আৱেং। ইয়াৰে ভিতৰত চাংমা আৰু মাৰাক মুখ্য। পূৰ্বৰে পৰা গাৰোসকলৰ মাজত চাংমা আৰু মাৰাক কেৱল এই দুটা গোত্ৰ থকা বুলিহে গৱেষকসকলে ধাৰণা কৰে। কিন্তু পিছত মোমিন, চিৰা আৰু আৱেং গোত্ৰৰ সৃষ্টি হয়। আনহাতে, পিছৰ তিনিটা গোত্ৰবো সৃষ্টি হৈছে পূৰ্বৰ দুটাৰ পৰাই।

এই প্ৰতিটো গোত্ৰৰে আৰু কিছুমান উপ-গোত্ৰ (sub-clan) আছে। গাৰোসকলে ইয়াক 'মাছং' বোলে। 'মাছং' শব্দটোৰ অৰ্থ এনেদৰে দিয়া হৈছে: "Ma'chong means a group of people descending from one common mother ('Ma' means mother and 'chong' means a heap or group)[৩] প্লেফেয়াৰেও অভিমত দি কৈছে "The Ma'chong was orginally a family, but it has long outgrow bounds of such a classification[৪] প্লেফেয়াৰৰ দৰে ডেল্টনেও কৈছে যে, "Ma'chong to be translated as 'Motherhood', as all the members of a ma'chong claim to have descended from a common mother'[৫] মিল্টন চাংমাই গাৰো গোত্ৰ আৰু উপ-গোত্ৰসমূহৰ এখনি তালিকা এনেদৰে প্ৰস্তুত কৰি উলিয়াইছে।[৬]

---

২ মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ—গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ২৫

৩. Sangma, Milton, S–History and Culture of the Garos, P-140

৪ Playfair . A – The Garos, P-60

৫ Dalton, C Decreptive Lthnology of Bengal, P-63

৬. Sangma, Milton, S-Ibd–P-141

গোত্ৰ বা চাৎচী	উপ-গোত্ৰ বা মাছং
১। চাংমা	অঘিটোক, টিগিটি, মান্দা, চিচিক, চান্‌ল, নেংমিন্‌জা, দাৱা, আমপাং, চাম্‌পল, কোক্‌চি, বোলদাক, বংমুগু, মৃ, বোলোং, মাংচাং, ভিবান, মানকিম, বশপ্ৰোকগ্ৰি, জিনেং, বোলৱাবি আদি।
২। মাবাক	বেংচো, চাম্বুগং, দাজিল, দোপো, নক্‌বেক, ভ্ৰোং, বেকচাম, বিচিল, বিমা, নাপাক, পান্টো, চিনটেং, কোংকাল, কোক্‌নাল, চাদা, দাগাল, গাবি, বোলদাক, দোকোংচি, কামা, দোকগ্ৰি আদি।
৩। মোমিন	গাবিল, গানদিম, ভ্ৰেগু, ৰাঠ্ৰবি, ৰগ, ম্ৰেগাম, জেকগিতচেট, চাকা, মাট্টচোকাগ্ৰি আদি।
৪। চিৰা	দালবোট
৫। আবেং	নংবাক, দোচিক আদি।

মিন্টন চাংমাই প্ৰস্তুত কৰা এই তালিকাখনিক সম্পূৰ্ণ বুলি ক'ব নোৱাৰি। মেজৰ এ, প্লেফেয়াৰে ১২৭ টা গাৰো মাছঙৰ নাম উল্লেখ কৰিছে।[৭] আনহাতে, এল, এম. হ'লব্ৰুকৰ মতে, গাৰো মাছঙৰ সংখ্যা ৩০১ টা। এই ৩০১ টা মাছঙৰ ভিতৰত ১১৩ টা চাংমাৰ, ১০৪ টা মাবাকৰ, ৬৩ টা মোমিনৰ, ১৯ টা চিৰাৰ আৰু ২ টা আবেঙ গোত্ৰৰ।[৮]

গাৰো গোত্ৰবোৰ মাতৃসূত্ৰীয় (Matrilineal), অৰ্থাৎ ল'ৰা-ছোৱালী মাকৰ গোত্ৰৰ অন্তৰ্ভুক্ত হয় আৰু আমৰণ সেই গোত্ৰৰ অংশীদাৰ ৰূপে পৰিগণিত হয়। গোত্ৰৰ প্ৰধান কাৰ্য হ'ল বিবাহ নিয়ন্ত্ৰণ। গাৰো সমাজত সগোত্ৰ বিবাহ নিষেধ। অৰ্থাৎ অন্তৰ্বিবাহ প্ৰথা নিষিদ্ধ। বহিৰ্বিবাহ প্ৰথাহে প্ৰচলিত। একেটা গোত্ৰৰ অন্তৰ্ভুক্ত পুৰুষ আৰু নাৰী বিবাহ বন্ধনত আবদ্ধ হ'ব নোৱাৰে। চাংমাই চাংমাক অথবা মাবাকে মাবাকক বিয়া কৰাব নোৱাৰে। চাংমাই মাবাক বা আন গোত্ৰত বিয়াত কৰাব পাৰে। অৱশ্যে একেটা মাছঙৰ ভিতৰত নহৈ একেটা চাৎচীৰ দুটা ভিন্ন মাছঙৰ ভিতৰত হোৱা বিয়াক বিশেষ গৰ্হিত বুলি নাভাবে। তথাপি চাৎচীৰ বিভিন্ন ভাগৰ লগতো সাধাৰণতে বিয়া-বাৰু নচলে।

গোত্ৰ সম্পৰ্কে আলোচনা কৰিবলৈ গ'লে 'মাহাৰী'ৰ প্ৰসঙ্গও আহি পৰে। দৰাচলতে, ওচৰা-ওচৰিকৈ বাস কৰা একে গোত্ৰৰ লোকসকল একেটা পৰিয়ালৰ পৰা ওলোৱা। এনেকুৱা প্ৰকৃত ৰক্তসম্বন্ধ থকা একে গোত্ৰৰ লোকসকলৰ সমষ্টিকে মাহাৰী বোলে।[৯]

৭. Playfair. A–The Garos. P
৮. Holbrook. L.M.–Ku'rongdik.
৯. Goswami. M.C. and Mazumdar. D.N.– Social Institutions of the Garo of Meghalaya. P-35

বহল অৰ্থত অৱশ্যে মাহাৰী বুলিলে গোত্ৰটোকে বুজায়। বিবাহ নিয়ন্ত্ৰণৰ বাহিৰে গোত্ৰৰ আন সকলো কাৰ্য প্ৰকৃততে 'মাহাৰী'ৰ ভিতৰতে সীমাবদ্ধ থাকে। প্ৰত্যেক পৰিয়ালৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ওপৰত পৰিয়ালৰ মুখ্য মহিলাগৰাকীৰ 'মাহাৰী'ৰ গৌণভাৱে অধিকাৰ থকা বুলি গণ্য কৰা হয়। মুখ্য মহিলাগৰাকীৰ মৃত্যু হ'লেও মাহাৰীৰ ভিতৰতে আন এগৰাকী মহিলাৰ দ্বাৰা সেই শূণ্য ঠাই পূৰণ কৰি সম্পত্তি মাহাৰীৰ ভিতৰতে ৰখা হয়। যদি কোনো পুৰুষে পত্নীৰ মৃত্যুৰ পিছত নিজৰ পত্নীৰ মাহাৰীৰ বাহিৰে আন মাহাৰীৰ পৰা দ্বিতীয় পত্নী গ্ৰহণ কৰে, তেতিয়া প্ৰথম পত্নীৰ মাহাৰীৰ সম্পত্তিৰ ওপৰত থকা অধিকাৰ ক্ষুন্ন হয়। সেইবাবে পত্নীৰ মৃত্যুৰ পিছত পতিক আন মাহাৰীৰ পৰা দ্বিতীয় পত্নী গ্ৰহণ কৰাত প্ৰথম পত্নীৰ মাহাৰীয়ে বাধা প্ৰদান কৰে। কোনো পৰিয়ালত যদি পুত্ৰী নাথাকে, তেনেহ'লে পৰিয়ালৰ মুখ্য মহিলাগৰাকীৰ মাহাৰীত জন্ম হোৱা ছোৱালীকহে তালনীয়া পুত্ৰী কৰি লোৱা হয়।

কোনো-কোনো মাহাৰীৰ একো-একোটা অঞ্চলৰ ওপৰত স্বত্বাধিকাৰ থাকে। মাহাৰীৰ এনেকুৱা সমূহীয়া ভূ-সম্পত্তিক 'আখিং' বোলে। 'আখিং' পৰিচালনা বিষয়ত এটা পৰিয়ালে মাহাৰীৰ প্ৰতিনিধিত্ব কৰে। এই পৰিয়ালটোৰ মুখ্য মহিলাগৰাকী আখিং অধিকাৰী মাহাৰী।[১০] এনে পৰিয়ালক 'নোক্‌মা' বুলি কোৱা হয়। 'আখিঙ'ৰ ভিতৰত কোনো বাহিৰৰ লোক আহি বসবাস কৰিব খুজিলে বা খেতি কৰিব খুজিলে নোক্‌মা পৰিয়ালৰ মুখ্য পুৰুষজনৰ (নোক্‌মা) সন্মতি ল'ব লাগে। লগতে ভূ-স্বত্ব স্বীকাৰ কৰাৰ চিন স্বৰূপে সামান্য ধন দিব লাগে। এনে ধনক 'আবিল' বোলে।[১১]

ওপৰত 'চাৎচী', 'মাহং' বা 'মাহাৰী' সম্পৰ্কে যি এটি চমু পৰিচয় জ্ঞাপন কৰিবলৈ চেষ্টা কৰা হ'ল, সেই পৰিচয় কোনো এজন গাৰো মানুহৰ নামটোৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে। প্ৰতি গৰাকী গাৰো মানুহৰ নামটোৰ তিনিটা অংশ থাকে। প্ৰথম অংশটো হ'ল মানুহজনৰ প্ৰকৃত নামটো। দ্বিতীয় অংশটো হ'ল সেই মানুহজনৰ মাহং আৰু তৃতীয় অংশটো হ'ল সেই মাহঙৰ শ্ৰেণী অৰ্থাৎ চাৎচী। উদাহৰণ স্বৰূপে লোকসভাৰ প্ৰাক্তন অধ্যক্ষ পি, এ, চাংমাৰ নামটোকে ল'ব পাৰি। তেওঁৰ সম্পূৰ্ণ নামটো হ'ল—পূৰ্ণ অজিটোক চাংমা। ইয়াত 'পূৰ্ণ' হ'ল তেওঁৰ প্ৰকৃত নাম। তেওঁ 'অজিটোক' মাহঙত জন্ম গ্ৰহণ কৰিছে আৰু তেওঁৰ চাৎচী বা গোত্ৰ হ'ল 'চাংমা'।

শাসন ব্যৱস্থা

জনজাতীয় সমাজ ব্যৱস্থাত আধুনিক সভ্যতাৰ সাংবিধানিক নিয়ম বা লিখিত আইন-কানুন নাথাকে। সেই বাবেই এওঁলোকৰ সমাজত কোনো নিৰ্দিষ্ট ৰাজনৈতিক শাসন যন্ত্ৰও নাথাকে। গাওঁখনেই হ'ল গাৰো শাসন ব্যৱস্থাৰ একক। প্ৰথাগতভাৱে চলি অহা পাৰম্পৰিক নীতি-নিয়ম কিছুমানৰ যোগেদি সমাজখন নিয়াৰিকৈ চলি থাকে। ইয়াকে সমাজ বিজ্ঞানত

১০. Nakane, Chie–Garo and Khasi, P-27

১১. Kar, P.C:–Glimpses of the Garos, P-10-11

'Cusrtomary law' বুলি কোৱা হয়। পৰম্পৰাগতভাৱে চলি অহা এনে নীতি-নিয়মসমূহেই গাৰো শাসন ব্যৱস্থাৰ মূল আধাৰ স্বৰূপ। এনে নীতি-নিয়মবোৰ পালনৰ বাবে কাৰো ওপৰত কোনো ধৰণৰ হেঁচা বা বাধ্যবাধকতা নাই; অথচ তেনে নিয়মসমূহৰ প্ৰতি সকলোৱে স্বতঃস্ফূৰ্ত্তভাৱে আনুগত্য প্ৰকাশ কৰে। এই আনুগত্যই সমগ্ৰ শাসন ব্যৱস্থা বা সমাজ ব্যৱস্থাটোক সহজ কৰি তুলিছে। এইখিনিতেই সাংবিধানিক আইন-কানুনযুক্ত আধুনিক সমাজ ব্যৱস্থা আৰু পৰম্পৰাগত শাসন ব্যৱস্থাৰ মাজত থকা পাৰ্থক্য স্পষ্ট হৈ পৰে। আধুনিক সমাজ ব্যৱস্থাত সাংবিধানিক আইন-কানুন আছে, কিন্তু তাক পালন কৰিবলৈ আগ্ৰহ তথা আনুগত্যৰ অভাব। এই ব্যৱস্থাত আইন যিমান আছে, সুৰুঙাও সিমানে আছে। ফলত ই জটিল ৰূপ ধাৰণ কৰে। আনহাতে, গাৰো সমাজ ব্যৱস্থাত কোনো লিখিত আইন-কানুন নাই, অথচ সামাজিক নীতি-নিয়মবোৰ সকলোৱে আগ্ৰহেৰে পালন কৰে। ফলত ইয়াত জটিল পৰিস্থিতিৰ উদ্ভৱ নহয়।

গাৰো সামাজিক জীৱনৰ শ্ৰেষ্ঠ বন্ধন হ'ল তেওঁলোকৰ ৰক্ত সম্পৰ্কীয় নমুনা (Kinship pattern)। সেইবাবে কোনো-কোনোৱে এই সমাজক 'Kin-oriented Society' বুলিও অভিহিত কৰিছে। প্ৰকৃত অৰ্থত গাৰো সমাজত শাসনৰ একক একো-একোটা মাহাৰীহে। মাহাৰীয়ে বিয়া-বাৰু, দায়-বিবাদ আদি প্ৰায়বোৰ দিশ চোৱা-চিতা কৰে। যি গৰাকী ব্যক্তি যি মাহাৰীৰ অন্তৰ্ভুক্ত, সেই মাহাৰীৰ সেই গৰাকী ব্যক্তিৰ ওপৰত সম্পূৰ্ণ ক্ষমতা থাকে। এই কাৰণৰ পৰা প্ৰত্যেক ব্যক্তি নিজ নিজ মাহাৰীৰ ক্ষুদ্ৰতম অংশ আৰু প্ৰত্যেক ব্যক্তিৰ স্বাৰ্থক মাহাৰীৰ স্বাৰ্থৰ লগত একে বুলি পৰিগণিত হয়। একোখন গাঁৱত একাধিক এনেকুৱা মাহাৰী থাকে। সেইবাবে গাঁওখনক কেইবাটাও মাহাৰীৰ এখন যুক্তৰাষ্ট্ৰ বুলি গণ্য কৰিব পাৰি।

প্ৰত্যেক গাৰো গাঁৱতে একোজনকৈ মুখীয়াল বা গাঁওবুঢ়া থাকে। তেওঁক 'নোকমা' বোলা হয়। নোকমা আৰু গাঁও পঞ্চায়তেই আছিল গাৰো শাসন ব্যৱস্থাৰ প্ৰাচীনতম পদ্ধতি। বৃটিছসকলৰ আগমনৰ আগলৈকে এওঁলোকেই গাৰো সমাজ ব্যৱস্থাক নিয়ন্ত্ৰণ কৰি ৰাখিছিল।[১২] এইখিনিতে 'নোকমা' আৰু তেওঁৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা উচিত হ'ব। 'নোকমা' শব্দটোৰ উৎপত্তি সম্পৰ্কে দুটা মতবাদ পোৱা যায়। এটা মতবাদ মতে, 'নোক্' মানে ঘৰ আৰু 'মা' মানে ডাঙৰ। অৰ্থাৎ গাঁওখনৰ ভিতৰত আন ঘৰবোৰতকৈ যিটো ঘৰ ডাঙৰ, সেই ঘৰটোৰ গৰাকীয়েই হ'ল 'নোক্মা'।

আন এটি মতবাদ মতে, 'নোক্' মানে ঘৰ আৰু 'মা' মানে 'মাতৃ'। অৰ্থাৎ ঘৰৰ গৰাকী বা গোত্ৰটোৰ গৰাকী।[১৩] পিছত এই 'নোক্মা' গাঁওখনৰে মুৰব্বী বা গৰাকী ৰূপে পৰিগণিত হ'বলৈ ধৰে।

নোকমা গাঁৱৰ মুৰব্বী যদিও আচলতে ই এটা আনুষ্ঠানিকতাহে মাত্ৰ। মুৰব্বী বুলি

১২. Sangma, Milton, S-History and Culture of the Garos, P-61
১৩. Nakane, Chie-Garo and Khasi, P-61

তেওঁৰ কোনো বিশেষ ৰাজনৈতিক বা সামাজিক ক্ষমতা নাই। মাহাৰীবিলাকৰ কাৰ্যকলাপত তেওঁ কোনো ধৰণে হস্তক্ষেপ কৰিব নোৱাৰে। তেনেদৰে নোক্‌মাই আইন ভঙ্গকাৰী বা অপৰাধীক শাস্তি বিহিবও নোৱাৰে। সেইবাবে তেওঁ গাঁৱৰ ক্ষমতাবিহীন মুৰব্বীহে। শাস্তিমূলক ব্যৱস্থা লোৱাৰ ক্ষমতা বা শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্ব মাহাৰীবিলাকৰহে। কোনোৱে আইন ভঙ্গ কৰিলে বা শান্তি-শৃংখলাত ব্যাঘাত জন্মালে মাহাৰীবিলাকেহে শাস্তিমূলক ব্যৱস্থা লয়। এইক্ষেত্ৰত মাহাৰীৰ বয়োবৃদ্ধ পুৰুষসকলে কৰ্তৃত্ব খটুৱায়। কোনো ব্যক্তি অপৰাধত জড়িত হ'লে আৰু যাৰ ওপৰত অপৰাধ সংঘটিত হয় সেই ব্যক্তি দুজনৰ দুয়োটা মাহাৰী একেলগে বহি বিচাৰ কৰে আৰু অপৰাধ অনুযায়ী দণ্ড বিহে। আনহাতে দণ্ডৰ টকা দোষী ব্যক্তিয়ে নিজে দিব নালাগে। দণ্ড ভৰাটো মাহাৰীৰ সমূহীয়া দায়িত্ব বুলি ধৰা হয়। সেইবাবে মাহাৰীৰ সকলো পৰিয়ালে চান্দা তুলি দণ্ডৰ ধন আদায় দিয়ে।[১৪] গতিকে দেখা যায় গাৰো সমাজৰ শাসন ব্যৱস্থাত মাহাৰীহে মুখ্য, নোক্‌মাৰ বিশেষ ভূমিকা আত নাথাকে। আনহাতে, গাঁৱৰ মুৰব্বী হ'লেও নোকমাই কোনো কৰ-কাটল আদায় কৰিব নোৱাৰে, মাটি বা আন সম্পত্তি হস্তান্তৰ কৰিব নোৱাৰে, আনকি 'আখিঙ'ৰ ভূখণ্ডৰ ভিতৰত পূৰ্বৰে পৰা বসবাস কৰি খেতি-বাতি কৰি খোৱা মানুহখিনিৰ ওপৰত তেওঁৰ কোনো কৰ্তৃত্বও নেথাকে।

কিন্তু সেই বুলি নোক্‌মা গাৰো সমাজত একেবাৰে উপেক্ষণীয় ব্যক্তিও নহয়। মুৰব্বী হোৱা সূত্ৰে তেওঁ গাঁৱৰ শ্ৰদ্ধাভাজন তথা সম্মানীয় ব্যক্তি। সমূহীয়া স্বাৰ্থত তেওঁ উপদেশক সকলোৱে গ্ৰাহ্য কৰে। যিকোনো পৰিস্থিতিত কাৰ্যপন্থা নিৰ্ণয়ৰ ক্ষেত্ৰত নোক্‌মাই আগভাগ লয় আৰু তেওঁৰ ওপৰত সকলোৱে আস্থা স্থাপন কৰে। আনহাতে, বিভিন্ন উৎসৱত নোক্‌মাক বিশেষ স্থান দিয়া হয় উৎসৱৰ কিছুমান আনুষঙ্গিক কাৰ্যৰ ওপৰত তেওঁৰ আচুতীয়া অধিকাৰ থাকে। উদাহৰণ স্বৰূপে 'ওৱানগালা' আদি উৎসৱ নোক্‌মাৰ ঘৰৰপৰা আৰম্ভ হয় আৰু তেওঁৰ ঘৰতে সামৰণি মাৰিব লাগে। আনহাতে 'ওৱানগালা'ৰ চাচাতত ধূনা জ্বলোৱাৰ নিয়ম। কিন্তু এই ধূনা কেৱল নোক্‌মাইহে জ্বলাব পাৰে। এইটো তেওঁৰ বিশেষ অধিকাৰ ৰূপে গণ্য কৰা হয়। এই কাৰণৰ পৰা নোক্‌মা সামাজিক সম্মানৰ প্ৰতীক।

নোক্‌মাক চাৰিটা শ্ৰেণীত ভাগ কৰা হৈছে—গাম্‌নি নোক্‌মা, গানা নোক্‌মা, কামাল নোক্‌মা আৰু আখিং নোক্‌মা।[১৫]

বিবাহ-প্ৰথা

বিবাহ হ'ল সমাজ সৃষ্টিৰ মূল ভিত্তি, যাৰ মাধ্যমত সামাজিক বন্ধন গঢ় লৈ উঠে। আনহাতে, বিবাহৰ যোগেদি নাৰী-পুৰুষে একেলগে বসবাস কৰাৰ সামাজিক স্বীকৃতি লাভ কৰে। এইকাৰণৰ পৰা বিবাহ হ'ল যুগ্ম-জীৱন যাপনৰ এক সামাজিক অনুমোদন।[১৬] প্ৰত্যেক

---

১৪. Mazumdar, D.N · Culture Change in two Garo villages, P-141

১৫. Sangma, Milton S.-History and Culture of the Garos, P-61-62

১৬. Bhushan, B.-Dictionary of Sociology, P-175

সমাজতে বিবাহ কিছুমান বিশেষ বিশেষ সামাজিক ৰীতি-নীতিৰ মাজেৰে সম্পাদিত হয়। এনে ৰীতি-নীতি বা প্ৰথাসমূহ সমাজভেদে সুকীয়া সুকীয়া।

ভাৰতবৰ্ষৰ জনজাতিসকলৰ মাজত মুঠতে ন-বিধ বিবাহৰ প্ৰচলন থকা বুলি জানিব পাৰি। এওঁলোকৰ মাজত 'প্ৰাজপত্য' বিবাহৰ প্ৰচলন বৰ কম। কুকী, বৈগা, চাওতাল, টোটো, লোধা আদি জনজাতিসকলে কন্যাপণৰ মাধ্যমেৰেহে বিয়া কৰাব পাৰে। কন্যাপণ দিবলৈ অপাৰগ হ'লে বিবাহ ইচ্ছুকে ভাবী শহুৰেকৰ ঘৰত শ্ৰমদান দিবলগীয়া হয়। ইয়াকে 'শ্ৰমদান বিবাহ' বুলি কোৱা হয়। গুৰাওঁ, কমকু, ভোট জনজাতিসকলৰ মাজত এক বিশেষ ধৰণৰ 'বিনিময়-বিবাহ'ৰ (Marriage by exchange) প্ৰচলন আছে। এই পদ্ধতিৰ বিবাহত এটা পৰিয়ালৰ ল'ৰা-ছোৱালীৰ লগত আন এটা পৰিয়ালৰ ল'ৰা-ছোৱালীৰ পৰস্পৰ বিবাহ সম্পাদিত হয়।[১৭] ভিল জনজাতিৰ যুৱকসকলে আকৌ কন্যা পাবলৈ হ'লে কঠিন শক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া হয়। পৰীক্ষাত উত্তীৰ্ণ হ'লেহে কন্যা লাভ কৰিব পাৰি। ইয়াকে 'শক্তি-পৰীক্ষা বিবাহ' বুলি কোৱা হয়। 'পৈশাচ' আৰু 'ৰাক্ষস' বিবাহ বিৰহোড় আৰু হো জনজাতিৰ মাজত ব্যাপকভাৱে প্ৰচলিত। এই বিয়াত বিবাহ ইচ্ছুক যুৱকে তেওঁৰ পছন্দৰ যুৱতীগৰাকীক মূৰত হঠাতে দৌৰি আহি সেন্দুৰ লগাই দি পলাই যায়। এইদৰে যুৱতীগৰাকী যুৱকজনৰ স্ত্ৰীহিচাপে পৰিগণিত হয়। ভিল আৰু গোণ্ড জনজাতিৰ মাজত টোপনিতে বলপূৰ্বকভাৱে কন্যাক যৌন উপভোগ কৰাৰ ৰীতিও প্ৰচলিত আছে। এনেদৰে যুৱতীগৰাকী যুৱকজনৰ পত্নী হৈ পৰে। 'অনাহূত' বা 'নিৰ্যাতন' বিবাহ পদ্ধতি বৰ আমোদজনক। কোনো যুৱতীৰ যদি কোনো যুৱকক পছন্দ হয়; তেনেহ'লে যুৱতী গৰাকীয়ে বলপূৰ্বকভাৱে যুৱকজনৰ ঘৰত প্ৰৱেশ কৰে আৰু তাতে থাকিবলৈ লয়। কিন্তু যুৱকজনৰ পৰিয়ালৰ লোকে এনে কাৰ্যত অসন্তুষ্ট হৈ যুৱতী গৰাকীক নানাভাৱে নিৰ্যাতন দি থাকে। যদি যুৱতী গৰাকীয়ে এই সকলো প্ৰকাৰৰ নিৰ্যাতন সহ্য কৰি থাকিব পাৰে, তেনেহ'লে নিৰ্দিষ্ট সময়ৰ পিছত তেওঁলোকৰ মাজত বিবাহ সম্পন্ন হয়। আনহাতে, নীলগিৰি পাহাৰৰ বাসিন্দা জনজাতিসকলৰ আকৌ কেইবাজনো যুৱকে লগ লাগি এগৰাকী যুৱতীক বিয়া কৰায়। সমাজ বিজ্ঞানীৰ মতে এনে বিয়াক Polygamy marriage বোলা হয়।[১৮] কোনো কোনো জনজাতিৰ মাজত দেখা যায় প্ৰত্যেকৰে ব্যক্তিগত স্ত্ৰী থকা সত্বেও এজন ভায়েকৰ স্ত্ৰী আন এজন ভায়েকৰ বাবে 'সাধাৰণ স্ত্ৰী' হিচাপে গণ্য কৰা হয়। অৰ্থাৎ এজন ভায়েকৰ ঘৈণীয়েকক অন্য ভায়েক-ককায়েকসকলেও স্ত্ৰী হিচাপে যৌন-উপভোগ কৰিব পাৰে। ঠিক মহাভাৰতত যেনেদৰে দেখা যায় ভীম বা অৰ্জুনৰ অন্য স্ত্ৰী থকা সত্বেও দ্ৰৌপদী আটাইকেইজন ভায়েকৰ সাধাৰণ স্ত্ৰী (Common wife) আছিল। চেঞ্চু নামৰ জনজাতিসকলৰ প্ৰথামতে বিয়াৰ পিছত দৰা প্ৰথমে শহুৰেকৰ ঘৰত বসবাস কৰে। প্ৰথম

---

১৭. Tylor, E.B.–Dictionary of Anthropology, P-343
১৮. Tylor, E.B.–Dictinnary of Anthropology, P-423

সন্তান জন্মৰ পিছতহে নিজৰ ঘৰলৈ যাব পাৰে। এনেধৰণৰ আমোদজনক তথা বৈচিত্ৰ্যময় বিবাহ পদ্ধতিৰ প্ৰচলন আমাৰ এইখন ভাৰতবৰ্ষতে আছে।

মেঘালয় ৰাজ্যৰ গাৰো জনজাতিসকলৰ মাজতো বৈবাহিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত কিছুমান পৰম্পৰাগত ৰীতি-নীতি আদিম কালৰে পৰা প্ৰচলিত হৈ আহিছে। গাৰোসকলে বিয়াক 'দোচীয়া' বোলে। ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে, গাৰো সমাজত একেটা গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ। অকল গাৰো সমাজতে নহয়, প্ৰায়বোৰ জনজাতীয় সমাজ ব্যৱস্থাতে গোত্ৰ-প্ৰথাৰ গুৰুত্ব সৰ্বাধিক।[১৯] সেইবাবে ইয়াক জনজাতিসকলৰ এক উমৈহতীয়া বৈশিষ্ট্য বুলি গ্ৰহণ কৰিব পাৰি। গাৰো সমাজত মাহাৰীৰ সদস্যসকল বিশেষকৈ, মাহাৰীৰ মহিলাসকল মাতৃতুল্য। সেইবাবে নিজৰ মাহাৰীত বিয়া কৰালে মাকক বিয়া কৰোৱাৰ দৰে হয়। এনেকুৱা বিবাহক গাৰোসকলে সদায়েই ঘৃণাৰ চকুৰে চায় আৰু এনেকুৱা দম্পত্তিক 'মাদং' বুলি ইতিকিং কৰে। 'মাদং' শব্দৰ অৰ্থ হ'ল 'মাক পুতেকৰ বিয়া'। সৰ্বাচলতে, নিজৰ মাহাৰীৰ ভিতৰত হ'ব খোজা বিয়াক সমাজে স্বীকৃতি নিদিয়ে আৰু তেনেক্ষেত্ৰত মাহাৰীৰ পৰা বহিষ্কৃত হোৱাৰ সম্ভাৱনা বেছি। তেনেদৰে একেটা চাৎচীৰ ভিতৰতো বৈবাহিক সম্পৰ্ক স্থাপন নহয়। 'চাৎচী' শব্দটোৰ অৰ্থ হ'ল 'আত্মীয়' । গতিকে এনে বিয়াত নিজৰ আত্মীয়ক বিয়া কৰোৱাৰ দৰে হয়। সেইবাবে গাৰোসকলে এনে বিয়াক 'বাক্‌দাং' বুলি ইতিকিং কৰে। 'বাক্‌দাং' শব্দৰ অৰ্থ হ'ল 'সম্বন্ধীয় লোকৰ সৈতে সোমোৱা বিয়া'। দ্বিতীয় বিধ বিয়াৰ ক্ষেত্ৰত সমাজ কিছু পৰিমাণে শিথিল যদিও প্ৰথম বিধৰ ক্ষেত্ৰত কোনো আপোচ কৰা নহয়।

গাৰোসকলৰ এই গোত্ৰ ব্যৱস্থা তথা বহিৰ্বিবাহ প্ৰথাক বাংলাদেশৰ বিশিষ্ট গৱেষক মহম্মদ মাহবুবুল হকে অষ্ট্ৰেলিয়াৰ 'কামিলাৰোই' নামৰ এটি জনজাতিৰ লগত তুলনা কৰিছে।[২০] কামিলাৰোইসকল অষ্ট্ৰেলিয়াৰ ছিডনি চহৰৰ উত্তৰে অৱস্থিত ডাৰ্লিং বিতাৰ জিলাৰ অধিবাসী। এওঁলোক ছয়টা 'গণ'ত বিভক্ত। বিয়া-বাৰুৰ ক্ষেত্ৰত এই ছটা গণ দুটা ভাগত বিভক্ত। হকে দেখুওৱা মতে শ্ৰেণীবিভাজন এনেধৰণ ঃ



১৯. ৰাভা হাকাচাম, উপেন—'অসমৰ জনজাতীয় ঐতিহ্য পৰম্পৰা আৰু বৰ্তমান ইয়াৰ স্বৰূপ' প্ৰবন্ধ, 'পৰিচয়' আলোচনী, পৃঃ ৯

২০. হক, মাহবুবুল—'গাৰো সমাজ ও বিবাহ প্ৰথা' শীৰ্ষক প্ৰবন্ধ, 'জানিয়া' পত্ৰিকা, পৃঃ ৪

এই ছয়টা গণৰ ভিতৰত 'ক' শ্ৰেণীভুক্ত প্ৰথম তিনিটা গণৰ (ইগুৱানা, কাজাক আৰু ওপোচাম) মাজত পৰস্পৰ বিবাহ নিষিদ্ধ। কাৰণ তেওঁলোক একেটা উৎসৰ পৰাই সৃষ্ট। কিন্তু তেওঁলোকে 'খ' শ্ৰেণীভুক্ত দ্বিতীয় গণৰ (এমু, বাণ্ডিকট, ব্ৰেকম্বেক) যিকোনো এটাৰ লগতে বৈবাহিক সম্পৰ্ক স্থাপন কৰিব পাৰে। তেনেদৰে 'খ' শ্ৰেণীভুক্ত তিনিটা গণে 'ক' শ্ৰণীভুক্ত তিনিটা গণৰ যিকোনো এটাৰ লগতে বৈবাহিক সম্পৰ্ক স্থাপন কৰিব পাৰে; কিন্তু দ্বিতীয় তিনি গণৰ মাজত পৰস্পৰ বিবাহ নিষিদ্ধ। কামিলাৰোইসকলৰ এই গণ ভিত্তিক বিবাহ গাৰোসকলৰ গোত্ৰভিত্তিক বিবাহৰ দৰে হুবহু একে।

কামিলাৰোইসকলৰ উত্তৰাধিকাৰী স্থিৰ কৰা হয় স্ত্ৰী ধাৰা অৰ্থাৎ মাকৰ ফালৰ পৰা। তেনেদৰে সন্তান মাকৰ গণৰ সদস্য হয়। আনহাতে, একে গণৰ ভিতৰত সম্পাদিত বিবাহক এওঁলোকে ৰীতিমত ঘৃণাৰ চকুৰে চায়। এইদৰে তুলনামূলক পদ্ধতিৰে বিচাৰ কৰি চালে দেখা যায় যে, গাৰো আৰু কামিলোৰোইসকলৰ মাজত মাতৃসূত্ৰীয় সমাজ ব্যৱস্থাৰ এক বিস্ময়কৰ সাদৃশ্য বিদ্যমান। অথচ দুয়োটা জনজাতিৰে দেশ দুখনৰ মাজত দূৰত্বৰ ব্যৱধান বহু যোজন মাইল। গাৰো সমাজত বিবাহ কেইবা প্ৰকাৰৰো। তলত প্ৰত্যেকবিধ বিয়াৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

নোক্ৰম বিয়া ঃ প্ৰত্যেক গাৰো পৰিয়ালে তেওঁলোকৰ যিকোনো এগৰাকী কন্যাক উত্তৰাধিকাৰী ৰূপে মনোনীত কৰে (যদিহে তেনে পৰিয়ালত একাধিক কন্যা সন্তান থাকে)। সাধাৰণতে পৰিয়ালৰ কণিষ্ঠা কন্যাকেই উত্তৰাধিকাৰী হিচাপে নিৰ্বাচন কৰা হয়। এই উত্তৰাধিকাৰিণীক 'নোক্ৰম' বোলে আৰু উত্তৰাধিকাৰিণীৰ বিয়াক 'নোক্ৰম বিয়া' বোলে। ছোৱালী নাথাকিলে গাৰো পৰিয়াল সম্পূৰ্ণ নহয়। কাৰণ উত্তৰাধিকাৰী (নোক্ৰম) হ'বলৈ অন্ততঃ এজনী ছোৱালী অপৰিহাৰ্য। সেইবাবে ছোৱালী নথকা ঘৰত এজনী তোলনীয় জীয়েকক নোক্ৰম মনোনীত কৰা হয়। এনেকৈ তোলনীয়া কৰি ল'বৰ বাবে ঘৰৰ গৃহিনীৰ ওচৰ সম্বন্ধীয় সগোত্ৰীয় এজনী ছোৱালীক কেঁচুৱা অৱস্থাতে আনি লালন-পালন কৰা হয়। এইক্ষেত্ৰত গৃহিনীৰ বায়েক বা ভনীয়েকৰ ছোৱালীকেই উপযুক্ত বিবেচিত কৰি অগ্ৰাধিকাৰ দিয়া দেখা যায়। অৱশ্যে উপযুক্ত সম্বন্ধীয় ছোৱালী নেপালে যিকোনো অনাথ ছোৱালী এজনী আনি হ'লেও নোক্ৰম মনোনীত কৰা হয়।

'নোক্ৰম' বিয়াৰ তাৎপৰ্য হ'ল বিয়াৰ পিছত দৰা কইনাৰ ঘৰলৈ আহে আৰু শহুৰেক-শাহুৱেকৰ পৰিয়ালৰ লগত স্থায়ীভাৱে বসবাস কৰি, সেই পৰিয়ালৰ অবিচ্ছেদ্য অংশ হৈ পৰে। এনে বিয়াক সমাজ বিজ্ঞানে Beena marriage আখ্যা দিছে।[২১] নোক্ৰম বিয়াৰ ক্ষেত্ৰত গৃহস্থৰ নিজৰ ভাগিনীয়েকৰ জোঁৱাই হ'বলৈ অগ্ৰাধিকাৰ দিয়া হয়। ইয়াকে 'Cross Cousin marriage relationship" বোলা হয়।[২২] নোক্ৰমৰ দৰা সাধাৰণতে শৈশৱ অৱস্থাতে মনোনীত কৰা হয়। এনে প্ৰথাক 'থাংভা' বোলে।[২৩] নিৰ্বাচিত ল'ৰাজন যেতিয়া

২১. Scott, P. William–Dictionary of Sociology, P-244

২২. Bhushan, B. – Dictionary of Sociology, P-177

২৩. মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ—গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃ ঃ ৩৫

জোঁৱাই ৰূপে আনিবৰ সময় হয়, তেতিয়া গাঁৱৰ ডেকা ল'ৰা কেইজনমানে আগতে খবৰ নিদিয়াকৈ ভাবি দৰাৰ গাঁৱলৈ যায় আৰু ল'ৰাজনক য'তে দেখে তাতে পৰাই বলেৰে কইনাৰ ঘৰলৈ ধৰি লৈ আহে। ধৰি অনাৰ পিছত যথাবিহীতভাবে 'দোটীয়া' প্ৰথাৰে বিয়া কৰাই দিয়া হয় আৰু ৰাতি একেটা ঘৰতে ছোৱালীজনীৰ লগত শুবলৈ দিয়া হয়। ল'ৰাজন যাতে পলাই যাব নোৱাৰে তাৰ বাবে সেই ঘৰটোৰ আশে-পাশে ডেকাইঁতে ৰাতি পহৰা দিয়ে। এনেকৈ পিছদিনাও ল'ৰাজনক পলোৱাৰ সুবিধা নিদিবৰ বাবে ডেকাইঁতে পহৰা দি থাকে। অৱশ্যে ইয়াৰ মাজতে সুবিধা পালে ল'ৰাজন নিজৰ মাক-বাপেকৰ ঘৰলৈ পলাই যায়। এনেকৈ পলাই গ'লেও ডেকাইঁতে গৈ আকৌ ধৰি লৈ আহে। দ্বিতীয় বাৰ ধৰি নিয়াৰ পিছত অৱশ্যে 'দোটীয়া' পালন কৰাৰ আৱশ্যকতা নাথাকে। ধৰি অনাৰ পিছত এবাৰো পলাবলৈ চেষ্টা নকৰি বৈ যোৱা মানুহক সমাজে হেয়জ্ঞান কৰে। কাৰণ সকলোৱে তাচ্ছিল্য কৰি কয় যে, অইন ঠাইত জোঁৱাই হৈ থাকিবলৈ সুবিধা নেপাব বুলি ভয় কৰি এঘৰত থাকিবলৈ সুবিধা পাই থাকিবলৈ ব্যস্ত হৈ পৰিছে। অৱশ্যে ল'ৰাজন যদি উপৰ্যুপৰি তিনিবাৰ পলাই যায় আৰু শেষৰ বাৰ পলাওঁতে যদি নিজৰ কাপোৰ-কানি সম্পূৰ্ণভাৱে লৈ যায়, তেনেহ'লে ল'ৰাজন নোক্ৰম হ'বলৈ অৰ্থাৎ বিয়া কৰাবলৈ সম্পূৰ্ণ অনিচ্ছুক বুলি ধৰি লোৱা হয় আৰু তেনে ক্ষেত্ৰত আন এজনক নোক্ৰম মনোনীত কৰি সেই একে পদ্ধতিৰে ধৰি আনিবলগীয়া হয়।

নোক্ৰমৰ দৰা-কইনা দৰাচলতে পৰিয়ালৰ মাক-দেউতাকৰ উত্তৰাধিকাৰী। এই ক্ষেত্ৰত নব-বিবাহিত দৰা শহুৰেকৰ উত্তৰাধিকাৰী আৰু কইনা মাকৰ উত্তৰাধিকাৰী। সেইবাবে শহুৰেকৰ মৃত্যুৰ পিছত জোঁৱায়েক পৰিয়ালৰ মুৰব্বী হৈ পৰে আৰু মাকৰ মৃত্যু হ'লে জীয়েক পৰিয়ালৰ মুৰব্বী হৈ পৰে। একে পদ্ধতিৰে সম্পত্তিও হস্তান্তৰিত হয়। আনহাতে, নোক্ৰম দম্পত্তিৰ দায়িত্ব বৰ গধুৰ। শহুৰ-শাহু তথা মাক-দেউতাকৰ প্ৰতি একান্ত আনুগত্যকে এই দম্পত্তিৰ প্ৰধান গুণ হিচাপে বিবেচনা কৰা হয়। তাৰ উপৰিও মাহাৰীৰ ঐতিহ্য বজাই ৰখা, পৰিয়ালৰ মান-মৰ্যাদা অক্ষুণ্ণ ৰখা, সম্পত্তিৰ ৰক্ষণাবেক্ষণ তথা উন্নয়ন, পৰিয়ালৰ ভৰণ-পোষণ, শহুৰ-শাহুৰ মৃত্যুৰ পিছত শ্ৰাদ্ধ-সংক্ৰান্ত কাৰ্য সম্পাদন কৰা আদি ভালেমান দায়িত্ব নোক্ৰম দম্পত্তিৰ ওপৰত ন্যস্ত থাকে। সেইবাবে নোক্ৰম অদূৰদৰ্শী, এলেহুৱা, ধোঁৱা-খুলীয়া হ'লে পৰিয়ালটো সৰ্বস্বান্ত হোৱাৰ ভয় পদে পদে। এইখিনিতেই 'নোক্ৰম' শব্দটোৰ উৎপত্তি তথা নামকৰণৰ সাৰ্থকতা বিচাৰৰ প্ৰাসঙ্গিকতাও আহি পৰে। গাৰো ভাষাত 'নক' মানে ঘৰ আৰু 'ৰাং' মান খুঁটি। অৰ্থাৎ ঘৰৰ খুঁটি। এই খুঁটি মজবুত হ'লে ঘৰটো নিশ্চিতভাৱে থিৰ হৈ থাকে। ভাগি পৰাৰ সম্ভাৱনা কম। সেইদৰে নোক্ৰম ঠিক থাকিলে, পৰিয়ালটোৰ উন্নতি তথা বিকাশ সম্ভৱ হৈ পৰে। এই কাৰণৰ পৰা 'নোক্ৰম'ৰ নামকৰণ সাৰ্থক হৈছে বুলি ক'ব পাৰি।

আগাতে বিয়া ঃ গাৰো সমাজৰ দ্বিতীয় বিধ বিয়াক 'আগাতে' বুলি কোৱা হয়।

উত্তৰাধিকাৰিণীৰ (নোগ্ৰম) বাহিৰে পৰিয়ালৰ অন্যান্য কন্যা সন্তানক আগাতে বোলে আৰু তেওঁলোকৰ বিয়াক 'আগাতে বিয়া' বুলি কোৱা হয়। আগাতে কন্যাৰ স্বামীক 'চাওয়াৰী' বোলে। 'নোগ্ৰম' আৰু 'আগাতে' বিয়াৰ মাজত থকা মৌলিক পাৰ্থক্যটো হ'ল আগাতে বিয়াত জোঁৱায়েক শাহু-শহুৰৰ পৰিয়ালত স্থায়ীভাৱে থকাটো বাধ্যতামূলক নহয়। দুই এবছৰ শহুৰ-শাহুৰ পৰিয়ালৰ লগত থকাৰ পিছত অইন ঠাইত নতুনকৈ ঘৰ পাতে। এইক্ষেত্ৰত শহুৰেক-শাহুয়েকে যথাসাধ্যে জীয়েক-জোঁৱায়েকক সহায় কৰে। অৱশ্যে জীয়েক-জোঁৱায়েকে একে গাঁৱতে ওচৰা-ওচৰিকৈ থকাটো কামনা কৰে। গাঁও এৰি বহু দূৰলৈ গ'লে শহুৰেক-শাহুয়েকৰ নামমাত্ৰ সন্মতিৰ প্ৰয়োজন হয়। কেতিয়াবা জোঁৱায়েকে তেওঁৰ নিজৰ পিতৃ-মাতৃৰ গাঁৱলৈ গৈ ঘৰ বান্ধে বা পিতৃ-মাতৃৰ লগতে থাকিবলৈ লয়। আনহাতে, নোগ্ৰম বিয়াৰ ক্ষেত্ৰত Cross Cousin marriage ৰ নিয়মাৱলী যিমান কঠোৰভাৱে মানি চলা হয়, আগতে বিয়াৰ ক্ষেত্ৰত এই নিয়মৰ প্ৰয়োগ সিমান পানী-নসৰকা বিধৰ নহয়। সকলোতে এটি শিথিল মনোভাব আৰোপ কৰা দেখা যায়।

'নোগ্ৰম' আৰু 'আগাতে' বিয়াৰ মাজত এনে মৌলিক পাৰ্থক্য থাকিলেও কেতিয়াবা আকৌ নোগ্ৰম আগাতে লৈ অৱনমিত হ'ব পাৰে আৰু আগাতে নোগ্ৰমলৈ উন্নীত হ'ব পাৰে। উদাহৰণ স্বৰূপে কোনো ক্ষেত্ৰত যদি নোগ্ৰম জোঁৱায়েক আৰু শাহুয়েকৰ মাজত মনোমালিন্য ঘটে আৰু এনে অৱস্থাত যদি জীয়েকেও গিৰিয়েকক সমৰ্থন কৰে; তেনে ক্ষেত্ৰত জীয়েক-জোঁৱায়েকে ঘৰ এৰি বেলেগ হ'বলগীয়া হয়। অৰ্থাৎ তেওঁলোক নোগ্ৰমৰ অধিকাৰৰ পৰা বঞ্চিত হয়। এনে পৰিস্থিতিত শহুৰেক-শাহুয়েকে আন এজনী জীয়েকক 'নোগ্ৰম' হিচাপে মনোনীত কৰিবলগীয়া হয়। নাইবা ইতিপূৰ্বে বিয়া হৈ যোৱা আগাতে জীয়েক জোঁৱায়েকক (তেওঁলোকৰ ল'ৰা-ছোৱালীৰ সৈতে) ঘৰলৈ আনি 'নোগ্ৰম' হ'বলৈ দিয়া হয়।

খ্ৰীষ্টিয়ান বিবাহ ঃ 'নোগ্ৰম' আৰু 'আগাতে'—এই বিবাহ পদ্ধতি দুটা পৰম্পৰাগত নিয়ম মানি চলা গাৰো সমাজতহে প্ৰচলিত। খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰা গাৰো সমাজত এই নিয়ম মানি চলা নহয়। সেইবাবে নোগ্ৰম আৰু আগাতেৰ উপৰিও আন একপ্ৰকাৰ বিয়া গাৰো সমাজত প্ৰচলিত আছে। এইবিধ বিয়াত ছোৱালীয়ে নিজে দৰা নিৰ্বাচন কৰি লয়। ছোৱালীয়ে দৰা পছন্দ কৰি লোৱাৰ পিছত এখন চিঠিৰে ল'ৰাক প্ৰেম নিবেদন কৰে আৰু বিয়া কৰাবলৈ তেওঁক অনুৰোধ জনায়। যদি ছোৱালী অশিক্ষিত হয়, তেনেহ'লে লিখিব জনা মানুহৰ হতুৱাই এই চিঠি লিখাই ল'ৰাক দিয়ে। ল'ৰাই চিঠি পোৱাৰ পিছত সাধাৰণতে নেতিবাচক উত্তৰ দিয়ে। নেতিবাচক হ'লেও চিঠিৰ উত্তৰ দিয়াটোৱেই সন্মতিৰ লক্ষণ বুলি ধৰি লোৱা হয়। কোনো ল'ৰাৰ যদি এই বিয়াত সমূলি ইচ্ছা নেথাকে, তেনেহ'লে কেৱাখনো চিঠি পোৱাৰ পিছতো কোনো প্ৰত্যুত্তৰ নিদিয়ে। কিন্তু নেতিবাচক হ'লেও উত্তৰ পোৱা মাত্ৰেই ল'ৰাৰ সন্মতি থকা বুলি ধৰি লোৱা হয়। ইয়াৰ পিছৰ পৰ্যায়ত ছোৱালীৰ অভিভাৱকে

ল'বাৰ অভিভাৱকৰ ওচৰত বিয়াৰ প্ৰস্তাৱ উত্থাপন কৰে। উভয় পক্ষৰ সন্মতিৰ পিছত দিন, বাৰ ঠিক কৰি ছোৱালীৰ ঘৰত বিবাহ উৎসৱ অনুষ্ঠিত কৰা হয়।'বিয়া উপলক্ষে ছোৱালীৰ মাক-বাপেকে সমজুৱা, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আদিক নিমন্ত্ৰণ জনায় আৰু সকলোকে অপ্যায়নৰ ব্যৱস্থা কৰে। বিয়াৰ দিনা খ্ৰীষ্টধৰ্মৰ পুৰোহিতক মাতি অনা হয় আৰু দৰা-কইনা সমজুৱাৰ মাজত বহুৱাই যথা নিয়মে বিবাহ-কাৰ্য সম্পন্ন কৰা হয়।

শাহুৰ-জোঁৱাই বিয়া : গাৰো সমাজ ব্যৱস্থাত আটাইতকৈ গুৰুত্বপূৰ্ণ সম্বন্ধটো হৈছে শহুৰ-শাহু আৰু জোঁৱায়েকৰ মাজৰ সম্বন্ধটো। শহুৰেকৰ মৃত্যু হ'লে জোঁৱায়েকে শাহুয়েকক বিয়া কৰাব লাগে। শাহুয়েক পৰিয়ালৰ গৰাকিনী, তেওঁৰ স্বামী পৰিয়ালৰ গৰাকী। শহুৰেকৰ মৃত্যু হ'লে জোঁৱায়েক সেই পদৰ অধিষ্ঠিত হয়। সেই পদত অধিষ্ঠিত হ'বলৈ জোঁৱায়েকে শাহুয়েকক বিয়া কৰাবলগীয়া হয়। শাহুয়েকক বিয়া নকৰালে জোঁৱায়েক পৰিয়ালৰ মুৰব্বী বা গৰাকী হ'ব নোৱাৰে। শাহুয়েকক বিয়া কৰোৱাৰ লগে লগে তেওঁ প্ৰথম বা প্ৰধান পত্নীৰ মৰ্যাদা লাভ কৰে। আনহাতে, তেওঁৰ জীয়েক দ্বিতীয় পত্নী বা উপ-পত্নী ৰূপে পৰিগণিত হয়। অৰ্থাৎ মাক, জীয়েক দুয়ো পত্নী হিচাপে অৱস্থান গ্ৰহণ কৰে। গাৰো সমাজত এনে সম্বন্ধ অতি স্বাভাৱিক। সাংসাৰিক ক্ষেত্ৰত ই কোনো কন্দলৰ সৃষ্টি নকৰে। উভয়ে আপোন মনোভাবেৰে সামাজিক নিয়ম হিচাপে ইয়াক গ্ৰহণ কৰে। অনেক ক্ষেত্ৰত মাক-জীয়েক উভয়ে একে সময়তে সন্তান সম্ভৱা হয়। এনে অৱস্থাতো কোনো জটিল পৰিস্থিতিৰ সৃষ্টি নহয়।[২৪]

অন'চোঙা বিবাহ : কোনো জোঁৱায়েকে যদি শহুৰেকৰ মৃত্যুৰ পিছত শাহুয়েকক বিয়া কৰাবলৈ অমান্তি হয়, তেনেহ'লে তেওঁক পৰিয়ালৰ গৰাকী হিচাপে গণ্য কৰা নহয়। তদুপৰি তেওঁ নোক্ৰমৰ মৰ্যাদা হেৰুৱায় আৰু সম্পত্তিৰ উত্তৰাধিকাৰী লাভৰ পৰাও বঞ্চিত হয়। তেনে পৰিস্থিতিত শাহুয়েকে তেওঁৰ মৃত স্বামীৰ মাহাৰীৰ অন্য এজন পুৰুষক স্বামী হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হয়। এনে বিয়াক গাৰোসকলে 'অন'চোঙা' বোলে।[২৫] আনহাতে, সমাজ বিজ্ঞানে এনে বিয়াক Levirate marriage বুলি ব্যাখ্যা কৰিছে।[২৬]

চাপ্পা বিবাহ : এইবিধ বিয়াত কন্যাৰ শৈশৱ অৱস্থাতে বিয়া হয়। অৱশ্যে এইবিধ বিয়া পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে, জোঁৱাই নিৰ্বাচিত হোৱাৰ পিছত, কিন্তু বিবাহৰ পূৰ্বে যদি শহুৰেকৰ মৃত্যু হয়, তেনেহ'লে গাৰো প্ৰথা অনুযায়ী জোঁৱায়েকে মাক-জীয়েক উভয়কে একেলগে বিয়া কৰাবলগীয়া হয়। ইয়াৰ উপৰিও শহুৰেক যদি শিশু কন্যা থকা অৱস্থাত মৃত্যু মুখত পৰে, তেনেহ'লে শাহুয়েকৰ উপৰিও এই শিশু কন্যাটিকো অতিৰিক্ত স্ত্ৰী হিচাপে গ্ৰহণ কৰিবলগীয়া হয়। এনে বিয়াক গাৰো ভাষাত 'চাপ্পা' বোলে। অৱশ্যে শিশু কন্যাগৰাকী বয়সপ্ৰাপ্ত নোহোৱা পৰ্যন্ত যৌন সম্পৰ্ক স্থাপন কৰা নিষেধ।

---

২৪ মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ—গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৩৩

২৫ Sangma, Milton-History and Culture of the Garos, P-201 .

২৬ Bhushan, B-Dictionary of Sociology, P-162

চেকা বিবাহ ঃ গাৰো সমাজত একে গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ। কিন্তু কেতিয়াবা একে গোত্ৰৰ ডেকা-গাভৰুৰ মাজত প্ৰণয়ৰ সূত্ৰপাত হয়। এনে পৰিস্থিতিত ডেকা-গাভৰু উভয় পৰিয়ালৰ সম্মতি নাথাকে। ফলত দুয়োজন পলাই গৈ সংসাৰ পতাৰ বাহিৰে অন্য উপায় নেথাকে। এনেদৰে ঘৰৰ পৰা পলাই গৈ সংসাৰ পতা দাম্পত্য জীৱনক 'চেকা' বোলে।[২৭] অৱশ্যে ই একপ্ৰকাৰ অবৈধ বা অসামাজিক বিয়া। এইখিনিতে মনকৰিবলগীয়া কথা যে, এনে দম্পত্তিৰ ঔৰসত জন্ম গ্ৰহণ কৰা সন্তানে কিন্তু সামাজিক স্বীকৃতি নেহেৰুৱায় বা অবৈধ সন্তান বুলি সমাজে হেয় জ্ঞান নকৰে।

চা'চেঙা বিবাহ ঃ গাৰো জনজাতিৰ কিছুমান উপজাতিৰ মাজত এইবিধ বিয়াৰ প্ৰচলন আছে। এইবিধ বিয়াত ছোৱালীজনীয়ে ডেকাজনৰ ঘৰলৈ গুচি যায় আৰু ডেকাজনৰ অভিভাৱকৰ পৰিয়ালত খেতি-বাতি আদি ঘৰুৱা কাম-বনত সহায় কৰি থাকিবলৈ লয়। এনেদৰে ছোৱালীজনীয়ে ঘৰুৱা কাম-বনেৰে পৰিয়ালৰ মানুহৰ মন জিনিবলৈ চেষ্টা কৰে আৰু এদিন বিয়াৰ বাবে সম্মতি পাব বুলি অপেক্ষা কৰে। যদি ছোৱালীজনীয়ে কাম-বন, আচাৰ-ব্যৱহাৰ আদিত পৰিয়ালৰ মানুহখিনি সন্তুষ্ট হয়, তেনেহ'লে বিয়াৰ বাবে সম্মতি প্ৰকাশ কৰে। ইয়াকে 'চা'চেঙা' বা 'অপেক্ষাৰত বিবাহ' বুলি কোৱা হয়।[২৮]

চা'দিলা বিবাহ ঃ এইবিধ বিয়া গাৰোসকলৰ মাৎচী উপ-জনজাতিটোৰ মাজত প্ৰচলিত। এই বিয়াত ছোৱালীজনীয়ে তাইৰ পছন্দৰ ডেকাজনলৈ বুলি বান্ধি-বাঢ়ি আহাৰ পঠিয়াই দিয়ে। আহাৰখিনি ভনীয়েক বা ওচৰ সম্বন্ধীয় ছোৱালী এজনীৰ হাতত দি তাই পিছে পিছে যায়। দৰাচলতে, এই আহাৰখিনি এক প্ৰকাৰ বিয়াৰ প্ৰস্তাৱ স্বৰূপ। আহাৰ লৈ যোৱা ছোৱালীজনীৰ পৰা কোনে আহাৰ পঠিয়াইছে জানি লোৱাৰ পিছত যদি ডেকাজনে আহাৰখিনি গ্ৰহণ কৰি খাবলৈ ধৰে, তেতিয়া লাহেকৈ ছোৱালীজনীয়েও আহি ডেকাজনৰ লগত একেলগে খাবলৈ আৰম্ভ কৰে। এনেদৰে একেলগে আহাৰ খোৱাৰ সংবাদ তৎক্ষণাত ছোৱালীৰ পৰিয়ালত দিয়া হয় আৰু দুয়োপক্ষৰ আলোচনা মৰ্মে বিবাহ অনুষ্ঠিত হয়। এইবিধ বিয়াকে গাৰোসকলে 'চা' দিয়া' বা আহাৰ খুৱওৱা বিয়া বোলে।[২৯]

টু'নাপা বিবাহ ঃ এইবিধ বিয়াক গাৰোসকলৰ গান্ধৰ্ব বিবাহ বুলি ক'ব পাৰি। এইবিধ বিয়াৰ প্ৰথা অনুসৰি বিবাহ-ইচ্ছুক গাভৰুগৰাকীয়ে যেতিয়া পৰিয়ালৰ আটাইবোৰ মানুহ শুই পৰে, তেতিয়া তাই গোপনে গৈ পছন্দৰ ডেকাজনৰ লগত শুই থাকে। যদি ডেকাজনেও গাভৰুজনীৰ লগত শুবলৈ মান্তি হয়, তেতিয়া বিয়াৰ বাবে সম্মতি থকা বুলি ধৰি লোৱা হয়। কেতিয়াবা আকৌ বিবাহ ইচ্ছুক ডেকাজনেও মনে মনে গৈ তাৰ পছন্দৰ গাভৰুজনীৰ লগত শুই থাকে। গাভৰুজনীয়ে এনেদৰে শুবলৈ সম্মত হ'লে বিয়াৰ বাবে আগ্ৰহী বুলি

---

২৭. Marak. F.K -Marriage System of the Garos (Seminer Paper)
২৮. Playfair. A.-The Garos. P-67
২৯. Playfair. A.-The Garos. P-67

গণ্য কৰা হয়। অৱশ্যে কোনো এজনে যদি শুৱলে অমান্তি হয়; তেনেহ'লে বিয়াৰ বাবে অসম্মত বুলি ধৰি লোৱা হয় আৰু এনে পৰিস্থিতিত অসম্মত হোৱাজনৰ মাছুহে দণ্ড ভৰিবলগীয়া হয়।[৩০]

বহু পত্নী বিবাহ ঃ গাৰো সমাজত পুৰুষে বৈধভাৱে এক বা একাধিক পত্নী গ্ৰহণ কৰিব পাৰে। আগৰ দিনত অৱস্থাপন্ন পুৰুষে তিনি-চাৰি গৰাকীকৈ উপ-পত্নী ৰাখিছিল। কিন্তু বহুপত্নী গ্ৰহণৰ বেলিকা গাৰো সমাজৰ ৰীতি-নীতি বৰ কঠোৰ। প্ৰথম কথা, উপপত্নী গ্ৰহণৰ বেলিকা প্ৰথম গৰাকী পত্নীৰ সম্মতিৰ প্ৰয়োজন। দ্বিতীয়তে, উপ-পত্নী সদায় প্ৰথম পত্নীৰ ওচৰ সম্বন্ধীয় সগোত্ৰীয় নাৰীকহে মনোনীত কৰা হয়। প্ৰথম পত্নীৰ গোত্ৰৰ বাহিৰৰ অৰ্থাৎ অন্য গোত্ৰৰ উপ-পত্নী গ্ৰহণ কৰিব নোৱাৰে। আনহাতে, 'চাগ্না' প্ৰথাৰেও গাৰো সমাজত বহুপত্নী গ্ৰহণৰ দুৱাৰ মুকলি হৈ থাকে। বহু পত্নী গ্ৰহণ কৰিলেও এওঁলোকৰ সমাজত সকলো পৰিস্থিতিতে প্ৰথম গৰাকী পত্নীৰ স্বাৰ্থ সুৰক্ষিত হৈ থাকে আৰু তেওঁকহে প্ৰকৃত পত্নী ৰূপে সমাজে অগ্ৰাধিকাৰ বা স্বীকৃতি দিয়ে। প্ৰথম পত্নীক গাৰো ভাষাত 'জিক-মোংমা' বোলে। আনহাতে, উপ-পত্নী বা দ্বিতীয় বা তাৰ পিছৰ পত্নীসকলক 'জিক্‌গিতে' বোলে।

বিবাহ বিচ্ছেদ ঃ গাৰো সমাজত বিবাহ-বিচ্ছেদৰ সংখ্যা তাকৰীয়া হ'লেও এই প্ৰথাবো প্ৰচলন আছে। পৰিস্থিতিৰ দাবী অনুযায়ী সাংসাৰিক জীৱনত বিবাহ-বিচ্ছেদৰ দৰে চূড়ান্ত সিদ্ধান্তও ল'বলগীয়া হয়। সাধাৰণতে তিনিটা কাৰণত বিবাহ-বিচ্ছেদ সংঘটিত হোৱা দেখা যায়। প্ৰথম, কোনো পুৰুষে যদি প্ৰথম গৰাকী পত্নীৰ সম্মতি অবিহনে দ্বিতীয় বিবাহ কৰায়। দ্বিতীয়, প্ৰথম পত্নীৰ গোত্ৰৰ নহৈ অন্য গোত্ৰ বা মাহাৰীৰ পৰা উপ-পত্নী গ্ৰহণ কৰে। তৃতীয়, যৌন জীৱনত স্বামী বা স্ত্ৰী যদি অবিশ্বস্ত বুলি প্ৰমাণিত হয়। এনে পৰিস্থিতিত বিবাহ-বিচ্ছেদৰ প্ৰশ্ন উত্থাপন হয়। অৱশ্যে এইক্ষেত্ৰতো স্বামী বা স্ত্ৰীয়ে নিজাববীয়াকৈ বা এক পক্ষীয়ভাৱে সিদ্ধান্ত ল'ব নোৱাৰে। দুয়োপক্ষৰ মাহাৰীৰ সদস্যসকলে প্ৰথমে আলোচনাত মিলিত হয় আৰু এই বৈঠকতে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়।[৩১]

পুৰণি কালত আকৌ বিবাহ-বিচ্ছেদৰ সময়ত এটা অনুষ্ঠান পালন কৰিবলগীয়া হৈছিল। এই অনুষ্ঠানক 'বোলচেকী দে'না' বুলি কোৱা হয়। 'বোলচেকী' হ'ল এডাল গছ আৰু 'দে'না' মানে খণ্ডিত কৰা বা কাটি পেলোৱা। এই অনুষ্ঠানত উপস্থিত ৰাইজৰ আগত বিচ্ছেদ হোৱা দুয়ো স্বামী-স্ত্ৰী উপস্থিত হৈ ভগৱানক সাক্ষী কৰি এৰা-এৰি হোৱা বুলি ঘোষণা কৰিব লাগে। বিচ্ছেদৰ চিন স্বৰূপে গাৰোসকলৰ পূজাৰী কামালে এখন তৰোৱালেৰে বোলচেকী গছ এজোপাত খাপ মাৰি গছডাল বিখণ্ডিত কৰিব লাগে। এয়ে বিবাহ-বিচ্ছেদৰ বোলচেকী' দে'না উৎসৱ।

---

৩০ Jobrang, Marak, The Garo law, P-50-51

৩১. Marak, K.R.–The Garos and their Customary Laws, P-29

টোটেম (Totem)

'টোটেম' শব্দটোৰ আভিধানিক অৰ্থ হ'ল 'কোনো বংশৰ উৎপত্তিৰ কাৰণ স্বৰূপ পূজনীয় কোনো স্বাভাৱিক বস্তু'। দৰাচলতে, টোটেম হ'ল এটা বিশ্বাস বা অন্ধবিশ্বাস। বহুতো জনগোষ্ঠীয়ে বিশ্বাস কৰে যে, তেওঁলোকৰ বংশ বা গোষ্ঠীটোৰ উৎপত্তি হৈছে জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-গছনি আদি প্ৰাকৃতিক উপাদানৰ পৰা। অৰ্থাৎ তেওঁলোক সেই জীৱ-জন্তু, গছ-গছনি, চৰাই আদিৰ বংশধৰ। কোনো জনগোষ্ঠী বা বংশই যদি নিজকে কুকুৰৰ পৰা উৎপত্তি হোৱা বুলি বিশ্বাস কৰে, তেনেহ'লে 'কুকুৰ' সেই গোষ্ঠীটোৰ টোটেম। এইফালৰ পৰা কুকুৰ তেওঁলোকৰ বাবে এটা প্ৰতীক বা চিহ্ন। এই প্ৰতীক বা চিহ্নটোৱেই কৈ দিয়ে তেওঁ কোন টোটেমৰ অন্তৰ্ভুক্ত।

ড° শিৱনাথ বৰ্মনে তেওঁৰ 'লোককৃষ্টিৰ উৎস' শীৰ্ষক গ্ৰন্থত 'টোটেম' সম্পৰ্কে বিশদ আলোচনা আগবঢ়াইছে। অসমীয়া ভাষাত টোটেম সম্পৰ্কে ইয়াতকৈ বিস্তৃত আলোচনা হোৱা আন ক'তো চকু পৰা নাই।

ওঠৰ শতিকাৰ শেষৰ ফালে জ'ন লং (John Long) নামে এজন নৃতত্ত্ববিদে 'টোটেম' শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল। 'টোটেম' ৰেড-ইণ্ডিয়ানসকলৰ ওজিবৰা (Ojibwa) নামৰ গোষ্ঠীটোৰ এটা শব্দ; যাৰ অৰ্থ হ'ল প্ৰতীক বা চিহ্ন।[৩২] এস্কিমো আৰু উত্তৰ আমেৰিকাৰ দুই-এটা অঞ্চলৰ বাহিৰে পৃথিৱীৰ প্ৰতিখন আদিবাসী সমাজত এনে কিছুমান বিশেষ প্ৰতীক (সাধাৰণতে গছ, চৰাই বা জন্তু) পোৱা যায়; য'ত আদিবাসীসকলে তেওঁলোকৰ গোষ্ঠীটোৰ সংৰক্ষণকাৰী শক্তিটো লুকাই থকা বুলি ভাৱে আৰু যাৰ জৰিয়তে গোষ্ঠীটোৰ সভ্যসকলে ইজনে-সিজনৰ লগত একাত্মবোধ স্থাপন কৰে। এনেধৰণৰ বিশেষ প্ৰতীক বিলাকক 'টোটেম' বুলি কোৱা হয়। এইফালৰ পৰা টোটেম এটা জনগোষ্ঠীৰ প্ৰতিনিধি।[৩৩]

ফ্ৰেজাৰ, মেলভিলি, স্মিডট্, টাইলৰ, মালিনৌস্কি, ব্ৰিফল্ট, এমিল, ডুৰ্খাইম, থমচন, হেৰিচন আদি পণ্ডিতসকলে টোটেমৰ বিষয়ে বিশদ আলোচনা কৰা দেখা যায়। মেলভিলিয়ে টোটেমৰ সংজ্ঞা দিবলৈ গৈ কৈছে—"Totemism is the belief that a mystical relationship exists between a group of human being who make up a kinship unit and a species of plant or animal or less commonly same natural phenomenon."[৩৪]

স্মিডট্ৰ মতে, "Totemism is an enigmatic phenomenon and depends on the belief of certain peoples that their families and clans stand in a definite blood relationship to particular species of animals."[৩৫]

টাইলৰে টোটেমৰ বিভিন্ন কাৰ্য বা ভূমিকা সম্পৰ্কে ব্যাখ্যা দি কৈছে—"In totemism, the totem animals cannot be killed or eaten except under very special

---

৩২. Tylor, E.B.-Dictionary of Anthropology, P-539

৩৩. বৰ্মন, শিৱনাথ—লোককৃষ্টিৰ উৎস, পৃঃ ১১৩

৩৪. Herskovits Melville, F-Cultural Anthropology, P-175

৩৫. Schmidt, W.-The origin and Growth of Religion.

circumstences. The toten will be treated both the life and death like a fellow tribeman. Many writters erroneously refer to totemism as a complex with specific content, although modern anthropologists avoid this usage. The totem's essence or religious power is often linked to the clan's emblem and is often a sacred object. Totem are sometimes taken out to be rubbed against the body to transmit power".[৩৬]

ফ্ৰেজাৰে মানুহৰ শৰীৰ আৰু আত্মাৰ লগত টোটেমৰ ধাৰণাটোক জৰিত কৰা দেখা যায়। এই প্ৰসঙ্গত তেওঁ উদাহৰণ দাঙি ধৰি কৈছে—"The theory of transmigration is held by the Moqui Indians, who belong to the same race as the Zunis. The Moquis are divided into totem clans–the Bear clans, Deer clan, wolf clan, Hare clan and so on; they belive that the ancestors of the clans were bears, deer, wolves, hares and so forth; and that at death the members of each clan become bears, deer and so on according to the particular clan to which they belonged."[৩৭]

ওপৰত উল্লেখ কৰা বিভিন্ন মতবাদৰ পৰা টোটেম সম্পৰ্কে এটি সামগ্ৰিক ধাৰণা বা পৰিচয় পোৱা যায়। এইখিনিতে মন কৰিবলগীয়া কথা যে, কেৱল জনজাতি বা আদিবাসীসকলেই টোটেমবাদত বিশ্বাসী নহয়, পৃথিৱীৰ বহুতো সভ্য জাতি সংস্কৃতিসম্পন্ন দেশতো টোটেমবাদক অগাধ বিশ্বাস কৰা হয়। ফ্ৰেজাৰে এই প্ৰসঙ্গত অষ্ট্ৰেলিয়া আৰু আমেৰিকাৰ উদাহৰণ তেওঁৰ 'The Golden Bough' গ্ৰন্থত উল্লেখ কৰিছে। ভাৰতবৰ্ষৰ হিন্দু সমাজত বিশেষকৈ সংস্কৃতিসম্পন্ন জাতি হিচাপে পৰিচিত আৰ্যসকলৰ মাজতো টোটেমৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। আৰ্যসকলৰ গোত্ৰসমূহৰ নাম দৰাচলতে কিছুমান জীৱ-জন্তু বা চৰাইৰ নামহে। বৰ্মনে এই গোত্ৰসমূহৰ নামৰ লগতে তাৰ আভিধানিক অৰ্থৰ এখনি তালিকা দাঙি ধৰিছে।[৩৮]

গোত্ৰৰ নাম	আভিধানিক অৰ্থ
শৌ•::	কুকুৰ
কপি	বান্দৰ
কাশ্যপ	কাছ
ভৰদ্বাজ	ভৰত চৰাই
মৌদ্‌গল্য	মাগুৰ মাছ
কৌশিক	ফেঁচা
গৌতম	ষাঁড় গৰু
সন্দীল	এবিধ চৰাই
মাণ্ডুকেয়	ভেকুলি
তৈত্তিৰীয়	টিয়া চৰাই

৩৬. Tylor, E.B.–Dictionary of Anthropology, P-539

৩৭ Frazer, James George–The Golden Bough, P-504

৩৮. বৰ্মন, শিবনাথ—লোকসংস্কৃতিৰ উৎস, পৃঃ ১৩০

মেঘালয় ৰাজ্যৰ গাৰো জনজাতিৰ মাজতো টোটেমৰ প্ৰচলন থকা দেখা যায়। গাৰো গোত্ৰসমূহৰ নামবোৰ গছ-গছনি, চৰাই-চিৰিকটি, জীৱ-জন্তু, নদ-নদী, পাহাৰ-পৰ্বত আদিৰ লগত মিল থকা দেখা যায়। এই নামসমূহ বেছিভাগেই স্থানীয় বিশেষ বিশেষ গছ-গছনি, পাহাৰ, নদী, জীৱ-জন্তু আদিৰ পৰা অহা। উদাহৰণ স্বৰূপে গাৰো পাহাৰৰ আটাইতকৈ ওখ শৃংগ 'নক্ৰেক', ডাঙৰ নদী 'চিমচাং' আদিৰপৰাও গোত্ৰ বা উপ-গোত্ৰ নামেৰে টোটেমৰ সৃষ্টি হৈছে। হয়তো এইবোৰ নদীৰ পাৰত বা পৰ্বতত বসবাস কৰাৰ কাৰণে গোত্ৰসমূহৰ নামবোৰ সেই নদী, পৰ্বত আদিৰপৰা লোৱা হৈছে। অৱশ্যে কেনেদৰে আৰু কি প্ৰক্ৰিয়াৰ যোগেদি এই নামসমূহ গোত্ৰলৈ আহিল তাৰ কোনো বিশ্বাসযোগ্য বিৱৰণ বিচাৰি পোৱা নেযায়। আনহাতে, গাৰো গোত্ৰসমূহৰ নামটোৰ বাহিৰে টোটেমৰ লগত গোত্ৰৰ অন্তৰ্গত সদস্যসকলৰ কোনো বিশেষ সম্পৰ্ক দেখিবলৈ পোৱা নেযায় আৰু তেওঁলোকে টোটেমক বিশেষ গুৰুত্ব দিয়াও দেখা নেযায়। একেদৰে কোনো গোত্ৰৰ মানুহেই টোটেমটোক প্ৰতীক বা চিহ্ন হিচাপেও ব্যৱহাৰ নকৰে বা শৰীৰৰ কোনো অংশত তাক আঁকি লোৱাও দেখা নেযায়।

কি কি গছ-গছনি, জীৱ-জন্তু, নদ-নদী, পাহাৰ-পৰ্বত আদিৰ পৰা গাৰো গোত্ৰসমূহৰ নামকৰণ হৈ টোটেমৰ ৰূপ হৈছে, তাৰ তালিকা এখনি এনেদৰে যুগুত কৰিব পাৰি।

টোটেম হিচাপে জীৱ-জন্তু, চৰাই-চিৰিকটি ঃ

১। চিৰান দো'কিমিল (চিৰান গাৰোৰ এটা ফৈদ আৰু দোকিমিল এবিধ চৰাই)
২। চিৰান দো'কৰু (কপৌ চৰাই)
৩। দো'মা (ৰাজহাঁহ)
৪। দো'পো (ভীমৰাজ চৰাই)
৫। দো'চিক (ভাটৌ চৰাই)
৬। দো'বক (ছাগলি)
৭। দো'কিসে (কুকুৰা)
৮। দো'কুঙচি (বালিমাহী চৰাই)
৯। গৰিল দো'কল (গৰিল ফৈদৰ নাম, দো'কল কাউৰী চৰাই)
১০। গৰিল পাকমাৰে (পখিলা)
১১। গাৰা (জেঠি বা গুই)
১২। জোঙচকি (এবিধ পোক)
১৩। কোকচি চানবেক (কোকচি এটা ফৈদ, চানবেক ভেকুলী)
১৪। কোকচি মাটচুক (শৰপহু)
১৫। বাংচা দো'মিচাল (বাংচা এটা ফৈদ, দো'মিচাল কুকুৰা)
১৬। বাংচা দো'চিক (ভাটৌ চৰাই)

১৭। ৰাংচা গিপি (এন্দুৰ)
১৮। ৰাংচা মাটচুক (শৰ পহু)
১৯। ৰাংচা মেপিল
২০। কোকচি না'ক্রিং (কোকচি এটা ফৈদ)
২১। মাটচুক (পহু)

টোটেম হিচাপে গছ-গছনি ঃ

১। আম'পং (খেৰ)
২। বোলবাৰি (এবিধ গছ)
৩। বোলচিম (এবিধ গছ)
৪। বোলদাক (ভাক গছ)
৫। বোলচগ্রি (শিমলু)
৬। বাৰিংগ্রি (বেঙেনা)
৭। বোলচাল (শাল গছ)
৮। বোলচিল (বছৰি পাত সৰা এবিধ টান গছ)
৯। বোলবক (এবিধ গছ)
১০। কবি (পাচলি কৰা গছ)
১১। কোকচি প্রাপ (কোকচি গাৰোৰ এটা ফৈদ, প্রাপ—বৰগছ)
১২। কোকচি টি'ক্রিং (খেকেৰা)
১৩। কোকচি ৰা'নং
১৪। গবিল মি'বিটচি
১৫। গবিল টি'বিল (গবিল এটা ফৈদ, টি'বিল—ডিমৰু গছ)
১৬। গবিল ৰাংচি (মাহ গছ)
১৭। টি'দিক্কি (এবিধ ফলৱতী গছ)
১৮। গবিল টি'গিচিল (আম গছ)
১৯। গবিল ৰং'বক
২০। গবিল ৰণ্ডু
২১। গবিল ৰা'চিক্চি (বাঁহৰ জেং)
২২। মি'চেং (সুগন্ধী পাতেৰে এবিধ মঙলীয়া আকৃতিৰ গছ)
২৩। মি'গংগ্রি (পাচলি কৰা গছ)
২৪। নেংগিটচাক (খেৰ)
২৫। ৰা'দা (এবিধ বাঁহ গছ)
২৬। ৰা'টুৰি (এবিধ বাঁহ গছ)
২৭। ৰা'টৰো (এবিধ বাঁহ গছ)

টোটেম হিচাপে পাহাৰ-পৰ্বত, নদী, জান-জুৰি :

১। অ'ঘিটোক	২১। দো'কিগ্ৰি
২। আ'ৱে	২২। ৰংচোক
৩। আ'জং	২৩। চিবিংগ্ৰি
৪। চিকল	২৪। চিচাম
৫। চিৱক	২৫। চিচিম
৬। চিচিক	২৬। দুৰা
৭। চিচিম	২৭। গান'চিং
৮। দো'বাক্কোল	২৮। কান্দাৰং
৯। দো'কিমে	২৯। চা'বান্দা
১০। হাতুৰি	৩০। নক্ৰেক
১১। জামগি	৩১। ৰং'মা
১২। আদু	৩২। ৰি'কিং
১৩। আ'মিটিম	৩৩। ৰুবান
১৪। আম'পাংদাম	৩৪। দো'কিমিল
১৫। আ'চিম	৩৫। দো'গ্ৰিং
১৬। বলচোল	৩৬। জোং'চুগ্ৰি
১৭। আ'কং	৩৭। কোনচিকল
১৮। আ'ৰুট	৩৮। মাটচুকগ্ৰি
১৯। চিপিক	৩৯। চাকা
২০। চিবাৰি	৪০। ৰাৰি।

ওপৰৰ তালিকাখনিৰ পৰা এই কথা সহজে অনুমেয় যে, গাৰো বা উপগোত্ৰসমূহৰ সৰহ ভাগ নাম গছ-গছনি, জীৱ-জন্তু, নদী-পাহাৰ আদিৰ পৰা আহিছে। গোত্ৰসমূহৰ উৎপত্তি এই প্ৰাকৃতিক উপাদানসমূহৰ পৰা হৈছে বুলি বিশ্বাস কৰা ধাৰণাটোৰ নামেই হৈছে টোটেম।

ধৰ্ম বিশ্বাস

'ধৰ্ম' শব্দটোৰ অৰ্থ বা ব্যাখ্যা বিভিন্ন ধৰণে পোৱা যায়। কিছুমানৰ মতে, ধৰ্ম হ'ল পাপ পুণ্য বিষয়ক ৰীতি-নীতি। কিছুমানৰ মতে, প্ৰচলিত সামাজিক আচাৰ-অনুষ্ঠান বা শাস্ত্ৰ-নিৰ্দ্ধাৰিত কাম-কাজ। কিছুমানৰ মতে, কোনো বিশেষ পন্থাৰ সাধনাৰ মাৰ্গ কিছুমানৰ মতে, ধৰ্ম হ'ল এক সামাজিক উপাদান।[৩৯] এনেদৰে ধৰ্ম শব্দটোৰ ব্যাখ্যা বিভিন্ন ধৰণে পোৱা যায় যদিও দৰাচলতে ধৰ্ম হ'ল এক গভীৰ অনুভূতি বা মানসিক অৱস্থা আৰু ই সদায় ভক্তি, দৰ্শন, সমাজ, ঈশ্বৰ, দেব-দেৱী, ইহকাল, পৰকাল, ভূত-প্ৰেত, বিশ্বাস-অন্ধবিশ্বাস আদি বিভিন্ন দিশৰ লগত জড়িত।

---

৩৯ Soper. E D – The Religious of Mankind. P-140

ফ্ৰেজাৰে তেওঁৰ 'The Golden Bough, A Study in Magic and Religion' গ্ৰন্থত ধৰ্ম, ধৰ্মৰ উৎপত্তি, ইয়াৰ আদিম ৰূপ, যাদুৰ লগত ধৰ্মৰ সম্পৰ্ক আদি বিভিন্ন দিশ সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়াইছে। এই গ্ৰন্থৰ মতে, যাদুৰ লগত আদিম ধৰ্মৰ সম্পৰ্ক অতি ঘনিষ্ঠ। কিছুমান অদৃশ্য শক্তিয়ে প্ৰকৃতিক আৰু মানুহৰ ভাগ্যক শাসন কৰিছে, আৰু কিবা উপায়েৰে সিবোৰক সন্তুষ্ট কৰিব পাৰিলেই ইপ্সিত ফল লাভ কৰিব পাৰি। আদিম মানুহে প্ৰকৃতিৰ অদৃশ্য শক্তিবিলাকক ভয়ৰ চকুৰে চাইছিল। প্ৰকৃতিৰ শক্তিবিলাকৰ ওচৰত মানুহে যেতিয়া নিজকে অসহায় অনুভৱ কৰি আত্ম সমৰ্পণ কৰিছিল, তেতিয়াই ধৰ্মৰ উৎপত্তি হোৱা বুলি কোৱা হৈছে। ভূত-প্ৰেত, ৰ'দ-বতাহ, বৰুণ, বৃক্ষ, বজ্ৰ, সূৰ্য, সৰ্প আদি প্ৰকৃতিৰ শক্তিসমূহক সন্তুষ্ট কৰাৰ প্ৰয়াসৰ ফলতেই সৃষ্টি হৈছে বিভিন্ন প্ৰকাৰৰ পূজা বা সেৱা পদ্ধতিৰ। প্ৰকৃতিৰ নানা বস্তুৰ মাজত দিব্য-শক্তি আৰু অলৌকিক মাহাত্ম্য আৰোপ কৰি সেইবিলাকৰ ওচৰত দৃঢ় বিশ্বাস আৰু ভক্তি প্ৰতিষ্ঠা কৰি পূজা-আৰাধনা কৰাটো পৃথিৱীৰ বিভিন্ন জাতিৰ মাজতেই পৰিলক্ষিত হয়।[৪০]"

উইলিয়াম স্কটে ফ্ৰেজাৰৰ দৰেই ধৰ্ম শব্দটোৰ ব্যাখ্যা আগবঢ়োৱা পৰিলক্ষিত হয়। তেওঁৰ মতে ধৰ্ম হ'ল—"A system of beliefs, Practics and philosophical value concerned with the defination of sacred, the comprehension of life, and solvation from the problems of human existance. Religion is essemtially an instituonalized or traditional path to salvation. All men in all societies utmately must face certain of life's problems essentially alone, despite all efforts of others to help. Religious traditions are the result of man's attempt to capture and enshrine his philosophical and spiritual insights so that they are available to the individual as he faces life and its stresses, confusion and complexities. Religion is a social phenemenon (as well as a psychological one) because it necessarily stresses fellowship in the devlopment, teaching and perpetuation of religious insight and knowledge"[৪১]

পৃথিৱীৰ প্ৰধান ধৰ্মসমূহত যেনেকৈ সৰ্বশক্তিমান দৈৱিক শক্তি এটাক সৃষ্টিকৰ্তা বুলি বিশ্বাস কৰি সেই সৰ্বশক্তিমান সৃষ্টিকৰ্তাৰ পূজা উপাসনাৰ ব্যৱস্থা কৰা হয়; তেনেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় বিশ্বাসতো সৰ্বশক্তিমানৰ দৈৱিক শক্তিক স্বীকাৰ কৰি তেওঁক সৃষ্টিকৰ্তা, ৰক্ষাকৰ্তা বুলি জ্ঞান কৰা হয়।[৪২] আদিম অৱস্থাত গাৰোসকলৰ ধৰ্ম আছিল প্ৰকৃতিৰ লগত সমাজৰ যোগসূত্ৰ। ধৰ্মক সমাজ আৰু সংস্কৃতিৰ আন আন উপাদানৰ পৰা পৃথকে চিনি উলিওৱা সম্ভৱ নাছিল। বিয়া, জন্ম, মৃত্যু, ৰোগ, চিকিৎসা, শস্য উৎপাদন এই

৪০. দাস, কালীচৰণ—'অসমৰ ধৰ্ম আৰু দৰ্শন' প্ৰবন্ধ, অসম গৌৰৱ গ্ৰন্থ, পৃঃ ১০১

৪১. Scott, William, P.–Dictionary of sociology, P-344

৪২. Simon, I.M.–Meghalaya, state of our union, P-29

সকলোবোৰৰ লগত বিভিন্ন ধৰ্মীয় অনুষ্ঠান জড়িত আছিল। তেওঁলোকৰ ধৰ্মৰ প্ৰধান উদ্দেশ্য আছিল ইহলোকত প্ৰকৃতিৰ অজানিত শক্তিসমূহৰ পৰা সুখ-সুবিধা আদায় কৰা আৰু অপায়-অমঙ্গলৰপৰা ৰক্ষা পৰি থকা। গাৰো ধৰ্মৰ প্ৰধান উপাদান হ'ল কেতবোৰ অলৌকিক শক্তি। এই অলৌকিক শক্তিক গাৰো ভাষাত 'মিত্তে' বোলে। গুণ অনুযায়ী মিত্তেবিলাকক দুই ভাগত ভগাব পাৰি। এভাগ হ'ল মানুহৰ মঙ্গল সাধন কৰিব পৰা মিত্তে আৰু আনভাগ হ'ল মানুহৰ অনিষ্ট সাধন কৰিব পৰা মিত্তে। তলত তেনে মিত্তে বা দেৱ-দেৱীসমূহৰ বিষয়ে চমু পৰিচয় জ্ঞাপন কৰা হ'ল।

তাতাৰা ৰাবুগা ঃ গাৰোসকলৰ প্ৰধান দেৱতা অৰ্থাৎ বিশ্ব-ব্ৰাহ্মাণ্ডৰ সৃষ্টিকৰ্তাৰ নাম হ'ল তাতাৰা ৰাবুগা। তাতাৰা ৰাবুগাক সৰ্বজ্ঞ, সৰ্বব্যাপ্ত, সৰ্ব শক্তিমান বুলি গণ্য কৰা হয়। এওঁৰ দুই অনুচৰ নাচ্‌টু-নোপানতু আৰু মাচ্চিৰৰ সহায়ত ৰাবুগাই এই পৃথিৱী তথা ইয়াৰ প্ৰাণী, উদ্ভিদ আদিৰ সৃষ্টি কৰিছে। এই তিনিওগৰাকীয়েই সৰ্বনিয়ন্তা আৰু মানুহৰ মঙ্গল সাধনেই তেওঁলোকৰ লক্ষ্য। আন আন দেৱ-দেৱীসকল তাতাৰা ৰাবুগাৰ অধীন।

চালজং ঃ চালজং গাৰোসকলৰ অন্যতম প্ৰধান দেৱতা। এওঁ সূৰ্যৰ প্ৰতীক। পৃথিৱীত মানুহক শস্য সম্পদেৰে পৰিপূৰ্ণ কৰি তোলে চালজঙে। অকল শস্যই নহয়, বাঁহ, ফল-মূল আদি সকলো প্ৰকাৰ গছ-গছনিৰ শ্ৰীবৃদ্ধিৰ মূলতে হৈছে এই গৰাকী দেৱতা। চালজঙৰ সুদৃষ্টি অবিহনে কোনো প্ৰকাৰৰ উৎপাদন অসম্ভৱ। তেওঁৰ কৃপাতেই শস্য আহি ভঁৰাল পায়। সেইবাবে গাৰোসকলে শস্য চপোৱাৰ পিছত তেওঁক শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্যে 'ওৱানগালা' উৎসৱৰ আয়োজন কৰে। কোনো কোনোৱে সেই কাৰণেই এই উৎসৱটিক 'ধন্যবাদ জ্ঞাপক উৎসৱ' বা Thank-offenng festivel বুলিও ক'ব খোজে।[৪৩]

চুৰাবুদি ঃ দয়ালু দেৱতা হিচাপে চুৰাবুদিৰ নাম বিদিত। এওঁ শস্যৰ ৰক্ষণাবেক্ষণ দিয়ে। আনহাতে, কাণৰ বিষ আৰু ফোঁহা হ'লে আৰোগ্য লাভৰ বাবে চুৰাবুদিক পূজা কৰা হয়। কোনো কোনোৰ মতে চুৰাবুদি সৃষ্টিকৰ্তা তাতাৰা ৰাবুগাৰ বিশ্বস্ত সেৱক।[৪৪] শস্যৰ প্ৰথম উৎপাদনখিনিৰ এটা অংশ সদায় এই গৰাকী দেৱতাৰ নামত উছৰ্গা কৰা হয়। আনহাতে চুৰাবুদিৰ সন্তুষ্ট কৰাৰ বাবে তেওঁৰ পূজাত গাহৰি উছৰ্গা কৰাটো বাধ্যতামূলক।

গোৰেৰা ঃ গোৰেৰা হ'ল ব্ৰজৰ দেৱতা। এওঁ শক্তি,বল তথা পোহৰৰ প্ৰতীক। বজ্ৰপাতেৰে এই গৰাকী দেৱতাই গছ-গছনি, মানুহ, জীৱ-জন্তু আদিৰ বিনাশ সাধন কৰিব পাৰে। সেইবাবে প্ৰকৃতিৰ শক্তিসমূহৰ ভিতৰত গোৰেৰাক ভয় তুলনামূলকভাৱে বেছি। আনহাতে, সুস্বাস্থ্য আৰু শক্তি আহৰণৰ বাবেও মানুহে গোৰেৰাক পূজা কৰে। সাধাৰণতে গছৰ তলত এই গৰাকী দেৱতাৰ পূজাৰ আয়োজন কৰা হয় আৰু এওঁক পূজিবলৈ এটা গাহৰি, এটা কুকুৰা চৰাই আৰু এটা হাঁহৰ প্ৰয়োজন হয়।

কালকামে ঃ কালকামে গোৰেৰাৰ ভায়েক। এওঁ মানুহৰ জীৱন ৰক্ষাৰ দেৱতা। বন্য

---

৪৩. Sangma. Milton S–History and culture of the Garos, P-222

৪৪. Playfair A–The Garos, P-81

জন্তুৰ আক্ৰমণ। নানা প্ৰকাৰৰ ৰোগ-ব্যাধি তথা সৰ্ব প্ৰকাৰৰ বিপদৰ পৰা এওঁ মানুহক ৰক্ষা তথা মুক্ত কৰি ৰাখে। সেইবাবে বছৰেকীয়া আচোংতাতা উৎসৱতে দেৱতা গৰাকীৰ নামত ছাগলী, কুকুৰা আদি বলি দি, বলিৰ তেজ তেৰঙৈল উচৰ্গা কৰা হয়। গাৰোসকলৰ বিশ্বাস যে, এনেদৰে পূজা কৰিলে বছৰটোৰ বাবে বন্যজন্তু বা আন বিপদ-আপদৰ পৰা গাঁওখন নিৰাপদে থাকে।

চুচিমে ঃ এই গৰাকী দেৱী চন্দ্ৰৰ প্ৰতীক। আনহাতে এওঁ ঐশ্বৰ্যৰ দেৱী। মিত্তে হিচাপে চুচিমে ভাল আৰু বেয়া দুয়োটা অলৌকিক শক্তিৰে অধিকাৰী। গাৰোসকলৰ বিশ্বাস যে, চুচিমেৰ অসন্তোষৰ ফলত মানুহ পঙ্গু, অন্ধ অথবা কলা হ'ব পাৰে। আনহাতে, এই গৰাকী দেৱীৰ সুদৃষ্টিৰ ফলতেই এনেবোৰ ৰোগৰ নিৰাময়ো সম্ভৱ হ'ব পাৰে। চুচিমেই আকৌ মানুহৰ মাজত কন্দলৰ সৃষ্টি কৰে বুলিও ধাৰণা। সেইবাবে গাৰোসকলে চুচিমেক সকলো সময়তে পূজা-উপাসনাৰে সন্তুষ্ট কৰি ৰাখিবলৈ চেষ্টাৰ অকণো ত্ৰুটি নকৰে।

ওপৰত উল্লেখ কৰা দেৱ-দেৱীসকলৰ উপৰিও বালৰা (বায়ুদেৱতা), ৰা'লনিমি (অগ্নিদেৱতা), চাংকাই (প্ৰান্তৰৰ দেৱতা), মিক্কানি (ৰবৰুণৰ দেৱতা), বিচি (গৃহ দেৱতা) আদি অনেক দেৱতা বা মিত্তে আছে বুলি গাৰোসকলে বিশ্বাস কৰে। দেৱতাৰ লগতে অপদেৱতাৰ সংখ্যাও গাৰো বিশ্বাসত একেবাৰে কম নহয়। তেনে অপদেৱ-দেৱীসকলৰ ভিতৰত তলত উল্লেখ কৰা সকলেই প্ৰধান।

নৰাং ঃ গাৰোসকলৰ ধাৰণাত নৰাং হ'ল এটা দৈত্য বা অপদেৱতা। মৃত্যুৰ পিছত নকৰালে যোৱা বাটত ই খাপ লৈ থাকে আৰু মানুহৰ আত্মাবোৰ নৰাঙে ভক্ষণ কৰে। সেইবাবে যেতিয়া কোনো মানুহৰ মৃত্যু হয়; মৃতকৰ কাপোৰ-কানি, আ-অলংকাৰ, টকা-পইচা আদি লগত দি পঠিওৱা হয়, যাতে সেইবোৰ নৰাঙক দিব পাৰে। নৰাঙে অকল মৃত মানুহকে নহয়, কেতিয়াবা জীৱিত মানুহকো ভক্ষণ কৰে। এওঁ আকৌ ৰূপবো পৰিৱৰ্তন কৰিব পাৰে। কেতিয়াবা মানুহৰ আৰু কেতিয়াবা জন্তুৰ ৰূপ ধাৰণ কৰিও মানুহক ভক্ষণ কৰে। অকল এয়াই নহয় নৰাঙে মানুহৰ পেটৰ বিষ, বমি, বদহজম, শৌচ আদি ৰোগবো কাৰণ।

টংবেংমা ঃ মানুহৰ অনিষ্ট সাধন কৰা বা মানুহক কষ্ট দিয়া আন এগৰাকী দেৱী হ'ল টংবেংমা। বিশেষকৈ এই গৰাকী দেৱীয়ে বেমাৰ-আজাৰ বৃদ্ধি কৰে, মহামাৰী বিয়পায় আৰু ৰোগৰ সময়ত যন্ত্ৰণা ভোগায়। এওঁৰ সুদৃষ্টিৰ পৰা ৰক্ষা পাবলৈ গাৰোসকলে নদী বা নিজৰাৰ পাৰত দেৱীৰ উদ্দেশ্যে পূজা দিয়ে আৰু উপাচাৰ হিচাপে কুকুৰাৰ মঙহ উচৰ্গা কৰা হয়।

মানুহৰ অনিষ্ট সাধন কৰিব পৰা আন আন অপদেৱতা বা মিত্তেসমূহ হ'ল দেংৰা (শৰীৰত বিষ সৃষ্টি কৰে), চিচিক (জ্বৰত ভোগায়), এবেত (মতিভ্ৰম ঘটায়) আদি।

পূজাৰ পদ্ধতি ঃ

ওপৰত উল্লেখ কৰা দেৱতা-উপদেৱতাসকলক লৈ গাৰো সমাজত বিভিন্ন ধৰ্ম-বিশ্বাস গঢ় লৈ উঠিছে। পূজা কৰোঁতে কোন বেমাৰৰ বাবে কোন মিত্তেক পূজা দিব লাগিব সেই

কথা নিৰ্ণয় কৰিবৰ বাবে প্ৰথমে মঙ্গল চোৱা হয়। এনেভাবে মঙ্গল চোৱা প্ৰথাক 'চিম্মানিয়া' বোলা হয়। সকলোৱে অৱশ্যে মঙ্গল চাব নেজানে। যদি পূজা দিব খোজা গৃহস্থই নিজে মঙ্গলচোৱাৰ প্ৰথা নেজানে, তেনেহ'লে মঙ্গল চাব জনা মানুহ এজনৰ ওচৰলৈ গৈ মঙ্গল চোৱায়। মঙ্গল চোৱাৰ দুটা পদ্ধতি আছে। সেই পদ্ধতি দুটাৰ বিষয়ে ধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰে তেওঁৰ 'গাৰো সংস্কৃতিৰ ৰূপৰেখা' নামৰ গ্ৰন্থত সুন্দৰকৈ বৰ্ণনা কৰিছে। এটা পদ্ধতি মতে, এবেগেত মান দীঘল ধনু এখনৰ গুণডালৰ মাজত দুটা আঙুলিৰে চেপি ধৰি মিত্তেসকলৰ নাম এটা-এটাকৈ কোৱা হয়। যিটো মিত্তেৰ নাম কওঁতে ধনুখন কঁপিব ধৰে সেই মিত্তেৰ পূজাৰ আৱশ্যক বুলি ধৰা হয়। দ্বিতীয় পদ্ধতি মতে, এবাতি পানীত মিত্তেসকলৰ নামে প্ৰতি এটাকৈ চাউল পেলাই দিয়া হয়।' যি মিত্তেৰ নামত দিয়া চাউল ওপঙি উঠে সেই মিত্তেৰ পূজাৰ আৱশ্যক বুলি জানিব পাৰি। প্ৰত্যেক মিত্তেৰ বাবে অৱস্থা অনুযায়ী বেলেগ বেলেগ প্ৰাণী বলি দিয়াৰ বিধান আছে। কোনো মিত্তেৰ বাবে বগা মতা কুকুৰা, কোনো মিত্তেৰ বাবে গাহৰি, কোনো মিত্তেৰ বাবে ছাগলী, কোনোৰ বাবে হাঁহ আদি। মনকৰিবলগীয়া কথা যে, গাৰোসকলে মিত্তেৰ পূজাৰ বাবে কোনো মূৰ্ত্তি বা প্ৰতিকৃতি নাসাজে। অৰ্থাৎ গাৰো সমাজত মূৰ্ত্তি পূজাৰ প্ৰচলন নাই। অৱশ্যে পূজাৰ বাবে বেদী (কিমিণ্ডা) প্ৰস্তুত কৰা হয়। এই বেদী সাধাৰণতে এটা মাটিৰ ঢাপ আৰু তাৰ একাষে নানা ধৰণৰ ফুল কটা বাঁহৰ চুঙা আৰু গছৰ পাতেৰে সজোৱা হয়। বেদী সজ্জিত কৰা এই প্ৰথাক 'চাম্বাচিয়া' বোলে। গাঁৱত এজন বা দুজন পূজাৰ বিধান ভালদৰে জনা লোক থাকে। এনে লোকক 'খামাল' (কামাল) অৰ্থাৎ পুৰোহিত বোলে। এওঁলোকৰ পূজা দিবৰ বাবে মাতি অনা হয়। পূজাৰ কাম সম্পন্ন কৰাৰ বাবে খামালে কোনো পাৰিশ্ৰমিক বা দান-দক্ষিণা নাপায়। পূজা বিধিৰ প্ৰধান অঙ্গ হ'ল বলি। যি বলি উপযুক্ত বুলি মঙ্গল চাওঁতে ঠিৰাং কৰা হয়, সেই বলি মিত্তেৰ নামত কাটি তেজ বেদীৰ ওপৰত ছতিয়াই দিয়া হয়। প্ৰায়ভাগ মিত্তেৰ পূজাত 'চু' অৰ্থাৎ মদৰ প্ৰয়োজন হয়। মিত্তেৰ বাবে আচুটিয়াকৈ ৰখা 'চু' বেদীৰ ওপৰত ঢালি মন্ত্ৰ উচ্চাৰণ কৰা হয়। অসমীয়া সমাজত বিশেষকৈ পূজা, ধৰ্মীয় অনুষ্ঠান আদিত তামোল-পাণে যি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে; গাৰো সমাজত মদে সেই স্থান গ্ৰহণ কৰা দেখা যায়। গাৰো মন্ত্ৰসমূহ পুৰণি গাৰো ভাষাত মতা হয়। মন্ত্ৰবোৰৰ তাৎপৰ্য হ'ল মিত্তেৰ নাম উচ্চাৰণ কৰি উদ্দেশ্য সিদ্ধিৰ বাবে আবেদন জনোৱা। কোনো বিশেষ ব্যক্তিৰ ৰোগ নিবাৰণৰ বাবে যদি পূজা দিয়া হয়, তেনেহ'লে সেই ব্যক্তিকো বেদীৰ ওচৰত বহুৱাই লোৱা হয় আৰু বলিৰ তেজ, 'চু' আদি ৰোগগ্ৰস্ত ব্যক্তিৰ গাতো ছতিয়াই দিয়া হয়। ইয়াৰ পিছত বলি কাটি-বাচি বান্ধি পূজাত ভাগ লোৱা সকলো লোকে খায়। সাধাৰণতে পূজা ঘৰৰ বাহিৰৰ সমাপন কৰা হয়। কোনো কোনো মিত্তেৰ পূজা অৱশ্যে ঘৰৰ ভিতৰতে সোঁমাজৰ খুঁটাডালত কৰা হয়। কোনো কোনো মিত্তেৰ পূজা আকৌ গাঁৱৰ বাহিৰত, জুৰিৰ পাৰত, হাবিৰ মাজত বা গছৰ তলত কৰা হয়।[৪৫]

৪৫. মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ—গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৪৯-৫০

সৃষ্টি পাতনি : পৃথিৱীখন কেনেকৈ সৃষ্টি হ'ল সেই সম্পৰ্কে বিভিন্ন সমাজত বিভিন্ন কাহিনীৰ প্ৰচলন থকাৰ দৰে গাৰোসকলৰ মাজতো ভিন্ন ভিন্ন কেইবাটাও কাহিনীৰ প্ৰচলন আছে। তাৰে ভিতৰত সৃষ্টিতত্ত্বৰ মূল কাহিনীটো এনেধৰণৰ :

সৃষ্টিৰ আদিতে কেৱল জল বা পানীভাগহে আছিল। পানীৰ বাহিৰে মাটি, গছ-গছনি, জীৱ-জন্তু একেবাৰেই নাছিল। চাৰিওফালে কেৱল ঘোৰ অন্ধকাৰ। তেতিয়া সৃষ্টিকৰ্তা তাতাৰা ৰাবুগাই পৃথিৱী সৃজন কৰিবলৈ মনস্থ কৰে। সেই উদ্দেশ্যে তেওঁ নাচ্‌টু-নোপানটু নামৰ এগৰাকী দেৱতাক প্ৰেৰণ কৰে। নাচ্‌টু-নোপানটুৱে নাৰী ৰূপ ধাৰণ কৰি পৃথিৱীলৈ আহে। তেওঁ পৃথিৱীলৈ আহি দেখে যে, চাৰিওফালে কেৱল পানী। ভৰি থ'বলৈও মাটি অকণ নাই। সেইবাবে তেওঁ পানীৰ ওপৰতে মকৰাজালৰ ওপৰত ওলমি থাকিবলগীয়া হ'ল। তাতাৰা ৰাবুগাই তেতিয়া নাচ্‌টুক পৃথিৱী সৃজন কৰিবলৈ এমুঠি বালি দিলে। কিন্তু তাৰে তেওঁ পৃথিৱী সৃজন কৰিব নোৱাৰিলে। তেতিয়া তেওঁ পৃথিৱীৰ আকৃতি নিৰ্মাণৰ বাবে কেঁকোৰা এটাক পানীৰ তলৰ পৰা বোকা মাটি আনিবলৈ পঠিয়াই দিলে। কিন্তু পানীৰ গভীৰতাৰ বাবে কেঁকোৰা গুদা হাতেৰে উভতি আহিল। তেতিয়া নাচ্‌টুৱে সৰু কেঁকোৰা এটাক পঠিয়াই দিলে। ইয়ো পানীৰ অতল গৰ্ভ দেখি ভয়তে উভতি আহিল। উপায়ন্তৰ হৈ শেষত নাচ্‌টুৱে চিচিং বালজিং নামৰ গুবৰুৱা পোকৰ দেৱতা গৰাকীৰ ওচৰত মাটি বিচাৰিলে। চিচিং বালজিঙে মাটি সংগ্ৰহ কৰি আনি দিয়াৰ পিছত, সেই মাটিৰে পৃথিৱীৰ এটি আকৃতি নিৰ্মাণ কৰি উলিয়ালে। ইয়ে পৃথিৱীৰ আদি ৰূপ। পৃথিৱী সৃজনৰ পিছত নাচ্‌টুৱে প্ৰথমে 'মানে-পিলটে' অৰ্থাৎ বসুমতী আৰু সাগৰ সৃষ্টি কৰিলে। তাৰ পিছত সৰু-বৰ শিল কিছুমান সৃজন কৰিলে। কিন্তু তেতিয়াও পৃথিৱীখন পানীৰে সেমেকি থকাত বসবাসৰ উপযোগী হৈ উঠা নাছিল। তেতিয়া নাচ্‌টুৱে তাতাৰা ৰাবুগাক সাহায্য কৰিবলৈ অনুৰোধ জনালে। তাতাৰাই নাচ্‌টুৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই সূৰ্য, চন্দ্ৰ আৰু আকাশ স্থাপন কৰিলে। লগতে পৃথিৱীত বলিবলৈ এজাক বতাহো পঠিয়াই দিলে। সূৰ্যৰ তাপ, চন্দ্ৰৰ পোহৰ আৰু বতাহৰ সন্মিলিত প্ৰচেষ্টাত পৃথিৱীৰ উপৰিভাগ শুকান হৈ উঠিল। তাৰ পিছত পৰ্যায়ক্ৰমে জীৱ-জন্তু, নদ-নদী, শস্য, ফলমূল আদিয়ো সৃষ্টি কৰিলে। পৃথিৱীখন বসবাসৰ উপযোগী হৈ উঠাৰ পিছতহে মানুহ সৃজন কৰিলে। এনেদৰে গাৰোসকলৰ মাজত সৃষ্টিতত্ত্বৰ আখ্যানভাগ প্ৰচলিত হৈ আছে।

জন্মান্তৰবাদ : জন্ম, মৃত্যু, শৰীৰ, আত্মা বিষয়ত গাৰোসকলৰ বিশ্বাস হিন্দুধৰ্মৰ ওচৰ চপা। গাৰোসকলে আত্মাৰ অবিনশ্বৰতা আৰু পূৰ্বজন্মত বিশ্বাসী। তেওঁলোকৰ মতে মানুহৰ আত্মাৰ মৃত্যু নহয়। শৰীৰৰ মৃত্যু হ'লে আত্মাই আন এটা নতুন শৰীৰত প্ৰৱেশ কৰে। আনহাতে, 'ইহলোক' আৰু 'পৰলোক' বুলি যে জীৱন দুখন জগত আছে আৰু ইহলোকৰ পাপ-পুণ্যৰ বিচাৰ যে পৰলোকত হয়, সেই ধাৰণাৰ প্ৰচলনো গাৰো সমাজত আছে। তেওঁলোকৰ বিশ্বাস মতে, মানুহ তথা প্ৰাণীমাত্ৰেই নিজ নিজ কৰ্মফল অনুযায়ী পৰজন্মত

ভাল অথবা বেয়া অৱস্থাত জন্ম গ্ৰহণ কৰে। পাপ-পুণ্য বা ভাল-বেয়াৰ প্ৰতি গাৰোসকলৰ সুস্পষ্ট ধাৰণা থাকিলেও স্বৰ্গ অথবা নৰক সম্পৰ্কে তেওঁলোকৰ কোনো সুস্পষ্ট ধাৰণা নাই। ইহলোকত পাপকাৰ্য বা বেয়া কাম কৰিলে, পৰজন্মত তেনে মানুহ জীৱ-জন্তুৰূপে জন্মগ্ৰহণ কৰে বুলি বিশ্বাস। আনহাতে, জীৱিত অৱস্থাত পুণ্য অৰ্জন কৰিলে, সেইসকলে পৰজন্মত ভাল বংশত, বিশেষকৈ নিজৰ গোত্ৰতে মানুহ ৰূপে জন্ম গ্ৰহণ কৰে বুলি বিশ্বাস, নিজৰ গোত্ৰ বা মাহাৰীত পুনৰ বাৰ জন্ম গ্ৰহণ কৰাটো গাৰোসকলৰ দৃষ্টিত সম্মানজনক কথা।[৪৬] সেইবাবে গাৰোসকলে জীৱিত অৱস্থাত পুণ্য অৰ্জনৰ বাবে চেষ্টা কৰে; যাতে পৰজন্মত পুনৰ মানুহ হিচাপে নিজৰ গোত্ৰতে জন্ম ল'ব পাৰে। এই ফালৰ পৰা গাৰোসকল আশাবাদী (optinist)।

গাৰোসকলৰ মাজত খ্ৰীষ্টধৰ্ম ঃ বৃটিছ ৰাজত্বৰ আৰম্ভৰ লগে লগে গাৰো পাহাৰত খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰ আৰম্ভ হয়। বৃটিছ শাসকসকলে আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনক গাৰোপাহাৰত ধৰ্ম প্ৰচাৰ কৰিবলৈ দিয়ে আৰু লগে লগে প্ৰাথমিক শিক্ষা বিস্তাৰৰ ভাৰো তেওঁলোকৰ ওপৰতেই ন্যস্ত কৰে। তেওঁলোকে তুৰাক কেন্দ্ৰ কৰি সমগ্ৰ গাৰো পাহাৰতেই ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে আৰু গাৰো ভাষাক লিখিত ভাষালৈ ৰূপান্তৰিত কৰি প্ৰাথমিক শিক্ষাৰ বাবে পাঠ্য পুথি আদি প্ৰণয়ন কৰে। খ্ৰীষ্ট ধৰ্মত দীক্ষিত প্ৰথম দুজন গাৰো হ'ল ৰামখে আৰু ওমেত। এওঁলোকে ১৮৬৩ চনত খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰে। ইয়াৰ বহুদিন পিছত ৰোমান কেথলিকসকলে গাৰো পাহাৰত ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে। খ্ৰীষ্ট ধৰ্ম প্ৰচাৰকসকলৰ প্ৰচেষ্টাৰ ফলত গাৰো পাহাৰত আৰু ওচৰ-চুবুৰীয়া অঞ্চলত খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰ দ্ৰুত গতিত আগবাঢ়ে। যোৱা ডেৰশ বছৰীয়া প্ৰচাৰৰ ফলত বৰ্তমান গাৰো সমাজৰ শতকৰা নৈৱেজন লোকেই খ্ৰীষ্টিয়ান ধৰ্মী। বাকী শতকৰা দহজন লোকহে পৰম্পৰাগত ধৰ্মী। এতিয়াও যিসকলে পৰম্পৰাগত ধৰ্ম মানি খ্ৰীষ্টিয়ান নোহোৱাকৈ আছে, সেইসকলক 'চংচাৰিক' বোলা হয়। সম্ভৱত এই শব্দটো খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ দ্বাৰা উদ্ভূত। তেওঁলোকে খ্ৰীষ্ট ধৰ্ম নোলোৱাসকলক সংসাৰী কাৰ্যত লিপ্ত হৈ পৰমাৰ্থিক মঙ্গলৰ কথা চিন্তা নকৰা যেন ভাবিয়েই সম্ভৱতঃ সংসাৰী বা সাংসাৰিক আখ্যা দিছিল। বৰ্তমান গাৰো পাহাৰত চংচাৰিকৰ সংখ্যা দিনে দিনে কমি আহি এটা সংখ্যালঘু ধৰ্ম সম্প্ৰদায়ত পৰিণত হৈছে। মুষ্টিমেয় যি দুই-চাৰিজন চংচাৰিক আছে, তেওঁলোক গাৰো পাহাৰৰ ভিতৰুৱা বা দুৰ্গম স্থানৰ অধিবাসী। এওঁলোককেই জনজাতীয় ধৰ্ম বিশ্বাসৰ[৪৭] আদিম ধৰ্মপন্থী বা কৌলিক ধৰ্ম মতাৱলম্বী বুলি ক'ব পাৰি।

সাম্প্ৰতিক কালত গাৰোসকলে খ্ৰীষ্ট ধৰ্মক আধুনিকতাৰ প্ৰতীক ৰূপে গণ্য কৰিবলৈ লৈছে। সেইবাবে চংচাৰিক পৰিয়ালৰ ল'ৰা-ছোৱালী খ্ৰীষ্ট ধৰ্মত দীক্ষিত হ'লে মাক-বাপেকে

৪৬. Singha, T.-The psyche of the Garos, P-48

৪৭. ভট্টাচাৰ্য্য, প্ৰমোদ চন্দ্ৰ —'অসমৰ জনজাতীয় ধৰ্মবিশ্বাস' প্ৰবন্ধ 'অসম গৌৰৱ' গ্ৰন্থ, পৃঃ ৪৩২

কোনো আপত্তি নকৰে। কোনো কোনো পৰিয়ালত দেখা যায় পিত-মাতৃ চংচাৰিক, কিন্তু তেওঁলোকৰ সতি-সন্ততি খ্রীষ্টিয়ান। এনেদৰে একেটা পৰিয়ালতে দুটা ধৰ্মই সহবস্থান কৰি চলি আহিছে। ইয়াৰ দ্বাৰা প্ৰমাণ পোৱা যায় যে, গাৰোসকলৰ মাজত ধৰ্মক লৈ কোনো সংঘাত বা বিবাদ নাই। অৱশ্যে খ্রীষ্ট ধৰ্মৰ প্ৰভাৱত যে গাৰোসকলৰ সামাজিক জীৱন ধাৰাৰ আমুল পৰিবৰ্তন সাধন হৈছে সেইকথা সম্পূৰ্ণৰূপে সঁচা। খ্রীষ্ট ধৰ্ম গ্ৰহণৰ যোগেদি শিক্ষিত হোৱাসকলৰ চিন্তাধাৰাৰ লগত পৰম্পৰাগত গাৰো ধৰ্ম খাপ নোখোৱা হৈছে। পৰম্পৰাগত চংচাৰিক ধৰ্ম ঝুম খেতিৰ ওপৰত আধাৰিত পৰম্পৰাগত সংস্কৃতিৰ লগত খাপ খোৱা আছিল। আজিকালি জুম খেতিৰ গুৰুত্ব দিনক দিনে কমি আহিছে আৰু লগে লগে গাৰোসকলৰ জীৱন-যাত্ৰাৰ প্ৰণালীয়ো পৰিবৰ্তিত হৈ আহিছে। কিন্তু পৰম্পৰাগত গাৰো ধৰ্মই এই পৰিবৰ্তিত অৱস্থাৰ লগত খোজ মিলাই চলিব নোৱাৰিলে, সেইবাবে আজি পৰম্পৰাগত গাৰো ধৰ্মৰ জীৱনী শক্তি নোহোৱা হৈ পৰিছে।

মৃতদেহ সৎকাৰ

মৃত্যু জীৱনৰ শেষ মাইলৰ খুঁটি। বৈদিক যুগত হিন্দুৱে মৃতদেহ দাহ নকৰিছিল বুলি কয়। তেওঁলোকে শ পুতিছিলহে। সম্ভৱতঃ দৈহিক আৰু আত্মিক বন্ধন মুক্তিৰ দৰ্শন যেতিয়াই প্ৰগাঢ় হৈ পৰিল, তেতিয়াৰে পৰাই মৃতদেহ দাহ কৰা নীতি আমাৰ সমাজত প্ৰচলিত হ'বলৈ ধৰে।[১] দুই-এটা ব্যতিক্ৰমৰ বাহিৰে চংচাৰিক গাৰোসকলে মৃতদেহ দাহ কৰে অৰ্থাৎ পুৰি পেলায়। বাৰ্দ্ধক্যজনিত বা স্বাভাৱিক মৃত্যুত শ দাহন কৰে যদিও কুষ্ঠ, কলাজ্বৰ, কলেৰা, বসন্ত আদি দুৰাৰোগ্য ব্যাধিত ভুগি মৃত্যু হোৱা লোকক নুপুৰি মাটিত কবৰ দিয়া হয়।

গাৰো সমাজত কোনো লোকৰ মৃত্যু হ'লে, মৃতকৰ আত্মীয়স্বজনক যিমান দূৰতেই নাথাকক কিয় খবৰ দিয়া হয়। যদি কোনো মৃতকৰ নিকটাত্মীয় দূৰত বসবাস কৰে, তেওঁলোক আহি নোপোৱা পৰ্যন্ত মৃতদেহ সংকাৰ কৰাটো নীতি বিৰুদ্ধে। প্ৰয়োজন বোধে এনে মৃতকৰ শ তিনি দিন পৰ্যন্ত সংকাৰ নকৰাকৈ ৰাখি থোৱা হয়। অৱশ্যে কোনো অৱস্থাতেই তিনিদিনতকৈ বেছি মৰাশ ৰাখি থোৱা নহয়। আত্মীয়সকল আহি নোপোৱা পৰ্যন্ত গাঁৱৰ বয়স্ক পুৰুষ-তিৰোতা, খামাল (পুৰোহিত) আৰু ডেকাসকলে অতি সতৰ্কতাৰে দিনে-ৰাতিয়ে পহৰা দি ৰখি থাকে। মৃত্যু সংবাদ পোৱা মাত্ৰকে আত্মীয়স্বজনে কাল বিলম্ব নকৰি মৃত ব্যক্তিৰ ঘৰ অভিমুখে ৰাওনা হয়। অকল আত্মীয়স্বজনেই নহয় গাঁৱৰ সকলো মানুহেই মৃত্যু সংবাদ পালে মৃতকৰ ঘৰলৈ আহে। মৃতকৰ ঘৰলৈ আহোঁতে সামৰ্থ অনুযায়ী প্ৰত্যেকে চাউল, মদ, কুকুৰা, ছাগলী, বলদ আদি লৈ আহে। ইয়াৰ উদ্দেশ্য হ'ল যাতে মৃতকৰ সংকাৰ কালীন ব্যয় কিছু লাঘৱ হয়। অৱশ্যে এনেবোৰ সামগ্ৰী লগত অনাটো বাধ্যতামূলক নহয় যদিও গাৰো সমাজে ইয়াক প্ৰথাসিদ্ধ বুলি মানি আহিছে।

দাহন কৰাৰ আগেয়ে মৃতদেহটিক স্নান কৰোৱা হয় আৰু স্নান কৰাৰ ক্ষেত্ৰত পৰিয়ালৰ

৪৮ বৰুৱা, হেম —আঁচুকুল, পৃঃ ৫১

আপোনজনে অগ্ৰাধিকাৰ পায়। এইটো পৰিয়ালৰ নিকট-আত্মীয়ৰ একপ্ৰকাৰ অধিকাৰ বুলি গণ্য কৰা যায়। মৃত ব্যক্তিৰ পৰিয়াল যদি আৰ্থিকভাৱে স্বচ্ছল; তেনেহ'লে দেশী মদেৰে (চুবিচ্চি) গোটেই দেহটো স্নান কৰোঁৱা হয় আৰু পৰিয়ালটো দুখীয়া হ'লে মদৰ সলনি সাধাৰণ পানীৰে স্নান কৰোঁৱা হয়। মৃতদেহ যিমান সময়লৈকে ঘৰত থাকে, তেতিয়ালৈকে গাঁৱৰ বাইজে মৃত ব্যক্তিৰ গৃহত সমবেত হৈ থাকে। সেই সময়ছোৱাত মদ্যপান আৰু ক্ৰাম্ (ঢোল), মহৰ শিঙা আদিৰ বাজনাও চলি থাকে। অৱশ্যে এই বাজনাৰ এটা সুকীয়া বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যটো হ'ল ইয়াৰ লয় বিলম্বিত।

গাৰোসকলে মৃতদেহ ঘৰৰ ভিতৰত ৰাখে। ৰাতি মৃতদেহৰ কাষত জুই জ্বলাই থোৱাৰ নিয়ম। আনহাতে মৃতদেহৰ সংকাৰ গাঁৱৰ পৰিসীমাৰ ভিতৰন্ত সম্পন্ন কৰা হয়। কোনো কোনোৱে নিজৰ ঘৰৰ চৌহদতে সংকাৰ কৰে। গাৰোসকলৰ কোনো কোনো সম্প্ৰদায়ৰ মাজত আকৌ মৃত ব্যক্তিৰ ঘৰৰ পৰা তেওঁ পিতৃ-মাতৃৰ ঘৰলৈ শৱ শোভাযাত্ৰা কৰি নিয়াৰ ৰীতিও প্ৰচলিত আছে।

মৃতকৰ আত্মীয়স্বজন আহি পোৱাৰ পিছত বাঁহ আৰু কাঠেৰে এখনি চাং নিৰ্মাণ কৰা হয়। চাঙৰ ওপৰত মৃতদেহ সংকাৰ কৰাটো জনজাতিসকলৰ এটি অন্যতম বৈশিষ্ট্য।"[৪৯] চাঙখন ওখ বেদীৰ আকাৰত তৈয়াৰ কৰা হয় আৰু সেই চিতাৰ ওপৰত মৃতদেহটো স্থাপন কৰি তলৰফালৰ পৰা অগ্নি সংযোগ কৰা হয়। মৃতদেহ ভস্মীভূত হোৱাৰ পিছত সম্পূৰ্ণৰূপে দগ্ধ নোহোৱা হাড়বোৰ সংগ্ৰহ কৰি অনা হয় আৰু মৃত ব্যক্তিৰ ঘৰৰ সমুখত এডোখৰ ঠাইত পুনৰ পোৰা হয়। পোৰা শেষ হ'লে ছাইখিনি মাটিত পুতি থৈ তাৰ ওপৰত বাঁহেৰে এটি সৰু ঘৰ সাজি দিয়া হয়। এই ঘৰটোক 'দেলং' বোলে। কিছু পৰিমানে ধান, মৃত ব্যক্তিৰ ব্যৱহৃত বস্তু, বাচন-বৰ্তন আদি দেলঙত থৈ দিয়া হয়। অন্তিম যাত্ৰাপথত মৃত ব্যক্তিৰ বিদেহী আত্মাৰ এইবোৰ বস্তু প্ৰয়োজন বুলি গাৰোসকলে বিশ্বাস কৰে। দেলঙত এমাহ পৰ্যন্ত মৃত ব্যক্তিৰ আত্মাৰ উদ্দেশ্যে খাদ্য আৰু পনীয় নৈবেদ্য হিচাপে অৰ্পন কৰা হয়। আনহাতে, সেই সময়ছোৱাতে মৃতদেহৰ সংকাৰ উপলক্ষে বিশেষ পান-ভোজনৰো আয়োজন কৰা হয়।

যেতি চপোৱাৰ পিছত অনুষ্ঠিত বছৰেকীয়া 'মাঙোনা' উৎসৱত দেলংসমূহ পুৰি পেলোৱা হয়। অৱশ্যে এই নিয়ম মাৎচী আৰু চিচাক সম্প্ৰদায়ৰ মাজতেই প্ৰচলিত। বাকী সম্প্ৰদায়সমূহে দেলং 'ওৱানগালা' উৎসৱৰ সময়ত পুৰি পেলায়। এই উপলক্ষেও গৃহস্থৰ ঘৰত পান-ভোজনৰ আয়োজন কৰা হয়। অৱশ্যে অস্বাভাৱিক মৃত্যু বা অকালতে মৃত্যু বৰণ কৰা লোকৰ ক্ষেত্ৰত এই নিয়মবোৰ ইমান আনুষ্ঠানিকভাৱে পালন কৰা নহয়।

মৃত্যুৰ পিছৰ অস্তিত্বক গাৰোসকলে বিশ্বাস কৰে। তেওঁলোকৰ ধাৰণাও মৃত্যুৰ পিছত মৃতকে অশৰীৰী ৰূপ ধাৰণ কৰে। এই অশৰীৰী ৰূপক গাৰোসকলে 'মেমাং' বোলে।

---

৪৯. Smith, W.C.-Ao Naga Tribes of Assam: a study in Ethnology and Sociology.

'মেমাং' যদিও শৰীৰ বিহীন তথাপি সময়ে সময়ে ই জীৱিত কালৰ বিকৃত ৰূপত আত্ম প্ৰকাশো কৰে। মৃত ব্যক্তিৰ যাৰ লগত জীৱিত অৱস্থাত আত্মীয়তা বা ঘনিষ্ঠতা থাকে, সেই ঘনিষ্ঠতা অশৰীৰী ৰূপতো অক্ষুণ্ণ থাকে বুলি তেওঁলোকে বিশ্বাস কৰে।

গাৰোসকলৰ বিশ্বাস মতে, মৃত্যুৰ পিছতেই বিদেহী আত্মাই অনন্ত পথৰ যাত্ৰা আৰম্ভ কৰে আৰু এই যাত্ৰা পথত তেওঁলোকে অনেক বাধা-বিঘিনি অতিক্ৰম কৰিবলগীয়া হয়। বিদেহী আত্মা প্ৰথমে 'নাকাক্' নামে ঠাইত উপনীত হয় আৰু তাত কিছু সময় জিৰণি লোৱাৰ পিছত 'বালপাক্ৰাম' বা 'চিতমাং' নামৰ ঠাইলৈ গমন কৰে। বালপাক্ৰাম আৰু চিতমাং দৰাচলতে দুখন পাহাৰ। গাৰো পাহাৰৰ দক্ষিণ পূৰ অংশত অৱস্থিত এই দুখন পাহাৰ জনবসতি শূণ্য, দুৰ্গম তথা নিৰ্জন ঠাই। ইয়াতেই নৰাং নামৰ দৈত্যটোৱে আত্মাবোৰৰ বাবে অপেক্ষা কৰি থাকে। আত্মাবোৰে পৃথিৱীলৈ গৈ কি কি কাম কৰিলে তাৰ খতিয়ান বিচাৰে আৰু আহোঁতে লগত কি কি সম্পত্তি লৈ আহিছে তাৰো বিচাৰ কৰে। দুৰ্দান্ত নৰাঙৰ কাৰণে তেতিয়া আত্মাবোৰে শৰীৰত পিন্ধা অলংকাৰসমূহ মাটিত সিঁচৰতি কৰি পেলাই দিয়ে। নৰাঙে মাটিৰ পৰা অলংকাৰবোৰ বুটলি ব্যস্ত হৈ থাকোঁতে আত্মবোৰে তাৰ পৰা পলায়ন কৰে। সেইবাবে গাৰোসকলে কাণত অলংকাৰ পিন্ধে বা মানুহ মৰিলে লগত অলংকাৰ দি পঠিয়ায়। আত্মাবোৰে প্ৰেতাত্মাৰ কলনী সদৃশ চিতমাঙত নিৰ্দিষ্ট সময় বসবাস কৰাৰ পিছত পুনৰ এই পৃথিৱীত জন্মগ্ৰহণ কৰে। পুনৰ্জন্ম কৰ্মফলৰ ওপৰত নিৰ্ভৰশীল। হত্যাকাৰী আদি অপৰাধীসকলে সাতোটা প্ৰজন্ম চিতমাঙত বসবাস কৰাৰ পিছতহে মানুহৰূপে পুনৰ পৃথিৱীত জন্ম গ্ৰহণ কৰিব পাৰে। তেনেদৰে অন্যায়, পাপ কাৰ্যত লিপ্তসকলে জীৱ-জন্তুৰ ৰূপতহে পৃথিৱীত জন্ম লাভ কৰে। আনহাতে, যিসকলে জীৱিত কালত পবিত্ৰভাৱে জীৱন-যাপন কৰিছে বা পূণ্য অৰ্জন কৰিছে, তেওঁলোকে পুনৰ নিজৰ গোত্ৰতে মানুহ হিচাপে জন্ম লাভ কৰে।

মৃতদেহ সংকাৰৰ প্ৰথা আৰু মৃত্যুৰ পিছত আত্মা সম্পৰ্কীয় বিশ্বাস সম্বন্ধে ওপৰত যি এটি চমু আভাস দিবলৈ প্ৰয়াস কৰা হ'ল, সেই প্ৰথা বা ধাৰণা পৰম্পৰাগত ধৰ্ম মানি চলা চংচাৰিকসকলৰ মাজতহে প্ৰচলিত। খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰা গাৰোসকলে খ্ৰীষ্টধৰ্মৰ ৰীতি অনুসৰি মৰাশ কবৰ দিয়ে।

কিম্মা ঃ অখ্ৰীষ্টিয়ান (চংচৰিক) গাৰোসকলে মৃত আত্মীয় স্বজনৰ স্মৃতি ৰক্ষাৰ্থে কাঠত মূৰ্ত্তি খোদাই কৰি বাসগৃহৰ সন্মুখত স্থাপন কৰে। গাৰো ভাষাত ইয়াকে 'কিম্মা' বোলে। নিজৰ ঘনিষ্ঠ আত্মীয় স্বজনৰ উপৰিও মৃত বন্ধু-বান্ধৱৰ স্মৃতি ৰক্ষাৰ্থে গাৰোসকলে সুন্দৰভাৱে কাঠত খোদাই কৰি কিম্মা প্ৰস্তুত কৰে। আজিকালি জীৱিত মানুহে কাপোৰ-কানি পিন্ধাৰ দৰে কিম্মাসমূহকো কাপোৰ পিন্ধাই থোৱা হয়। মৃত ব্যক্তিগৰাকী পুৰুষ নে মহিলা, শিশু নে কিশোৰ কিম্মাৰ অৱয়ৱ দেখিলে ধাৰণা কৰিব পাৰি। আনহাতে, কিম্মাৰ সংখ্যাৰ পৰা সেই পৰিয়ালত বিগত সময়ছোৱাত কেইজন মানুহৰ মৃত্যু ঘটিছে, সেই সম্পৰ্কেও জানিব পাৰি। পৰিয়ালৰ ঘৰৰ সন্মুখত সজাই থোৱা কিম্মাসমূহে মানুহক ব্যথিত কৰি তোলা স্বাভাৱিক।

জন্ম আৰু নামকৰণ

কম-বেছি পৰিমাণে প্ৰায় সকলো সমাজতে কেঁচুৱা এটি ভূমিষ্ঠ হোৱাৰ লগে লগে বা তাৰ কিছুদিন আগৰেপৰা নৱজাতকক লৈ বিভিন্ন ৰীতি-নীতি বা আচাৰ-অনুষ্ঠানৰ আয়োজন কৰা হয়। দৰাচলতে, এইখিনি সময়ত গৰ্ভৱতী মাতৃ আৰু ভূমিষ্ঠৰ্য নৱজাতকক লৈ পৰিয়াল আৰু আত্মীয় স্বজনৰ মাজত ব্যস্ততা পৰিলক্ষিত হয়।

গাৰো সমাজত নৱজাকক লৈ পালন কৰা আচাৰ-অনুষ্ঠানৰ দুটা প্ৰথা পৰিলক্ষিত হয়। এটা প্ৰথা গাৰোসকলৰ আখাৱে নামৰ ঠালটোৰ মাজত প্ৰচলিত আৰু আনটো আমবেংসকলৰ মাজত প্ৰচলিত। অন্য গাৰো লোকসকলে এই দুটাৰ যিকোনো এটাক অনুকৰণ কৰা দেখা যায়।

আখাৱেসকলৰ প্ৰথামতে, শিশুটিৰ জন্মৰ লগে লগে যিকোনো এটা জন্তু বা কুকুৰা চৰাই আনি পুৰোহিতৰ (খামাল) দ্বাৰা বলি দিয়া হয়। বলিৰ লগে লগে পুৰোহিতে মন্ত্ৰ মাতি শিশুটিক অপদেৱতাৰ কু-দৃষ্টিৰ প্ৰভাবৰ পৰা নিবাৰণ কৰিবলৈ চেষ্টা কৰে। কিছু ক্ষেত্ৰত ঘৰটোৰ মজিয়া তথা শিশুটিৰ চৌপাশে চাউল ছতিয়াই দি পুৰোহিতে মন্ত্ৰ মতাও দেখা যায়। গাৰোসকলৰ বিশ্বাস চাউল ছতিয়াই দিয়া ঠাইত অপদেৱতা প্ৰৱেশ কৰিব নোৱাৰে। আনহাতে, গৰ্ভৱতী মহিলা গৰাকী সন্তান প্ৰসৱৰ সময়ত কষ্ট পালে বা অতিমাত্ৰা প্ৰসব-বেদনা হ'লে এটা ছাগলি ঘৰটোৰ ভিতৰলৈ অনা হয় আৰু প্ৰসূতিয়ে দেখাকৈ বান্ধি থোৱা হয়। সেই সময়তে পুৰোহিতে মুখত অলপ পানী লৈ, মন্ত্ৰ মাতি মাতি গৰ্ভৱতী মহিলা গৰাকীৰ গাৰ ওপৰত পানীখিনি ফুৰাই দিয়ে আৰু সোনকালে প্ৰসৱ হোৱাৰ বাবে 'পোইচ্‌ৰং' বুলি শব্দ এটা উচ্চাৰণ কৰে। এই শব্দটোৰ অৰ্থ হ'ল 'মঙ্গল হওঁক'।

আমবেংসকলৰ প্ৰথা মতে, প্ৰসব বেদনা বেছি হ'লে এটা ছাগলি ঘৰটোৰ ভিতৰলৈ অনা হয় আৰু ছাগলীটোৰ নোম অলপ উভালি আনি মহিলাগৰাকীৰ একেবাৰে সমীপত জুই জ্বলাই পোৰা হয়। গাৰোসকলৰ বিশ্বাস মতে, এনেদৰে নোম পোৰা উগ্ৰ গোন্ধ পালে অপদেৱতা পলাই যায় আৰু তেতিয়া সন্তান সোনকালে প্ৰসৱ হয়। তাৰ পিছত যিগৰাকী অপদেৱতাৰ কুদৃষ্টিৰ ফলত মহিলা গৰাকী প্ৰসব বেদনাত ভূগি থাকে, সেই অপদেৱতা গৰাকীৰ নামত ছাগলিটো উছৰ্গা কৰা হয়।

জন্মৰ লগে লগে মহিলাসকলে শিশুটিৰ ভৱিষ্যত সম্পৰ্কেও ঠিকনা চোৱাৰ নিয়ম। ঠিকনা চাবলৈ এটা কুকুৰা চৰাই মাৰি তাৰ নাৰী-ভুৰুৰেৰ উলিয়াই পেলোৱা হয়। তাৰপিছত পুৰোহিতে কুকুৰাটো মাজেৰে সমানে দুটা ভাগত বিভক্ত কৰি সকলোৰে দেখাকৈ ওপৰলৈ দাঙি ধৰে। তেওঁলোকৰ বিশ্বাসত কুকুৰাটোৰ সোঁফালৰ অংশটো শিশুটিৰ বাবে আৰু বাওঁফালৰ অংশটো অপদেৱতাৰ বাবে। যদি দুভাগ কৰোঁতে সোঁফালৰ অংশটো সামান্য

পৰিমাণে হ'লেও ডাঙৰ হয়; তেনেহ'লে ধৰি লোৱা হয় যে প্ৰসূতি আৰু শিশুটি দুয়ো কুশলে থাকিব।

গাৰো সমাজত নামকৰণৰ বাবে কোনো অনুষ্ঠানৰ আয়োজন কৰা নহয়। অৱশ্যে আমবেংসকলে এইক্ষেত্ৰত কিছু নিয়ম মানি চলা দেখা যায়। আমবেংসকলে জন্মৰ বাৰটোত নৱজাতকৰ নামকৰণ কৰে। সাধাৰণতে এই নামকৰণ জন্মৰ তৃতীয় সপ্তাহ বা মাহটোৰ ভিতৰত সেই একে নিৰ্দিষ্ট বাৰটোত কৰা হয়। নাম দিয়াৰ সময়ত 'টংবেংমা' দেৱতালৈ ভক্তি নিবেদন কৰা হয়। সেইদিনা পান-ভোজনৰো আয়োজন কৰা হয়। নামকৰণৰ ক্ষেত্ৰত জীৱিত অৱস্থাত থকা সম্পৰ্কীয় লোকৰ নাম বা কিছুদিন পূৰ্বে মৃত্যু হোৱা সম্পৰ্কীয় লোকৰ নাম দিয়া নহয়। গাৰোসকলৰ বিশ্বাসত মৃত সম্পৰ্কীয় মানুহৰ নাম ৰখাটো অমঙ্গলজনক।

—o—

চতুৰ্থ অধ্যায়

ঘৰুৱা জীৱন

গৃহ নিৰ্মাণ প্ৰণালী

গাৰোসকলে বসবাস কৰা ঘৰটোক 'নোকাচিক' বোলে। গাৰোসকল পাহাৰীয়া জনজাতি। বেছিভাগ পাহাৰীয়া জনজাতিয়েই চাংঘৰত বসবাস কৰে। গাৰোসকলে সাধাৰণতে গছৰ ডাল, বাঁহ আদিৰ ওপৰত মাচাং তৈয়াৰ কৰি তাৰ ওপৰত ঘৰ নিৰ্মাণ কৰে। অৱস্থাপন্ন পৰিয়ালৰ বাহিৰে সৰহভাগ গাৰো পৰিয়ালত একোটাকৈ ঘৰ থাকে। সেইবাবেই বোধকৰোঁ পৰম্পৰাগত প্ৰথামতে সজা গাৰো ঘৰবোৰ বৰ ডাঙৰ-দীঘল। একোটা ঘৰ দীঘলে ৫০ ফুট আৰু বহলে ১৫ ফুট মানকৈ জোখৰ হয়। গোটেই ঘৰটো এখন চাঙৰ ওপৰত সজা হয়। পাহাৰৰ এঢলীয়া মাটিত চাঙখন মাটিৰ সমানে সমানে আৰম্ভ কৰি একেবাৰে গড়াৰফালে ১০/১২ ফুটলৈ ওখ হয়। চাঙৰ পৰা ঘৰটোৰ মুধলৈ উচ্চতা প্ৰায় আঠ ফুটমান। সেইবাবে ঘৰবোৰ চাপৰ যেন দেখি। অৱশ্যে ঘৰটো চাপৰ হোৱা বাবে বৰ বেছি বতাহ বা ধুমুহা বলিলেও ঘৰটোৰ অনিষ্ট সাধন কৰিব নোৱাৰে। ঘৰবোৰ দুচলীয়া। ঘৰটোৰ সোমাজেৰে ইমূৰৰ পৰা সিমূৰলৈ এডাল মাৰলি থাকে। এই মাৰলিডালক গাৰোসকলে 'বোলগ্ৰো' বোলে। ঘৰ সাজিবলৈ সাধাৰণতে স্থানীয়ভাৱে পোৱা বাঁহ, কাঠ, খেৰ বা টকৌপাত ব্যৱহাৰ কৰা হয়। মজিয়াখন গোটা বাঁহ পাৰি নিৰ্মাণ কৰা হয়। অৱশ্যে অৱস্থাপন্ন মানুহে কেতিয়াবা ফলা কাঠ পাৰিও সুবিধানজভাৱে মজিয়া নিৰ্মাণ কৰি লয়। চাঙৰ খুঁটাবোৰ মজবুত। সেইবাবে খুঁটা হিচাপে বহল বেৰ থকা গছৰ ডাল ব্যৱহাৰ কৰা হয়। চালবোৰ খেৰ বা টকৌগছৰ পাতেৰে তৈয়াৰী। আনহাতে কেইবাতৰপো বাঁহেৰে বেৰবোৰ সজা হয়। পৰম্পৰাগত প্ৰথামতে সজা গাৰো ঘৰ এটাৰ আৰ্হি এনেধৰণৰ :

গাৰোসকলৰ গোটেই ঘৰটোৱেই এটা বৃহৎ হল ঘৰৰ দৰে। ঘৰবোৰ ভিতৰভাগত কোনো পৃথক পৃথক কোঠাৰ ব্যৱস্থা নাথাকে। অৱশ্যে ঘৰটোৰ বিভিন্ন অংশ বিভিন্ন কামৰ বাবে নিৰ্দিষ্টকৈ ব্যৱহাৰ কৰা হয়। গাৰোসকলে ঘৰৰ সন্মুখ বা আগফালটোক 'নোকমিক্কাং' বোলে। মূল ঘৰটোক তিনিটা অংশত বিভক্ত কৰিব পাৰি—নোগ্ৰা, দোংৰামা আৰু দুন। গাৰো ঘৰবোৰৰ প্ৰৱেশ পথ বা দুৱাৰ মুধচৰ ফালে। এই দুৱাৰখনৰ নাম 'গো'টিম্‌ৰা'। এই দুৱাৰখনৰ পৰা ৭ ফুট মান দূৰত্বহে ঘৰৰ চাংখন আৰম্ভ হয়। ঠাইখিনি চাং নোহোৱা এটা খোটালীৰ দৰে। এই খোটালীটোৰ দুয়োফালে সৰু সৰু চাং পাতি খাদ্যৰ বাবে ৰখা গৰু বান্ধি থোৱা হয় আৰু সেই চাঙতে খাঁহ, বাঁহপাত আদি গৰুক খাবলৈ দিয়া হয়। চাং দুখনৰ মাজৰ ঠাইখিনিৰ ভেটি মাটিৰে বন্ধা। সেইবাবে বৰষুণৰ দিনত উবলেৰে ধান বানিবৰ বাবে



(পরম্পরাগত গারো ঘর 'নোকাচিক'র আর্হি)

উপযোগী। এই ঠাইখিনিক 'নোম্ৰা' বোলে আৰু 'নোম্ৰা'ই পৰম্পৰাগত এটা ঘৰৰ প্ৰথম অংশ।

ঘৰটোৰ দ্বিতীয় অংশৰ আৰম্ভ হয় আন এখন দুৱাৰেৰে। এইখন আচলতে প্ৰধান দুৱাৰ আৰু এই দুৱাৰখনৰ পৰাই চাং আৰম্ভ হয়। এই দুৱাৰখনেৰে সোমাই গ'লেই ঘৰটোৰ মূল অংশটো পায়। ঘৰটোৰ প্ৰায় সোঁমাজতে এটা খুঁটা থাকে আৰু খুঁটাৰ ওচৰতে জুহাল। চাঙৰ ওপৰত মাটিৰে লেপি জুহাল (চু'দাপ) কৰে। ঘৰৰ ভিতৰত 'চু'ৰ (মদ) আয়োজন হ'লে সোঁমাজৰ খুঁটাৰ ওচৰতে মদৰ কলহটো ৰখা হয়। মদ ৰখা এই ঠাইখিনিক 'চুচেৰা' বোলা হয়। জুহালৰ দুয়োকাষে বহিয়েই সাধাৰণতে আহাৰ গ্ৰহণ কৰা হয়। আহাৰ গ্ৰহণৰ এই ঠাইখিনিক 'চা'ৰামা' বোলে। আনহাতে, ঘৰটোৰ এই অংশক চ'ৰাঘৰ হিচাপেও ব্যৱহাৰ কৰা হয়। আলহী-অতিথি আহিলে ইয়াতেই বহিবলৈ দিয়া হয়। গাৰো পৰম্পৰাগত প্ৰথামতে সজা ঘৰৰ এই অংশটোৰ নামেই হৈছে 'দোংৰামা'। উৎসব আদি পালনৰ বাবে দোংৰামা বৰ সুবিধাজনক আৰু দোংৰামাৰ প্ৰত্যেক অংশৰে একো-একোটা ধৰ্মীয় আৰু সামাজিক প্ৰকাৰ্য আছে। যেনে, মাজৰ খুঁটাডাল ঘৰৰ পূজা-পাতলৰ বাবে পবিত্ৰ স্থান বুলি গণ্য কৰা হয়। সেইবাবে ইয়াতেই বেদী বা প্ৰাৰ্থনাঘৰৰ (মালজুৰি) ব্যৱস্থা কৰা হয়। তদুপৰি দোংৰামাৰ দুনৰ ওচৰৰ অংশটো পুৰোহিত আৰু অন্যান্য সন্মানিত অতিথিৰ বাবে আসনৰ উপযুক্ত স্থান বুলি গণ্য কৰা হয়। এই ঠাইখিনিক 'নোকজাংচি' বুলি কোৱা হয়।

দোংৰামাৰ পিছতে 'দুন' অংশ। দোংৰামাৰ পিছফালে এডোখৰ দীঘলে-বহলে প্ৰায় আঠ ফুটমান ঠাই বেৰেৰে (দামদিল) আৱৰা থাকে। এই বেৰ দিয়া কোঠালিটোত সোমাবলৈ এখন সৰু দুৱাৰ থাকে। এই কোঠালীটো ঘৰৰ স্বামী-স্ত্ৰীৰ শোৱনী কোঠা ৰূপে ব্যৱহাৰ কৰা হয়। ইয়াকে 'দুন' বোলে। 'দুন'ৰ ভিতৰত স্বামী-স্ত্ৰীৰ বাহিৰে আন মানুহ সোমোৱা নিষেধ।

দোংৰামাৰ দুন থকা ফালে দুহাতমান বহল এটা সৰু পথ ভিতৰলৈ গৈ চাংখনৰ শেষ ভাগত ওলায়। চাঙখনৰ এই অংশটোক 'আলেং' বোলে। সাধাৰণতে গৰমকালি গধূলি আলেঙত বহি কথা-বতৰা হয় আৰু ঘৰৰ ভিতৰত গৰম বোধ কৰিলে আলেঙত শোৱে। আনহাতে, দোংৰামাৰ এফালে আন এখন দুৱাৰ থাকে। এই দুৱাৰখনৰ বাহিৰত ছাল-বেৰ নোহোৱা এখন সৰু চাং থাকে। চাংখনৰ এই অংশটোক 'খালদিক্' বোলে। 'খালদিক্' পেছাব কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। কোনো কোনো ঘৰৰ আন এটা ফালে 'ছেক' বুলি এখন চাং থাকে। এই চাংখনলৈ উঠি আহিবলৈ 'জাং'কি' বা জখলাৰ ব্যৱস্থা থাকে। কাপোৰ শুকুৱাবলৈ 'বিডিং' বা ডোল একোডাল দোংৰামা আৰু নোম্ৰা অংশৰ বাহিৰফালে ব্যৱস্থা কৰি দিয়া থাকে। আনহাতে, চাংঘৰৰ তলৰ অংশত গৰু-ছাগলি, হাঁহ-কুকুৰা, গাহৰি আদি ঘৰচীয়া জীৱ-জন্তু পোহাৰ বাবে ব্যৱহাৰ কৰা হয়।

*নো'কপান্থে : 'নো'কপান্থে' হ'ল গাৰো জনজাতিৰ ডেকাচাং বা Bachelor's Dormitory. গাৰো ভাষাত 'নোক' মানে ঘৰ আৰু 'পান্থে' মানে অবিবাহিত পুৰুষ। অৰ্থাৎ 'নোকপান্থে' হ'ল অবিবাহিত পুৰুষ থকা ঘৰ। গাৰো ডেকাসকলে ইয়াতে সমূহীয়াভাৱে বিবাহ পৰ্যন্ত জীৱন-যাপন কৰে। প্ৰায়বোৰ গাৰো গাঁৱতে নিজৰ নিজৰ নোকপান্থে থাকে।

কিছুমান ডাঙৰ গাৰো গাঁৱত আকৌ প্ৰত্যেকটো গোত্ৰৰ মাজতো একোটাকৈ ডেকাচাং থাকে।

'নোকপান্থে'ৰ নিৰ্মাণ প্ৰণালী অন্য ঘৰ বা 'নোকাচিক'তকৈ ভিন্ন। পৰিয়ালৰ বাবে সজা ঘৰতকৈ ডেকাচাংবোৰ ডাঙৰ-দীঘল, বৃহৎ আকাৰৰ ঘৰ। নোকপান্থেসমূহ ওখই প্ৰায় ২০ ফুট, বহলে ৪০ ফুট আৰু দীঘলে ৮০/৯০ ফুট পৰ্যন্তলৈ নিৰ্মাণ কৰা হয়। নোকপান্থেসমূহৰ দুটা অংশ,—এটা অংশ বেৰেৰে আৱৰা আৰু আনটো অংশ মুকলি বাৰান্দাৰ দৰে। বেৰেৰে আৱৰা অংশটো শোৱাৰ বাবে ব্যৱহাৰ কৰা হয় আৰু আনটো মুকলি অংশ খেল-ধেমালি, নাচ-গান, বাঁহ-বেতৰ কাম আদি শিক্ষণীয় কামৰ বাবে ব্যৱহাৰ কৰা হয়। এনে ঘৰসমূহ মাটিৰ পৰা প্ৰায় বিশ ফুটমান ওখ চাং এখনৰ ওপৰত নিৰ্মাণ কৰা হয়। সেইবাবে নোকপান্থেত প্ৰৱেশ কৰিবলৈ হ'লে জখলাৰ সহায় লবলগীয়া হয়। প্ৰত্যেক নোকপান্থেত দুখনকৈ দুৱাৰ থাকে আৰু দুয়োখন দুৱাৰতে দুটা জখলাৰ ব্যৱস্থা থাকে। এই জখলাটো হ'ল এডাল গছেৰে তৈয়াৰী। গছডালৰ গাত খোজ দিবলৈ কিছুমান খাপ বা খোপনি থাকে। সেই খোপনিবোৰত খোজ দি উঠা-নমা কৰিব লাগে। আনহাতে, জখলাত বগোৱাৰ সুবিধাৰ্থে ঘৰটোৰ মুধচৰপৰা এডাল দীঘল ৰচি ওলোমাই থোৱা হয়।

এই শ্ৰেণী ঘৰৰ খুঁটাবোৰ বৰ শকত-আৱত তথা মজবুত। খুঁটাৰ ওপৰত মাৰলি দিয়া হয়। খুঁটা আৰু মাৰলিবোৰ উকাকৈ নাৰাখি তাত বিভিন্ন ধৰণৰ ৰঙ তথা খুঁটাৰ গাত জীৱ-জন্তু, মানুহ, চৰাই, দেৱ-দেৱতা আদিৰ ছবি খোদিত কৰা হয়। এইবোৰে গাৰোসকলৰ চিত্ৰকলাৰ প্ৰতি থকা আগ্ৰহ তথা শিল্প চৰ্চাৰ আভাস দিয়ে। সেইবাবে নোকপান্থেসমূহ গাঁৱৰ ভিতৰতে জাকত-জিলিকা ঘৰ হিচাপে পৰিগণিত হয়। এনেধৰণে সজ্জিত খুঁটাসমূহ কেইবা পুৰুষলৈ সংৰক্ষণ কৰিও ৰখা হয়।

নোকপান্থেৰ দুৱাৰমুখ, মাৰলি, চালত গাহৰি, হাতী, হৰিণা আদি মৃত জীৱ-জন্তুৰ মুৰ, ছাল বা ম'হৰ শিং আদি ওলোমাই ৰখা হয়। এইবোৰ ডেকাসকলৰ বীৰত্বৰ প্ৰতীক। ঘৰৰ ভিতৰত বাঁহৰ চাঙৰ ওপৰতে মাটিৰে লেপি জুহাল নিৰ্মাণ কৰা হয়। এই জুহালতে ঠাণ্ডাৰ দিনত জুইৰ তাপ লোৱা হয় আৰু গাহৰি, কুকুৰা আদিৰ মঙহ পুৰি খোৱা হয়।

সাধাৰণতে বহিঃশত্ৰু, হিংস্ৰ জীৱ-জন্তুৰ আক্ৰমণ বা হঠাতে হ'ব পৰা যিকোনো বিপদ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যেৰে গাৰো ডেকাসকলে ৰাতি লগ-লাগি একেলগে ডেকাচাঙত শোৱে। ইয়াৰ ফলত গাঁৱৰ মানুহখিনিয়ে নিৰাপত্তা অনুভৱ কৰে। এনে উদ্দেশ্যেৰেই নোকপান্থে বা ডেকাচাঙৰসমূহৰ সৃষ্টি হৈছে বুলি ক'ব পাৰি।

নোকপান্থেত ভৰ্ত্তি হোৱাৰ বাবে কোনো নিৰ্দিষ্ট বয়স বা সময় নাথাকে। তথাপি এঘাৰ-বাৰ বছৰ বয়সৰ পৰাই গাৰো কিশোৰ বা ডেকাইশে নোকপান্থেত ৰাতি শুবলৈ যায়। দৰাচলতে মাক-দেউতাকৰ ঘৰত ডেকা ল'ৰা শুবৰ বাবে প্ৰয়োজনীয় বা সুবিধাজনক কোনো আচুতীয়া কোঠাৰ ব্যৱস্থা নাথাকে। নোকপান্থেত ভৰ্ত্তি হোৱাৰ লগে লগে ডেকাসকলে কিছুমান নীতি-নিয়ম মানি চলিবলগীয়া হয়। জ্যেষ্ঠ আবাসীসকলে এইক্ষেত্ৰত কিছুমান নীতি-নিয়ম নতুন চামৰ ওপৰত আৰোপ কৰে। যেনে—চাফ-চিকুণকৈ থকা, ৰাতিপুৱা সোনকালে শুই উঠা, নিজৰ বিচনা-পত্ৰ পৰিপাটীকৈ ৰখা, হাবিৰ পৰা খৰি লুৰি অনা,

নিজৰাৰপৰা পানী কঢ়িয়াই অনা ইত্যাদি। নোকপাণ্টেত গাভৰুৰ প্ৰৱেশ নিষিদ্ধ। ই এক প্ৰকাৰ 'টেবু'। অৱশ্যে ঘৰৰ পৰা আহাৰ আদি যোগান ধৰাৰ ক্ষেত্ৰত এই নিয়ম কিছু পৰিমাণে শিথিল। গাভৰুসকলে আহাৰ আদি আনিলে পিছফালৰ দুৱাৰখনেৰে নোকপাণ্টেত প্ৰৱেশ কৰিব পাৰে। ইয়াৰ বাহিৰে নোকপাণ্টেত যুৱক-যুৱতীৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰা নিষেধ। এই নিয়ম উলংঘা কৰিলে দোষীক শাস্তি দিয়াৰ ব্যৱস্থাও আছে।[৫০]

নোকপাণ্টেসমূহ কেৱল ৰাত্ৰি যাপনৰ আশ্ৰয় স্থলেই নহয়; ই আচলতে ডেকাসকলৰ শিক্ষা আহৰণৰ কেন্দ্ৰ স্বৰূপ। ডেকাচাঙত সমূহীয়াভাবে থাকি ইজনে-সিজনৰ প্ৰতি স্থাপন কৰা আন্তৰিকতাৰ যোগেদি ঐক্য তথা ভাতৃত্ব ভাবৰ উন্মেষ ঘটে। বাস্তৱ জীৱনৰ প্ৰয়োজনীয় বহু অভিজ্ঞতা তথা গুণসমূহ ইয়াতেই আয়ত্ব কৰিবলৈ আৰম্ভ কৰে। আনহাতে, শৰীৰ-চৰ্চা, খেল-ধেমালি, অস্ত্ৰ-চালনা, যুদ্ধৰ কৌশল আদিৰ যোগেদি নিজৰ নিৰাপত্তা সুৰক্ষিত কৰাৰ কৌশলো ইয়াতেই লাভ কৰে। একেদৰে খেতি-বাতি, বাঁহ-বেত আদি হস্ত শিল্প, নিজৰাত মাছ ধৰা, ঘৰ সজা আদি বিদ্যাসমূহো নোকপাণ্টেত থাকিয়েই ডেকাসকলে শিকি লয়। ডেকাসকলে দিনৰ ভাগত মাক-দেউতাকৰ লগত থাকি জুমখেতি কৰা, উৎপাদিত সামগ্ৰী বজাৰত বিক্ৰী কৰা আদি সকলো কামতে সহায় কৰে। কেতিয়াবা ডেকাসকলে নিজাকৈও একোডৰা মাটিত খেতি কৰি নিজকে স্বাৱলম্বী কৰি তোলাৰ প্ৰয়াস কৰে। তেনেদৰে গাহৰি, কুকুৰা আদি পুহিও অৰ্থ উপাৰ্জন কৰে আৰু সেই উপাৰ্জনৰ দ্বাৰা ডেকাসকলে নিজৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ কিনি লয়। এইবোৰৰ উপৰিও নোকপাণ্টেৰ ডেকাসকলে উৎসৱ-অনুষ্ঠান, বিয়া-বাৰু, মৃতকৰ সংকাৰ আদি কামত আগভাগ লৈ একপ্ৰকাৰ সমাজসেৱা কৰাও পৰিলক্ষিত হয়। নোকপাণ্টেসমূহ সংস্কৃতি চৰ্চাৰো কেন্দ্ৰস্থান স্বৰূপ। ইয়াতেই ডেকাসকলে নাচিবলৈ, গাবলৈ, বাদ্য বজাবলৈ প্ৰশিক্ষণ লাভ কৰে। গাঁৱৰ বিবাহিত পুৰুষসকলেও জিৰণিৰ সময়ত, বিশেষকৈ দিনৰ আহাৰ গ্ৰহণত পিছত বা আবেলি সময়ত নোকপাণ্টেলৈ ফুৰিবলৈ যায়। গাঁৱৰ কোনো জটিল সমস্যা বা জৰুৰী বিষয় আলোচনা কৰিবলৈ হ'লেও নোক্‌মা বা বয়োজেষ্ঠসকলে নোকপাণ্টেলৈ গৈ ডেকাসকলৰ লগত মিলিত হয়। আৰু সেই বিষয়ে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰে। এনেদৰে আলোচনা কৰিলে দেখা যায় যে, গাৰো সমাজ জীৱনত নোকপাণ্টেসমূহে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছিছে।

বোৰাং ঃ গৃহ নিৰ্মাণৰ প্ৰসঙ্গতে গাৰোসকলৰ মাজত থকা আন এবিধ সৰু আকৃতিৰ ঘৰৰ কথা উল্লেখনীয়। সাধাৰণতে জুমখেতিৰ পথাৰত চৰাই, জীৱ-জন্তু আদিৰ পৰা খেতিডৰা ৰক্ষা কৰাৰ বাবে গছৰ ওপৰত এবিধ সৰু আকৃতিৰ ঘৰ সাজি লোৱা হয়। ই একপ্ৰকাৰ ৰখীয়াঘৰ বা টঙিঘৰ। গাৰোসকলে এই টঙিঘৰটোক 'বোৰাং' বোলে। বোৰাংসমূহ গছৰ ওপৰত সাজি লোৱা কাৰণ হ'ল ওপৰৰ পৰা খেতিডৰা চাৰিওফালৰ পৰা সুন্দৰকৈ দেখা যায় আৰু গছৰ ওপৰত হোৱা বাবে ৰখীয়াজনক বনৰীয়া হিংস্ৰ জীৱ-জন্তুৰেও আক্ৰমণ কৰাৰ ভয় নাথাকে।

---

৫০. Sangma, V.S.–Nokpante or Bachelor's Dormitory. (seminar paper)

কৃষি কৰ্ম

গাৰোসকলৰ প্ৰধান জীৱিকাৰ উপায় হ'ল কৃষি। আনহাতে, এওঁলোক জুম খেতিত অভ্যস্ত। হাবি-বননি কাটি, জুই দি পাহাৰৰ গাত কৰা কৃষি পদ্ধতিটোৰ নামেই হৈছে জুম—"A form of agriculture in which trees in virgin forests are cut down and burned, and seeds are sown in the charooal. when the land was exhausted, the group moved further in to the forest. This kind of agriculture was found in the New Stone Age, although the term comes from the hill tribes of Burma, who practiced it up to recently"[৫১] জুমখেতি সাধাৰণতে পাহাৰীয়া লোকসকলৰ কৃষি পদ্ধতি। অকল গাৰোসকলৰেই নহয়, পৃথিবীৰ বিভিন্ন আদিবাসী তথা পাৰ্বত্য জনগোষ্ঠীৰ ই আদিমতম কৃষি প্ৰণালী। নৃতত্ত্ববিদসকলৰ মতে নব প্ৰস্তৰ যুগতে আদিম মানৱ সমাজে জুম খেতিৰ প্ৰচলন কৰিছিল। গাৰো ভাষাত এই পদ্ধতিৰে কৰা খেতিক 'আবক্সা গাম্মা' বা 'আগাচাআ' বোলে (Jhuming)।

গাৰো পাহাৰৰ পাৰ্বত্য অঞ্চলত জুম খেতি কৰাটো এক কষ্টসাধ্য কাম। গভীৰ হাবি-বননি কাটি, জুই জ্বলাই পুৰি, খেতিৰ উপযোগী কৰি তোলা হয়। এনেদৰে অন্ততঃ প্ৰতি দুবছৰৰ মূৰে মূৰে নতুন অঞ্চল এডোখৰ ভাঁজি খেতিৰ বাবে নিৰ্বাচন কৰি লোৱা হয়। কাৰণ পাহাৰৰ অনুৰ্বৰ মাটিত একেবাৰে দুবছৰতকৈ অধিক কাল খেতি কৰিলে ভাল ফচল পোৱা নেযায়। এনেদৰে দুবছৰৰ মূৰে মূৰে খেতিৰ মাটি সলাই থকা বাবে ইয়াক 'পৰিৱৰ্তনীয় কৃষি' বা Shifting cultivation বুলি কোৱা হয়।[৫২] নৃতাত্ত্বিকসকলৰ মতে, Shifting Cultivaton মানে হ'ল—"Cultivating a plot for a few cropping untill it becomes exhausted, then moving a settlement to a new plot to start again,"[৫৩]

জুমখেতিৰ ভূমিক গাৰোসকলে 'আখিং' বোলে। এই আখিং কোনো ব্যক্তিগত সম্পত্তি নহয়। ইয়াত গাঁওবাসীৰ সমানাধিকাৰ থাকে আৰু সকলোৱে খেতি কৰি সমূহীয়াভাৱে জীৱিকা নিৰ্বাহ কৰে। অৱশ্যে 'আখিং' এগৰাকী নোক্‌মাৰ অধীনত থাকে সেইবাবে তেওঁক 'আখিং নোকমা' বুলি কোৱা হয়। গোটেই গাঁওখনৰ মানুহে কোনো এবছৰৰ কাৰণে এটা অঞ্চল নিৰ্বাচন কৰি লয়। এই ক্ষেত্ৰত পাঁচৰ পৰা দহ বছৰ পৰ্যন্ত চন পৰি থকা বা খেতি-বাতি নকৰি পেলাই থোৱা ভূমিকা অগ্ৰাধিকাৰ দিয়া হয়। আঘোণ-পুহ মাহত নিৰ্দিষ্ট অঞ্চলটোৰ মাটি প্ৰত্যেক পৰিয়ালৰ আৱশ্যক অনুযায়ী ভাগ কৰি লোৱা হয়। সাধাৰণতে সৰহ সংখ্যক লোক থকা পৰিয়ালক সৰহ মাটিৰ দিয়া হয়। সেই সময়তে প্ৰত্যেক মানুহে নিজ নিজ মাটি দখল কৰাৰ চিন স্বৰূপে অলপ অচৰপ হাবি-বন কাটি লয়। কৃষি-কৰ্মৰ এই প্ৰাথমিক অৱস্থাটোক গাৰো ভাষাত 'ওকাতা' বোলে। মাটি ভাগ কৰি জাহি

৫১. Tylor, E.B—Dictionary of Anthopology, P-291
৫২. Mazumdar, D.N—Culture change in two Garo village, P-52
৫৩. Tylor, E.B—Dictionary of Anthopology, P-143

গাঁৱৰ বাইজে একেলগে বহি 'চু' পান কৰি আনন্দ কৰে। জুম খেতি সাধাৰণতে পৰ্যায়ক্ৰমে কৰা হয়। 'ওফাতা'ৰ পিছৰে পৰা পৰিয়ালৰ লোকসকলে গৈ নিজৰ নিজৰ মাটিৰ হাবি-বন কাটিবলৈ আৰম্ভ কৰে। গাৰো সমাজত নাৰী আৰু পুৰুষ উভয়ে কৃষি কৰ্মত সমানে আত্মনিয়োগ কৰে। মাঘ মাহ মানৰ ভিতৰত হাবি-বন কটা শেষ হয়। এই হাবি-বননিবোৰ শুকাবৰ বাবে ফাগুণ চ'ত মাহলৈকে অপেক্ষা কৰিবলগীয়া হয়। বহাগ মাহত বৰষুণ হোৱা আগে আগে গাঁৱৰ মানুহ একগোট হৈ এটা দিন ঠিক কৰে আৰু গধূলি গোটেই জুম অঞ্চলটোত জুই লগাই দিয়ে। জুমৰ জুই যাতে ওচৰৰ গাঁওবোৰলৈ বিয়পিব নোৱাৰে, তাৰ বাবে বিশেষ সাৱধানতা অবলম্বন কৰা হয়। ভস্মীভূত হাবি-বননিৰ ছাঁইবোৰত বৰষুণ পৰিলে মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি হয়। জুমৰ হাবি-বননি পুৰি শেষ হৈ যোৱাৰ পিছত গাঁৱৰ মানুহখিনি গাঁৱলৈ উভতি আহি 'আগাল মাকা' উৎসৱ পালন কৰে। এই উৎসৱৰ সামৰণিৰ পিছদিনাৰে পৰা শস্যৰ গুটি সিঁচিবলৈ আৰম্ভ কৰে। শস্য ৰোপণৰ ক্ষেত্ৰত ভিন্ন ভিন্ন শস্য ভিন্ন ভিন্ন পদ্ধতিৰে ৰোপণ কৰা হয়। সাধাৰণতে চাৰিটা পদ্ধতিৰে শস্যৰ গুটি ৰোপণ কৰা হয়। এই পদ্ধতি কেইটা হ'ল ঃ

১। গি'আ ঃ এই পদ্ধতিৰ প্ৰথমে কোৰেৰে এটা গাঁত খান্দি লোৱা হয়। তাৰপিছত শস্যৰ গঁজালি বা পিপাখিনি মাটিত পুতি লৈ গাঁতটো মাটিৰে পুতি পেলোৱা হয়। কচু, শিমলু, আলুৰ, গা-গছৰ টুকুৰা আদি এই প্ৰণালীৰে ৰোপণ কৰা হয়।

২। চিকা ঃ এই পদ্ধতিত এডাল হোচং মাৰিৰে মাটিত খুচি খুচি এটা সৰু গাঁত কৰা হয় আৰু তাত দুটা বা তিনিটা শস্যৰ গুটি পেলাই দি গাঁতটো মাটিৰে পুৰোৱা হয়। ধান, গোমধান, লাউ, কোমোৰা আদিৰ খেতি এনেদৰে কৰা হয়।

৩। বাকা ঃ এই পদ্ধতিত প্ৰথমে শস্যৰ গুটিবোৰ মাটিৰ ওপৰত ছটিয়াই দিয়া হয়। তাৰ পিছত মাটিখিনি কোৰ এখনেৰে লাহে লাহে খান্দি দিয়ে, যাতে গুটিখিনি মাটিৰ কিছু তললৈ সোমাই যায়।

৪। চাটা ঃ এই পদ্ধতিত কেইবাবিধো শস্যৰ গুটি একেলগে মিহলাই লৈ ছতিয়াই দিয়া হয়। জলকীয়া, বেঙেনা আদিৰ খেতি সাধাৰণতে এই পদ্ধতিত কৰা হয়।

বহাগ মাহত বৰষুণ পৰাৰ লগে লগে সকলোবোৰ গুটি গজি উঠে। শস্যৰ লগতে সেই সময়ত অপতৃন কিছুমানেও মূৰ দাঙি উঠে। এইবোৰ উভালি পেলাব লাগে। শস্যই গঁজালি মেলাৰপৰা চপোৱালৈ মুঠতে তিনিবাৰ খেতি একোডৰা নিৰাবলগীয়া হয়। এই নিৰানি দিয়া কাম সাধাৰণতে গাৰো মহিলাসকলে সম্পন্ন কৰে। ভাদ মাহত কণিধান পকিবলৈ আৰম্ভ কৰে। লগে লগে কৃষিজীৱী মানুহখিনিৰ ব্যস্ততাও বৃদ্ধি পাবলৈ ধৰে। খেতি পথাৰ ঘৰৰ পৰা দূৰত হ'লে মানুহখিনি গাঁও এৰি খেতি পথাৰতে থাকিবলৈ লয়। ঘৰৰ সকলো বয়বস্তু খেতি পথাৰলৈ কঢ়িয়াই নি সাময়িকভাৱে খেতিত থকাটোক 'আবাখাতা' বোলে। অসমীয়া 'পাম'ৰ লগত ই তুলনীয়া। জুমত থাকিবৰ বাবে সাধাৰণ ঘৰৰ সকলো সা-সুবিধা থকা এটা অস্থায়ী ঘৰ সজা হয়। ইয়াক 'আবা জামাদাল' বোলে। গাঁওখন

সাময়িকভাৱে জুমলৈ স্থানান্তৰিত হ'লে গোটেই জুম অঞ্চলটোৱেই যেন সজীৱ হৈ উঠে। জুম ধান পকিবলৈ আৰম্ভ হোৱাৰ লগে লগে অসংখ্য চৰাই-চিৰিকটি ধান খাবলৈ আহে। সৰু সৰু দ'ৰা-ছোৱালীবোৰে দিনৰ দিনটো চৰাই-চিৰিকটি খেদে। ৰাতি গহ, বনৰীয়া গাহৰি, হাতী আদিয়ে শস্য খাবলৈ আহে। ডেকাসকলে বিভিন্ন উপায়েৰে বনৰীয়া জন্তুবোৰ খেদে। গাৰোসকলৰ ধান কটা পদ্ধতি অভিনৱ। ধান ভালকৈ পকিলে নাৰী-পুৰুষ সকলোৱে শস্য চপায়। সৰু সৰু হোৰা (কক্) একোটা পিঠিত লৈ ধানৰ আগবোৰ হাতেৰে চিঙি হোৰাত ভৰাই থয়। ধানৰ আগবোৰ ইমান ক্ষিপ্রভাৱে চিঙিব পাৰে যে, এই দৃশ্য দেখিলে চাহ বাগানত চাহ তোলাৰ কথা মনলৈ আহে। হোৰাবোৰ ভৰ্ত্তি হ'লে টঙি ঘৰলৈ (বোৰাং) নি ডাঙৰ ডাঙৰ হোৰা একোটাত প্রথমে ভৰাই থোৱা হয়। তাৰ পৰা কঢ়িয়াই নি ভঁৰালত (ঝমনক্) ধানৰ আগবোৰ সুন্দৰকৈ সজাই থোৱা হয়। যেতিয়া প্রয়োজন হয় ভঁৰালৰ পৰা প্রয়োজনীয় পৰিমানৰ ধান নমাই আনি ভৰিৰে খচি থোকৰ পৰা ধানবোৰ পৃথক কৰি উলিয়াই আনে। গাৰো ভাষাত ধান খচি উলিওৱা এই প্রক্রিয়াটোক 'মি নাক্কা' বোলে। ধান (মি-মা), কণিধান (মি-চি), শিমলু আলু (বা-বোলচু), কচু (থা-আ), বেঙেনা (বাৰিং), জলকীয়া (ঝালিক), কোমোৰা (আথাক) লাউ (ৰাউ) আদি খেতিৰ উপৰিও গাৰো পাহাৰৰ আন এবিধ প্রধান খেতি হ'ল কপাহ (খিল্) খেতি। গাৰো পাহাৰৰ সমগ্র অঞ্চলতে এইবিধ খেতি বিস্তৃতভাৱে কৰা হয়।

সম্প্রতি জনসংখ্যা বৃদ্ধিৰ ফলত গাৰো পাহাৰত কৃষিভূমি ক্রমান্বয়ে হ্রাস পাই আহিছে। আনহাতে, একেডৰা মাটিতে বাৰে বাৰে খেতি কৰাৰ ফলত শস্যৰ উৎপাদনৰ পৰিমানো কমি আহিছে। সেইবাবে গাৰো পাহাৰৰ সমতল ভূমিবোৰত ভৈয়ামৰ নিচিনাকৈ গাৰোসকলে পানী খেতি (Wet Cultivation) কৰিবলৈ আৰম্ভ কৰিছে।

খাদ্য-সম্ভাৰ

গাৰোসকলৰ প্রধান খাদ্য ভাত (মি)। তেওঁলোকে দিনটোত তিনিবাৰ আহাৰ গ্রহণ কৰে। ৰাতিপুৱা শুই উঠিয়েই আহাৰ কৰে। দুপৰীয়া এবাৰ আহাৰ খায় আৰু সাধাৰণতে দুপৰীয়াৰ সাজ খেতি পথাৰত কৰে। তৃতীয়বাৰ আহাৰ সন্ধ্যাৰ সময়ত কৰে। ৰাতিপুৱাৰ আহাৰক গাৰোসকলে 'মিক্রীং', দুপৰীয়াৰ আহাৰক 'মিক্কল্' আৰু সন্ধিয়াৰ আহাৰক 'মিয়াথাম্' বোলে। তিৰোতাসকলে ৰন্ধা-বঢ়া কৰে আৰু কলপাত অথবা গছৰ পাতত ভাত আৰু আঞ্জা টোপোলা বান্ধি থয়। এই টোপোলা খুলি কলপাতত ভাত খায়। ৰাতিপুৱা ঘৰতে আহাৰ কৰি দুপৰীয়াৰ সাজৰ বাবে টোপোলাবোৰ পথাৰলৈ লৈ যায়। গাৰোসকলে মাটিৰ বাচনত ভাত ৰান্ধে। কেতিয়াবা কেতিয়াবা ভাতৰ লগত কণিধান মিহলাই খোৱাও দেখা যায়। চাউলৰ অভাব হ'লে নামমাত্র চাউলৰ লগত বাঁহৰ গাজ; হাবিৰ আলু আদি মিহলাই সিজাই খায়।[৫৪] তাৰোপৰি কেতিয়াবা কেতিয়াবা বাঁহৰ চুঙাত আপ মি চাউল সিদ্ধ কৰিও

৫৪. মজুমদাৰ, বীৰেন্দ্রনাৰায়ণ—গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃ : ১৪

খায়। বিশেষকৈ 'মিমিত্তিম্' আৰু 'মিসীমি' চাউল এনেদৰে খোৱা দেখা যায়। এইদৰে চুঙাত সিদ্ধ কৰা চাউলৰ ভাত অতি সোৱাদযুক্ত তথা সুগন্ধি হোৱা বাবে পাচলি নোহোৱাকৈ পেট ভৰাই খাব পাৰি।

গাৰোসকলৰ অন্যতম প্ৰিয় খাদ্য হৈছে শুকান মাছ। শুকান মাছক গাৰোসকলে 'নাখাম্' বোলে। শীতকালৰ আগে আগে পাহাৰী নদীবোৰত পৰ্যাপ্ত পৰিমাণে মাছ পোৱা যায়। এই মাছৰ পৰাই 'নাখাম্' তৈয়াৰ কৰি বছৰটোৰ বাবে মজুত কৰি ৰখা হয়। 'নাখাম্'ৰ প্ৰস্তুত প্ৰণালী অৱশ্যে বেছ জটিল। আহিন-কাতি মাহত যেতিয়া প্ৰচুৰ পৰিমাণে মাছ পোৱা যায়, তেতিয়া মাছৰ পেটৰ ভিতৰত থকা সমস্ত ময়লা বাহিৰ কৰি দি ভালকৈ পানীৰে ধুই লোৱা হয়। ধোৱাৰ পিছত ৰ'দৰ তাপত ভালকৈ শুকাই লোৱা হয়। শুকোৱাৰ পিছত 'কক্'ত ভৰাই কেইদিনমান ঘৰৰ ভিতৰত থৈ দিয়া হয়। তিনি-চাৰিদিনমান এনেদৰে ৰখাৰ পিছত বাহিৰলৈ উলিয়াই আনি পৰীক্ষা কৰা হয়—মাছখিনিত পোক জন্মিছে নে নাই। যদি পোক দেখা যায় তেনেহ'লে আকৌ ৰ'দত ভালদৰে শুকাই লৈ ঢেঁকীত গুৰি কৰা হয়। তাৰপিছত শুকান মাছৰ এই গুৰিখিনি বাঁহৰ চুঙাত খাজি ভালদৰে ভৰাই লৈ কলপাতেৰে সোপা দি মুখখন বন্ধ কৰা হয়। চুঙাৰ ভিতৰত যাতে বতাহ সোমাব নোৱাৰে তাৰ বাবে সোপাটোৰ চাৰিওফালে মাজিৰে এটা প্ৰলেপ দিয়া হয়। এনেদৰে সংৰক্ষণ কৰি ৰখা শুকান মাছ কেইবা মাহলৈকে ভালে থাকে। আনহাতে, এনেদৰে প্ৰস্তুত কৰা 'নাখাম্'ৰ গোন্ধ তীব্ৰ হ'লেও সোৱাদ কিন্তু অতুলনীয়।

'চুঙা নাখাম্'ৰ উপৰিও আন প্ৰণালীৰেও গাৰোসকলে শুকান মাছ সংৰক্ষণ কৰি ৰাখে। কোনো কোনোৱে মাছসমূহ ৰ'দত ভালদৰে শুকাই লৈ মাটিৰ টৌকাত দীৰ্ঘদিন ধৰি বন্ধ কৰি ৰাখে। এই পদ্ধতিৰে মাছৰ ৰং আৰু গোন্ধ দুয়োটাক তীব্ৰতৰ কৰি তোলা হয় আৰু বহুদিনলৈ মাছসমূহ বেয়া নোহোৱাকৈ থাকে। এই পদ্ধতিটোক গাৰোসকলে 'জাগওয়া' বোলে।

গাৰোসকলৰ দৈনন্দিন খাদ্যৰ তালিকাত শুকান মাছ অপৰিহাৰ্য। শুকান মাছৰ জোল গাৰোসকলৰ বৰ প্ৰিয়। শুকানমাছ, জলকীয়া, খাৰ আৰু নিমখেৰে আঞ্জা বন্ধা হয়। সাধাৰণ মানুহে ইয়াক ভাতৰ লগত খায়। আন আন পাচলি যেনে, বেঙেনা, বঙালাউ আদিৰ লগতো শুকান মাছ খাৰ দি সিজাই খায়। এনেকুৱা ৰন্ধন প্ৰণালীত মিঠাতেলৰ ব্যৱহাৰ নকৰে।

গাৰোসকল নিৰামিষ ভোজী। মাছৰ উপৰিও নানাবিধ পশু-পক্ষীৰ মাংস এওঁলোকে ভক্ষণ কৰে। হিন্দু আলৰ্শত বৰ্জিত কুকুৰা, গাহৰি আৰু গো-মাংস এওঁলোকৰ প্ৰিয়। ইয়াৰ ভিতৰত আকৌ গাহৰিৰ মাংস তেওঁলোকৰ সাৰ্বজনীন প্ৰিয় খাদ্য। অৱশ্যে গো-মাংস ভক্ষণ বৰ্তমান পাৰ্বত্য অঞ্চলৰ সীমিত সংখ্যক লোকৰ মাজতহে দেখা যায়। মাছ-মাংস তেল নোহোৱাকৈ জলকীয়া, মাছ-পাচলি নাইবা চাউলৰ গুৰিৰ লগত খাৰ দি সিজাই খায়। কলগছ, বাঁহ আদি পুৰি তাৰ ছাঁইৰ পৰা খাৰ প্ৰস্তুত কৰা হয়। শুকান মাছৰ সমানেই খাৰ

গাৰোসকলৰ প্ৰিয় খাদ্য। মাছৰ দৰে মাংসও বাহি হ'লে জুইৰ ওপৰত শুকাই খোৱা হয়। তেনেদৰে অভাৱৰ দিনত ব্যৱহাৰ কৰিবৰ বাবে কেতিয়াবা কেতিয়াবা শাক-পাচলিও শুকাই বাঁহৰ চুঙাৰ ভিতৰত থৈ দিয়ে।

বাঁহৰ গাজ গাৰোসকলৰ আন এবিধ প্ৰিয় খাদ্য। ইয়াক বাঁহৰ চুঙাৰ ভিতৰত থৈ নাইবা বাঁহৰ ডাঙৰ খাং এটাত থৈ টেঙা কৰি মাছ-মাংস আদিৰ লগত এবিধ বৰ সুস্বাদু ব্যঞ্জন বন্ধা হয়। কেতিয়াবা নিমখ আৰু খাৰ মিহলাই পিটিকা কৰিও খোৱা দেখা যায়। বাঁহ গাজৰ উপৰিও পাহাৰী আলু গাৰোসকলে প্ৰচুৰ পৰিমাণে উৎপন্ন কৰে আৰু খাদ্য হিচাপে ব্যৱহাৰ কৰে। জুমখেতিৰ পথাৰতে এইবোৰ পৰ্যাপ্ত পৰিমাণে উৎপন্ন হয়। তেনেদৰে আলুসমূহৰ ভিতৰত থামাণ্দি, (গাৰো আলু), থাকচু (শিমলু আলু), থামলাং (মিঠা আলু); থাগিচ্ছাক (বন্তা আলু) আদি উল্লেখযোগ্য। এইবোৰৰ উপৰিও কিছুমান আলু পাহাৰত নিজে নিজেই উৎপন্ন হয়। থাজা, থৈং আদি বনৰীয়া আলুবোৰো বেছ সোৱাদ যুক্ত। বহুতো দুখীয়া গাৰো মানুহে অভাৱ-নাটনিৰ দিনত এনেবোৰ আলু-কচু খাই জীৱন ধাৰণ কৰে। গাৰোসকলৰ আন আন খাদ্য-বস্তুসমূহ হ'ল—চেচ্চি (কণী), চথ্চুৰ বা দু (শামুক), আক্থাক (চালকোমোৰা), খোমাঁতা (মিঠালাউ), গীনাচি (উৰহি), ঠাঁখাং (কচু), মিথল (মাকৈ), থীঁত্তাং (কঠাল) আদি।

মদৰ মুকলি ব্যৱহাৰ জনজাতীয় সংস্কৃতিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য।[৫৫] পৰম্পৰাগত গাৰো সংস্কৃতি তথা দৈনন্দিন জীৱন যাত্ৰাত মদে (চু) এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। গাৰো সমাজত বুঢ়া, ডেকা, তিৰোতা সকলোৱে কম-বেছি পৰিমাণে মদ্যপান কৰে। সামাজিক উৎসৱ, ধৰ্মীয় আচাৰ-অনুষ্ঠান, অতিথি আপ্যায়ন, পূজা-পাৰ্বণ আদিত মদ অপৰিহাৰ্য। অসমীয়া সমাজ জীৱনত তামোল-পাণৰ যি ভূমিকা, গাৰো সমাজত মদে সেই ভূমিকা গ্ৰহণ কৰি আছিছে। প্ৰত্যেকটো পৰিয়ালতে বছৰটোত আধাৰিনি পৰিয়ালৰ চাউল মদ তৈয়াৰ কৰোঁতে খৰচ হয়। কেতিয়াবা এনেকুৱাও দেখা যায় বছৰটোত উৎপাদিত চাউলৰ দিহে ভাগ কেৱল মদতে ব্যয় হয়। গাৰো মহিলাসকলে বিশেষ পদ্ধতিৰে এই মদ তৈয়াৰ কৰে।

'চু'ৰ প্ৰধান উপাদান হ'ল চাউল, কণিধান বা গোমধান। ইয়াৰে ভিতৰত বৰা চাউলৰ (মিমিছ্মি) পৰা কৰা 'চু' সৰ্বোত্তম। চাউল, কণিধান বা গোমধান সিজাই ঠেঁচা হ'লে তাত বাখৰ সানি ডাঙৰ মুখৰ কলহ (দিক্কা) এটাৰ ভিতৰত থৈ দিয়া হয়। মদৰ উৎকৃষ্টতা তথা সোৱাদ নিৰ্ভৰ কৰে ইয়াত ব্যৱহাৰ কৰা বাখৰৰ ওপৰত। গাৰো ভাষাত এই বাখৰক 'চুমাহি' বোলে। বাখৰ দিহ'লে মদৰ ভাত দিনি পচি যায়। সকলো গাৰো মহিলা বাখৰ প্ৰস্তুত কৰা প্ৰক্ৰিয়াৰ বৈতে পৰিচিত। অৱশ্যে গাৰো তিৰোতাই নহয় সকলোবোৰ জনজাতীয় মহিলাই নানা উপাদানেৰে বাখৰ প্ৰস্তুত কৰিব জানে।[৫৬] জুমিত পোৱা বনৰীয়া উদ্ভিদৰ

৫৫. শইকীয়া, নীলা—অসমৰ সংস্কৃতি, পৃঃ ১০৪
৫৬. বৰা, মহেন্দ্ৰ—অসমৰ জনজাতি, পৃঃ ৩১

পাত, শিপা আদিৰ লগত পুৰণি বাখৰ মিহলাই, ভালদৰে গুৰি কৰি চাউলৰ গুৰিৰ লগত মিহলোৱা হয়। এই আনুপাতিক মিশ্ৰণটোত পানী ছতিয়াই দি ময়দাৰ দৰে মথা হয়। তাৰ পিছত সৰু সৰু আকৃতিৰ পিঠাৰ দৰে কৰি ৰ'দত শুকাবলৈ দিয়া হয়। কেইবাদিনো শুকোৱাৰ পিছত টান হৈ উঠিলেই সি 'চুমাছ্বি'লৈ ৰূপান্তৰিত হয়। চুমাছ্বি প্ৰস্তুত প্ৰণালীত যিবোৰ লতা, পাত বা গছৰ শিপা ব্যৱহাৰ কৰা হয়, সেইবোৰ গাৰো মহিলাসকলে সাধাৰণতে গোপনে ৰখাৰ চেষ্টা কৰে। ভিন্ন ভিন্ন জনে ভিন্ন ভিন্ন লতা, শিপা বা পাত ব্যৱহাৰ কৰাৰ ফলত মদৰ সোৱাদৰো ভিন্নতা আহি পৰে।

সিজাই থোৱা চাউল বা ভাতখিনি দিখাত (বহল মুখৰ কলহ) দুই-তিনিদিনমান ৰখাৰ পিছত পচিবলৈ আৰম্ভ কৰে আৰু এসপ্তাহমানৰ ভিতৰত ৰস জমা হ'বলৈ আৰম্ভ কৰে। এই ৰসক গাৰো ভাষাত 'চুবিৎচি' বোলে। চুবিৎচি উচ্চ মাদক গুণ বিশিষ্ট। সচৰাচৰ এনে মদ বিশিষ্ট তথা সন্মানিত অতিথিক সন্মান জনাবৰ বাবে আগবঢ়োৱা হয়। তাৰ পিছত কলহটোত পানী দি লৰাই-চৰাই 'চু' তৈয়াৰ কৰা হয়। প্ৰথম অৱস্থাত, কলহৰ পৰা আহৰণ কৰা 'চু'খিনি বেছি কড়া হয়। কিন্তু লাহে লাহে অৰ্থাৎ যিমানে পানী ঢালি তাৰ পৰা 'চু' আহৰণ কৰা হয়। সিমানে তাৰ তীব্ৰতৰ কমি যাবলৈ ধৰে। পনীয় দ্ৰব্য 'চু'ৱে শৰীৰৰ ক্লান্তি দূৰ কৰে বাবে গাৰোসকলে ইয়াক পান কৰে। ইয়াৰ মাদক গুণ বা এলকোহলৰ পৰিমাণ শতকৰা পাঁচৰ পৰা দহ ভাগলৈ থাকে। ই খাদ্যপ্ৰাণযুক্ত পনীয় হোৱা বাবে ইয়াৰ ব্যৱহাৰে পুষ্টিকৰ আহাৰৰ অভাৱ পূৰণ কৰে।

গাৰোসকলৰ পৰম্পৰাগত প্ৰথামতে, পূজা-পাতলত দেৱ-দেৱীলৈ 'চু' আগবঢ়োৱা হয়। উৎসৱ আদিত গোটেই গাঁওখনৰ মানুহ লগত লৈ 'চু' খাই আনন্দ প্ৰকাশ কৰে। আলহী-অতিথি আহিলে প্ৰথমে 'চু'ৰে অপ্যায়ন কৰা হয়। সেইবাবে ক'ব পাৰি যে গাৰোসকলৰ পৰম্পৰাগত সংস্কৃতিত মদে এক বিশিষ্ট ভূমিকা পালন কৰি আহিছে। আনহাতে, পুৰণিকলীয়া গাৰোসকলে গাখীৰ, চাহ, চেনী কেতিয়াও নেখাইছিল। পাহাৰ অঞ্চলত বহুতো পৰিয়ালত গৰু ৰাখিলে গাখীৰ নিখীৰায় আৰু গাখীৰ নেখায়। গাখীৰৰ প্ৰতি অনীহা জনজাতীয় সংস্কৃতিৰ এক অন্যতম বৈশিষ্ট।[৫৭] ক'ব পাৰি গাখীৰৰ বিপৰীতে মদৰ প্ৰতিহে জনজাতীয় লোকৰ দুৰ্বলতা অধিক।

মদৰ লগতে গাৰোসকলৰ ধূমপানৰ প্ৰতিও গভীৰ আসক্তি দেখা যায়। ল'ৰা, বুঢ়া, তিৰোতা প্ৰায় সকলোৱেই ধূম পান কৰে। সেইবাবে গাৰো পাহাৰৰ বহুতো ঠাইত ধপাতৰ খেতি দেখিবলৈ পোৱা যায়। ধপাত গছৰ পাত আৰু কোমল ঠাৰিবোৰ শুকাই সৰু সৰু কৰি কাটি বা মোহাৰি গুৰি কৰি ৰাখে। এই গুৰি ধপাত শুকান শালপাতত মেৰিয়াই অগ্নিসংযোগ কৰি ধোঁৱা পান কৰে। আনহাতে গুৰি ধপাত লালিৰ লগত মিহলাই হোকা নাইবা বাঁহৰ চুঙাৰ হোকাতো ধূমপান কৰে। ধূমপানৰ লগতে তামোল-পাণৰ ব্যৱহাৰ

৫৭. Smith, W.C.- Ao Naga Tribes of Assam.

অষ্ট্ৰিকসকলৰ অৱদান বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে।[৫৮] তুলনামূলকভাৱে পাহাৰৰ গাৰোসকলতকৈ ভৈয়ামৰ গাৰোসকলে অধিক পৰিমাণে তামোল-পাণ ব্যৱহাৰ কৰে। মনকৰিবলগীয়া কথা জনজাতীয়সকলৰ খাদ্য বিষয়ত আমিষ-নিৰামিষ, ধূমপান, মদ-মৎস্য আদি কোনো বিষয়ত নিষেধাজ্ঞা নাই।[৫৯]

পোছাক-পৰিচ্ছদ

পুৰণিকলীয়া গাৰোসকল পিন্ধা-উৰাত বৰ উদাসীন আছিল। সেইবাবে তেওঁলোকৰ পিন্ধা-উৰা আছিল তেনেই সৰল প্ৰকৃতিৰ। মতা মানুহবোৰে কেৱল কৌপিন ব্যৱহাৰ কৰিছিল। কৌপিনক গাৰোসকলে 'গান্‌দো' বোলে। গান্‌দো মানে লেংটি। গাৰোসকলে চুৰিয়া আকৃতিৰ ছয় ইঞ্চিমান বহল আৰু ছয় ফুটমান দীঘল এডোখৰ কাপোৰ লেংটি মাৰে। গাৰো মহিলাসকলে এহাতততকৈ কম বহলৰ গামোচা আকৃতিৰ কাপোৰ কঁকালত মেৰিয়াই লৈছিল। এই কাপোৰখনক 'ৰেখিং' বা 'গানা-ৰেখিং' বোলে। মতা-মাইকী উভয়ে শৰীৰৰ ওপৰৰ অংশত কোনো কাপোৰ নিপিন্ধিছিল। পুৰণিকলীয়া গাৰো সম্ভ্ৰান্ত লোকসকলে একোটা ডাঙৰ পাগুৰী মাৰিছিল। ডেকা-গাভৰুসকলেও উৎসৱ আদিৰ বাবে বিশেষভাৱে সাজ-পাৰ কৰিলে মূৰৰ মাজডোখৰ খালি ৰাখি পাগুৰী মাৰিছিল। আজিকালি এনেধৰণৰ পোছাক পৰিধান কৰা গাৰো লোক দেখিবলৈ পোৱা নেযায়। অৱশ্যে নোকমা আৰু লস্কৰসকলে এতিয়াও মূৰত এনেকুৱা পাগ মৰা দেখা যায়। তথাপি ক'ব পাৰি গাণ্‌দো আৰু ৰেখিং যুগৰ কেতিয়াবাই অন্ত পৰিছে। আজিকালি গাৰো মহিলাসকলে ভৰিৰ গেৰোহালৈ পৰা এখন ৰং-বিৰঙৰ ফুল থকা কাপোৰ কঁকালত মেৰিয়াই পিন্ধে। এইখনক গাৰোসকলে 'দাকমান্দা' বোলে। শৰীৰৰ ওপৰৰ অংশ ঢাকিবলৈ গাৰো মহিলাসকলে ব্লাউজ পিন্ধে আৰু অসমীয়া তিৰোতাৰ আৰ্হিত চাদৰ লয়। খ্ৰীষ্টিয়ান-অনাখ্ৰীষ্টিয়ান, শিক্ষিতা-অশিক্ষিতা সকলো শ্ৰেণীৰ মহিলাৰ বাবে এই যোৰ প্ৰিয় সাজ-পাৰ। 'দাকমান্দা'ৰ উপৰিও গাৰো মহিলাসকলে উৎসৱ আদিত আন সাজ-পাৰ পৰিধান কৰে। বিশেষকৈ 'ওৱানগালা' উৎসৱত নৃত্য কৰিবলৈ তেওঁলোকে 'মাৰাং জাচকু' নামৰ এবিধ আনুষ্ঠানিক সাজ-পাৰ পৰিধান কৰে। অসমীয়া পাটকোপোৰেৰে এইবিধ সাজ নিৰ্মিত। আনহাতে পিন্ধাৰ আৰ্হি খাটীসকলৰ লেখিয়া। এইবিধ সাজ অৰ্থাৎ 'মান্ত্ৰাং-জাচকু' গাৰো মহিলাসকলৰ বাবে বৰ মূল্যবান।

গাৰো মহিলাসকলে তেওঁলোকৰ প্ৰয়োজনীয় 'দাকমান্দা' ঘৰতে বয়। সেইফালৰ পৰা গাৰো মহিলাসকল নিপুণ শিপিনী। প্ৰত্যেকখন দাকমান্দাৰে ৰং আৰু ফুল চাৰো চকুৰোৱা। আগতে তেওঁলোকে কঁকালত বন্ধা তাঁতশালৰ ব্যৱহাৰ কৰিছিল। কিন্তু আজিকালি অসমীয়া তাঁতশালৰ ব্যৱহাৰ কৰাহে বেছিকৈ দেখা যায়।

গাৰো পুৰুষ বা ডেকাসকলে দৈনন্দিন জীৱনত পৰিধান কৰা সাজ-পাৰ যোৰৰ

---

৫৮ ৰভা, বিৰিঞ্চি কুমাৰ—অসমৰ লোক সংস্কৃতি, পৃঃ ১২০

৫৯. গগৈ, লীলা—অসমৰ সংস্কৃতি, পৃঃ ১০১

উপৰিও উৎসৱ আদিত বিশেষ সাজ পৰিধান কৰে। নৃত্যৰ উপযোগীকৈ কান্ধৰ ওপৰেদি আনি গাঁঠি দি পৰিধান কৰা সাজযোৰক গাৰোসকলে 'পান্‌দ্ৰা' বোলে। 'পান্‌দ্ৰা' সম্পৰ্কে কোৱা হৈছে "A Ceremonial cloth for male for covering the back by tying the two ends to the neek the usual lenght of which is 9 cubits, the breadth is about 3 cubits, the border is red and white."[৬০]

পূৰণিকালত গাৰো পুৰুষ-মহিলা উভয়েই মূৰত দীঘলকৈ চুলি ৰখাৰ নিয়ম আছিল। সেইদৰে উভয়েই মূৰত পাগুৰী মাৰিছিল। বোধকৰোঁ দীঘল চুলি কেতিয়াবা বান্ধি থ'বৰ বাবে পাগুৰী মৰা ৰীতিৰ প্ৰচলন হয়।

গাঁৱৰ তিৰোতাসকলে কাম কৰিবৰ সময়ত 'দাকমান্দা' পিন্ধি শৰীৰৰ ওপৰ অংশ ঢাকিবলৈ এটা গেঞ্জী মাত্ৰ পিন্ধে। তেনেদৰে গাঁৱৰ সাধাৰণ মানুহে কাম-বনৰ সময়ত হাফ্‌পেণ্ট আৰু গেঞ্জী ব্যৱহাৰ কৰে। পৰম্পৰাগত সাজ-পাৰ পৰিধানৰ বিশেষত্বসমূহ পাহাৰীয়া গাৰোসকলৰ মাজতহে দেখা যায়। ভৈয়াম বা সমতল ভূমিৰ ওচৰ পাজৰে বসবাস কৰা গাৰোসকলৰ সাজপাৰত অসমীয়া সাজ পাৰৰ প্ৰভাৱ অধিক। বহুতো গাৰো মহিলাই অসমীয়া মহিলাৰ দৰে মেখেলা চাদৰ পিন্ধে আৰু পুৰুষে ধুতি চোলা বা গামোছা ব্যৱহাৰ কৰে। নতুন প্ৰজন্মৰ গাৰো যুৱক-যুৱতীসকলৰ পশ্চিমীয়া আৰ্হিৰ সাজ-পাৰৰ প্ৰতি আসক্তি অধিক।

আ-অলংকাৰ

গাৰোসকল শিক্ষা-উৰাত কিছু উদাসীন আছিল যদিও অলংকাৰৰ প্ৰতি আগ্ৰহ আছিল। পুৰুষ-মহিলা উভয়ে অলংকাৰ পৰিধান কৰিছিল। তেনে অলংকাৰসমূহৰ মূল্য কম আছিল যদিও দেখিবলৈ বৰ ধুনীয়া আছিল। পুৰুষ-মহিলা উভয়ে একেধৰণৰ অলংকাৰ পৰিধান কৰিছিল যদিও কিছুমান অলংকাৰ কেৱল মহিলাসকলেহে পিন্ধিছিল। তলত গাৰোসকলে পৰিধান কৰা কেইপদমান অলংকাৰ বিৱৰণ দিয়া হ'ল।

নাৰোম্‌ৰি বা ওটোলা : এইবিধ অলংকাৰক চিচা বুলিও কোৱা হয়। আচলতে ই হ'ল কাণৰ লতিত পিন্ধা এবিধ পিতলৰ অলংকাৰ। গাৰো পুৰুষ-মহিলা উভয়ে ইয়াক পৰিধান কৰে। পিতলৰ তাঁৰেৰে প্ৰায় এক ইঞ্চি ব্যাসাৰ্দ্ধৰ ঘূৰণীয়া ৰিং কৰি কাণৰ লতিত পিন্ধা হয়। মতা মানুহবোৰে এখন কাণত ত্ৰিশৰ পৰা চল্লিশতাল পৰ্যন্ত এনে ৰিং বা কেৰু পৰিধান কৰে। অৰ্থাৎ গাৰোসকলে কাণ ভৰাই কেৰু পিন্ধে।

মহিলাসকলে ব্যৱহাৰ কৰা কেৰুৰ ব্যাসাৰ্দ্ধৰ পৰিমাণ বেছি অৰ্থাৎ আকৃতিত ডাঙৰ আৰু একোখন কাণত চল্লিশৰ পৰা পঞ্চাশ পৰ্যন্ত কেৰু পৰিধান কৰে। পুৰণিকলীয়া আচল কেৰুৰ ব্যাসাৰ্দ্ধৰ পৰিমাণ আছিল ছয় ইঞ্চি। অৱশ্যে এনে কেৰুৰ ব্যৱহাৰ বিৰল আৰু ইয়াক উত্তৰাধিকাৰী সূত্ৰেহে লাভ কৰা হৈছিল। আনহাতে, প্ৰাচীন কেৰুসমূহত ধাতু হিচাপে পিতলৰ সলনি কাঁহহে ব্যৱহাৰ কৰা হৈছিল।

---

৬০. Marak, H.W.–KU'BIDIK, P-74

নাদিবং ঃ 'নাদোম্‌বি'ৰ দৰে 'নাদিবঙো' এবিধ কেক। অৱশ্যে ইয়াৰ আকৃতি তেনেই সৰু আৰু ইয়াত চাৰিটাকৈ চকৰি লগোৱা থাকে। এইবিধ অলংকাৰ কাণৰ ওপৰ অংশত পিন্ধা হয়। গাৰো সমাজত পুৰুষ-মহিলা উভয়ে এইবিধ অলংকাৰ পৰিধান কৰে।

নাটাপ্‌চী ঃ এইবিধো কাণৰ ওপৰ অংশত পিন্ধা এবিধ অলংকাৰ। মণিৰে চাৰি ইঞ্চিমান দীঘল এডাল মালা গোঁঠা হয়। মালাডালৰ শেষ অংশত অৰ্দ্ধ ঘূৰণীয়া এডাল পিতলৰ বা কপৰ কাঠি থাকে আৰু মণিডাল কাণৰ ওপৰ অংশৰ পৰা তললৈ ওলমি থাকে। পুৰুষ-মহিলা নিৰ্বিশেষে ইয়াক পিন্ধা হয়।

জাক্‌চান বা বাংলী ঃ জাক্‌চান হ'ল গাৰোসকলৰ খাৰু বা বালা। গাৰো পুৰুষ-মহিলা উভয়ে জাক্‌চান পৰিধান কৰে। মহিলাসকলে পিন্ধা খাৰুবোৰ বহল। বিভিন্ন ধাতুৰে নিৰ্মিত খাৰু গাৰোসকলে পিন্ধে। আনহাতে, 'ওৱামগালা' উৎসৱত গাৰোসকলে ডাঙৰ আকৃতিৰ তামৰ খাৰু পিন্ধা দেখা যায়।

বিপোক্ ঃ বিপোক্ হ'ল গাৰোসকলে ডিঙিত পিন্ধা হাৰ বা নেক্‌লেচ। পুৰুষ-মহিলা উভয়ে পিন্ধা এইবিধ অলংকাৰ দুই প্ৰকাৰৰ। এবিধ বৰ দীঘল। সাধাৰণতে চুঙা বা নল আকৃতিৰ মণি বা বঙা আহিনাৰে এইবিধ অলংকাৰ তৈয়াৰ কৰা হয়। আনবিধ নেক্‌লেচ পিতল বা ৰূপেৰে তৈয়াৰী। এইবিধ কিছুমান বিশেষ বিশেষ অনুষ্ঠান বা উপলক্ষেহে পৰিধান কৰা হয়। পিছৰবিধ অলংকাৰ গাৰোসমাজত বৰ মূল্যবান বুলি গণ্য কৰা হয় আৰু ইয়াক উত্তৰাধিকাৰী সূত্ৰেহে লাভ কৰা হয়।

জাক্‌চিল ঃ এইবিধ অলংকাৰ কেৱল 'নোক্‌মা' সকলেহে ব্যৱহাৰ কৰে। ই বাহুত পিন্ধা এবিধ অলংকাৰ। অৱস্থাপন্ন কোনো মানুহে যেতিয়া 'নোক্‌মা' খিতাপ লাভ কৰে, তেতিয়া 'গানা নোক্‌মা' নামে এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত নিৰ্বাচিত ব্যক্তিজনক 'নোক্‌মা' খিতাপ প্ৰদান কৰা হয়। সেইদিনাৰ পৰা 'জাক্‌চিল' নামৰ অলংকাৰ বিধ 'নোক্‌মা' জনে পৰিধান কৰে। গতিকে 'জাকচিল' নোক্‌মা এজনৰ প্ৰতীক স্বৰূপ।

পেন্‌টা ঃ গাৰো পাহাৰৰ উত্তৰ-পূব অংশত বসবাস কৰা চিবক্ আৰু কণা গোষ্ঠীৰ গাৰোসকলে এইবিধ অলংকাৰ ব্যৱহাৰ কৰা দেখা যায়। 'পেন্‌টা' হাতীৰ দাঁতৰ এবিধ অলংকাৰ। এইবিধ অলংকাৰৰ আকৃতি সৰু। এক বা ডেৰ ইঞ্চিমান দীঘল আৰু জোং থকা হাতী দাঁতৰ এইবিধ অলংকাৰ কাণৰ ওপৰ অংশত পৰিধান কৰা হয় আৰু ই সমান্তৰালভাবে মূৰৰ দুয়োফালে ওলাই থাকে।

গান্‌দো আৰু চেংখি ঃ জিবোতা মানুহে কঁকালত কড়িৰে সজ্জিত চাৰি-পাঁচ আঙুলি বহলৰ এডাল পেটিৰ আকাৰৰ অলংকাৰ ব্যৱহাৰ কৰে। ইয়াকে গাৰোসকলে 'চেংখি' বোলে। ই একপ্ৰকাৰ কৰধনি। চেংখিৰ দৰে মতা মানুহবোৰে কড়িৰে সজ্জিত 'গান্‌দো' পিন্ধিছিল। এইবিধ গান্‌দোক 'গানদো মাখ্‌বাল' বোলে। 'চেংখি' আৰু 'গান্‌দো মাখ্‌বাল'

এই দুয়োবিধ অলংকাৰ নৃত্য কৰোঁতে গাৰো ডেকা-গাভৰুৱে পৰিধান কৰা দেখা যায়। গাৰো লোকগীতত এই দুয়োবিধ অলংকাৰৰ কথা কেইবা ঠাইতো উল্লেখ আছে।

পিল্‌নি ঃ পিল্‌নি হ'ল কাকৈ বা বাঁহৰ ফণী। এইবিধ অলংকাৰ নৃত্য কৰোঁতে মূৰত পৰিধান কৰা হয়। দৰাচলতে চুলিৰ পিছফালে ফণীখন এনেদৰে পৰিধান কৰা হয় যাতে মূৰৰ পিছফালে ওলমি থকা আঁৰণী কাপোৰখন ফণিখনে ধৰি ৰাখিব পাৰে।

এনেদৰে গাৰো সমাজত পুৰুষ-মহিলা উভয়ে নানাবিধ অলংকাৰ পৰিধান কৰিছিল। কিন্তু সভ্যতাৰ বিকাশৰ লগে লগে আৰু পাশ্চাত্য প্ৰভাৱৰ ফলত পৰম্পৰাগত এইবোৰ অলংকাৰ উপেক্ষিত হৈ এতিয়া যাদুঘৰত আশ্ৰয় লৈছে। তথাপি, গাৰো উৎসৱ-অনুষ্ঠান আদিত এনেবোৰ অলংকাৰ পৰিধান কৰা দেখা যায়।

অস্ত্ৰ-শস্ত্ৰ

জনজাতীয় লোকসকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰসমূহৰ এক সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। সাধাৰণতে তেওঁলোকৰ অস্ত্ৰসমূহ কিছু পৰিমাণে প্ৰাচীন আৰ্হিৰ। আজিকালিৰ অস্ত্ৰসমূহৰ দৰে চিক্‌মিকীয়া বা মিহি নহয়। বৰ্তমানেও সেই একেধৰণৰ অস্ত্ৰ জনজাতীয় লোকসকলে ব্যৱহাৰ কৰি থকা দেখা যায়।

গাৰোসকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে, তেওঁলোকে তিনি শ্ৰেণীৰ অস্ত্ৰ ব্যৱহাৰ কৰিছিল। একশ্ৰেণী অস্ত্ৰ যুদ্ধ-বিগ্ৰহৰ কাৰণে, একশ্ৰেণী অস্ত্ৰ চিকাৰৰ কাৰণে আৰু আন একশ্ৰেণী অস্ত্ৰ দৈনন্দিন জীৱনৰ কাম-বন কৰাৰ কাৰণে।

যুদ্ধ-বিগ্ৰহৰ কাৰণে গাৰোসকলে তৰোৱাল, যাঠি আৰু ঢাল ব্যৱহাৰ কৰিছিল। গাৰোসকলৰ ভাষাত এইবোৰ অস্ত্ৰক মি'লাম, চেপি, দানিল আদি নামেৰে জনা যায়। মি'লাম, আক্ৰমণৰ বাবে ব্যৱহাৰ কৰাৰ বিপৰীতে চেপি, দানিল আদি আত্ম ৰক্ষাৰ বাবে ব্যৱহাৰ কৰা হয়। 'চেপি' নামৰ ঢালবিধ কাঠেৰে তৈয়াৰী, আনহাতে দানিল জন্তুৰ ছালৰে তৈয়াৰী। এই ঢালৰ আকৃতি ছয়চুকীয়া। আনহাতে, প্ৰতীকধৰ্মী গ্ৰীকা নৃত্যত (যুদ্ধৰ নাচ) এইবোৰ অস্ত্ৰ লৈ আৰু যুদ্ধৰ সাজ পৰিধান কৰি নৃত্য কৰা দেখা যায়।

দ্বিতীয় শ্ৰেণীৰ অস্ত্ৰ চিকাৰৰ বাবে বিশেষকৈ বনৰীয়া জীৱ-জন্তু বধ কৰাৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। ধনু আৰু কাঁড়ৰ ব্যৱহাৰ এই প্ৰসঙ্গত উল্লেখযোগ্য। তাৰোপৰি যাঠিও চিকাৰৰ বাবে ব্যৱহাৰ কৰা হয়।

তৃতীয় শ্ৰেণীৰ অস্ত্ৰৰ ভিতৰত ঘৰুৱা কাম-কাজত ব্যৱহাৰ হোৱা 'আটে', 'কৰা' 'গিট্‌চি' আদি উল্লেখযোগ্য। 'আটে' হ'ল গাৰোসকলৰ দা। ইয়াৰ আকৌ সৰু, ডাঙৰ, বহল, চেপেটা আদি কেইবাটাও আকৃতি আছে। ডাঙৰ আকৃতিৰ দাবোৰক গাৰোসকলে 'আটেমা' বোলে। 'কৰা' হ'ল গাৰোসকলৰ কুঠাৰ। খৰি ফালিবলৈ আৰু কেতিয়াবা চিকাৰৰ কামতো 'কৰা' ব্যৱহাৰ কৰা হয়। 'গিট্‌চি' হ'ল কোৰ। সাধাৰণতে খেতি পথাৰত গিট্‌চিৰ প্ৰয়োজন আটাইতকৈ বেছি।

খেল-ধেমালি

খেল-ধেমালিবোৰৰ উৎপত্তি কেনেকৈ, কেতিয়াৰপৰা হ'ল তাৰ কোনো সঠিক বুৰঞ্জী নাই। কিন্তু পৰিশ্ৰমৰ দুখ-ভাগৰ, অৱসাদ পাহৰি নতুন উদ্যমেৰে পুনৰ কামত ব্ৰতী হ'ব পৰাকৈ, উৎসাহ পাবলৈ আৰু আনন্দ লাভ কৰিবলৈকে এইবোৰৰ উদ্ভাৱন বা প্ৰচলন হৈছিল বুলি অনুমান কৰিব পাৰি।[61] খেল-ধেমালি একপ্ৰকাৰ শৰীৰ-চৰ্চা । দেহ মন সতেজ কৰি ৰাখিবলৈ ইয়াৰ চৰ্চা অপৰিহাৰ্য। সেইবাবে পৃথিৱীৰ সকলোবোৰ সমাজতে আদিমকালৰেপৰা খেল-ধেমালি মানৱ জীৱনৰ এক এৰাব নোৱাৰা অঙ্গ হৈ পৰিছে।

গাৰো সমাজতো প্ৰাচীনকালৰেপৰা বিভিন্ন ধৰণৰ খেল-ধেমালিৰ প্ৰচলন আছে। অৱশ্যে ইয়াৰে বেছিভাগ খেলেই থলুৱা (Indigenous)। বিশেষকৈ 'নোক্‌পান্থে'ক কেন্দ্ৰ কৰি গাৰো যুৱকসকলৰ মাজত খেল-ধেমালিৰ লগতে প্ৰতিযোগিতামূলক মানসিকতাবো গঢ় লৈ উঠিছিল। এনে প্ৰতিযোগিতাসমূহত বঁটা-বাহনৰ ব্যৱস্থা নাছিল যদিও শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ প্ৰৱণতাই গা কৰি উঠিছিল। পৰম্পৰাগত গাৰো সমাজত প্ৰচলিত কেইবিধমান থলুৱা খেল-ধেমালিৰ বিষয়ে তলত আলোচনা দাঙি ধৰা হ'ল।

গান্‌দো মাকাল পালা : এই বাক্যাংশৰ অৰ্থ হ'ল ফেৰমৰা বা প্ৰত্যাহ্বান জনোৱা। এইবিধ খেলক গাৰোসকলে 'চাগ্ৰিপা' বা 'গোগ্ৰিপা' বুলিও কয়। ই হ'ল গাৰোসকলৰ মল্লযুঁজ (wrestling)। এইবিধ খেল দুজন যুঁজাৰুৰ মাজত অনুষ্ঠিত হয়। সাধাৰণতে যুঁজাৰু দুজনৰ ভিতৰত যিজনে নিৰ্দিষ্ট সময়ৰ ভিতৰত কঁকালত ধৰি প্ৰতিপক্ষক মাটিত বগৰাই দিব পাৰে, তেওঁকেই শ্ৰেষ্ঠ যুঁজাৰু বুলি গণ্য কৰা হয়। এসময়ত এইবিধ খেল বৰ উত্তেজনাপূৰ্ণ আৰু জনপ্ৰিয় খেল আছিল।

প্ৰাচীনকালত গাৰো যুঁজাৰুসকলে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ ওচৰ-চুবুৰীয়া গাঁৱলৈ গৈ 'গান্‌দো' গ্ৰহণ কৰিবলৈ মুকলিভাৱে প্ৰত্যাহ্বান জনাইছিল। 'গান্‌দো' হ'ল গাৰো পুৰুষসকলে কঁকালত পিন্ধা এবিধ কাপোৰ বা চুৰিয়া। যদি কোনো যুঁজাৰুৱে 'গান্‌দো' গ্ৰহণ কৰে; তেনেহ'লে প্ৰত্যাহ্বান গ্ৰহণ কৰি তেওঁ যুঁজিবলৈ সাজু থকা বুলি ধৰি লোৱা হয়।[62] তাৰ পিছত নিৰ্দিষ্ট দিনৰ নিৰ্দিষ্ট সময়ত মুকলি পথাৰত যুঁজ অনুষ্ঠিত হয়।

ৰা'পং কা'লা : গাৰোসকলৰ মাজত প্ৰচলিত আন এবিধ থলুৱা জনপ্ৰিয় খেল হ'ল 'ৰা'পং কা'লা'। এইবিধ খেলো দুজনৰ মাজত অনুষ্ঠিত হয়। পুৰঠ বাঁহৰ টুকুৰা এটা আনি মাজ ভাগটো শিল এচটাৰ ওপৰত পাৰি দিয়া হয়, যাতে বাঁহডালৰ দুয়োটা মূৰ দুলি থাকিব পাৰে। তাৰ পিছত বাঁহৰ দুয়োটা মূৰত খেলুৱৈ দুজনে অৱস্থান গ্ৰহণ কৰে। যিজনে প্ৰতিপক্ষক ওপৰলৈ দাঙি বা তুলি ধৰিব পাৰে, তেওঁকেই জয়ী বুলি ঘোষণা কৰা হয়।

চুই গোজা : চুই হ'ল এবিধ ডাঙৰ লতাজাতীয় গছ। ইয়াৰ গুটিবোৰ মাৰ্বল গুটিৰ দৰে ঘূৰণীয়া। দৰাচলতে এইবিধ হ'ল মাৰ্বল গুটিৰ লেখীয়া খেল। দুটা দলত বিভক্ত হৈ

৬১. নাৰায়ণ দাস—'অসমৰ খেল-ধেমালি', প্ৰবন্ধ 'অসম গৌৰৱ গ্ৰন্থ', পৃ : ৪৮০

৬২. Sangma, Milton S–History and Culture of the Garos, P-170

খেলুৱৈসকলৰ কোনটো দলে কিমান চুই গুটি লাভ কৰিব পাৰে, খেলৰ ফলাফল তাৰ ওপৰত নিৰ্ভৰ কৰে।

মা'কল কা'লা ঃ এইবিধ খেলত তিনিটা ঘূৰণীয়া আকৃতিৰ 'ঘৰ' থাকে। এটা ঘৰ সৰু আৰু বাকী দুটা ঘৰ ডাঙৰ। ডাঙৰ ঘৰ দুটাত দুয়োদলৰ সমান সংখ্যাক খেলুৱৈ থাকে. পাল পাতি খেলুৱৈসকলৰ এজন-এজনকৈ ঘৰটোত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিব লাগে। প্ৰৱেশ কৰাৰ ক্ষেত্ৰত বিপক্ষ দলে বাধা প্ৰদান কৰে। এই বাধা নেওচি যিটো দলৰ সৰহ সংখ্যক খেলুৱৈ ঘৰটোত প্ৰৱেশ কৰিব পাৰে, তেওঁলোকেই জয়ী হয়। ই আজিকালি 'কাবাডী' খেলৰেই যেন আদিম ৰূপ।

ওপৰত উল্লেখ কৰা খেলসমূহৰ উপৰিও গাৰো সমাজত আদিং চালা, জাকদিয়া, আকাক-মিদিল-চালা আদি বিভিন্ন ধৰণৰ স্থানীয় খেলৰ প্ৰচলন আছে। তাৰোপৰি কুকুৰা যুঁজ, দৌৰা, জপিওৱা, শিল দলিওৱা, পাহাৰ বগোৱা, ৰচিত বগোৱা আদি খেলসমূহ 'নোক্‌পান্থে'ৰ ডেকাসকলৰ বাবে বৰ আকৰ্ষণীয় খেল।

গাৰো বৰ্ষপঞ্জী

বৰ্ষ বা বছৰ তিনি প্ৰকাৰৰ—চান্দ্ৰ, নক্ষত্ৰ আৰু সৌৰ। সাধাৰণ মানুহে নাক্ষত্ৰিক বছৰ মানি নচলে, চান্দ্ৰ আৰু সৌৰ বছৰহে মানি চলে আৰু সেই অনুযায়ী দিন, মাহ, বছৰ আদি গণনা কৰে। গাৰোসকলে মাহ বুলিলে চান্দ্ৰ মাহকেই বুজে। গাৰো ভাষাত 'জাজং' মানে চন্দ্ৰ। আনহাতে, 'জা' মানে মাহ। 'জাজং' শব্দৰ পৰা 'জা' (মাহ) সৃষ্টি হোৱাৰ পৰাই অনুমান কৰিব পাৰি যে, গাৰোসকলে চন্দ্ৰৰ যোগেদি মাহ, ঋতু, দিন আদি গণনা কৰে। গাৰো সমাজত প্ৰকৃতিৰ পৰিবৰ্তন, কৃষিকৰ্ম, বতাহ-বৰষুণৰ প্ৰৱাহ, গ্ৰহ-নক্ষত্ৰৰ গতি, জলবায়ু আদিলৈ লক্ষ্য ৰাখি বছৰটোক বাৰটা মাহ তথা ছটা ঋতুত ভাগ কৰিছে।

গাৰো মাহৰ নাম	অসমীয়া মাহৰ নাম
মেবাক্‌জা	বহাগ মাহ
জাগ্ৰোজা	জেঠ মাহ
চগাল্‌জা	আহাৰ মাহ
জাগাপ্‌জা	শাওণ মাহ
জামেলক্‌জা	ভাদ্ৰ মাহ
মেপাংজা	আহিন মাহ
আওনিজা	কাতি মাহ
বেবক্‌জা	আঘোণ মাহ
কিলজক্‌জা	পুহ মাহ
আউতজা	মাঘ মাহ
ওৱাচেংজা	ফাগুণ মাহ
গাল মাকজা	চ'ত মাহ

অবশ্যে গাৰো মাহসমূহৰ নাম স্থানভেদে অন্য ধৰণতো পোৱা যায়। এইচ, ডব্লিউ, মাৰাকৰ মতে, গাৰো মাহসমূহ এনেধৰণৰ :[৬৩]

গাৰো মাহ	—	ইংৰাজী মাহ
চিলগিন্‌চি	—	নৱেম্বৰৰ মাজ ভাগৰ পৰা ডিচেম্বৰৰ মাজ ভাগলৈ।
বোৰো	—	ডিচেম্বৰৰ মাজ ভাগৰ পৰা জানুৱাৰীৰ মাজ ভাগলৈ।
দোংৰো	—	জানুৱাৰীৰৰ মাজ ভাগৰ পৰা ফেব্ৰুৱাৰীৰ মাজ ভাগলৈ।
গাল্‌মক	—	ফেব্ৰুৱাৰীৰ মাজ ভাগৰ পৰা মাৰ্চৰ মাজ ভাগলৈ।
মিগি	—	মাৰ্চৰ মাজ ভাগৰ পৰা এপ্ৰিলৰ মাজ ভাগলৈ।
কিল্‌গি	—	এপ্ৰিলৰ মাজ ভাগৰ পৰা মে' মাহৰ মাজ ভাগলৈ।
বান্‌দোনি	—	মে' মাহৰ মাজ ভাগৰ পৰা জুন মাহৰ মাজ ভাগলৈ।
বাচোচি	—	জুনৰ মাজ ভাগৰ পৰা জুলাই মাহৰ মাজ ভাগলৈ।
চামপং	—	জুলাইৰ মাজ ভাগৰ পৰা আগষ্টৰ মাজ ভাগলৈ।
মিচা	—	আগষ্টৰ মাজ ভাগৰ পৰা চেপ্তেম্বৰৰ মাজ ভাগলৈ।
বান্‌মা	—	চেপ্তেম্বৰৰ মাজ ভাগৰ পৰা অক্টোবৰৰ মাজ ভাগলৈ।
জাবিল্‌চি	—	অক্টোবৰৰ মাজ ভাগৰ পৰা নৱেম্বৰৰ মাজ ভাগলৈ।

কৃষিজীৱি গাৰো সমাজত এই বিভিন্ন মাহসমূহ কেনেদৰে কৃষি কৰ্মৰ জড়িত তাৰ তালিকা এখনি এনেদৰে প্ৰস্তুত কৰিব পাৰি :

গাৰো মাহ	—	কৃষি কৰ্ম
বোৰো	—	জুমখেতিৰ ভূমি পৰিষ্কাৰ কৰাৰ সময়
দোংৰো	—	বৰ্ষাৰ কাৰণে প্ৰস্তুত হোৱাৰ সময়
গাল্‌মক	—	জুমখেতিৰ ভূমিৰ হাবি-বননি পোৰাৰ সময়
মিগি	—	বীজ বোপণৰ সময়
কিল্‌গি	—	কৃষি পথাৰ নিৰণীৰ সময়
বান্‌দোনি	—	দ্বিতীয়বাৰ নিৰণীৰ সময়
বাচোচি	—	কণীধান পকাৰ সময়
চাম্‌পং	—	দেৱতাৰ কাৰণে প্ৰথম ফচল উছৰ্গা কৰাৰ সময়
মিচা	—	তৃতীয় নিৰণীৰ সময়
বান্‌মা	—	বৰ্ষা বিদায়ৰ সময়
জাবিল্‌চি	—	শীতৰ সময়
চিল্‌গিন্‌চি	—	নতুন বছৰ আৰম্ভৰ সময়

গাৰোসকলৰ এই বাৰটা মাহক আকৌ ছটা ঋতুত ভাগ কৰা হৈছে। গাৰো ঋতুসমূহ এনেধৰণৰ :

৬৩. Marck. H.W.–KU.BIDIK, P-217

গাৰো ঋতুৰ নাম	—	অসমীয়া ঋতুৰ নাম
দিংকাৰী	—	গ্ৰীষ্ম
ওয়াচিকাৰী	—	বৰ্ষা
ৰাক্কাৰী	—	শৰৎ
পাল্লিনকাৰী	—	হেমন্ত
চিন্কাৰী	—	শীত
বালৰোবোকাৰী	—	বসন্ত

মনকৰিবলগীয়া গাৰো ভাষাত 'জা' শব্দাংশই যেনেদৰে মাহক বুজায়, তেনেদৰে 'কাৰী' শব্দাংশই ঋতুক বুজায়। আনহাতে, গাৰো সমাজতো সাত দিনত এসপ্তাহ হয় আৰু সপ্তাহৰ এই বাৰ কেইটাৰ নাম এনেধৰণৰ :[৬৪]

গাৰো বাৰৰ নাম	—	অসমীয়া বাৰৰ নাম
চামিট্চো	—	সোমবাৰ
গ্ৰিচো	—	মঙ্গলবাৰ
আবিচো	—	বুধবাৰ
আইচো	—	বৃহস্পতিবাৰ
মেছাবাল	—	শুক্ৰবাৰ
নৰিণগ্ৰো	—	শনিবাৰ
চিগিটচো	—	ৰবিবাৰ

গাৰো ভাষাত 'চো' শব্দাংশই বাৰক বুজায়। যেনে—'চামিটচো', ইয়াত 'চামিট' মানে সোম আৰু 'চো' মানে বাৰ।

গাৰো ভাষাত এনেদৰে মাহ, ঋতু, বাৰ আদিৰ সুকীয়া সুকীয়া নাম আছে যদিও দৈনন্দিন জীৱনত এইবোৰৰ ব্যৱহাৰ নাই বুলিয়েই ক'ব পাৰি। শিক্ষিত গাৰোসকলে সাধাৰণতে ইংৰাজী মাহ, বাৰৰ নাম ব্যৱহাৰ কৰে। আনহাতে, অশিক্ষিতসকলে অসমীয়া বা বাংলা নামবোৰ ব্যৱহাৰ কৰে। গাৰোসকলে তেওঁলোকৰ নিজৰ ভাষাৰ পৰা আঁতৰি আহি অসমীয়া ভাষাৰ কিমান ওচৰ চাপিছে মাহ সম্পৰ্কীয় তলৰ তালিকাখনিৰ পৰা সেই কথা স্পষ্ট হৈ পাৰে।

গাৰোসকলৰ প্ৰাচীন তথা আচল মাহৰ নাম	—	অসমীয়া মাহৰ নাম	—	গাৰোসকলৰ বৰ্তমান ব্যৱহৃত মাহৰ নাম
কিল্জক	—	পুহ	—	পুচি
আউত	—	মাঘ	—	মাক
ওয়াচেং	—	ফাগুণ	—	পলগিন

৬৪. Marak. H.W.-KU.BIDIK. P-217

গাল্‌মাক	—	চ'ত	—	চয়েং
মেবাক	—	বহাগ	—	পচাক
জাগ্ৰো	—	জেঠ	—	জেত
চগাল	—	আহাৰ	—	আষাল
জাগাপ	—	শাওণ	—	চাগিন
জামেদক	—	ভাদ	—	বাদল
মেপাং	—	আহিন	—	আচিন
আনি	—	কাতি	—	গাতে
বেৰক	—	আঘোণ	—	আগণ

গতিকে দেখা যায় যে, বৰ্ত্তমান গাৰোসকলে ব্যৱহাৰ কৰা মাহৰ নামসমূহ অসমীয়া মাহৰ নামসমূহৰেই বিকৃত অথবা পৰিবৰ্ত্তিত ৰূপ। একেদৰে বাৰসমূহৰ ক্ষেত্ৰতো গাৰোসকলে প্ৰকৃত নামসমূহ বহুতে পাহৰি পেলাইছে অথবা সম্পূৰ্ণৰূপে অজ্ঞাত। তেওঁলোকে বৰ্ত্তমান তথা ব্যৱহাৰিক জীৱনত সদায় অসমীয়া বাৰ অৰ্থাৎ সোম, মঙ্গল, বুধ, বৃহস্পতি শুক্ৰ, শনি আৰু ৰবি—এনেদৰেহে কয় বা লিখে।

—০—

পঞ্চম অধ্যায়

গাৰো ভাষা আৰু সাহিত্য

গাৰো ভাষাৰ উৎপত্তি

পূব আৰু দক্ষিণ পূব এচিয়াৰ বিশাল ভূখণ্ডত বিভিন্ন শাখা-প্ৰশাখাৰে বিয়পি থকা তিব্বত-চীনীয় বা চীন-তিব্বতীয় ভাষাগোষ্ঠী পৃথিৱীৰ অন্যতম এটি সুবৃহৎ ভাষাগোষ্ঠী। সমগ্ৰ পৃথিৱীৰ মুঠ জনসংখ্যাৰ ভিতৰত প্ৰায় ৭৬০ নিযুত জনসংখ্যাই এই গোষ্ঠীৰ বিভিন্ন ভাষাসমূহ কয়।[১] ই পশ্চিমে জম্মু আৰু কাশ্মীৰৰ পৰা অসম, ইণ্ডো-চীন আৰু পূবে চীনৰ কিয়দংশলৈকে বিস্তৃত।[২] জাতিগত দৃষ্টিকোণৰ পৰা এই গোষ্ঠীৰ লোকসকল মঙ্গোলীয় জাতিৰ অন্তৰ্গত। গাৰো ভাষা এই তিব্বতবৰ্মী গোষ্ঠীৰ বড়ো ঠালৰ এটা শাখা। তিব্বত-চীনীয় ভাষাগোষ্ঠীক প্ৰধানত : দুটা শাখাত বিভক্ত কৰা হৈছে :

(১) তিব্বত বৰ্মী

(২) থাই-চীনীয় বা শ্যাম-চীনীয়।

তিব্বত বৰ্মী শাখাক চাৰিটা প্ৰধান উপশাখাত ভাগ কৰা হৈছে : হিমালয়ী, উত্তৰ অসম, অসম-বৰ্মী আৰু তিব্বৰ্তী। এই অসম বৰ্মী উপশাখাৰ অন্তৰ্গত ভাষাসমূহক 'বড়ো-নগা' আৰু 'কুকি-চীন' এই দুটা ভাগত ভাগ কৰা হয়। 'বড়ো-নগা'ৰ দুটা শাখা : 'বড়ো' আৰু 'নগা'। যিসকলে অসমৰ উত্তৰ-পূব ফালেদি সোমাই ব্ৰহ্মপুত্ৰ নদীয়েদি অসমকে ধৰি উত্তৰ বঙ্গ, পূৰ্ব বঙ্গ, ত্ৰিপুৰা পৰ্যন্ত পৰিব্যাপ্ত হৈছিল, সেইসকল 'বড়ো' বুলি পৰিচিত। আনহাতে যিসকলে নগালেও বুলি অধুনাখ্যাত নগা পাহাৰত সিঁচৰতি হৈ বসবাস কৰি থাকিলগৈ তেওঁলোক 'নগা' বা 'নাগা' হিচাপে পৰিচিত।

গাৰো ভাষা বড়ো ঠালৰ অন্তৰ্ভুক্ত ভাষাসমূহৰ ভিতৰত অন্যতম। 'বড়ো আৰু গাৰো উভয় ভাষাৰে মূল একেটাই, যদিও পৰস্পৰ বিচ্ছিন্ন হৈ স্বকীয় ৰূপেৰে গঢ় ল'বলৈ আৰম্ভ হোৱা দুহেজাৰ বছৰৰো অধিক হ'ল।'[৩] গাৰো ভাষাৰ উপৰিও বড়ো ঠালৰ অন্তৰ্ভুক্ত অন্যান্য ভাষাসমূহ হ'ল : বড়ো, ডিমাচা, ৰাভা, চুটিয়া, লালুং, হাজং, টিপৰা আদি।

গাৰো ভাষাৰ উৎপত্তিৰ প্ৰসঙ্গত তিব্বত-চীনীয় ভাষাৰ পৰা ই কেনেকৈ সৃষ্টি হ'ল তাৰ গতি-চিত্ৰ এনেদৰে আঁকি দেখুওৱা হৈছে :[৪]

---

১. Grierson, G.A : Linguistic Survey of India Vol-I, P-81.

২. ৰাভা হাকাচাম, উপেন : অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মী ভাষা, পৃ : ২২।

৩. Bhattacharya, P.C. : A Descriptive Analysis of the Boro Language, P-10.

৪. গোস্বামী, উপেন্দ্ৰনাথ : ভাষা বিজ্ঞান, পৃ : ৮৯।



গাৰো ভাষা প্ৰধানতঃ মেঘালয় ৰাজ্যৰ অন্তৰ্গত গাৰো পাহাৰতে প্ৰচলিত যদিও অসমৰ কামৰূপ, গোৱালপাৰা জিলা, ত্ৰিপুৰা, আনকি বাংলাদেশৰ মৈমনসিং, ৰংপুৰ আদিতো প্ৰচলিত হৈ আছে। বৰ্তমান গাৰো ভাষী লোকৰ সংখ্যা ছয় লাখৰ ওচৰা-ওচৰি। তাৰে ভিতৰত ১৯৮১ চনৰ লোকপিয়ল অনুসৰি মেঘালয়কে ধৰি ভাৰতবৰ্ষত এই গাৰো ভাষী লোকৰ সংখ্যা ৪,৯৩,৯৪০ জন।[৫] বাকীখিনি বাংলাদেশৰ বাসিন্দা।

গাৰো উপভাষা

গাৰো পাহাৰ মূলতঃ হাবি-জংঘলেৰে ভৰপুৰ দুৰ্গম ঠাই। সেয়ে এটা অঞ্চলৰ মানুহৰ লগত আন এটা অঞ্চলৰ মানুহৰ যোগাযোগ সহজে স্থাপন হোৱা নাছিল। ফলত পাৰস্পৰিক মিলা-মিছা, অহা-যোৱা, বিয়া-বাৰু আদি নিজৰ মাজতে সীমাবদ্ধ আছিল। ভাষাবিদসকলৰ মতেও এনে পৰিস্থিতিতে সাধাৰণতে এটা ভাষাৰ মাজতে বিভিন্ন আঞ্চলিক ৰূপ বা পাৰ্থক্যই দেখা দিয়ে।[৬] সেইবাবে গাৰোসকলৰ মাজত বিভিন্ন ফৈদ অনুসৰি মুঠতে এঘাৰটা কথিত উপভাষাৰ প্ৰচলন আছে। অৱশ্যে উপভাষাৰ সংখ্যা সম্পৰ্কে সকলো পণ্ডিত-গৱেষক একমত নহয়। কমল নাৰায়ণ দাসৰ মতে, গাৰো জাতি মুঠতে এঘাৰটা উপজাতি বা ফৈদৰ সমষ্টি আৰু সেই অনুসৰি উপভাষাৰ সংখ্যাও এঘাৰটা।[৭] চিয়ে নাকানেৰ মতে, উপজাতিৰ সংখ্যা বাৰটা আৰু এই সংখ্যা অনুসৰি উপভাষাৰ সংখ্যাও বাৰটা।[৮] আনহাতে, উইলিয়াম কেৰীৰ মতে, গাৰো সমাজত উপজাতিৰ সংখ্যা তেৰটা আৰু সেই অনুসৰি

৫. Census of India, 1981, Part IV-B (i) , Population by Language/Mother Tongue, PP-60-61.

৬. গোস্বামী, উপেন্দ্ৰনাথ : ভাষা বিজ্ঞান, পৃ ঃ ৬।

৭. Das, Kamal Narayan : Social Dimension of Garo language, P-151 (Unpublished Ph.D. thesis. G.U.)

৮. Nakave, Chie : Garo and Khasi, PP-19-20.

উপভাষাৰ সংখ্যাও তেৰটা।[১] গাৰো উপভাষাৰ সংখ্যা সম্পৰ্কে এনে ধৰণৰ মতভেদ থাকিলেও গাৰো পাহাৰৰ বিভিন্ন অঞ্চলত এতিয়াও মুঠতে এঘাৰটা উপভাষাৰ অস্তিত্ব বিচাৰি পোৱা যায়। সেই উপভাষা কেইটা হ'ল—আৱে বা আখাৱে, চিচাক্, দুৱাল, মাৎচি, আবেং বা আমবেং, মাৎজাংচি বা মাটাবেং, চিবক, গাৰা-গানচিং, আটং, ৰুগা আৰু মেগাম। তলত প্ৰত্যেকটো উপভাষাৰ বিষয়ে একোটিকৈ চমু টোকা দিয়া হ'ল।

১। আৱে বা আখাৱে : এই শব্দটোৰ অৰ্থ হ'ল ভৈয়াম। গাৰো পাহাৰৰ নামনি বা ভৈয়ামৰ ওচৰ-চুবুৰীয়া অঞ্চলত বাস কৰা লোকসকলে এই উপভাষাটো ব্যৱহাৰ কৰে। বিশেষকৈ উত্তৰ আৰু উত্তৰ-পূব পাৰ্বত্য অঞ্চল আৰু ভৈয়ামৰ গোৱালপাৰা, কামৰূপ সীমান্ত অঞ্চলৰ পৰা ঝিনাৰী নদীৰ পশ্চিমলৈকে এই উপভাষাটো চলে।

২। চিচাক্ : 'চিচাক্' শব্দটোৰ অৰ্থ হ'ল নদীৰ উৎপত্তি অঞ্চল। গাৰো পাহাৰৰ মধ্য-পূব অঞ্চলত অৰ্থাৎ চিমচাং নদীৰ উত্তৰফালে বসবাস কৰা লোকসকলক চিচাক্ বোলে। তেওঁলোকৰ নাম অনুসৰি উপ-ভাষাটোৰো নাম চিচাক্।

৩। দুৱাল : চিচাক্‌ৰ উত্তৰফালৰ বাসিন্দাসকলক কোৱা হয় দুৱাল। এওঁলোক চিমচাং নদীৰ সমতল ভূমিলৈ নামি অহা অঞ্চলৰ বাসিন্দা। সৰহ সংখ্যক দুৱাল উপভাষী বাংলাদেশৰ মৈমনসিং জিলাৰ বাসিন্দা।

৪। মাৎচি : ইয়াৰ অৰ্থ মধ্যাঞ্চলৰ অধিবাসী। গাৰো পাহাৰৰ মধ্য-পশ্চিম অঞ্চলত প্ৰচলিত কথিত উপভাষাটোৰ নাম মাৎচি। ইউলিয়াম নগৰ আৰু ইয়াৰ আশে-পাশে থকা বাসিন্দাসকলৰ এইটোৱেই উপভাষা।

৫। আবেং বা আমবেং : গাৰো উপভাষাসমূহৰ ভিতৰত আন এটি উপভাষা হ'ল আবেং বা আমবেং। গাৰো পাহাৰৰ সমগ্ৰ পশ্চিমাঞ্চলত অৰ্থাৎ তুৰা চহৰৰ আশে-পাশে বুগী নদীৰ ওচৰলৈ এই উপভাষাটো প্ৰচলিত।

৬। মাৎজাংচি : এই উপভাষাটোক মাটাবেং নামেৰেও জনা যায়। মাৎজাংচি বা মাটাবেং মাৎচি আৰু আবেংৰ মধ্যৱৰ্তী উপভাষা। গাৰো পাহাৰৰ পশ্চিম-দক্ষিণ অঞ্চলত এই উপভাষীৰ লোকসকলে বসবাস কৰে।

৭। চিবক : গাৰো পাহাৰৰ পূব দিশত বুগী নদীৰপৰা দাৰেং নদীলৈকে বিস্তৃত উপত্যকা অঞ্চলত চিবক উপভাষাটোৰ প্ৰচলন আছে। এই উপভাষাটো গাৰো ভাষাৰ কোনো এটা উপভাষাৰ লগতে মিল থকা দেখা নেযায়।

৮। গাৰা-গানচিং : গাৰা-গানচিং গাৰোসকলৰ এটা উপজাতি বা ফৈদ। এওঁলোক গাৰো পাহাৰৰ দক্ষিণ পাৰ্বত্য অঞ্চলত বসবাস কৰে। এওঁলোকে কোৱা উপভাষাটোৰ নামেই গাৰা-গানচিং।

৯। আটং : গাৰো পাহাৰৰ উত্তৰ-পূব অঞ্চলত অৰ্থাৎ সোমেশ্বৰী বা চিমচাং নদীৰ উপত্যকা অঞ্চল আটংসকলৰ বসতি স্থল। উপজাতিটোৰ নাম অনুসৰিয়েই এওঁলোকৰ কথিত ভাষাটোৰো নাম আটং।

১. Carey, William : The Garo Jungle Book, PP-251-252.

১০। কগা ঃ চিবক উপজাতিৰ উত্তৰফালে ভোগাই বা বুগী নদীৰ উৎপত্তি স্থলত বসবাস কৰা লোকসকলৰ কথিত ভাষা কগা। ডালু আৰু তাৰ প্ৰতিবেশী অঞ্চলত এই ভাষাটো প্ৰচলিত।

১১। মেগাম ঃ গাৰো আৰু খাচী পাহাৰৰ সীমান্ত অঞ্চলত বসবাসকাৰী লোকসকলৰ উপভাষাটোক মেগাম বোলে। এই অঞ্চলৰ মানুহখিনিক গাৰো আৰু খাচীসকলৰ সংমিশ্ৰণত হোৱা জনজাতি বুলি কোৱা হয়।

ওপৰত উল্লেখিত উপভাষাসমূহৰ ভিতৰত আৱে বা আখাৱে উপভাষাটোৰ পৰাই বৰ্তমান গাৰো ভাষাটোৰ লিখিত ৰূপ গ্ৰহণ কৰা হৈছে। অৰ্থাৎ গাৰো ভাষা 'আৱে' উপভাষাৰ মান্যৰূপ। বৰ্তমান গাৰো পাহাৰত এই উপভাষাটো কোৱা লোকৰ সংখ্যাই সৰহ আৰু ই ক্ৰমাগতভাৱে আন আন উপভাষা কোৱা লোকৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

বহুতে ক'ব খোজে যে, 'মেগাম' উপভাষাটো খাচী ভাষাৰহে এটা উপভাষা বা কথিত ৰূপ। 'মেগাম' উপভাষীসকলৰ সৰহ সংখ্যকেই খাচী পাহাৰত বসবাস কৰে। সেইবাবে ৰীতি-নীতি আদিৰ ক্ষেত্ৰত গাৰোসকলৰ লগত মিল থাকিলেও ভাষাৰ ক্ষেত্ৰত কিন্তু গাৰো ভাষাতকৈ ই খাচী ভাষাৰহে বেছি ওচৰ চপা।[১০]

আনহাতে, আটং উপভাষাটো আনবোৰ কথিত গাৰো ভাষাৰ লগত প্ৰায়ে নিমিলে। এই উপভাষাটো গাৰো ভাষাতকৈ বাভা ভাষাৰ এটি উপভাষাৰহে বেছি ওচৰ চপা।[১১]

গাৰো লিপি

উত্তৰ-পূব ভাৰতৰ অন্যান্য ভগ্নী জাতিসমূহৰ দৰে গাৰোসকলৰো নিজা কোনো লিপি (বৰ্ণমালা) নাই। কিন্তু তেওঁলোকে এতিয়াও বিশ্বাস কৰে যে, তিব্বতত থকা সময়ত তেওঁলোকৰ নিজা লিপি আছিল। তিব্বত এৰি অহাৰ লগে লগে তেওঁলোকে তাক হেৰুৱাই পেলায়।[১২]

বৰ্তমান গাৰো ভাষা লিখিবৰ বাবে ইংৰাজী (ৰোমান) বৰ্ণমালা ব্যৱহাৰ কৰা হয়। কিন্তু ইয়াৰ আগতে দুবাৰকৈ ক্ৰমে অসমীয়া আৰু বঙলা বৰ্ণমালাৰ ব্যৱহাৰ চলিছিল। ১৮৬৫ চনৰ পৰা ১৮৭২ চনলৈ সাত বছৰকাল গাৰো ভাষা লিখিবৰ বাবে অসমীয়া বৰ্ণমালা ব্যৱহাৰ কৰা হৈছিল। তাৰপিছত ১৮৭২ চনৰ পৰা ১৯০২ চনলৈ ত্ৰিশ বছৰকাল বঙলা বৰ্ণমালাৰ ব্যৱহাৰ চলিছিল। কিন্তু ১৯০২ চনৰ পৰা উক্ত দুয়োবিধ বৰ্ণমালাৰ পৰিবৰ্তে ৰোমান (ইংৰাজী) বৰ্ণমালাহে গাৰো ভাষা লিখিবৰ বাবে গ্ৰহণ কৰা হয় আৰু ই এতিয়াও চলি আছে।[১৩]

---

১০ Nakane, Chie Garo and Khasi, PP-20

১১ Mazumder, D N Culture change in two Garo village, P-18

১২ Sangma, Milton History of Garo literature, P-27

১৩ Shira, D L 'Introduction of Roman Script in Garo literature' 'MIKAOA' Annual Megazine of G.G U 1981, Edited by D.L Shira, P-31



MAP NO.2. SHOWING SINO-TIBETAN LANGUAGE



MAP-3. Showing Division of the Garo Tribes and Dailect.

লোক-সাহিত্য

'লোক' মূলতঃ সংস্কৃত শব্দ। ইয়াৰ অন্যতম অৰ্থ জনসাধাৰণ। সেই কাৰণে সহজভাৱে বুজা যায় 'লোক-সাহিত্য' মানে জনসাধাৰণৰ সাহিত্য অৰ্থাৎ জনসাহিত্য। শিপাই যেনেকৈ মাটিৰ তলত থাকি গছক পত্ৰে-পুষ্পে সুশোভিত কৰি ৰাখে, সেইদৰে সকলো সাহিত্যৰে মূলভাগ লোক-জীৱনৰ অন্তৰালত ঢাক খাই থাকে।[১৪] লোক-জীৱনৰ লগত ই নিবিড়ভাৱে জড়িত হৈ থাকে বাবেই এই বিধ সাহিত্যৰ নাম লোক-সাহিত্য বা জনসাহিত্য। জগতৰ সকলো সাহিত্যতে দুটা স্পষ্ট ধাৰা দেখিবলৈ পোৱা যায়।[১৫] প্ৰথমটো শিক্ষিতসকলৰ মাজত প্ৰচলিত আৰু দ্বিতীয়টো চহা-গাঁৱলীয়া মানুহৰ মাজত প্ৰচলিত। অৰ্থাৎ প্ৰথমটো লিখিত ৰূপৰ সাহিত্য আৰু দ্বিতীয়টো অলিখিত ৰূপৰ সাহিত্য। এই দ্বিতীয় ধাৰাটোক কোৱা হয় লোক-সাহিত্য। ইয়াক লোক-সাহিত্য (Folk-Literature), মৌখিক সাহিত্য (Oral Literature), অলিখিত সাহিত্য (Unwritten Literature), জনপ্ৰিয় সাহিত্য (Popular Literature), আদিম সাহিত্য (Primitive Literature), মৌখিক প্ৰক্ৰম (Traditional Oral Process) আদি বিভিন্ন আখ্যা দিয়া দেখা যায়।[১৬]

লোক-সাহিত্য পৰম্পৰাগতভাৱে জনসাধাৰণৰ মুখ বাগৰি প্ৰবাহিত হৈ অহা সাহিত্য। অনাখৰী বা সামান্য আখৰ জ্ঞান থকা কৃষক-শ্ৰমিক, গৰখীয়া-নাৱৰীয়া, শিল্পী-কাৰিকৰ, বণিক-বেপাৰী, শিপিনী-বোৱনী প্ৰভৃতি ভিন্ ভিন্ শ্ৰমত লিপ্ত শ্ৰমকাৰী মানুহৰ গীত-মাত, নাট-সাধু, ফকৰা-যোজনা, অতিকথা ইত্যাদিৰ সমাহাৰকে কোৱা হয় লোক-সাহিত্য।[১৭]

লোক-সংস্কৃতিৰ লগত লোকসাহিত্যৰ সম্পৰ্ক অতি ঘনিষ্ঠ। 'The Encyclopaedia Britannica'ত লোক-সংস্কৃতিক তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে : মৌখিক সাহিত্য, দেশাচাৰ আৰু উৎসৱ পৰ্ব তথা শৈল্পিক কৰ্ম।[১৮] গতিকে মৌখিক সাহিত্য বা লোক সাহিত্য লোক-সংস্কৃতিৰেই এটা অংগ। সেইবাবে লোকতত্ত্ববিদসকলৰ (Folklorist) কোনো কোনোৱে লোকসাহিত্যক লোকশ্ৰুতি বা লোকতত্ত্বও (Folklore) বোলে। কাৰণ লোক-সাহিত্যৰ মাজেদি লোক-বিশ্বাস, সংস্কাৰ, আচাৰ-অনুষ্ঠান, গীত-নৃত্য আনকি, লোক-শিল্পৰো স্পষ্ট আভাস পোৱা যায়।[১৯] একেদৰে নৃতাত্ত্বিক আৰু সমাজ বিজ্ঞানীয়ে পূৰ্বপুৰুষৰ পৰা প্ৰচলিত অতিকথা, সাধু, কিংবদন্তী আদিকেই বুলিছে লোকশ্ৰুতি বা লোকতত্ত্ব।[২০] আনহাতে,

---

১৪. বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি, পৃ. ৩১

১৫. গোস্বামী, উপেন্দ্ৰনাথ : ভাষা আৰু সাহিত্য, পৃ. ৫২

১৬. শৰ্মা, নবীন : অসমৰ লোক-সংস্কৃতিৰ আভাস, পৃ. ৪

১৭. The Encyclopaedia Britannica, Vol. IV, P-861.

১৮. Ibid., P-862.

১৯. Leach, M. : Standard Dictionary of Folklore, Mythology and Legend, P-398.

২০. Herskovits, Melville. J. : Cultural Anthropology, P-267.

উইলিয়াম বিচার্ড বেচকমে লোকসাহিত্যক সূচিত কৰিবলৈ বাচিক-কলা (Verbal Art) শব্দটো ব্যৱহাৰ কৰিছে।[২১]

মুঠতে, লোকসাহিত্যক যি নামেই নিদিয়ক কিয় পৰম্পৰাগতভাৱে মানুহৰ মুখে মুখে চলি অহা কাহিনী, বেলাড, গীত, যোজনা আদিৰ সমষ্টিকেই কোৱা হয় লোকসাহিত্য।

লোক-সাহিত্যৰ উৎপত্তি ঃ

লোকসাহিত্যৰ উৎপত্তি কেনেকৈ, ক'ৰ পৰা হ'ল বা ইয়াৰ আদিম জন্মদাতা কোন এই সম্পৰ্কে সঠিক সিদ্ধান্তত উপনীত হোৱা টান। তথাপি বিশিষ্ট লোকতাত্ত্বিক আৰু সমাজ বিজ্ঞানীয়ে লোকসাহিত্যৰ আদিম ৰূপ বুলি চিহ্নিত কৰিছে মন্ত্ৰক।[২২] প্ৰফুল্লদত্ত গোস্বামীয়েও লোগীত বা লোকসাহিত্যৰ উৎপত্তিৰ মূলতে যে যাদু-মন্ত্ৰ সেই কথা স্বীকাৰ কৰি গৈছে।[২৩] আদিম যুগৰ মানুহে পৃথিৱীখন ভয় আৰু বিস্ময়ৰ চকুৰে চাইছিল। তেওঁলোকৰ চাৰিওফালে আছিল বিপদ আৰু আশংকা। কেতিয়াবা জীৱ-জন্তুৰ আক্ৰমণ, কেতিয়াবা ধুমুহা, কেতিয়াবা বানপানী, কেতিয়াবা খৰাং, কেতিয়াবা মাৰিমৰক। এই সকলোবোৰতে আদিম সমাজে অনুভৱ কৰিছিল মানুহৰ নিচিনা ভাব-চিন্তা থকা একোটা দেওৰ অস্তিত্ব। এই দেওক সন্তুষ্ট ৰাখিবলৈ তেওঁলোকে চেষ্টা কৰিছিল। পিছলৈ দেও-ভূতক প্ৰাৰ্থনা জনাই কাবৌ-কোকালি কৰাতকৈ তেওঁলোকে আৱশ্যকীয় কামখিনি নিজেই কৰি ল'বলৈ চেষ্টা কৰিলে। প্ৰকৃতি আৰু পৰিৱেশক আয়ত্তাধীন কৰাৰ কামনাৰে তেওঁলোকে আশ্ৰয় ল'লে যাদুৰ। কাৰোবাৰ ঘাঁ ফোঁহা হ'লে বা কাৰোবাক বিষা বা যখিনীয়ে লম্ভিলে মন্ত্ৰেৰে জাৰে। জাৰিবৰ সময়ত নৰীয়াত পৰা মানুহজনক ধমকি বা দাবি দিয়ে। তেওঁলোকে দেওটো গুচাবলৈ কাবৌ-কোকালি নকৰে, পাতেৰে কোবাই কোবাই দাবি-ধমকি দি খেদিবলৈ চেষ্টা কৰে। এই প্ৰক্ৰিয়াত তেওঁলোকে যি কথা ব্যৱহাৰ কৰে, সেয়েই মন্ত্ৰ। মন্ত্ৰবিলাক মুখে মুখে চলি আহিলেও তাৰ গঢ় সদায় ঠিক নেথাকে। ওজাই জোৰেৰে সেইবিলাক উচ্চাৰণ কৰোঁতে প্ৰায়েই কিছুমান কথা লগাই দিয়ে, সেই সময়ত ওজাৰ সকলো কথাই মন্ত্ৰ হৈ পৰে। মন্ত্ৰত আবেগৰ তীব্ৰতা আৰু উত্তেজনা প্ৰকাশ পায়। এই আবেগযুক্ত মন্ত্ৰই ৰূপান্তৰিত হৈছে লোকগীতলৈ।[২৪] সেয়ে মন্ত্ৰকেই লোকসাহিত্যৰ আদিম অৱস্থা বা প্ৰাচীনতম ৰূপ বুলি কোৱা হৈছে। অকল লোকসাহিত্যৰেই নহয়, ধৰ্মৰো মূল উৎস হৈছে মন্ত্ৰ। এই প্ৰসংগত ফ্ৰেজাৰে কৈছে যে, "অতিপ্ৰাকৃত বা অলৌকিক সত্তাত বিশ্বাস, তেনে সত্তাৰ

---

২১ Bascom, W R Contribution to Folklorist, P-67

২২ Chattopadhyaya, D P Lokayata, PP-269-272

২৩ গোস্বামী, প্ৰফুল্লদত্ত : অসমৰ জনসাহিত্য, পৃ-১৩-১৫।

২৪. গোস্বামী, প্ৰফুল্লদত্ত : অসমৰ জনসাহিত্য, পৃ-১৪।

প্ৰতি ভয় তথা ভক্তি আৰু তেনে সত্তাৰ তুষ্টিৰ অৰ্থে পূজা-উপাসনা কৰাই ধৰ্মৰ মূল কথা।[২৫] আন এগৰাকী সমাজ বিজ্ঞানীৰ মতে, "মানুহে নিজতকৈ অধিক শক্তিশালী সত্তাৰ অৱস্থিতিৰ কথা বিশ্বাস কৰি তাৰ লগত মধুৰ সম্পৰ্ক প্ৰতিষ্ঠাৰ আকাংক্ষাৰ পৰাই ধৰ্মৰ উদ্ভৱ।"[২৬]

মুঠতে, ধৰ্ম আৰু লোকসাহিত্য দুয়োবিধৰে উৎপত্তিৰ মূলতে হৈছে যাদু-মন্ত্ৰ।

লোক-সাহিত্যৰ বৈশিষ্ট্য :

অন্যান্য সাহিত্যৰ দৰে লোকসাহিত্যৰো কিছুমান বৈশিষ্ট্য বা লক্ষণ দেখিবলৈ পোৱা যায়।

লোকসাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি, ব্যক্তিত বিশেষৰ সৃষ্টি নহয়। লোকসাহিত্যৰ ৰচয়িতা কোন তাক নিৰ্দিষ্টকৈ জনা নেযায়। সাধাৰণতে বিশ্বাস কৰা হয় যে, ই কোনো এজন লেখকৰ ৰচনা হ'লেও সময়ৰ লগে লগে মুখ বাগৰি যাওঁতে তাৰ লগতে আন কথাৰ যোগ-বিয়োগ হৈ এসময়ত সি এনেৰূপ লয়গৈ যে তাক এজন লোকৰ ৰচনা বুলি কোৱাটো টান হৈ পৰে। অৰ্থাৎ লোকসাহিত্যই ব্যক্তি বিশেষৰ পৰা সামূহিক ৰচনা বা নৈৰ্ব্যক্তিক ৰচনাৰ ৰূপ লয়।[২৭] সেয়ে লোকসাহিত্যত আধুনিক সাহিত্যৰ দৰে লেখকৰ নামৰ বিজ্ঞাপন তাত নেথাকে।[২৮] ই অখ্যাত কবিৰ বিখ্যাত ৰচনা। সেইবাবেই লোকসাহিত্য সমাজৰ সৰ্বজনৰ ভাব-চিন্তা আৰু কল্পনাৰ মিলনতীৰ্থ, সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ।

অনুভূতিৰ সৰলতা, অকৃত্ৰিমতা আৰু স্বতঃস্ফূৰ্ততা লোকসাহিত্যৰ অন্যতম বৈশিষ্ট্য।[২৯] সেইবাবেই কোৱা হয় জনসাধাৰণৰ নিভাঁজ মনৰ মধুৰ ভাৱৰাজিৰ মুকলি প্ৰকাশেই লোক-সাহিত্য। ভাবৰ স্বচ্ছতা, ভাষাৰ সৰলতা আৰু শব্দৰ কোমলতা লোকসাহিত্যৰ মূলবস্তু। নিৰক্ষৰ চহা মানুহৰ মনৰ কথাৰে ৰচনা কৰা হয় এই সাহিত্য। সেইবাবেই ইয়াত জটিলতা বা কৃত্ৰিমতাৰ সাঁচ নাই।

লোকসাহিত্যৰ বিষয়বস্তু প্ৰেম-প্ৰীতি, আবেগ-অনুৰাগ, মিলন-বিৰহ ইত্যাদি। আনহাতে, প্ৰকৃতি জীৱনৰ লগত ইয়াৰ সম্পৰ্ক অতি গভীৰ। সেইদেখি লোকসাহিত্য হৈছে "হাবি-বননিৰ কৰবীয়া ফুল আৰু আধুনিক সাহিত্য হৈছে কৃত্ৰিমতাৰ পৰশ পোৱা ফুলনিৰ ফুল।"[৩০]

লোকসাহিত্য গীতিপ্ৰধান। জগতৰ সকলো সাহিত্যৰে আৰম্ভণি হৈছে হৈছে গীত বা

---

২৫. Frazer, James : The Goden Bough, P-10.
২৬. Herakovits, Melville, J. : Cultural Anthropology, P-233.
২৭. Abrams, M.H. : A Grossary of Literary Terms, P-63
২৮. নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ১৭।
২৯. কটকী, প্ৰফুল্ল : সাহিত্য আৰু সংজ্ঞা, পৃ. ২৯৭।
৩০. গোস্বামী, উপেন্দ্ৰনাথ : ভাষা আৰু সাহিত্য, পৃ. ৫৮।

কবিতাৰে। আদিম যুগৰ মানৱ আছিল বেছি অনুভূতিপ্ৰৱণ। গতিকে প্ৰকৃতি জগতৰ শোভা-সৌন্দৰ্যই সৃষ্টি কৰা আনন্দ-অনুভূতিৰ যোগেদি যেতিয়া প্ৰকাশ পালে, সিয়ে হ'ল গীত বা কবিতা।

লোকসাহিত্য সামাজিক জীৱনৰ বুৰঞ্জী। সমাজ জীৱনৰ অন্ধবিশ্বাস, লোকবিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্ম, মানসিক পৰিসৰ আদিৰ বিষয়ে লোকসাহিত্যৰ পৰা সুন্দৰকৈ জানিব পাৰি। মানৱ জীৱনৰ নানা দিশ, ক্ৰিয়া-প্ৰতিক্ৰিয়া, শাসন-শোষণ এই আটাইবোৰ কথা লোকসাহিত্যত প্ৰতিফলিত হয়। সংক্ষেপতে ক'বলৈ হ'লে লোকসাহিত্য এখন দাপোণ স্বৰূপ। এইবিধ সাহিত্যৰ একো একোটি গীততে একোখন জগত সোমাই থাকে, যেন এটি ক্ষুদ্ৰ পাত্ৰৰ ভিতৰত এখন মহাসমুদ্ৰ।[৩১]

বিশ্বজনীনতা লোকসাহিত্যৰ আন এটা বিশিষ্ট লক্ষণ।[৩২] সকলো গীততে এই লক্ষণটো আৰোপ কৰিব নোৱাৰিলেও বহুতো সাধুকথা, প্ৰবচন আৰু লোকবিশ্বাসত আন্তৰ্জাতিক ঐক্যৰ সুৰ শুনিবলৈ পোৱা যায়। সাধাৰণ মানুহৰ আবেগ-অনুভূতি আৰু উচ্ছ্বাস একে হোৱাৰ বাবেই সাধাৰণ মানৱীয় অনুভূতিৰ গইনা লৈ ৰচনা কৰা এই সাহিত্যসমূহৰ মাজত স্বাভাৱিক মিল দেখা যায়। লোকসমাজে ভাষাৰ ভিন্নতা স্বীকাৰ কৰিলেও আদৰ্শৰ ক্ষেত্ৰত সদায় অন্বয়ধৰ্মী মনোভাৱ পোষণ কৰি আহিছে আৰু সেইবাবেই পৃথিৱীৰ প্ৰায়বোৰ লোকসাহিত্যতে আন্তৰ্জাতিক ঐক্যৰ সুৰ বিদ্যমান।[৩৩]

লোকসাহিত্য ধৰ্ম নিৰপেক্ষ।[৩৪] গতিকে গতিকে ইয়াত ক'তোৱেই সংকীৰ্ণতাৰ পৰিচয় নাই। তাই বিশেষে দেব-দেৱী, ঈশ্বৰ-ঈশ্বৰীৰ প্ৰসংগ থাকিলেও ধৰ্মৰ নামত ক'তোৱেই উগ্ৰতা পৰিলক্ষিত নহয়।

লোকসাহিত্য কোনো অলংকাৰ শাস্ত্ৰৰ সূত্ৰ অনুসৰণ কৰি ৰচনা কৰা হোৱা নাই। সেই বুলি লোকসাহিত্য কাব্যিক সৌন্দৰ্যৰ ফালৰ পৰা উকা বুলি ক'ব নোৱাৰি। ছন্দ, অলংকাৰ, ৰস, ধ্বনি আৰু অনুভূতিৰ প্ৰাচুৰ্যত লোকসাহিত্য চহকী।

প্ৰত্যেক জাতিৰে লোকসাহিত্যৰ ৰচনাকাল বা সময়ৰ সীমা বান্ধি নিৰ্ণয় কৰা টান। সামূহিক আবেগৰ উমেহতীয়া সৃষ্টি হোৱা বাবেই বহুতো সময়ত ইয়াৰ ৰচনাকাল ঠাৱৰ কৰিবলৈ টান। অৱশ্যে যিবোৰ গীত ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত তেনেবোৰ ৰচনাৰ সময় নিৰ্দ্ধাৰণ কৰা কঠিন নহয়।

লোকসাহিত্য মৌখিক। অনাখৰী আছিল বাবেই ই লিখিত ৰূপত প্ৰতিফলিত নহৈ

---

৩১ উক্ত গ্ৰন্থ, পৃ ৫৩।

৩২ গগৈ, লীলা : অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা, পৃ ৪।

৩৩ উক্ত গ্ৰন্থ, পৃ ৪।

৩৪ ভট্টাচাৰ্য্য, আশুতোষ : বংগৰ জনশ্ৰুতি, পৃ. ১২।

মৌখিকভাৱে প্ৰচলিত আছিল। উইন্টাৰনিজ আদি মনীষাই নানা অনুসন্ধানৰ পিছত এই সিদ্ধান্তলৈ আহিছে যে, আদিতে ৰামায়ণ, মহাভাৰত, ইলিয়াড, ওডিচি আদি মহাকাব্যবোৰ এসময়ত মালিতা জাতীয় মৌখিক সাহিত্যহে আছিল।[৩৫] সেই কাৰণে কোৱা হয় লিখিত সাহিত্যৰ স্থিতিৰ লিপি আৰু লোকসাহিত্যৰ স্থিতিৰ বাহন হ'ল স্মৃতি। মৌখিক বাবেই মানুহৰ স্মৃতি শক্তিৰ ওপৰত নিৰ্ভৰ কৰিহে লোকসাহিত্য জীয়াই আছে।[৩৬]

লোকসাহিত্য বহুক্ষেত্ৰত মানুহৰ শ্ৰমৰ লগত জড়িত গীত। বহু লোকগীত শ্ৰমৰ পৰাই সৃষ্টি হৈছে। জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত আদিৰেপৰাই শ্ৰমৰ সম্পৰ্ক। শ্ৰমৰ লগত জড়িত আছে আকৌ উৎপাদিকা শক্তি। সেয়ে কেতিয়াবা কেতিয়াবা প্ৰকৃতি সুপ্ৰসন্ন হ'বলৈ অৰ্থাৎ উৎপাদন বৃদ্ধি হোৱাৰ উদ্দেশ্যেৰে গীত-মাতেৰে প্ৰকৃতিক নিবেদন জনাইছিল।

লোকসাহিত্য কালজয়ী অৰ্থাৎ চিৰ নতুন।[৩৭] ইয়াৰ পৰিৱৰ্তন হৈ থাকে কাৰণেই গতিশীলো। মৌখিক সদায়েই নতুনকৈ সৃষ্টি হয় আৰু ক্ষেত্ৰ বিশেষত ৰূপান্তৰিত হয়। ই কেতিয়াও ক'ৰবাত স্থবিৰহৈ বৈ নেথাকে বা কোনো এক নিৰ্দিষ্ট বিশ্বাস কৰা বা ভাবকে খামোঁচ মাৰি ধৰি নেথাকে।[৩৮] এই লোকসাহিত্যক ভিত্তি কৰিয়েই শিক্ষিতসকলৰ মাজত প্ৰচলিত সাহিত্য বা আধুনিক সাহিত্য গঢ় লৈ উঠে। সেইবাবে সমালোচকসকলে কোনো এখন দেশৰ সাহিত্যক পিৰামিডৰ লগত তুলনা কৰি লোকসাহিত্যক পিৰামিডৰ তলছোৱাৰ লগত আৰু লিখিত সাহিত্যক ওপৰছোৱাৰ লগত ৰিজাইছে। পিৰামিডৰ ওপৰছোৱা বছি ধুনীয়া, সুক্ষ্ম আৰু পৰিমাৰ্জিত হ'লেও তলৰ বৃহৎ অংশটোৰ ওপৰত প্ৰতিষ্ঠিতৰ নিচিনা লিখিত সাহিত্যৰ মূল জন-সমাজত প্ৰচলিত অপৰিমাৰ্জিত বৃহৎ লোকসাহিত্য।[৩৯]

লোক-সাহিত্যৰ শ্ৰেণী বিভাজন :

বিষয়বস্তু আৰু ৰচনাৰীতিৰ ভিত্তিত লোকসাহিত্যক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি—লোকগীত, ফকৰা-যোজনা আৰু সাধুকথা।

লোকসাহিত্য

লোকগীত ফকৰা-যোজনা সাধুকথা

লোকগীত :

মৌখিক সাহিত্যৰ পৰম্পৰাত পুৰুষানুক্ৰমে প্ৰচলিত গীত-মাতকে লোকগীত আখ্যা

---

৩৫ Winternitz, M History of Indian Literature, Vol 1, P-561

৩৬ শৰ্মা, হেমন্তকুমাৰ : অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ ১৭।

৩৭ শৰ্মা, নবীন চন্দ্ৰ : অসমৰ লোকসাহিত্য, পৃ. ৩৪।

৩৮ ভট্টাচাৰ্য্য, আশুতোষ : বংগৰ লোকসংস্কৃতি, পৃ ৯১।

৩৯. গোস্বামী, উপেন্দ্ৰনাথ : ভাষা আৰু সাহিত্য, পৃ. ৫২।

দিয়া হয়। সাহিত্যৰ দৃষ্টিভঙ্গীৰ বিচাৰত লোকগীতবোৰেই আটাইতকৈ বেছি মূল্যবান। এই লোকগীতৰ কোলাতেই লোকসাহিত্য উম লৈ শুই আছে।[৪০]

আদিম যুগৰে পৰা মানুহে জাক পাতি বসবাস কৰি আহিছে। মানুহৰ মাজত সভ্যতাৰ পোহৰ পৰাৰ আগতেও তেওঁলোকে ভাগৰ জিৰণিৰ গান গাব জানিছিল। দিনত চিকাৰ কৰি আহি নাইবা তাৰ পিছৰ স্তৰত পথাৰত খেতিৰ কামত দিনৰ দিনটো প্ৰবিশ্ৰম কৰি আহি বা ইদল-সিদলৰ মাজত হোৱা সংঘৰ্ষ—এইবোৰৰ অন্তত গধূলি জাক পাতি সকলোৱে নানান কথা পাতিলেও শৰীৰ আৰু মনৰ ভাগৰ জুৰাইছিল গীতে।[৪১] এই গীতত আছিল চিকাৰ কৰোঁতে পোৱা বীৰত্বপূৰ্ণ অভিজ্ঞতা, খেতি পথাৰৰ শ্ৰমৰ আনন্দ অথবা নিজৰ দলৰ কোনোৱে সাহসিকতাৰে শত্ৰুৰ হাতত প্ৰাণ বিসৰ্জন দিয়া বা শত্ৰুক পৰাজয় বৰণ কৰোৱা গৌৰৱপূৰ্ণ বৰ্ণনা। স্বভাৱিকতে এনে বৰ্ণনাবোৰ ৰচিত হৈছিল গীত বা ছন্দত। বেলাড বা মালিতাৰ জন্ম হৈছিল এনেকৈয়ে। পৃথিৱীৰ সকলো সাহিত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে, গদ্যতকৈ পদ্য ৰচনাহে আগতিয়াকৈ হৈছে। এই গীতবোৰেই জীৱনৰ বিভিন্ন কাৰ্য আৰু অৱস্থা ইয়ান বিষয়বস্তুৰে সামৰি লয়। লোকগীতৰ বৈশিষ্ট্য উল্লেখ কৰি সত্যেন্দ্ৰনাথ শৰ্মাদেৱে কৈছে—"অনাড়ম্বৰ সৰল ভাষা, ঘৰুৱা চিত্ৰ, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱ লোকগীতসমূহত লক্ষ্য কৰা যায়। গীতবোৰত ছন্দ, ভাব আৰু ভাষা শৃংখলিত নহয়, সাবলীল আৰু উন্মুক্ত। চহা প্ৰাণৰ ই মুক্ত পৰিস্ফুৰণ আৰু আদিম তথা মৌলিক ভাবাবেগৰ অকৃত্ৰিম প্ৰকাশ।"[৪২]

লোকগীতক আকৌ প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি—অনুষ্ঠানমূলক, কৰ্মবিষয়ক আৰু আখ্যানমূলক। এই কেইবিধৰো আকৌ প্ৰত্যেকৰে কেইবাটাও উপশাখাও আছে[৪৩]:

লোকগীত
- অনুষ্ঠানমূলক
  - ভক্তি নিৰপেক্ষ
  - ভক্তিমূলক
- কৰ্ম-বিষয়ক
- আখ্যানমূলক
  - বুৰঞ্জীমূলক
  - কিংবদন্তী বা জনশ্ৰুতিমূলক
  - বাৰমাহী বা বিলাপগীত

১.১. **অনুষ্ঠানমূলক গীত :** অনুষ্ঠানমূলক গীতসমূহ সাধাৰণতে কোনো উৎসৱ-অনুষ্ঠান উপলক্ষে গোৱা হয়। ঋতুকালীন উৎসৱ, বিয়া উৎসৱ, মৃতকৰ স্মৰণ উৎসৱ, শুচি

---

৪০ বৰুৱা, বিৰিঞ্চিকুমাৰ : অসমৰ লোকসংস্কৃতি, পৃ. ৪৬।

৪১ Kumar, B B Folklore and Folklore Motifs, P-28.

৪২ শৰ্মা, সত্যেন্দ্ৰনাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৩৪।

৪৩. শৰ্মা, হেমন্তকুমাৰ : লোকগীতি সঞ্চয়ন, পৃ. ১১।

হোৱাৰ উৎসৱ, দেব-দেবীৰ পূজা উৎসৱ, ধৰ্মীয় উৎসৱ আদি উৎসৱ-অনুষ্ঠানৰ গীতসমূহ এই পৰ্যায়ৰ অন্তৰ্ভুক্ত। এই শ্ৰেণীৰ গীতবো ঠাল-ঠেঙুলি দুটা—ভক্তি নিৰপেক্ষ আৰু ভক্তিমূলক। ঋতুকালীন আৰু বিয়া উৎসৱৰ গীতসমূহ সাধাৰণতে ভক্তি নিৰপেক্ষ। আনহাতে, দেব-দেবীৰ পূজা, মৃতকৰ স্মৰণ, শুচি হোৱাৰ আদি উৎসৱৰ গীতসমূহ ভক্তিসাপেক্ষ।

১.২. কৰ্মবিষয়ক গীত : এই শ্ৰেণীৰ গীত সাধাৰণতে কোনো কাম কৰোঁতে শ্ৰম লাঘৱ আৰু আনন্দ বিনোদনৰ কাৰণে গোৱা হয়।[৪৪] দহজনে একেলগে কাম এটা কৰোঁতে যেতিয়া মুখেৰে 'হেই জোৰ', 'অ' হেইয়া' আদি শব্দ উচ্চাৰণ কৰে, তেতিয়া শ্ৰম লাঘৱৰ লগতে কামতো একেলগে আগবাঢ়ি যাবলৈ উৎসাহ পায়। এনে গীতক কৰ্ম-সংগীত বোলে। সাধাৰণতে কিছুমান কামে কৰোঁতাসকলৰ অন্তৰত এক লয়যুক্ত সুৰ আৰু গীতৰ সৃষ্টি কৰে।

কৰ্ম সংগীতৰ ভিতৰত ধাইনাম বা নিচুকনি গীত, নাওখেলৰ গীত, কুঁহিয়াৰ পেৰা গীত, বৰশী বোৱা গীত, গৰখীয়া গীত, খেল-ধেমালিৰ গীত, নাঙলৰ গীত, জুম খেতিৰ গীত আদি অন্তৰ্ভুক্ত।

ল'ৰা-ছোৱালীক শুৱাবৰ কাৰণে মাকে বা ধাইমাকে শিয়াল, কাণখোৱা আদিৰ কথা কৈ নিচুকোৱা একশ্ৰেণীৰ গীত গায়। ইয়াকে কোৱা হয় নিচুকনি বা ধাইনাম। এই গীত শুনি ল'ৰা-ছোৱালীয়ে কান্দোন বন্ধ কৰি মন্ত্ৰমুগ্ধ বা সম্মোহিত হৈ টোপনি যায়। তেনেদৰে নাও বাই যাওঁতে ব'ঠাৰ চাবে চাবে তাল মিলাই সমস্বৰে মন ৰঙাবলৈ নাওখেলৰ গীত গায়। বৰশী বোৱা গীতৰ এক অদ্ভুত শক্তি থকা বুলি বিশ্বাস কৰা হয়। এই গীত গালে হেনো মাছ আহে আৰু বেছি মাছ পালেও মুখ নেলাগে। একেদৰে বিভিন্ন কাৰ্য কৰোঁতে যেনে—গৰু চাৰোঁতে, কুঁহিয়াৰ পেৰোঁতে, হাল বাওঁতে, খেতি কৰোঁতে বিভিন্ন গীত গোৱা হয়। এই গীতসমূহ কেতিয়াবা দলবদ্ধভাৱে আৰু কেতিয়াবা অকলশৰীয়াকৈ কাম কৰোঁতেও গোৱা হয়। অকলশৰীয়াকৈ গালে কেতিয়াবা আকৌ গীতটো সম্পূৰ্ণ উচ্চাৰণ নকৰি সুঁহুৰিয়াই গোৱা হয়। ইয়াকো কৰ্ম-সংগীতৰ ভিতৰত ধৰা হয়।[৪৫]

১.৩. আখ্যানমূলক গীত : এই শ্ৰেণীৰ গীতৰ মাজেদি একোটি আখ্যান বা কাহিনী বৰ্ণনা কৰা হয়। এই গীতক মালিতা বা বেলাড বোলে। 'বেলাড' শব্দটোৱে নৃত্যৰ পৰিপূৰকভাৱে গোৱা গীতক বুজায়।[৪৬] অভিধানৰ মতে, "লেখাৰিকৈ বৰ্ণোৱা পদ বা গীত।"[৪৭] অসমীয়া মালিতা শব্দটো মালা শব্দৰ পৰা সৃষ্টি হৈছে। ফুলৰ মালাৰ দৰে

---

৪৪. Leach, M. : Standard Dictionary of Folklore, Mythology and Legend, P-1182.

৪৫. Leach, M. . Standard Dictionary of Folklore, Mythology and Legend, P-1183.

৪৬. Goswami, P.D. : Ballads and Tales of Assam, PP-7-8.

৪৭. বৰুৱা, হেমচন্দ্ৰ : হেমকোষ, পৃ. ৮১৩।

ধাৰাবাহিকভাৱে গাঁথি থোৱা গীতব্যঞ্জক কাহিনীয়েই হ'ল মালিতা। মালিতাত দেশৰ অতীত কাহিনী, কিংবদন্তীমূলক বা কাল্পনিক আখ্যান, আদি ৰসাত্মক কাহিনী আৰু দুঃসাহসিক বা অতিপ্ৰাকৃত ঘটনাৰ সমাবেশ দেখা যায়। কিন্তু কাৰুণ্যই এই গীতৰ প্ৰধান সুৰ। মালিতাৰ ৰচনাৰীতি সৰল, পোনপটীয়া আৰু কেতিয়াবা নাটকীয় ঠাচৰ হয়।[৪৮]

বেলাড বা মালিতাক বিষয়বস্তু অনুসৰি তিনিটা ভাগত ভগাব পাৰি—বুৰঞ্জীমূলক, কিংবদন্তী বা জনশ্ৰুতিমূলক আৰু বাৰমাহী বা বিলাপ গীত। ইতিহাস প্ৰসিদ্ধ কোনো চৰিত্ৰ বিশেষৰ করুণ পৰিণতি দেখুওৱাই বুৰঞ্জীমূলক মালিতাৰ উদ্দেশ্য। আনহাতে, অলৌকিক ঘটনাৰ সমাবেশ ঘটা মনোৰঞ্জক কাহিনীয়েই হ'ল কিংবদন্তী বা জনশ্ৰুতিমূলক মালিতা। বাৰমাহী বা বিলাপ গীতবোৰ করুণ ৰসপ্ৰধান আৰু প্ৰোষিতভৰ্তৃকা নায়িকাৰ বিৰহ বেদনাৰে ভৰপুৰ।

ফকৰা-যোজনা ঃ

ফকৰা, যোজনা, পটন্তৰ, প্ৰবাদ, প্ৰবচন, দৃষ্টান্ত—এই শব্দকেইটা অসমীয়া ভাষাত প্ৰায় সমাৰ্থবাচক। অৱশ্যে সূক্ষ্ম আলোচনাৰ দৃষ্টিত এই শব্দকেইটাৰ নিজস্ব বৈশিষ্ট্য আছে, কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত এইবোৰ নিৰ্বিচাৰে প্ৰয়োগ দেখা যায়।[৪৯] অসমীয়া ভাষাত সংগৃহীত হোৱা এই বিষয়ৰ পুথিবিলাকতে তাৰ প্ৰমাণ পোৱা যায়। অধিক কি, কিছুমানে নীতিবচন আৰু ডাকৰ বচনকো যোজনা বুলি ধৰে। এই সকলোবোৰ ভাষাৰ জতুৱা ঠাচৰেই অংগ-প্ৰত্যংগ স্বৰূপ। কেতিয়া আকৌ সাঁথৰ বিলাকেও ফকৰাৰ ঠাই অধিকাৰ কৰে। তেনেদৰে আপ্তবাক্য, প্ৰজ্ঞোক্তি আদিকো ফকৰাই সামৰি লৈছে।[৫০]

মানুহৰ অতীত জীৱনৰ বহু যুগ সঞ্চিত বাস্তৱ অভিজ্ঞতাৰ পৰাই ফকৰা-যোজনাৰ উৎপত্তি। ইয়াৰ যোগেদি মানুহৰ বিভিন্ন সময়ৰ ব্যক্তিগত আৰু সামূহিক জীৱনৰ ৰীতি-নীতি, আচাৰ-বিচাৰ, ধৰ্ম-কৰ্ম, আশা-আকাংক্ষা, চিন্তা-চৰ্চা, ভাব-আদৰ্শ কিদৰে কোনেপিনে কিমানখিনি আগবাঢ়িছে তাক অনুমান কৰিব পাৰি। চুটি চুটি বাক্য একোটিতে সাৰগৰ্ভ সত্য বা অভিজ্ঞতা প্ৰকাশ কৰিব পৰা অদ্ভুত শক্তি এইবোৰত লক্ষ্য কৰা যায়। সেইবাবেই "ফকৰা-যোজনা বা প্ৰবাদ-প্ৰবচনবিলাক জীৱনৰ দীৰ্ঘতম অভিজ্ঞতাৰ হ্ৰস্বতম প্ৰকাশ।"[৫১]

ফকৰা-যোজনাবোৰ সাধাৰণতে গূঢ়াৰ্থক, আপাত বক্তব্যৰ অন্তৰালত একোটা নিগূঢ় অৰ্থ সোমাই থাকে। বক্তাৰ কথা কোৱাৰ চমৎকাৰিতা, বুদ্ধিদীপ্ততা, পৰ্যবেক্ষণ শক্তি আৰু সাংসাৰিক জ্ঞানৰ স্বাক্ষৰ এই প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনাবোৰে বহন কৰে। ব্যাপক অভিজ্ঞতাৰ কৰবটি শিলত পৰীক্ষিত এই উক্তিবোৰ সংসাৰ যাত্ৰীৰ বাবে দিগ্‌দৰ্শক স্বৰূপ। বক্তব্যখিনি কেতিয়াবা একোটি চুটি বাক্যত, কেতিয়াবা আকৌ ছন্দোবদ্ধ ৰূপত একোটা

৪৮. শৰ্মা, হেমন্তকুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৩।

৪৯. কটকী, প্ৰফুল্লদত্ত ঃ সাহিত্য আৰু সংজ্ঞা, পৃ ২৭৬।

৫০. হাজৰিকা, পৰীক্ষিত ঃ অসমীয়া ফকৰা-যোজনা, পৃ. ২।

ক্ষুদ্ৰ সূত্ৰৰ দৰে প্ৰকাশ পায়। ছন্দোবদ্ধ ফকৰাবোৰত সাধাৰণতে এফাঁকি কথা পূৰাবলৈ আন এফাঁকি কথা যোগ কৰি দিয়া হয়, যোগ কৰি দিয়া ফাঁকিৰ বহুক্ষেত্ৰত কোনো অৰ্থ নাথাকিবও পাৰে। তথাপি উপমা আৰু চিত্ৰধৰ্মীতাই বক্তব্যখিনি মধুৰ কৰি তোলে, অন্ত্যানুপ্ৰাসে তাৰ কাব্যিক জেউতি চৰায়। কেতিয়াবা আকৌ ফকৰা-যোজনাৰ অন্তৰালত একোটা কাহিনী বা ঘটনাৰ আভাস নিহিত থাকে। বিষয় আৰু প্ৰসংগ অনুযায়ী ফকৰা-যোজনাত ৰসিকতা, বিদ্ৰূপ, প্ৰশংসা, উপদেশ আদি ফুটি উঠে। এইবোৰৰ প্ৰসংগোচিত বিষয়ৰ যথাৰ্থতা, প্ৰকাশিকা শক্তি আৰু অৰ্থব্যঞ্জনা স্বাভাৱিকতে তাৎপৰ্যপূৰ্ণ। মুঠতে, ফকৰা-যোজনা হ'ল মানুহৰ এক বিশেষ বাণীভংগী, ই 'লোক-প্ৰজ্ঞাৰ বুদ্ধিদীপ্ত শুৱলা প্ৰকাশ।'[৫২]

পৃথিৱীৰ প্ৰায়বোৰ ভাষাতেই ভিন্ ভিন্ নাম-সংজ্ঞাৰে ফকৰা-যোজনাৰ প্ৰচলন আছে আৰু এইবোৰৰ উৎপত্তিৰ উৰ্বৰ ভূমি হ'ল কৃষিকেন্দ্ৰিক গ্ৰাম্য সমাজ। নগৰীয়া জীৱন বা আধুনিক সভ্যতাৰ লগত এইবোৰৰ বিশেষ সম্পৰ্ক নাই বুলিলেও হয়। সেইবাবে নগৰমুখী আজিৰ সমাজ ব্যৱস্থাৰ যুগত খাপ নোখোৱা বাবেই বহুতো প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা অপ্ৰচলিত হৈ লোপ পোৱাৰ উপক্ৰম হৈছে।

সাধুকথা ঃ

লোকসাহিত্যৰ এটা অন্যতম শাখা হ'ল সাধুকথা। কাহিনী বা গল্প শুনা আৰু কোৱাৰ প্ৰবৃত্তি অতি প্ৰাচীন। গদ্যৰ মাধ্যমত বৰ্ণিত সাধুকথা শ্ৰেণীৰ বহুতো কাল্পনিক কাহিনী বিশ্বৰ বিভিন্ন ভাষাত প্ৰচলিত হৈ আছিছে, হাবিতলীয়া মৃগয়াজীৱি মানুহৰ সমানেই ই পুৰণি।[৫৩]

'সাধুকথা' শব্দৰ মূল বিচাৰি বহুতে কয় যে, কাহিনীৰ অন্তৰালত সাধু, সৎ বা নীতিকথা একোটা জড়িত থাকে বাবেই পুৰণি কাহিনীবোৰক মানুহে সাধুকথা বোলে। বেজবৰুৱাৰ ভাষাত "সাধুকথা মানে সজকথা বা সন্ত-সাধুৰ বাক্য বুলি আদিৰ পৰাই অসমীয়াই ভাবি আহিছে।"[৫৪] আন কোনো কোনোৱে আকৌ সংস্কৃত সাধু অৰ্থাৎ সাউদৰ পৰা সাধুকথাৰ উৎপত্তি বুলি কৈছে।[৫৫] সেয়ে 'সাধু' শব্দটো দূৰণিৰ পৰা ঘূৰি-পকি অহা সাউদ বা সাধু-সন্ন্যাসীয়ে নিজ অভিজ্ঞতা বৰ্ণনা কৰাৰ পৰাই অহা বুলি মত পোষণ কৰে। সৰহীয়া ডিঙা হৈ বণিজলৈ যোৱা সাউদে বহু দিনৰ মূৰত ঘৰলৈ উলটি আহে। আহোঁতে দেশ-বিদেশৰ ৰসাল কাহিনী টোপোলা বান্ধি লৈ আহে আৰু গাঁৱৰ গঞাৰ আগত সাউদে নিজৰ বিচিত্ৰ অভিজ্ঞতা বৰ্ণনা কৰে। আনহাতে, সংস্কৃত ভাষাৰ পঞ্চতন্ত্ৰ, হিতোপদেশ আদি নীতিমূলক কথাবোৰ অসমত প্ৰচলিত হোৱাৰ পিছত সাধুকথা শব্দটো নীতি-জ্ঞানমূলক

---

৫১ ভট্টাচাৰ্য, আশুতোষ ঃ বংগৰ জনকৃষ্টি, পৃ ১০৩।

৫২ হাজৰিকা, পৰীক্ষিত ঃ অসমীয়া ফকৰা-যোজনা, পৃ ৩।

৫৩ নেওগ, মহেশ্বৰ আৰু অন্যান্য সম্পাদিত ঃ 'অসমীয়া গল্প-গুচ্ছ'ৰ পাতনি, পৃ ৩।

৫৪ বেজবৰুৱা, লক্ষ্মীনাথ ঃ 'বুঢ়ী আইৰ সাধু'ৰ পাতনি, পৃ. ৫।

৫৫ Goswami, PD Ballads and Tales of Assam, P-80

বুলি ভাবিবলৈ অৱকাশ পাইছে। মুঠতে, সাধুকথা যেনেদৰে কল্পনা আৰু অভিজ্ঞতা প্ৰসূত, তেনেদৰে ই শিক্ষণীয় আৰ্হি আদৰ্শ আৰু মনোৰঞ্জনৰ দ্বাৰাও অনুপ্ৰাণিত।

সাধুকথাৰ শ্ৰেণী বিভাজন ঃ বেজবৰুৱাই সাধুকথাক দুটা বহল ভাগত ভাগ কৰিছে— নীতিশিক্ষামূলক সাধুকথা আৰু কল্পনামূলক সাধুকথা।[৫৬] সাধাৰণতে, নীতিশিক্ষামূলক আদৰ্শ সাধু মাত্ৰতে নিহিত থাকে, কিন্তু পঞ্চতন্ত্ৰ, হিতোপদেশ আদিৰ দৰে কিছুমান সাধুৰ মাজেদি ঘাইকৈ নীতিশিক্ষা বা নীতিজ্ঞান বিতৰণ কৰিব বিচৰা হয়। এনে সাধুৰ বাহিৰে বাকীবোৰক কাল্পনিক সাধুৰ শ্ৰেণীত ঠাই দিব পাৰি।

বিশিষ্ট লোকতত্ত্ববিদ থমচনে আকৌ আন প্ৰকাৰে দুটা বহল ভাগত সাধুকথাক বিভক্ত কৰিছে—পৌৰাণিক বা পৰম্পৰাগত সাধু (Legend) আৰু কাল্পনিক সাধু (Marchen)।[৫৭] মানুহৰ পৰা ভালুক কেনেকৈ হ'ল, তেকুলীৰ পিঠিত শলনী হ'ল কেনেকৈ, জোক আৰু মহে মানুহৰ তেজ কিয় খায় আদিৰ পৰম্পৰাগত সাধু বুলি পাৰি। লোকসমাজে এই সাধুকথাবোৰক পৰম্পৰাগত ভাবেই সত্য বুলি বিবেচনা কৰি আহিছে। আনহাতে, চিলনীৰ জীয়েকৰ সাধু, শিয়াল আৰু বান্দৰৰ সাধু প্ৰভৃতি সাধুক কাল্পনিক সাধু বুলিব পাৰি। থমচনে আকৌ কাল্পনিক সাধুক জন্তু প্ৰধান, অলৌকিক প্ৰধান, ধেমেলীয়া, দুষ্টালি বা টেঙৰালি, সমষ্টি প্ৰধান আদি ভিন্ ভিন্ ভাগত ভাগ কৰিও দেখুৱাইছে।[৫৮]

তেনেদৰে প্ৰফুল্লদত্ত গোস্বামীয়ে সাধুকথাক টেটোন, তেজা তেজী, আমোদী, সমস্যামূলক, নীতিমূলক সাধু আদি বিভিন্ন ভাগত ভাগ কৰিও বিশ্লেষণ কৰিব পাৰি বুলি ইংগিত দিছে।[৫৯]

যথাৰ্থতে, সকলোবোৰ সাধুকেই কাল্পনিক বুলিয়েই ক'ব পাৰি। পশ্চিমীয়া দৃষ্টিৰে কাল্পনিক সাধু মাত্ৰকে পৰীৰ সাধু বুলি চিহ্নিত কৰা হয়। কাৰণ পৰী মানেই এক কাল্পনিক সত্তা মাথোন।[৬০] তেনেদৰে সাধুকথাতো অভিজ্ঞতাৰ স্পৰ্শ থাকিলেও ই মূলতঃ কাল্পনিকহে।

ইউৰোপীয় পণ্ডিতসকলে সাধুকথাৰ বিভিন্ন ৰূপৰ মাজত পাৰ্থক্য দেখুৱাবৰ কাৰণে মাৰ্চেন, চেজেন, মিথ, ফেয়াৰি, ফোকটেইল, ফেইবল, লেজেণ্ড, চিণ্ডাৰেলা, যমখুলা টেইল আদি বিভিন্ন নাম ব্যৱহাৰ কৰে।[৬১] অসমীয়া সাহিত্যত প্ৰফুল্লদত্ত গোস্বামীয়ে বিজ্ঞানসম্মত ভাৱে এই ভাগবোৰক ভিত্তি কৰি অসমীয়া সাধুকথাবোৰক চিনাক্ত কৰাৰ প্ৰয়াস কৰা দেখা যায়।

এনেদৰে লোকসাহিত্যক ৰূপ আৰু প্ৰকৃতি অনুসৰি বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি। এই অধ্যায়ত আলোচিত লোক-সাহিত্যৰ ভাগবোৰক ভিত্তি কৰি লৈয়েই পৰৱৰ্তী অধ্যায়ত গাৰো লোক-সাহিত্যৰ অধ্যয়ন তথা বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

---

৫৬ বেজবৰুৱা, লক্ষ্মীনাথ : 'বুঢ়ী আইৰ সাধু'ৰ পাতনি, পৃ ৫।
৫৭ Thompson, Stith The Folklore, PP ৪-৭
৫৮ Ibid., P ৭
৫৯ গোস্বামী, প্ৰফুল্লদত্ত : অসমীয়া জনসাহিত্য, পৃ ১০৬ ১২৫।
৬০ শৰ্মা, শশী : অসমীয়া লোকসাহিত্য, পৃ ১১৫।
৬১ Abrams, M H A Glossary of Literary Terms, P-64

গাৰো লোক-সাহিত্য

লোকসাহিত্যৰ ক্ষেত্ৰত গাৰো জনজাতিৰ এক নিজস্ব সাংস্কৃতিক ঐতিহ্য আছে। বিভিন্ন গীত-মাতেৰে গঢ় লোৱা গাৰো লোকসাহিত্য গাৰোসকলৰ বিশিষ্ট সাংস্কৃতিক পৰম্পৰাৰ এক আপুৰুগীয়া সম্পদ। লোকসাহিত্যৰ মাজতে জন-জীৱনৰ বিচিত্ৰতাৰ স্পন্দন উপলব্ধি কৰিব পাৰি। ইয়াৰ মাজতে গাৰোসকলৰ হাঁহি-কান্দোন, আবেগ-অনুভূতি, আশা-আকাংক্ষা, বিৰহ-মিলন, বিশ্বাস-অন্ধবিশ্বাস আৰু সামাজিক আচাৰ-অনুষ্ঠানৰ বিষয়ে প্ৰামান্য তথ্য লুকাই আছে।

অন্যান্য লোকসাহিত্যৰ দৰে গাৰো লোকসাহিত্যকো সাধাৰণভাৱে লোকগীত, ফকৰা-যোজনা আৰু সাধুকথা—এই তিনিটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি।

গাৰো লোকগীত ঃ

গাৰোসকলৰ মাজত এতিয়াও মুখে মুখে অসংখ্য লোকগীত সিঁচৰতি হৈ আছে। সেইবোৰক বিভিন্ন নামেৰে জনা যায়।[৬২] যেনে—এজিয়া, দোৰোৱা, আম্‌বেঙনি অনেহা, কথা আগানা, কথা জিক্‌চে, নোক্‌দোনগোৱা ৰিঙানি, কাবে, গ্ৰীকা, জাৰেকাটা, চেৰিজিং, কৃতা অমুৱা, দোচিয়া, ৰিচা মেমোআনি, চেকেকাটা, আঁচিৰোকা আদি।

ওপৰত উল্লেখ কৰা গাৰো লোকগীতসমূহক প্ৰণালীবদ্ধভাৱে তিনিটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি— অনুষ্ঠানমূলক, কৰ্ম-বিষয়ক আৰু আখ্যানমূলক লোকগীত। ইয়াৰ শ্ৰেণীবদ্ধ ৰূপ এনেধৰণৰ ঃ

গাৰো লোকগীত

অনুষ্ঠানমূলক	কৰ্ম-বিষয়ক	আখ্যানমূলক
↓	↓	↓
এজিয়া	কথা জিক্‌চে	কথা আগানা
দোৰোৱা	ৰিচা মেমোআনি	কাবে
আম্‌বেঙনি অনেহা	নোক্‌দোনগোৱা ৰিঙানি	
দোচিয়া	গ্ৰীকা	
চেকেকাটা	আঁচিৰোকা	
জাৰেকাটা		
কৃতা অমুৱা		
চেৰিজিং		

৬২. Sangma, Milton. S History of Garo Literature, P-3.

(১) অনুষ্ঠানমূলক লোকগীত ঃ

অনুষ্ঠানমূলক লোকগীতসমূহ সাধাৰণতে কোনো উৎসৱ-অনুষ্ঠান উপলক্ষেহে গোৱা হয়। ইয়াক আকৌ দুটা ভাগত ভগাব পাৰি—ভক্তি নিৰপেক্ষ আৰু ভক্তিমূলক। গাৰো অনুষ্ঠানমূলক লোকগীতসমূহৰ ভিতৰত এজিয়া, দোৰোৱা; আম্‌বেঙনি অনেহা, চেৰিজিং, দোচিয়া আৰু চেকেকাটাক ভক্তি নিৰপেক্ষ অনুষ্ঠানমূলক গীতৰ শাৰীত পেলাব পাৰি। ইয়াৰে ভিতৰত প্ৰথম তিনিবিধ গাৰোসকলৰ প্ৰধান উৎসৱ 'ওৱানগালা'ত নৃত্যৰ লগত গোৱা হয়। চেৰিজিং ইয়াৰেই সমপৰ্য্যায়ৰ প্ৰেমমূলক গীত। বাকী দুবিধ দোচিয়া আৰু চেকেকাটা বিয়া উৎসৱৰ লগত জড়িত। আনহাতে, ভক্তিমূলক গীতসমূহৰ ভিতৰত জাৰেকাটা আৰু কৃতা অমুৱা উল্লেখযোগ্য। তলত প্ৰত্যেক বিধৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা হ'ল।

এজিয়া ঃ এইবিধ লোকগীত গাৰোসকলৰ পৰম্পৰাগত লোক-উৎসৱ 'ওৱানগালা'ত গোৱা হয়। ইয়াক অসমীয়া সমাজৰ বঙালী বিহু উৎসৱৰ বিহুগীতৰ লগত তুলনা কৰিব পাৰি। বঙালী বিহুৰ দৰে 'ওৱানগালা' উৎসৱৰ আনন্দমুখৰ পৰিবেশৰ মাজেৰে গাৰো ডেকা-গাভৰুৰ পৰস্পৰৰ মাজত চা-চিনাকি, গীত-মাত আৰু নৃত্যত অংশ গ্ৰহণৰ মাজেৰে ভাবৰ আদান-প্ৰদান ঘটে, প্ৰেম-প্ৰীতিৰ উৎস ৰচিত হয়, সুখ-দুখ আৰু আনন্দ-উল্লাসৰ কথা হিয়া উজাৰি ব্যক্ত কৰাৰ বাবে সোণালী সুযোগ লাভ কৰে। এজিয়া গীতত অংশগ্ৰহণকাৰী গাভৰুৱে প্ৰথম গীত-মাতৰ যোগেৰেই পৰিচয় পৰ্বৰ সূচনা কৰে এনেদৰে ঃ

দো'ছৌক ফাগিবাচামা মাই বক্ৰোনিছ্ব নাম্মাবা
চালাং আজোবাছামা বালি ছুত্তোনিছ্ব ডঙবা
ছেক আ'ফালানছো বৌল্‌বা-আমা ডঙবা
নোক্‌মা ওৱানগালাছ্ব ছক্‌বা-আমা নাম্মাবা?[৬৩]

অৰ্থাৎ

তুমি উৰণীয়া ভাটো হে কোন গছৰপৰানো আহিলা
চেৰ পেলাব নোৱৰা স্বাধীনচিন্তীয়া বীৰ নে
তুমি কোন অঞ্চল বা গাঁৱৰ
পথাৰৰ উৰণীয়া শলিকা হোৱাৰ বাবেহে
নে নোক্‌মা ওৱানগালাৰ[৬৪] বাবে উপস্থিত হ'লা চোন্নাইটি?[৬৫]

---

৬৩. মাৰাক মনোৰঞ্জন—'ওৱানগালা এটি চমু আলোচনা' প্ৰবন্ধ; জ্ঞানশংকৰ বাৰুৱাৰী আৰু অনিল দাস সম্পাদিত অসম সাহিত্য সভাৰ দুধনৈ অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'আলাপিত'ত সন্নিবিষ্ট পৃ. ১০১।

৬৪. 'ওৱানগালা' উৎসৱ প্ৰথমে উদ্‌যাপিত হয় গাঁৱৰ মুখিয়ালজনৰ (নোক্‌মা) ঘৰত। ইয়াকে 'নোক্‌মা ওৱানগালা' বোলে।

৬৫. মাৰাক, মনোৰঞ্জন—উক্ত গ্ৰন্থ, পৃ. ১০১।

ওৱানগালা উৎসৱৰ বাতৰি শুনি ভাটৌ বা শালিকা হৈ উৰি অহাৰ দৰে অসমৰ ৰঙালী বিহুৰ বতৰা শুনিও সুদূৰত থকা আপোনাজন ঘৰলৈ বুলি ঢাপলি মেলে। এজিয়া গীতত গাভৰুজনীয়ে প্ৰিয়জনক অকল প্ৰশ্নৰ অৱতাৰণা কৰিয়েই ক্ষান্ত নেথাকে, লগতে প্ৰিয়জনৰ মন জয় কৰাৰ মানসেৰে উপমাসূচক গীতৰ জৰিয়তে প্ৰসংশাও কৰে ঃ

মৌথাং চালগিৰা গৌট্টা
নৌক্কাদে ডঙাখো,
কাম্‌বি চুচিমে গৌট্টা
নৌক্কা আংনি নাম্মাখো।[৬৬]

অৰ্থাৎ,

মুখখনি চন্দ্ৰ যেন
লাগে মোৰ চেনাইটিৰ
উচ্চতা যেন সুৰুযৰ দৰে
দেখো মোৰ চেনাইটিক।[৬৭]

ডেকাজনেও তাৰ মনে বিচৰা গাভৰুজনীৰ ৰূপ বৰ্ণনা কৰি পৰস্পৰৰ মাজত প্ৰেমৰ পূৰ্বৰাগ জগাই তুলিবলৈ প্ৰয়াস কৰে ঃ

চ্যু বৌৎচিখো বৌঙোছো গৌদ্দক নাম্মা ডঙাবা,
ডভাথাং খো নৌক্কোছা বিখা নাম্মা নাম্মাবা।
খ্রি ৰাছৌন বিগংজক্ ডঙাবা;
খু'চৌল মান্দান বিৰানজক্ নাম্মাবা।
ছেংখিনা মাৎচাং চন্ চন্ ডঙাবা,
নাদেমা নাথেং বা'ৰাং ৰাং নাম্মাবা।[৬৮]

অৰ্থাৎ

অবিমিশ্ৰিত মদৰ ৰস পান কৰিলেহে
কণ্ঠ ভাল (তৃপ্ত) হয় অ' চেনাইটি
প্ৰেয়সীক (তোমাক) দেখা পালেহে
হিয়া জুৰ পৰে অ' চেনাইটি
চুলিটাৰি যেন পিয়াজৰ ঠাৰিৰ দৰে
লহ্-পহ্কৈ বাঢ়িছে ঐ চেনাটিৰ
ওঁঠ দুটি যেন মদাৰ ফুলৰ দৰে

৬৬. উক্ত গ্ৰন্থ, পৃ. ১০১।
৬৭. উক্ত গ্ৰন্থ, পৃ. ১০১।
৬৮. উক্ত গ্ৰন্থ, পৃ. ১০২।

ফুলিছে মোৰ চেনাইটিৰ
কঁকালৰ মাজভাগ সৰু মোৰ চেনাইটিৰ
নিমজ গাল দুখনিও আলফুলীয়া মোৰ চেনাইটিৰ।[৬৯]

আকৌ, গাৰো গাভৰুৱে তাইৰ মনে ধৰা ডেকাজন বিবাহিত নে অবিবাহিত, তাৰো স্পষ্টীকৰণ বিচাৰে ওৱানগালাৰ এই এজিয়া গীতৰ জৰিয়তে :

থানি খৌম্‌গী ছিনাদে
খেন্‌ মানা
জা'নৌক ছুবীয়ানাদে
ছা'দৌক।[৭০]

অৰ্থাৎ,

কোনোবাজনীৰ অধিষ্থিত হৈ থাকিলে
ভয় লাগে ঐ চেনাইটি
পকা জলকীয়াতকৈও তাৰ জ্বালা
বেছি হেনো ঐ চেনাইটি।[৭১]

তেতিয়া ডেকাজনেও গাভৰুৰ মনৰ সন্দেহ দূৰ কৰিবলৈ গীতৰ জৰিয়তে স্পষ্টীকৰণ দিবলৈ প্ৰয়াস বা শপত খায় এনেদৰে :

নাকো জৌক গৌ নাঙাদে হানি মাৎচা
ফৌলচানি চৌক্‌খানা
জাকো দে গৌনাঙোদা চিনি বুগা
ৰাংচ্‌নি ৰা'খানা।[৭২]

অৰ্থাৎ,

ঘৰত স্ত্ৰী থাকিলে অৰণ্যৰ বাঘে
সাতবাৰ ধৰি খাওঁক
সন্তান থাকিলে পানীৰ ঘৰিয়ালে
সাতবাৰ ধৰি নিয়ক।[৭৩]

গাৰোসকলৰ এজিয়া গীতৰ দৰে অসমৰ গোৱালপৰীয়া লোকগীততো ডেকাজন (মাহুত) বিবাহিত নে অবিবাহিত তাৰ স্পষ্টীকৰণ বিচৰা দেখা যায় :

৬৯. উক্ত গ্ৰন্থ, পৃ. ১০২।
৭০ উক্ত গ্ৰন্থ, পৃ ১০২।
৭১ উক্ত গ্ৰন্থ, পৃ ১০২।
৭২ উক্ত গ্ৰন্থ, পৃ. ১০২।
৭৩ উক্ত গ্ৰন্থ, পৃ. ১০২।

হস্তীৰ নৰাণ হস্তীৰ চৰাণ হস্তীৰ পাৰে দৰি।
সত্য কৰিয়া কন্‌ৰে মাহুত ঘৰে কয়জনী নাৰী।।[৭৪]

ভেতিয়া মাহুতে স্পষ্টীকৰণ দি সন্দেহ ভঞ্জনৰ চেষ্টা কৰে এনেদৰে :

হস্তীৰ নৰাণ হস্তীৰ চৰাণ হস্তীৰ পাৰে দৰি।
সত্য কৰিয়া কইলং কথা বিয়াও নাই কৰি।।[৭৫]

পুৰণিকালত যিকোনো গাৰো তিৰোতাৰ বাবে বীৰপুৰুষ আছিল চিৰকাম্য। বীৰৰ প্ৰতি যে অধিক দুৰ্বলতা আৰু আকৰ্ষণ আছিল তাৰেই উমান পোৱা যায় 'এজিয়া' গীতত। এটি 'এজিয়া' গীতত গাভৰুৱে ডেকাজনলৈ এই বুলি প্ৰশ্নৰ অৱতাৰণা কৰিছে :

মি'মাখো মিদংফট্টে ছুক বা আমা নাম্বাবা
না'মাখো বেংচিছৌকে নাবা আমা ডঙাবা
খাদীমাল ফাণ্টেখো খাবা জক্‌মা ডঙাদে
মৌলাম ছিংগি মাৰিখো দে'বাজকামা নাম্বাদে।[৭৬]

অৰ্থাৎ,

মুৰৰ পাগুৰীত ধানৰ শীহ গুজি আহিলানে চেনাইটি
মাছৰ মালা গাঁথি ওলাই আহিলানে চেনাই ঐ
যুঁজৰ কাপোৰ (কবচ) পিন্ধি আহিছানে চেনাইটি
ছিংগিমাৰী তৰোৱালখন হাতত আনিছা নে চেনাই ঐ?[৭৭]

এনেধৰণৰ বীৰত্ব বা সাহসৰ পৰিচয় বিচৰা প্ৰশ্ন 'এজিয়া' গীতৰ দৰে বিহুগীততো পোৱা যায় :

পলুৱাই নিলেহে পুৰুষ বুলি ভাবিম মই
তোৰ জানো সাহস যেনা আছে?

এইদৰে গীতৰ ছলেৰে কথাৰ আদান-প্ৰদান, মন দিয়া-নিয়াৰ আনন্দময় পৰিৱেশ সৃষ্টি হয় 'এজিয়া' গীতৰ যোগেদি ওৱানগালা উৎসৱত। বিহু উৎসৱৰ দৰে 'ওৱানগালা' উৎসৱতো বন্ধনহীন উন্মুক্ত পৰিৱেশৰ মাজত আনন্দ-উল্লাসৰ যোগেদি ভাবিব নোৱাৰাকৈয়ে ডেকা-গাভৰুৰ মাজত অংকুৰিত হৈ উঠে সৃষ্টিৰ আদিম বীজ। পূৰ্ব ৰাগৰ উত্তাল তৰঙ্গৰ মাজত আত্মহাৰা হৈ পৰে গাৰো ডেকা-গাভৰু। এই এজিয়া গীতবিলাক অসমৰ বঙালী বিহু উৎসৱৰ বিহুগীতৰ লগত পুৰামাত্ৰাই একে।

দোৰোৱা : এইবিধো অন্য এক প্ৰকাৰৰ অনুষ্ঠানমূলক ভক্তি নিৰপেক্ষ লোকগীত আৰু ইয়াতো গাৰোসকলৰ প্ৰধান লোক-উৎসৱ 'ওৱানগালা'ত নৃত্যৰ লগত গোৱা হয়।

---

৭৪. বৰদলৈ, নিৰ্মলপ্ৰভা, অসমৰ লোক কবিতা, পৃ. ৫৫।
৭৫. উক্ত গ্ৰন্থ, পৃ. ১০১।
৭৬. মাৰাক, মনোৰঞ্জন, উক্ত গ্ৰন্থ, পৃ. ৫৫।
৭৭. উক্ত গ্ৰন্থ, পৃ. ১০১।

এজিয়া গীতৰ দৰে দোৰোৱা গীতো ডেকা-গাভৰু উভয়ে অংশ গ্ৰহণ কৰি পৰস্পৰে পৰস্পৰৰ লগত বাক্য বিনিময় কৰে। অৱশ্যে ই গভীৰ প্ৰকৃতিৰ গীত আৰু গীতবোৰত দেৱ-দেৱীৰ নাম জড়িত হৈ থাকে। আনহাতে, এইবিধ গীতবোৰ বিষয়বস্তু 'এজিয়া' গীতৰ দৰে একেই মাত্ৰ ইয়াক গোৱা সুৰটোহে পৃথক। সুৰৰ পৃথকতাৰ বাহিৰে 'এজিয়া' গীতৰ লগত 'দোৰোৱা'ৰ বিশেষ পাৰ্থক্য নাই।[৭৮]

আম্বেঙনি অ'নেহা ঃ এইবিধ ভক্তি নিৰপেক্ষ অনুষ্ঠানমূলক লোকগীত ওৱানগালা ভক্তা বা উকৰা উৎসৱত গোৱা হয়। এই গীত গোৱাৰ পিছত সেই বছৰৰ ওৱানগালা উৎসৱৰ সামৰণি পৰে। ইয়াতো ডেকা-গাভৰু উভয়ে অংশ গ্ৰহণ কৰে। ডেকাই গায় ঃ

আচং গৰেবাটাংনা বি'নাজক আমাচং,
ছিগা কালকামেটাংনা জোক্নাজক দোজাচং।
দোজা নিচোংনাজক আমাচংবা,
চামি চেঙচোঙনাজক দোজাচংবা।
আ'চং জা'নিবাটাংনা বি'নাজক আমাচং,
ছিগা ছিৰগিনাচিটাংনা জোকনাজক দোজাচং।
না'মা জাকো চিক্নাৱা বিপাংসে,
মিসা কু'ত্ত বিম'নাৱা চালাংসে।[৭৯]

অৰ্থাৎ,

মই যাব খুজিছোঁ মোৰ গৰেবাৰ[৮১] দেশলৈ
মই প্ৰণিব খুজিছোঁ মোৰ কালকামেৰ দেশত
য'ত মোৰ প্ৰিয়াই অধীৰভাৱে অপেক্ষা কৰিছে
অপেক্ষা কৰিছে মোৰ প্ৰিয়াৰ পৰিয়ালে
মোৰ দেশত পৰিৰ মোৰ ছাঁ
দেশলৈ প্ৰবাহিত হ'ব পানীৰ নিজৰা
আঁজলি ভৰাই আনিছোঁ সুস্বাদু মদ্য।[৮০]
মুখত লৈ আহিছোঁ শস্য-সাকুচ।[৮২]

ডেকিয়া গাভৰুসকলেও অনুৰূপভাৱে গায়ঃ

আংনি চেংকি বিনিনগো মিমা মিগোং ৱাংসে,
চিংনি গানা মিকোংগো মা'মা দেকিআংসে।

৭৮. Sangma, Milton, S. History of Garo Literature, P-17.
৭৯. Marak, H.W.–A'chik Aganbewalrang (Original Tales of the Garos), P-60
৮০. মৰাক, মনোৰঞ্জন, উক্ত গ্ৰন্থ, পৃ. ১০১।
৮১. গৰেবা—স্বৰ্গদেৱতা, কালকামে—অন্য এগৰাকী দেৱতা
৮২. Marak, H.W. উক্ত গ্ৰন্থ, পৃ. ৬০।

ক্লিটোমো পাটনাৰা বিমাদে চিঙাদে
জাক পাটনগো ৰা'নাৰা মি'চিক্‌ঙে।[৮৩]

অৰ্থাৎ,

ধানৰ শীহবোৰ মালা গাঁথি পিন্ধি লৈছোঁ চেংকি[৮৪]
কাপোৰৰ আঁচলত বান্ধি লৈছোঁ মঙহৰ টুকুৰা
চুলিৰ খোপাত গুজি লৈছোঁ ধানৰেই থোক
দুহাতত তুলি ল'ম মাছৰেই টুকুৰা।[৮৫]

এই গীতটিৰ মূলভাব হ'ল কৃষি-উৎসৱ ওৱানগালা উদ্‌যাপনৰ যোগেদি আগন্তুক বৰ্ষৰ বাবে প্ৰত্যেক ডেকা-গাভৰুৱে নিজৰ নিজৰ দেশলৈ কঢ়িয়াই আনিছে সমৃদ্ধি। নাচ-গান, আনন্দ-উৎসৱৰ লগতে তেওঁলোকৰ হাতে-মুখে, কাপোৰে-অলংকাৰে লাগি আছিছে সেই সমৃদ্ধিৰ সম্ভাৱনা।

এই গীতটিৰ যোগেদি সেই বছৰলৈ ওৱানগালা উৎসৱৰ সামৰণি পৰে। সেইবাবে গীতটিৰ নাম আম্‌বেঙনি অনেহা বা আম্‌বেঙনি আনচাৰা। অসমৰ বঙালী বিহু উৎসৱ বছৰটোলৈ সামৰাৰ বাবে 'বিহু উৰুৱা' বোলে।[৮৬] গতিকে দেখা যায় যে, গাৰোসকলৰ 'আম্‌বেঙনি অনেহা'ৰ লগত অসমৰ 'বিহু উৰুৱা' বা মিচিংসকলৰ নৰাচিঙা বিহুৰ লগত সাদৃশ্য আছে।

চেৰিজিং ঃ চেৰিজিং হ'ল গাৰোসকলৰ প্ৰণয়গীত। উৎসৱ আদিত গাৰো ডেকা-গাভৰুৱে চেৰিজিং গীত গাই আনন্দ প্ৰকাশ কৰে। এই চেৰিজিং গীত অসমৰ বিহুগীতৰ সদৃশ।[৮৭] দৰাচলতে চেৰিজিং হ'ল এগৰাকী নায়িকা আৰু তাইৰ বিপৰীতে থাকে একোজন নায়ক, যাৰ নাম ৰালজান। গাৰো লোকগীতত দুয়ো ৰোমান্টিক যুটি আৰু এই যুটিক লৈয়েই সৃষ্টি হৈছে চেৰিজিং গীত।[৮৮] তলত চেৰিজিং গীত এটি নিদৰ্শন হিচাপে উল্লেখ কৰা হ'ল।

পাছে ঃ ৰনাদে ৰে'অং আছিম আংআ দা'চিঅ
আছাক চিংআনা ফিলৰা ফিলজক
নাং আমাকো নিকাস্তে।

৮৩. Marak, H.W. উক্ত গ্ৰন্থ, পৃ. ৬০।
৮৪. চেংকি—গাৰো নাৰীয়ে পিন্ধা এবিধ অলংকাৰ।
৮৫. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
৮৬. নেওগ, প্ৰদীপ—"বঙালী বিহুৰ কেইটিমান কাৰ্যকৰী সংজ্ঞা" প্ৰবন্ধ, জয়কান্ত গন্ধীয়া সম্পাদিত, 'বিহু সংস্কৃতিৰ ৰূপৰেখা' গ্ৰন্থ, পৃ ৩৩।
৮৭. মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ, "গাৰো" প্ৰবন্ধ, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত অসমৰ জনজাতি গ্ৰন্থ, পৃ. ৪৩।
৮৮. Sangma, Milton, S. History of Garo Literature, P-22.

নমিল : বাও'চা আংআদে নিক্‌চজাহা
নাংনি বেবা আখো
চা'চিনাআন দনওয়াচিম জ'ওবা ওয়াহিখো
পাছে : আচাক চিংআ চমাৱঅদে" না'আবা
খিৱং জা'ফাংঅ
হেভকাবচিক আ চাক্‌কে বওয়েংআ না'আবা
নমিল : ওয়াল আতাম চিকিং বাজিও না'আ বেবাবো
চিঠি অন'অদে বিম'না মানগেন
আন্‌থাং জান বেবাবো।

অর্থাৎ,

যুৱক : দেখা কৰিব গৈছিলো তোমাক
বৰ আশা কৰি,
তোমাৰ মাৰাই জপাই দিলে
কুকুৰে আহিল খেদি।
যুৱতী : সাঁচি থৈছিলো ভজা পিঠা
তোমাৰ লগত খাম,
কেতিয়া আহি গুচি গ'লা
মইতো নেপাও গম।
যুৱক : কঠাল গছৰ তলত তুমি
বেজি সূতা লৈ,
কমালত নানা ৰঙৰ ফুল তোলা
কাকনো দিবা গৈ।[৮৯]

দোচীয়া : ভক্তি নিৰপেক্ষ অনুষ্ঠানমূলক গীতৰ ভিতৰত গাৰোসকলৰ অন্যতম হৈছে দোচীয়া অৰ্থাৎ বিয়াগীত। অসমীয়া বিবাহ উৎসৱত আয়তীসকলে জাকে জাকে বিয়াগীত গাই ৰভাতলী উদুলি-মুদুলি কৰি তোলে। কিন্তু গাৰো বিবাহ উৎসৱত বিয়াগীত বা দোচীয়া গাবলৈ কোনো আয়তী নেথাকে। ইয়াত বিয়াগীত, বিয়া সম্পাদন কৰা গাৰো পুৰোহিতে (খামাল) মন্ত্ৰ দৰে গায়। সেইবাবে অসমীয়া বিয়াগীতৰ দৰে গাৰো দোচীয়া গীত সৌন্দৰ্যশালী নহয়। গাৰো দোচীয়া গীত এনেধৰণৰ :

দা'আচালদিনি দা'এজাদিনি
দো'বিক দোকোন্‌গা, ৰা'কো এনোন্‌গা।

---

৮৯. জেকিং এন চাংমাই কৰা অসমীয়া অনুবাদ।

দো'বিক জানেলা, ৰাকিত্ত ৰোংকোলা
মানদাল বিগোগিতা।
গিচা ৰাবিআনি, গিওকপানটেআনি
দা'আচালদিনি, দা'এজাদিনি।
দা'চি কাবাকা, মেজা চোকচোবা
আম্মা আংচোম্মি চাবি নোকচাম্মি
বি'মা গন্ডানি, জাকবিমবানি
নোকচাম্মি বা'আনি, আংচোম্মি বিমানি।
দা'চিত্তনিকো, মেজাওনিকো,
চিনগে মিগুনা, চুগিতে কাল'না
দা'আচালদিনি, দা'এজাদিনি
চিটেবি গিতা, বিচাগোগুগিতা
দো'দোকোঙজাক্নি, দো'চিঅংজাক্নি
হা-আইয়া-হাই।[১০]

অর্থাৎ,

আজি এই দিনটোতে, এই মাহটোতে
ধুকুৰাৰ ধুকলা ছোবা
গাহৰিৰ ভুক মেকওঁবা
মদাৰগছ চিৰাৰ দৰে
জোঁবাই বাটি লোবা
আজিয়েই দিন, এই মাহতে।

মানুহৰ জীৱনটো যেতিয়া আহে প্ৰেম
যৰৰ পৰাকী যৰাণ ভগবান হয় সহায়কৰ্তা
তেওঁ যেন কয় জোঁবাই পঠিয়াই দিছোঁ
প্ৰিয়জনক বাটি লোৱা
তেতিয়াহে পৰা, সেইদিনাহে পৰা
মাম কাঢ়ি মাতিছিল, মনৰ বাতিছিল
আজিয়েই দিন, এই মাহতে।

যেনেত আনি খোৱা ঘণ্টাকলাৰ দৰে

১০. Marak, H.W. A'chik Aganbewalrang, P-68.

দুটা শৰীৰ এক কৰি
দুখন হৃদয় এক কৰি
বিয়া পাতি দিলো
হা-আইয়া-হাই।[১১]

চেকেকাটা ঃ মাতৃসূত্ৰীয় সমাজ ব্যৱস্থাৰ বাবেই গাৰো সমাজত নাৰীৰ স্বতন্ত্ৰতা বা অধিকাৰ পুৰুষতকৈ কিছুক্ষেত্ৰত বেছি। গাৰো পৰম্পৰাগত ৰীতি অনুসৰি ছোৱালীয়ে তাইৰ পছন্দ লগা ডেকাজনক পলুৱাই অৰ্থাৎ হৰণ কৰি আনে। এই পলুৱাই অনা গীতক গাৰো ভাষাত 'চেকেঁকাটা' বোলে। চেকেকাটা গীত এনেধৰণৰ ঃ

চেকে কোবে কিমনামা
চি দো'বিকনামা
কু'পাদে টাবিমে অংজোকমিং
গিচিকদে চাকমি চোকজোক মিং।

কু'পা নানাগ্ৰিমাহ্‌জক
গিচিক মা'গাপাহ্‌জক
চিত্ত আকগ্নিনাজক
কাটো আকগ্নিনাজক
কাটো টাবিমেনাজক

কাটো বামা দিংচোচান কাটনাবা
চিত্ত ওবাক কো'চানো চিনাবা
বোনো বোলগং দোক্টচানো বোন'নাবা
কাটো বামা চোলচাচান কাটনাবা।

আ'চং মিকবিবিঅনাজক
চিগা জাংগিল চিকনাজক
আ'চং চোংদোংজানাজক
চিগা চিবিংআ নাজক।
চিৱ আটচিওবা, কাটে চোংদোংওবা
দোজাকো গোগালজানজক, কানাকো জাকরাটজানাজক
বোবি কু'মাংগিজানি আ'চচোনা
চিবিল আ'চকগিজানি চিগাচানা।[১২]

১১. জেমিং এম. চাংমাই কৰা অসমীয়া অনুবাদ।
১২. Marak, H.W. উক্ত গ্ৰন্থ, পৃ. ৬৭।

অৰ্থাৎ,

অচিনাজনলৈ পলাই নাযাওঁ
পানীৰ সোঁতত ডিঙা নেযাওঁ
কথাত দুয়ো মিলি গ'লে
মন দুয়োৰে একে হ'লে.........।

কথাত মিলি গ'লো
মনতে দুয়ো একমত হ'লো
মৰিলেও দুয়োজনে
পলালেও দুয়োজনে।

পলালে একেটা বাটেৰে পলাম
মৰিলে একেখন শয্যাতে মৰিম
ৰ'দ লাগিলে একেটা গছৰ মূৰাতে ৰম
জগ লাগিম একেটা বাটেৰে গৈ।

জনমভূমিক চকু মুদি এৰিলো
মাতৃভূমিক পিঠি দিলো
জনমভূমিত আৰু বাস নকৰোঁ
মাতৃভূমিৰ পানী আৰু নিপিওঁ।

মৃত্যুৰ পিছত পুনৰ্জন্ম হ'লেও
পলাই গৈ অচিন দেশত থাকিলেও
ভাষা নুবুজা আন জাতিৰ লগত থাকিলেও
আমি দুয়ো বিচ্ছেদ নোহোৱাকৈ এক হৈ থাকিম।[১৩]

'চেকেকাটা' বা পলুৱাই নিয়া গীতৰ দৰে সুকীয়া শ্ৰেণীৰ অসমীয়া লোক-সাহিত্যত পোৱা নেযায়। কিন্তু গাৰো চেকেকাটা গীতসমূহত যি ভাব প্ৰবাহিত হৈ আছে, বিহুগীত বা গোৱালপৰীয়া লোকগীতত তেনে ভাব প্ৰবাহিত হৈ থকা দেখা যায়।

জাবেকোটা আৰু কৃতা অমুৱা : গাৰো ভক্তি-সাপেক্ষ অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত জাবেকোটা আৰু কৃতা অমুৱা উল্লেখযোগ্য। এই গীতবোৰৰ যোগেদি বিভিন্ন দেৱ-দেৱীলৈ থকা ভক্তিৰ পৰিচয় পোৱা যায়। অসমীয়া আই নাম, শীতলা নাম, অপেচৰা সবাহৰ গীত আদিৰ লগত গাৰোসকলৰ জাবেকোটা আৰু কৃতা অমুৱা গীতখিনি তুলনীয়। এই গীতখিনি গাৰো 'অথ্লা পূজা'ৰ অন্তৰ্গত। 'অথ্লা পূজা'ত বেদীৰ সন্মুখত ধূপ-ধূনা জ্বলাই পিঠাগুৰি

১৩. জেকিং. এন. চাংমাই কৰা অসমীয়া অনুবাদ।

ছতিয়াই দিয়া হয় আৰু কুকুৰা আদি বলি দিয়া হয়। সাধাৰণতে, নাকৰ পৰা তেজ ওলোৱা, মুখ ঘূৰোৱা, ছোৱালী সময়মতে ঋতুমতী নোহোৱা, কেঁচুৱা শুকাই খীনাই যোৱা আদি বিভিন্ন কাৰণত এই ভক্তিমূলক গীত গোৱা হয়। আনহাতে, বিভিন্ন ৰোগ ব্যাধি, অশুভ বস্তুৰ কুদৃষ্টি, বতাহ-বৰষুণ, ধুমুহা আদি প্ৰাকৃতিক বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ অথবা শস্য ৰকাৰ বাবেও এই ভক্তিমূলক গীত গাই বেদীৰ সন্মুখত দেৱ-দেৱী লৈ ভক্তি প্ৰদৰ্শন কৰা হয়। উদাহৰণস্বৰূপে তলত জাবেকোটা আৰু কৃতা অসুৱাৰ দুটি নিদৰ্শন দাঙি ধৰা হ'ল—

জাবেকোটা : আম্ৰে মাইটি আম্ৰে মাইটি
আম্মিকানি জাংগিকো
আচিকানি জামাকো
আঙা জাবাকাটাংনি
আম্ৰে মাইটি
আম্ৰে মাইটি।[১৪]

অৰ্থাৎ,

হে দেৱতা, আমাৰ প্ৰাৰ্থনা শুনা
আম্মিকানিক (অমুকাক) আৰোগ্য কৰা
বেদীত তোমাক কৰিছো স্থাপন
আমি মূৰুখমতি মাতিছো তোমাক
আমাৰ প্ৰাৰ্থনা শুনা/আমাৰ প্ৰাৰ্থনা শুনা।[১৫]

কৃতা অসুৱা : দাক দাক গিপানী
আম্মিকানি জামানা
কাৰি অনেনগা, ৰিচু অনেনগা
কচুগানেনগা, মেপান টিনেনগা।[১৬]

অৰ্থাৎ,

হে সৃষ্টিকৰ্তা,
আম্মিকানিক (অমুকাক) মঙ্গল কৰা
মদ ঢালি, শস্য উপাচাৰেৰে
বিনীত হৈ কৰিছো প্ৰাৰ্থনা।

কেতিয়াবা আকৌ মৃতজনক ঘূৰাই আনিবলৈও এই গীত গোৱা হয়। যেনে :

১৪. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৫. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১৬. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।

আতাৰা বাবুজা
তুৰা পাণ্টুৰা তাকগিয়া কগিপা
চুলি গিপা ইম্বৰগ্গিয়া জাজিনী নক্গিয়া
জামিনি বিৰথি।[১৭]

অৰ্থাৎ,

হে মোৰ পৰমেশ্বৰ দেৱতা বাবুজা
জীৱন দিওঁতা
উৎসাহ-নিশ্বাসৰ পৰাকী
মোৰ গিৰিহঁতক প্ৰাণবায়ু ঘূৰাই দিয়া।

গাৰো বিশ্বাসমতে, এনেদৰে প্ৰাৰ্থনা জনালে দেৱ-দেৱীসকল স্বৰ্গৰ পৰা মৰ্ত্তলৈ নামি আহে—ভক্তি গ্ৰহণ কৰিবলৈ। পৰম্পৰাগত গাৰো সমাজত বেজ-কবিৰাজে আৰোগ্য কৰিব নোৱাৰা ৰোগ কিছুমান এনেদৰে ভক্তিমূলক অনুষ্ঠানৰ মাধ্যমেৰে নিৰাময় কৰি তুলিছিল।

গাৰো লোকগীতৰ জাবেকাটা আৰু কৃতা অমুৱাক সহজেই অসমীয়া লোকগীতৰ আইনাম, শীতলানাম, অপেচৰা সবাহৰ গীত আদিৰ লগত তুলনা কৰিব পাৰি। জাবেকাটা আৰু কৃতা অমুৱাৰ দৰে আইনাম, শীতলানাম, অপেচৰা সবাহৰ গীতসমূহো ভক্তিপ্ৰধান।

(২) কৰ্ম-বিষয়ক লোকগীত :

গাৰো কৰ্ম বিষয়ক লোকগীতসমূহৰ ভিতৰত 'কথা-জিক্চে' (নিচুকণী বা ধাইনাম), 'বিচা-মেমোআনি' (শিশুৰ ওমলা গীত), 'নোক্দোনগোৰা বিঙানি' (ঘৰ সজা গীত), 'গ্ৰীকা' (যুদ্ধৰ গীত) আৰু 'আ'চিৰোকা' (জুমখেতি পোৱা উৎসৱৰ গীত) উল্লেখযোগ্য। তলত প্ৰত্যেক বিধ কৰ্ম বিষয়ক লোকগীত সম্পৰ্কে চমু আভাস দিবলৈ প্ৰয়াস কৰা হ'ল।

কথা জিক্চে : পৃথিৱীৰ সকলো দেশৰ লোকসাহিত্যতে নিচুকণি বা ধাইনাম থকাৰ দৰে গাৰো লোকসাহিত্যতো নিচুকণি গীতৰ প্ৰচলন আছে। গাৰো ভাষাত ইয়াক কোৱা হয় 'কথা জিক্চে'। এই গীতবোৰৰ যোগেদি শিশুৰ কান্দোন বন্ধ কৰি টোপনি নিয়াবলৈ চেষ্টা কৰা হয়। গীতবোৰ সুৰ ধৰি সুললিতভাৱে গোৱাৰ ওপৰত গুৰুত্ব দিয়া হয়। যেনেঃ

১. অ' জাজং অ' জাজং
বাবা খেৎচিমনা
মিচো পন্দো আগানবো
আংনি অজল্যো।[১৮]

---

১৭. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৮. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।

অৰ্থাৎ,

অ' জোনবাই অ' জোনবাই
আমাৰ কাবলৈ আহা
আমাৰ সক ভাইটিৰ লগত
কথা পাতি যোৱা।

২. মান গ্রাপা মান্ গ্রাপা
বিজা চিক্‌মানি
নাং আপ্‌পা সদাগাল
মংমা বাবাগানি।[৯৯]

অৰ্থাৎ,

নাকান্দিবি নাকান্দিবি
ৰবলৈ কামোৰ দিব
তোৰ দেউতা সদাগৰ
হাতী কিনি দিব।

৩. অ' জাজং অ' জামাজং
আজাং নোকত্ম নাপ্‌পে দং
কং বুড়া বিবাজকৃত্ম
মি চাই বং।[১০০]

অৰ্থাৎ,

পূৰ্ণিমাৰ চন্দ্ৰ মাহত
ঘৰৰ ভিতৰত বওঁ
কং বুঢ়া আহিলে
ভাত ৰান্ধি দিওঁ।

বিচা মেমোআনি ঃ বিচা মেমোআনি অৰ্থাৎ গাৰো শিশুসকলৰ ওমলা গীত। এই গীতবোৰ গাই গাৰো শিশুসকলে লগৰ লগৰীয়াৰ লগত ধেমালি কৰি সময় অতিবাহিত কৰে। যেনে ঃ

আ দংত্ম আ দংত্ম
মোনা বিথ্‌চি চিজা?
চিয়ানে চিনো ওয়ামিং

---

৯৯. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১০০. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।

সাম্‌চি বিদ্‌দিম জা।

আ খাম্‌চি আ খাম্‌চি
মোনা বিদ্‌দিম জা?
বিদ্‌দিমাদে বিদ্‌দিমামিং
মাথ্‌চু চাং এ গাল্‌বা।

আ মাথ্‌চু আ মাথ্‌চু
মোনা চাং এ গালগা?
চা আদে চাজানোমিং
বাক্‌কুবাল বিক্‌জা।

আ বাক্‌কুবাল আ বাক্‌কুবাল
মোনা বিক্‌জা?
বিক্‌ আদে বিক্‌নোয়ামিং
হল্‌লা দংজা।

আ হল্‌লা আ হল্‌লা
মোনা দংজা?
দং আদে দং আমিং
বুঢ়ী চই গাল্‌গা।

আ বুঢ়ী আ বুঢ়ী
মোনা চাই গাল্‌গা?
চো আদে চেজা ওৱামিং
হাবল দংজা।

আ হাবল আ হাবল
মোনা দংজা?
দং আদে দং আমিং
মিক্‌কা ওৱাদাপ্‌আ।

আ মিক্‌কা আ মিক্‌আ
মানা ওৱাদাপুআ?
ওৱাদাপ আদে ওৱাদাপ আমিং
বেং বেং মুপ্‌গুআ।[১০১]

১০১. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।

অৰ্থাৎ,

অ' কুকুৰা অ' কুকুৰা
কণী নাপৰ কিয়?
কণী আমি পাৰিম কেনেকৈ
ঘাঁহ নগজে কিয়।

অ' ঘাঁহ অ' ঘাঁহ
তই নগজ কিয়
গৰুৱে যে আগ খায়
মইনো গজিম কিয়।

অ' গৰু অ' গৰু
আগ খাব কিয়?
গৰখীয়াই যে গৰু নৰখে
মইনো নেখাম কিয়?

অ' গৰখীয়া অ' গৰখীয়া
গৰু নেৰাখ কিয়?
হাতত যে লড়ু নাই
মইনো ৰাখিম কিয়।

অ' লড়ু অ' লড়ু
গৰখীয়াৰ হাতত নেথাক কিয়?
বুঢ়ীয়ে যে পেলালে পুৰি
মই থাকো কেনেকৈ কোৱা।

অ' বুঢ়ী অ' বুঢ়ী
লড়ু পুৰিলি কিয়?
খৰি-খেৰ যে একো নাই
মইনো নুপুৰিম কিয়।

অ' খৰি অ' খৰি
বুঢ়ীৰ ওচৰলৈ নোযোৱা কিয়?
মেঘে যে বৰষুণত তিতালে
মইনো যাওঁ কেনেকৈ কোৱা।

অ' মেঘ অ' মেঘ

ববযুগ দিয় কিয়?
ভেকুলীয়ে যে টোব টোবায়
মইনো নিদিম কিয়।[১০২]

উল্লেখযোগ্য যে এই বিচা মেমোআনি বা গাৰো ওমলা গীতটিৰ লগত অসমীয়া 'অ' ফুল অ' ফুল নুফলা কিয়?" শীৰ্ষক গীতটি প্ৰায় একে।

গাৰো শিশুসকলৰ মাজত প্ৰচলিত আন এটি ওমলা গীত হ'ল 'ডংনুৰিক্কা'। এইবিধ গীত 'চকুমুদা' খেলৰ লগত জড়িত। এটাই আনটোৰ হাতত ধৰি বহলাই মেৰ পাতে। মেৰটোৰ মাজত থকাটোক অলপ পৰ এটাই চকু মুদাই ধৰে। ইতিমধ্যে, মেৰত থকাজন আঁতৰি থাকে। চকুমুদাই থকাজনক সোধে 'কোন হেৰাল' বুলি। টপ্ কৰে ক'ব পাৰিলে জিত। গাৰো ল'ৰা-ছোৱালীয়ে কিন্তু গীতেৰেই সোধে :

আগানৰ বিপেং বিংঅ ছাৰা দংজা
ছাথ্ ফ্ৰাথ খানিয়ে বাদিয়া খানিক জা
বিপেং মানদে নাক্কেন খুচি গুংআ
খাদিং এ খাত্ৰাক জাথ-দাখ দথ্না।[১০৩]

অৰ্থাৎ,

কোৱা, আমাৰ মাজত কোন নাই
প্ৰতিজনকে মনত পেলোৱা
ক'ব পাৰিলে বং পাম
বঙেৰে আমি পুনৰ খেলিম।[১০৪]

গাৰো ল'ৰা-ছোৱালীৰ দৰে অসমীয়া ল'ৰা-ছোৱালীয়েও এনেদৰে মেৰ পাতি এবিধ খেল খেলে আৰু খেলটোৰ লগত গীতো গোৱা হয় :

এইটো কাৰ দ'ল?
ৰজাৰ দ'ল।
ভাঙিব পাৰি নে নোৱাৰি?
নোৱাৰি।

নোক্‌দোনগোৱা বিগুানি : নোক্‌দোনগোৱা বিগুানি অৰ্থাৎ গাৰোসকলৰ ঘৰ সজা উৎসৱৰ গীত। গাৰো সমাজত নতুনকৈ ঘৰ এটা সাজিবলৈ যাওঁতে শ্ৰম লাঘৱ কৰাৰ উদ্দেশ্যে বা মন বঢ়াবলৈ কামৰ লগে লগে গীত গোৱা ৰীতি প্ৰচলিত। অসমীয়া সমাজত যেনেদৰে নাও বাই গৈ থাকোঁতে বা হাল বাই থাকোঁতে গীত গোৱা হয়, তেনেদৰে গাৰো

---

১০২. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১০৩. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১০৪. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।

সমাজতো ঘৰ সাজি থাকোঁতে কামটোত জড়িত লোকসকলে এইদৰে গীত গায় ঃ

আটজো আভা আটজো, আইম্মা আভা আইম্মা
মুনেপানি চোঙদোংলাগিতা, চানেপানি আ'চাগিতা
আনগো মিক্কুৰি গাং, আভো চালাকিম গাং
আ'কো আ'চা পানাকা, চংগো চংদোন পানাকা
মিনি আপা নিৰানি মুনিকো, মেজা আছু জোনজানি চাকুনিকো

পিকিন্‌থে কোনাকা, গোবোংটে কালনাকা
আঙকিনডে নোকোপ্‌না, আঙকিনডে বিপানা
আভা দো' আদোনিকো, আভা চিৰং ৰমামকো।
আনচি টোকোঙৰা, কিম্মিল পাৰেংবা
আভা বংদং পানাকা, আঙ আটা পানাকা।[১০৫]

অৰ্থাৎ,

মুনে[১০৬] যেনেদৰে এই পৃথিৱীৰ অধিকাৰী
চানে[১০৭] যেনেদৰে শস্য-মাতৃকা
মই এই নতুন ঘৰটোৰ চাল ৰূপ অধিকাৰী
মযো খেতি কৰোঁ, গাঁৱৰ ঘৰত বাস কৰোঁ
মোৰ দেউতা, ককাদেউতাই যেনেদৰে
নিদ্ৰাদেৱীৰ কোলাত শুইছিল
টোত উঠিছিল, খেলিছিল
আমিও তেনেদৰে হাতত পাখি লৈ নাচো আহা
মোৰ ঘৰটোৰ অবস্থান, মোৰ নিজৰ
ইয়াৰ পথাৰ-আলিবাট সকলো
নিয়ম অনুসৰি মই
দুৰানি আৰু চিৰাং-ৰমাৰৰ[১০৮] তেজ
দেৱতাৰ নামত উৎসৰ্গ কৰিছোঁ, মোৰ ঘৰটোত
তাৰ তেজ আৰু পাখিবোৰ জিলমিলাই আছে
মই খেতি চপাই বাস কৰিছোঁ, এই গাঁৱতে।

গ্ৰীকা ঃ গ্ৰীকা হ'ল গাৰোসকলৰ যুদ্ধৰ গীত। এই গীত সাধাৰণতে বীৰৰসাত্মক আৰু তেজস্বী। বীৰৰসাত্মক উক্তিৰে নিজকে চলাং (বীৰ) বা গৰোৱা (যুদ্ধদেৱতা) বুলি উল্লেখ

১০৫. Playfair A—The Garos, P. 146-141.
১০৬. মুন—পৃথিৱীৰ প্ৰথম গৰাকী পুৰুষ বা আদম।
১০৭. চানে—পৃথিৱীৰ প্ৰথম গৰাকী নাৰী বা ঈভ।
১০৮. দুৰানি আৰু চিৰাং ৰমাৰ—দেৱতাৰ নামত উৎসৰ্গিত কুকুৰা চৰাই।

কৰে আৰু পূৰ্ব-পুৰুষৰ যুদ্ধ-বিগ্ৰহত শত্ৰুৰ মূৰ কটাৰ গৌৰৱময় কাহিনী স্মৰণ কৰি গীত গাই আৰু মাটিত ভৰিৰে লঠিয়াই লঠিয়াই তাণ্ডৱ নৃত্য কৰে। কেতিয়াবা আকৌ এই গীতেৰেই নিজৰ দেশৰ মানুহখিনিক জাগ্ৰত কৰাৰ প্ৰয়াস কৰাও দেখা যায়। উদাহৰণ স্বৰূপে :

আমৰি ৰাকা, আটচু ৰাকা
আমা ৰাকা, আপা ৰাকা।
চেপি বোলকিং দি'ই মিলাম চেংগি ৰাবা
মিক্কাং চাকেং কিচাং দাইনে
চালাং দিজিয়া ৰিপা ৰোজিয়া
গ্ৰো দিংগো, মানডে দিনো
ট্ৰো ক্ৰা ৰাজুগানদা মিং
গাজা কুজা, বিত্ৰাত কুজা
কা। চাংমা। গয়েৰা।[109]

অৰ্থাৎ,

আইতা সাজু হোৱা, ককা সাজু হোৱা
মা সাজু হোৱা, দেউতা সাজু হোৱা
যুদ্ধৰ বাবে জয়ধ্বনি দিয়া
ঢাল-তৰোৱাল লৈ ৰণ-শিঙা বজাই দিয়া
সন্মুখ দলক আক্ৰমণ কৰা, পিছ হুহকি নাহিবা
বীৰ আমি, আছে পুৰুষত্ব
প্ৰতিশোধ লোৱা, ছেদন কৰা
বুঢ়া-বুঢ়ী সমনীয়া সকলোৱে ওলাই আহা
জয়ধ্বনি দিয়া—চাংমা! গয়েৰা।[110]

এনেধৰণৰ বীৰত্বপূৰ্ণ উক্তি-প্ৰত্যুক্তি থকা যুদ্ধৰ গীত অসমীয়া লোক-সাহিত্যত পোৱা যায়। কিন্তু গাৰো লোক-সাহিত্যৰ গ্ৰীকা ইমানেই জনপ্ৰিয় যে, যিকোনো অনুষ্ঠানতে আনকি 'ওৱানগালা' উৎসৱতো ইয়াক নৃত্যৰ লগত গোৱা হয় :

কা চাংমা
এৰাং লেওৱা ওৱানগিজা
জাজা গিজা ৰাকাগিপা
মিলিচগিকা ৰাহাগিপা

---

১০৯. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১১০. জেকিং. এন. চাংমাই কৰা অসমীয়া অনুবাদ।

কা চাংমা গেওবা
হেই দৰাও।[১১১]

অৰ্থাৎ,

মই চাংমা
বীৰ এবাং কৈদৰ
মই বজ্ৰদেৱতা
মোৰ সংশয় নাই
মই বলী, সত্যত থাকো
মই চাংমা গেওবা।[১১২]

আ'চিবোকা ঃ আ'চিবোকা হ'ল কৰ্ম-সঙ্গীতৰ অন্তৰ্গত জুমখেতি পোৱা উৎসৱৰ গীত। গাবোসকলৰ প্ৰধান কৃষি হ'ল জুমখেতি। জুমখেতি ৰোপণ কৰাৰ আগেয়ে খেতি-পথাৰ অৰ্থাৎ পাহাৰীয়া ঠাইখিনিৰ হাবি-বননি কাটি পৰিষ্কাৰ কৰি লোৱা হয়। গাবোসকলৰ বিশ্বাস অনুসৰি জুমখেতিৰ হাবি-বননিসমূহ ভূত-প্ৰেতে দখল কৰি থাকে। সেয়ে নতুনকৈ খেতি আৰম্ভ কৰাৰ আগেয়ে এই ভূত-প্ৰেতবোৰ খেদি পঠিয়াব লাগে। তলত বৰ্ণনা কৰা আ'চিবোকা গীতটিত তাকেই ব্যক্ত কৰা হৈছে।

অ' জামানগানি, অ' বিচুকানি
আ'ইনি মাবাং, আ'ইনি ট্ৰাবাং
আইয়া এ'বিমো, আইয়া আ'জাও
নানগোংলা ৰাইনে, কি'ওংনাবা গোতে
কিমচিত্ত কোংচামি, দো'চি ৰোংচাই
চালগিচাকোনা, নাংগিবাকোনা
আঙা জিতনাৱা, আঙা চিতনাৱা
আই'নি মাৰিবাংকো, আই'নি ট্ৰাবাংকো
আঙা জিতে নিয়োনগা, আঙা মোত্ৰ কাল'ওনগা
আ'চিবোকোংজোক, চুকগালোংজোক
পাই মাবাং চাকাত।[১১৩]

অৰ্থাৎ,

হে হাবি-বননিৰ দেৱতা, ভূত-প্ৰেতৰ অধিকাৰী
আমি ঠাইখিনি পবিত্ৰ কৰি লওঁ
ইয়াতেই আমি খেতি কৰিম

১১১. লেখক অন্যজন যোগে সংগৃহীত।
১১২. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১১৩. Marak, H.W. A'chik Aganbewalrang, P-68.

কিমচিত ফুল আৰু কণীৰ উপাচাৰেৰে
তোমাক মিনতি জনাইছোঁ
তুমি এই ঠাই এৰি দিয়া
আমি হাবি-কননিত জোৰা লগাও, হাবি-কাটো
তোমাক আমি খেতি পঠিয়াও।

(৩) আখ্যানমূলক লোকগীত :

গাৰো জন-জীৱনত বহু সংখ্যক আখ্যানমূলক গীত বা মালিতাৰ প্ৰচলন আছে। এইশ্ৰেণী গীতক গাৰো ভাষাত কোৱা হয় 'কাথা আগানা'। বিভিন্ন ধৰণৰ কাথা আগানা গাৰো সমাজত মুখে মুখে প্ৰচলিত হৈ আছে। সেইবোৰক উপভাষা অনুযায়ী বিভিন্ন নামেৰে জনা যায়। যেনে : দোকোটচুৰা, বিংবাদৰিয়া, কাটচিৰিঙা, দোকমানদিয়া বা আৰেং কাথা, কগা কাথা, আৰে কাথা, চেলিং বিঙা, চিচাক কাথা, বিং দিকসিলা আদি। প্ৰত্যেকটো কাথা আগনাতে একোটাকৈ কাহিনী থাকে। কাহিনীসমূহৰ বিষয়বস্তু কেতিয়াবা পৌৰাণিক, কেতিয়াবা কাল্পনিক আৰু কেতিয়াবা জনশ্ৰুতিমূলক, কিন্তু দুই-এটাৰ বাহিৰে বেছি ভাগ কাথা আগনাই কাল্পনিক। গাৰো সমাজত বহু সংখ্যক মালিতাৰ প্ৰচলন আছে, যদিও এইবোৰ লিপিবদ্ধ কৰাৰ এতিয়াও চেষ্টা কৰা হোৱা নাই। বৰ্তমান মালিতা জনা আৰু সুৰ লগাই গাব পৰা ব্যক্তিৰ সংখ্যা গাৰো সমাজত ক্ৰমশঃ হ্ৰাস পাই আহিছে। আনহাতে, অন্যান্য জনজাতীয় ভাষা-ভাষীৰ মালিতাবোৰ যেনেকৈ পৰিপূৰ্ণ ৰূপত উদ্ধাৰ কৰা অসম্ভৱ হৈ পৰিছে, তেনেদৰে গাৰো মালিতাসমূহো পৰিপূৰ্ণৰূপত উদ্ধাৰ কৰা টান হৈ পৰিছে, কাৰণ মালিতাসমূহ যথেষ্ট দীঘল হোৱা বাবে মুখে মুখে আওৰাই ৰখা কঠিন। সম্প্ৰতি খণ্ড-বিছিন্ন অৱস্থাতহে মালিতাবোৰ মানুহৰ মুখত লাগি আছে। একোটি গাৰো মালিতা আওৰাবলৈ হেনো সময় লাগিছিল ১ ঘণ্টা ৩০ মিনিট পৰ্যন্ত।[১১৫]

গাৰো মালিতাসমূহ ৰোমাণ্টিকধৰ্মী, নায়ক-নায়িকা প্ৰধান, অলৌকিক আৰু দুঃসাহসিক। প্ৰায়বোৰ মালিতাই নৈসৰ্গিক তথা স্থানীয় পৰিৱেশ প্ৰধান। তাৰ লগতে গাৰো সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, জীৱন-যাত্ৰা, উৎসৱ-অনুষ্ঠান আদিৰ কথাও প্ৰায়বোৰ মালিতাই পোৱা যায়। প্ৰেম-ঘৃণা, মিলন-বিৰহ, সুখ-দুখ, হাঁহি-কান্দোন এইবোৰেই মালিতাসমূহৰ বৰ্ণনীয় বিষয়। তথাপি মালিতাসমূহৰ কাহিনী আদৰ্শমূলক। সেইবাবেই প্ৰায়বোৰ প্ৰধান চৰিত্ৰই সাধু, শান্ত, গাম্ভীৰ্যপূৰ্ণ আৰু মানবীয় গুণসম্পন্ন। তলত সুবিখ্যাত গাৰো 'কাথা আগানা'ৰ যোগেদি এই বিষয়টি বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ল :

'ডিক্কী আৰু বান্দী' নামৰ মালিতাটো এটি ৰোমাণ্টিক মালিতা। মালিতাটোৰ মূল চৰিত্ৰ ডিক্কী, বান্দী আৰু বান্দা—এই তিনিওজন ভাই-ককাই। তিনিওজন ৰূপে-গুণে আৰু শাৰীৰিক শক্তিৰে শক্তিমান। ডিক্কী যেনেকৈ সাধু আৰু মানবীয় গুণসম্পন্ন, বান্দী তেনেকৈ সুনিপুণ যোদ্ধা আৰু বাদ্য বাদনত কাৰ্যোদ্ধাৰ হবে সুদৰ্শন। এইজোকৰ ৰজাৰ

১১৪. Rongmuthu. D.S. : Epic lore of the Garos, P-2.
১১৫. Rongmuthu. D.S. ; উক্ত গ্ৰন্থ, পৃ. ১৬০।

পৃথিৱীৰ ভিতৰতে বিখ্যাত, গৌৰৱময় আৰু ঐশ্বৰ্যশালী। ইয়াক আজিলৈকে কোনোৱে যুদ্ধত পৰাস্ত কৰিব পৰা নাই। সেয়ে যালিতাটোৰ আৰম্ভণিতেই ৰাজ্যখনৰ বৰ্ণনা অতি প্ৰসংশাসূচকভাৱে দিয়া হৈছে ঃ

বাংচিলগা আইটাৰী
চালগিৱানি আভাদে
দোহাবিলগানি বিয়াচা
চালনিমা নাভাৰাম।[১১৬]

অৰ্থাৎ,

আমাৰ দেশখন স্বৰ্গৰ ঠিক সৌমাজত
সূৰ্য দেৱতাও ইয়াতে আছে
উজ্জ্বতাতো সকলোতকৈ ওখ
য'ত সূৰ্যৰ পোহৰ প্ৰথমে পৰে।[১১৭]

এই ৰাজ্যৰে একগৰাকী দিপ্চিপ গাভৰু গিটিং। গিটিঙৰ বিয়াৰ উপযুক্ত সময় হোৱাত দেউতাক দুৱাৰাচাই উপযুক্ত পাত্ৰৰ অনুসন্ধান চলালে। সেইমতে ডিক্কীকেই উপযুক্ত বুলি বিবেচনা কৰিলে। ইফালে গিটিঙেও ডিক্কীক আগতেই পছন্দ কৰি মনৰ মাজত ঠাই দিছিল, কিন্তু বাধা আছিল বালডি নামৰ যুৱক এজনৰ পৰা। সি বিকোনো উপায়ে গিটিঙক পাবৰ বাবে চেষ্টা চলালে। এইবোৰ দেখি-শুনি আৰু বেছি পলম কৰিলে বিপদ হ'ব বুলি ভাবি দুৱাৰাচাই ডিক্কীক মাতি পঠিয়ালে। ফুলকোঁৱৰে কাঠৰ পখী-ঘোঁৰাত উঠি হুমাহৰ বাট এদিনতে পোৱাৰ দৰে[১১৮] ডিক্কীয়েও খাতি সোণেৰে সজা আসনখনিত বহাৰ লগে লগে আহি দুৱাৰাচাৰ ঘৰত উপস্থিত হ'ল। সকলোৱে ডিক্কীক 'নোক্ৰম' (উত্তৰাধিকাৰী) হিচাপে মনোনীত কৰিলে। সেই সময়তে বালডি আহি তাত উপস্থিত হ'ল আৰু তাক 'নোক্ৰম' হিচাপে মনোনীত কৰিবলৈ দাবী জনালে। অন্যথা, গিটিঙক বলপূৰ্বকভাৱে হৰণ কৰি নিব বুলি ভাবুকি দিলে।

ডিক্কী যেনেদৰে বলবান, তেনেদৰে বুদ্ধিমানো। সেয়ে সি বালডিৰ লগত হাই-কাজিয়া নকৰি গুচি আহিল আৰু বতাহ-ধুমুহাৰ দেৱতাক ক'লে—"দুৱাৰাচাৰ জীয়েক গিটিং বাতি জুমখেতিৰ পথাৰত থকা 'বোৰাং' (পহৰ ওপৰত সজা ঘৰ)ত থাকে। তাৰ পৰা তাইক মোৰ ওচৰলৈ লৈ যাব লাগে, কিন্তু বালডিয়ে চোকা পহৰা দি আছে। সেয়ে আজিৰ পৰা ঠিক ওঠৰ দিনৰ নিশা এটা প্ৰচণ্ড ধুমুহা-বতাহৰ সৃষ্টি কৰিবা আৰু সেই ধুমুহাত গিটিং থকা 'বোৰাং'টো আকাশেৰে উৰুৱাই নি মোৰ আহিৰ উঠাননৰ ওচৰত নমাই দিবা।" বতাহ-ধুমুহাৰ দেৱতাই ডিক্কীক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে।

১১৬. উক্ত গ্ৰন্থ, পৃ. ১৮।
১১৭. উক্ত গ্ৰন্থ (ইংৰাজীৰ পৰা অনুবাদ পৰা), পৃ. ১৯।
১১৮. হুজাৰিকা, হেমন্ত ঃ মনিকোঁৱৰ আৰু ফুলকোঁৱৰ (সংগৃহীত), পৃ. ৭০-৭১।

বালডি আকৌ দুবাৰাচাৰ ঘৰলৈ আহিল আৰু গিটিঙক জোৰ কৰি লৈ যাব বিচাৰিলে। সিদিনা বৰ গৰম আছিল। সেয়ে গিটিঙে খেতিপথাৰৰ গছৰ ওপৰত থকা বোৰাংত থকাৰ বাবে দেউতাকৰ অনুমতি বিচাৰিলে। ৰাতি ধুমুহা আহিব পাৰে বুলি দুবাৰাচাই প্ৰথমে অনুমতি দিব খোজা নাছিল যদিও বতাহ আহিলে ঘৰলৈ গুচি আহিব বুলি কোৱাত সম্মতি দিলে। গছৰ ওপৰত সজা বোৰাংটো মাটিৰ পৰা প্ৰায় দুশ পঞ্চাশ হাত ওপৰত আছিল।

বালডিয়ে ভাবিলে, এয়েই সুযোগ। যেতিয়া গিটিং বোৰাঙৰ পৰা তললৈ নামি আহিব তেতিয়াই সি তাইক ধৰি লৈ গুচি যাব। এই বুলি বালডি গছৰ তলত চোপ লৈ থাকিল। সেইদিনাই আছিল ওঠৰ দিনৰ সেই নিৰ্দিষ্ট ৰাতিটো। সঁচাকৈয়ে ৰাতি প্ৰবল ধুমুহা বৰলৈ ধৰিলে। গিটিং তেতিয়া টোপনিত লাল-কাল। ধুমুহাই গিটিং শুই থকা বোৰাঙটো আকাশেৰে উৰুৱাই নিলে আৰু ডিক্কীৰ মাকৰ ভঁৰাল ঘৰটোৰ কাষত নমাই দিলে। ইফালে প্ৰচণ্ড ধুমুহাত বোৰাং থকা গছডালৰ এটা প্ৰকাণ্ড ডাল ভাগি পৰিল আৰু গছৰ তলত গিটিঙৰ বাবে চোপ লৈ থকা বালডিৰ মূৰত পৰিল। বালডি অচেতন হৈ পৰি থাকিল। যেতিয়া ধুমুহা শাম কাটিলে তেতিয়া দুবাৰাচাই গিটিঙক বিচাৰি আহি দেখে যে, বালডি অচেতন হৈ পৰি আছে। গিটিঙক বিচাৰি নেপাই দুবাৰাচা বৰ চিন্তাত পৰিল। পিছদিনা এশজন চাকৰক মাতি আনি নিৰ্দেশ দিলে গিটিং থকা বোৰাংটো বিচাৰি আনিবলৈ। ইপিনে, ডিক্কীৰ মাকৰ ভঁৰালঘৰৰ কাষত বোৰাঙটো প্ৰথমে টʼনি আৰু মেন্দুৱে দেখি ডিক্কীক খবৰ দিলে। ডিক্কীয়ে বোৰাঙৰপৰা গিটিঙক উলিয়াই আনি নিজৰ ঘৰলৈ লৈ গʼল।

ডিক্কীৰ ভায়েক বান্দীৰ কাৰণেও মাকে উত্তৰাধিকাৰিণী অৰ্থাৎ কইনা বিচাৰি আছিল আৰু চোহ্ৰে নামৰ গাভৰু এগৰাকীক পছন্দ কৰি থৈছিল। সেয়ে মাকে এদিন টোকক্চি আৰু মিকটোক্চিক নিৰ্দেশ দিলে চোহ্ৰেক আনিবলৈ। লগতে এইটোও জনাই দিলে যদি চোহ্ৰেক আনি দিবলৈ অপাৰগ হয়, তেনেহʼলে দুয়োজনকে ছবছৰৰ বাবে বন্দী কৰি থোৱা হʼব। টোকক্চি আৰু সিকটোক্চি সৈন্য-সামন্ত লৈ চোহ্ৰেক আনিবলৈ গʼল।

গিটিংৰ দৰে চোহ্ৰেকো গ্ৰীংবাং বুলি ডেকা এজনে পাবলৈ চেষ্টা কৰি আছিল আৰু এতিয়া জোৰকৈ হʼলেও তাইক বিয়া কৰাবলৈ উদ্যত হʼল। চোহ্ৰেৰ পিতৃ বাম্ভিয়ে বান্দীলৈ চোহ্ৰেক দিয়াৰ বাবে এক প্ৰকাৰ ঠিক কৰিয়েই থৈছিল আৰু মাকেও সম্মতি দিছিল। চোহ্ৰেও গ্ৰীংবাংতকৈ বান্দীক অধিক পছন্দ কৰিছিল।

বান্দী আৰু মাটচ্ৰুং এদিন মাছ মাৰিবলৈ আহি এটা প্ৰকাণ্ড নাবং মাছ পালে মাটচ্ৰুৱে বান্দীক জনালে যে, এইবিধ মাছ (নাবং) পালে পত্নী লাভ হয়। এইদৰে দুয়ো কথা পাতি ঘৰলৈ আহিবলৈ বুলি হাবিৰ মাজৰ পথ এটি লʼলে। সেই সময়তেই গ্ৰীংবাঙে চোহ্ৰেক বলপূৰ্বকভাৱে পলুৱাই লৈ আহি আছিল। তাতেই আকৌ জোপ লৈ আছিল বান্দীৰ মাকে পঠিওৱা টোকক্চি, আৰু মিকটোক্চি আৰু তেওঁলোকৰ সৈন্যসকল। চোহ্ৰে আৰু গ্ৰীংবাংক দেখা মাত্ৰেই টোকক্চি দুয়োজনৰ মাজত জাপিয়াই পৰিল আৰু চোহ্ৰেক লৈ গুচি আহিল।

তেতিয়া গ্ৰীংবাঙৰ খং দুগুণে বাঢ়িল আৰু খাপৰ পৰা তৰোৱাল উলিয়াই টোকক্‌চিক সৰ্বশক্তিৰে আঘাত হানিলে, কিন্তু সেই আঘাত টোকক্‌চিৰ গাত নপৰিল, পৰিল এডাল প্ৰকাণ্ড পঞ্চাশ হাত বহল গছৰ ওপৰত। গছডাল দুটুকুৰ হৈ বাগৰি পৰিল। চোহ্‌ৰেক হেৰুৱাই গ্ৰীংবাঙে খঙে-বেজাৰে ঘৰমুৱা হ'ল।

টোকক্‌চিয়ে উদ্ধাৰ কৰি নিয়াৰ পিছত চোহ্‌ৰেৰ ভয় লাগিল। টোকক্‌চিয়ে বা তাইক ক'লৈ নিয়ে, কি কৰে? সেয়ে সুযোগ বুজি তাই টোকক্‌চিৰ হাতৰ পৰা পলাই আহি হাবিৰ মাজে মাজে দৌৰিবলৈ ধৰিলে। তেনেতে হাবিৰ মাজেৰে আহি থকা বান্দী আৰু মাটচ্‌কৰে চোহ্‌ৰেক লগ পালে আৰু ঘৰলৈ লৈ আহিল।

এফালেৰে ডিক্‌কীয়ে গিটিংক লৈ ঘৰলৈ আহিল আৰু আনফালেৰে বান্দীয়ে চোহ্‌ৰেক লৈ ঘৰলৈ আহিল। তাৰ পিছত সামাজিক নিয়ম অনুসৰি 'হোৰিপা' (পৰাচিত) কৰা হ'ল। হোৰিপাৰ পিছত কুকুৰা কাটি ডিক্‌কী আৰু গিটিং, আনহাতে বান্দী আৰু চোহ্‌ৰেৰ 'ডাকৰিকানিয়া' (বিয়া) আয়োজন কৰা হ'ল। বিয়া উপলক্ষে অহা অতিথিসকলক 'চু' (লাওপানী), 'কাজ্জি' (ভজা মাংস) আদিৰ উপৰিও বিভিন্ন জলপানেৰে অভ্যৰ্থনা কৰা হ'ল। তাৰ লগতে নাচ গান, আনন্দ-উল্লাহেৰে বিয়া উৎসৱ পালন কৰিলে। এনেদৰে এক আনন্দজনক পৰিৱেশৰ মাজেৰে মালিতাটিৰ সামৰণি পৰিছে।

গাৰো সমাজত প্ৰচলিত এই মালিতাটোক পৌৰাণিক, জনশ্ৰুতিমূলক বা কাল্পনিক কোনো এটা নিৰ্দিষ্ট ভাগতে পেলাব নোৱাৰি। কিয়নো, ইয়াৰ কাহিনী ভাগ যদিও কাল্পনিক, চৰিত্ৰসমূহ কিন্তু পৌৰাণিক। গাৰো পৌৰাণিক আখ্যান কিছুমানত ডিক্‌কী, বান্দী আৰু বালৱাৰ নাম পোৱা যায়। পৌৰাণিক আখ্যানমতে, ডিক্‌কী হ'ল সূৰ্য দেৱতা, বান্দী হ'ল ভূমিকম্পৰ দেৱতা আৰু বালৱা হ'ল বায়ু দেৱতা।[১১১]

এই মালিতাটোক আমাৰ অসমীয়া সাহিত্যৰ 'মণিকোঁৱৰ আৰু ফুলকোঁৱৰ' নামৰ মালিতাটিৰ লগত কিছু পৰিমাণে বিজাব পাৰি। দুয়োটা মালিতাই ৰোমাণ্টিকধৰ্মী, আৰু সেইবাবেই, দুয়োটা মালিতাতে আদি ৰসৰ উদ্ৰেক লক্ষ্য কৰিব পাৰি। মণিকোঁৱৰৰ-কাঞ্চনমতী, ফুলকোঁৱৰ-পচিতুলীৰ সমকক্ষ চৰিত্ৰ হ'ল ডিক্‌কী-গিটিং, বান্দী-চোহ্‌ৰে।

দ্বিতীয়তে, দুয়োটা মালিতাতেই অলৌকিক ঘটনাৰ সমাৱেশ দেখা যায়। ফুলকোঁৱৰ যেনেদৰে কাঠৰ পখী ঘোঁৰাত উঠি ছমাহৰ বাট এদিনতে পালে, ভোমোৰা হৈ ধন-পাচতুলীৰ কাৰেঙত সোমাল, তেনেদৰে গাৰো মালিতাটিতো ডিক্‌কীয়ে খাটি সোণেৰে সজা আসনখনিত বহা মাত্ৰেই সাত দিনৰ বাট নিমিষতে অতিক্ৰম কৰিলে। এনেদৰে ডিক্‌কীয়ে ধুমুহা আৰু বজ্ৰদেৱতাক অনুৰোধ কৰি বোৱাঙটো আকাশেৰে উৰুৱাই নিয়া কাৰ্য যেনেদৰে অলৌকিক, তেনেদৰে ফুলকোঁৱৰৰ উপস্থিতিত শুকান গছ-বননি সেউজীয়া হৈ পৰা কাৰ্যও অলৌকিক।

---

১১১. Marak, H W KU BIDIK, P-204.

তৃতীয়তে, দুয়োটা মালিতাতেই সম-সাময়িক সমাজৰ ৰীতি-নীতি, বিশ্বাস-অন্ধবিশ্বাস আদিৰ ছবি প্ৰতিফলিত হৈছে। ফুলকোঁৱৰে কুঁৱৰীক লৈ পিতৃ গৃহলৈ যাওঁতে বাটতে পচিতুলীয়ে উভতি চোৱাৰ কাৰণে 'ৰথৰ কাঠি সুলকি পৰিল', তেনেদৰে, গাৰো মালিতাটোত বান্দীয়ে মাছ মাৰোঁতে 'নাৰং' মাছ পোৱা কাৰণে মাটচ্কৰে ভবিষ্যতবাণী কৰি কৈছে— "নাৰং মাছ পালে স্ত্ৰী লাভ হয়।" সেইবাবেই দুয়োটা মালিতাতে জাতীয় জীৱনৰ স্পন্দন উপলব্ধি কৰিব পাৰি।

অৱশ্যে, গাৰো মালিতাটিত নায়কৰ লগে লগে প্ৰতিনায়কৰো আৰ্বিভাৱ ঘটিছে। কিন্তু 'ফুলকোঁৱৰ আৰু মণিকোঁৱৰ'ত প্ৰতিনায়কৰ আবিৰ্ভাৱ ঘটা নাই। একেদৰে গাৰো মালিতাটিত ইউৰোপীয় বেলাডৰ দৰে স্বদেশ প্ৰেমৰ ভাব[১২০] যেনেদৰে ব্যক্ত কৰা হৈছে 'ফুলকোঁৱৰ আৰু মণিকোঁৱৰ'ত স্বদেশ প্ৰেমৰ তেনে কোনো ভাব প্ৰকাশ পোৱা নাই।

গাৰো সমাজত আন এক শ্ৰেণী কৰুণ ৰসাত্মক মালিতাৰ প্ৰচলন আছে, যাক গাৰো ভাষাত কোৱা হয় 'কাবে'। 'কাবে' শব্দটোৰ আভিধানিক অৰ্থ হ'ল "মৃতকৰ অৰ্থে বিলাপ কৰি গোৱা শোকৰ গান বা মৰিশালিৰ গীত।"[১২১] এই শ্ৰেণী মালিতাক আমাৰ অসমীয়া সাহিত্যৰ বিলাপ গীতৰ লগত তুলনা কৰিব পাৰি। আমাৰ বুৰঞ্জীমূলক প্ৰায়বোৰ মালিতাই কৰুণ ৰসাত্মক। ইতিহাস প্ৰসিদ্ধ চৰিত্ৰ বিশেষৰ কৰুণ-পৰিণতি দেখুৱাই এইবোৰ গীতৰ প্ৰধান উদ্দেশ্য।[১২২] 'জয়মতী কুঁৱৰীৰ মালিতা', 'মণিৰাম দেৱানৰ মালিতা' আদিত কৰুণ ৰসৰ স্ফুৰণ দেখা যায়। 'মণিৰাম দেৱানৰ গীত'ত দেৱানৰ কলিকতা যাত্ৰাৰ পৰা আৰম্ভ কৰি ফাঁচি চাঙৰ মৃত্যুলৈকে বৰ্ণনা দিয়া হৈছে। গাৰো কাবে গীত কৰুণ ৰসত সিক্ত হৈ আছে ঃ

না.এ চিটমাং আ. চংগো চোকো,
বালামাং চিগাআবো গাবো।
না.এ জাওৱালগিজা না.এ জাচংজেলগিজা,
মি.মাং মিচাল চা.ৰাম মিংগোৱা ঃ
কাট্চি ৰাল.টোট টোটৰাম দোংগোৱা,
মি.মাংনি ৰামাদিলো, কাট্চিনি চোলবিৰাবোৱা।
কাট্চিদে চেংক্ৰুংনাৱানে,
নাৱাংদে ৰেক্ৰুংনাৱানে।
মাংনি জাকচিল এপিনোটিকোচা গোৱেংগাৰিবো,
মাংনি দো.মি মিৰিকিকোচা পালানগাৰিবো।
বিকোম নাৱাহ চিকোমটিলপা দোলা,

১২০. নেওগ, মহেশ্বৰ । অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ১৮।
১২১. Marak, H.W. KU. BIDIK, P-68.
১২২. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৩৪।

জুগি বিকচিবিনপা মিনগা।
আনগ্নি চালে চা.গিপ্চামিং, আপাচামিং,
চিনগ্নি মি.ই বিং গিপ্চামিং দো.মাচামিং।
বোলোং বাকগিপা গিতা এপাবা,
বোলচোল চেল, ইপা গিতা দো. মাবা।
ছিল বোংমিচিনা গ্রিআবি চাকামিং,
বালবানা বালমিচিনা গোংদোলাবি বোমিং।
মিটেচা জা.পা চোলচিচা, পি.আবোকুকন,
কাট্চিচা অ'ককুবাংচিচা বাস্তাবোকুকন।
এপানি এগ্রিকিকো মিলেনি পি.একো কলাআজক,
দো.মানি আংকামবিকে কাট্চিনি বাং একো হাইআজক।[১২৩]

অর্থাৎ,

মৃতকর জিবণি লোবা ঠাই যোগিয়া
য'ত চানাব দেউতাকে শেষ নিশ্বাস ত্যাগ করিছে
অ' দেউতা অলপ সময় বহা
অ' দোমা চবাই তুমিও অলপ বিশ্রাম লোবা
তুমি চিক্মাং গাঁও পালে
বালমাং ঠাইখনত ভবি দিলে
তুমি নেপাহবিবা,
তুমি পাহবি নেযাবা
ইয়াতেই মৃতকে দুপরীয়াব আহাব খায়
পিশাচব আজ্ঞা বহে
তাতেই নবাং পিশাচে তোমাক অপেক্ষা করিব
ভূতবোরে পিয়াপি কুরিব
তাতেই তুমি হাতব আঙুঠিটো পেলাই দিবা
পাখিবোর খুলি দিবা
মোৰ দেউতা বলাং আরু বলাকল গছৰ দৰে
শক্তিশালী আরু ওখ আছিল
বরখুণত পরা শিল চকুপাতি চৌছিল
বতাহ-বরষুণত ওমলিয়াই ফুরিছিল

১২৩ Marak, H.W A'chik Aganbewalrang, (original Tales of the Garos), P-64

সেই দেউতাক আজি পিশাচে লৈ গ'ল
চৰাই এজনীৰ যেন ডেউকা দুখনহে কটা গ'ল
পিশাচটোৱে দেউতাৰ জীৱনটো এনেদৰে নিলে
যেন কুঠাৰৰ প্ৰচণ্ড আঘাতে টান গছ এডালহে বগৰালে।[১২৪]

মালিতাটোত, দেউতাকৰ মৃত্যুত সন্তানৰ হৈ এগৰাগী মাতৃয়ে কেনেদৰে বিলাপ কৰিছে, তাৰ বৰ্ণনা দাঙি ধৰা হৈছে। গাৰোসকলৰ বিশ্বাস অনুসৰি 'বোগিয়া' হৈছে মৃতকৰ জিৰণি লোৱা ঠাই। অন্যান্য মৃতকৰ দৰে চানাৰ দেউতাকেও শেষ নিশ্বাস ত্যাগ কৰি 'বোগিয়া'ত উপস্থিত হৈছে, কিন্তু গীতটিত চানাই দেউতাকক অনুৰোধ কৰিছে 'বোগিয়া'ত প্ৰবেশ কৰাৰ আগতে তাৰ সতে এখন্তেক বহিবলৈ। অৰ্থাৎ সি দেউতাকক বিদায় দিব খোজা নাই। সেইবাবে মৃত শৰীৰটো ভক্ষণ কৰিবলৈ বৈ থকা 'দোমা' চৰাইটোকে সি অনুৰোধ কৰিছে অলপ সময় বিশ্ৰাম ল'বলৈ।

চিক্‌মাং আৰু বালমাং ঠাই দুখনত আত্মাবোৰে দুপৰীয়াৰ আহাৰ খায়। তাতেই পিশাচবোৰখো আজ্ঞা বহে আৰু তাতেই 'নৰাং' নামেৰে মুখ্য পিশাচটোৱে মৃত আত্মাবোৰৰ বাবে বৈ থাকে। তাতেই আঙুঠি আৰু পাখি সদৃশ সংসাৰৰ মায়া-মমতাবোৰ মানুহৰ পৰা ছিন্ন হৈ পৰে।

তাৰ পিছত চানাই দেউতাকৰ অতীত ৰোমন্থন আৰু গুণ-গৰিমা প্ৰকাশ কৰিছে। চানাৰ দেউতাক বলং আৰু বলছাল (গাৰো পাহাৰৰ দুবিধ শক্তিশালী গছ) গছৰ দৰে ভীষণ শক্তিশালী আৰু ওখ আছিল। সেই শক্তিশালী দেউতাকৰ আজি মৃত্যু হ'ল। এই মৃত্যুত চানাই ইমানেই দুখ আৰু অসহায় অনুভৱ কৰিছে যে, সি নিজকে ডেউকাবিহীন এজনী চৰাইৰ লগত তুলনা কৰিছে।

গতিকে গাৰো সমাজত প্ৰচলিত কৰুণ ৰসাত্মক এই 'ক্ৰাবে' গীতটিক অতি সহজেই আমাৰ অসমীয়া সাহিত্যৰ 'মণিৰাম দেৱানৰ গীত' বা 'জয়মতী কুঁৱৰীৰ মালিতা'ৰ লগত তুলনা কৰিব পাৰিব।

বিলাপ গীতৰ দৰে আন একশ্ৰেণী আখ্যামূলক হৈছে— বাৰমাহী গীত। বাৰমাহী গীতবোৰ কৰুণ ৰসাত্মক। প্ৰেম বিহ্বলা নায়িকাই বছৰৰ বাৰটা মাহত প্ৰকৃতিৰ বিভিন্ন প্ৰভাৱৰ মাজত থাকি প্ৰবাসী স্বামীৰ অভাৱ কেনেদৰে অনুভৱ কৰে তাৰ সুন্দৰ বৰ্ণনা বাৰমাহী গীতত পোৱা যায়। বিভিন্ন ঋতুত প্ৰতিভাত প্ৰকৃতিৰ বিচিত্ৰ সৌন্দৰ্য আৰু সিবোৰৰ প্ৰভাৱত বিৰহিনী-নাৰীৰ অন্তৰৰ নিভৃত কোণৰ পৰা ওলোৱা কৰুণ কিনিনিয়ে বাৰমাহী গীতৰ মূলকথা। বাৰমাহী গীতৰ ঐতিহ্য অতি প্ৰাচীন। কালিদাসৰ 'ঋতু সংহাৰ'ৰ পৰাই ইয়াৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়।[১২৫] অসমীয়া সাহিত্যত 'কণ্যা বাৰমাহী', 'মধুমতীৰ গীত', 'জয়ধন বণিয়াৰ গীত' আদি বাৰমাহী গীতৰ অন্তৰ্গত।

---

১২৪ জেকিং এ চাংমাই 'The Garos' গ্ৰন্থৰ সহায় লৈ কৰা অসমীয়া অনুবাদ।

১২৫ কটকী, প্ৰফুল্ল ঃ সাহিত্য আৰু সংজ্ঞা, পৃ ২২৩।

গাৰো সমাজতো প্ৰকৃতিৰ পৰিবৰ্তন, কৃষি-কৰ্ম, বতাহ-বৰষুণৰ প্ৰবাহ, সূৰ্য্যৰ কিৰণৰ তাৰতম্য আদিলৈ লক্ষ্য ৰাখি বছৰটোক বাৰটা মাহ তথা ছয় ঋতুত বিভাগ কৰিছে।[১২৬] গাৰো মাহ আৰু ঋতুৰ নামসমূহ এনেধৰণৰ :

গাৰো মাহৰ নাম	অসমীয়া মাহৰ নাম
মেবাক	বহাগ
জাগ্ৰো	জেঠ
সগাল	আহাৰ
জাগাপ	শাওণ
জামেদক	ভাদ্ৰ
মেপাং	আহিন
আওনি	কাতি
বেবক	আঘোণ
কিলজক	পুহ
আউত	মাঘ
ওৱাচেং	ফাগুন
পালমাক	চ'ত

গাৰো ঋতুৰ নাম	অসমীয়া ঋতুৰ নাম
দিংকাৰী	গ্ৰীষ্ম
ওয়াচিকাৰী	বৰ্ষা
ৰাকাকাৰী	শৰৎ
পালিনকাৰী	হেমন্ত
চিনকাৰী	শীত
ৰালবোবোকাৰী	বসন্ত

এই বাৰটা মাহ বা ছয় ঋতুক ভিত্তি কৰি গাৰো সমাজতো বাৰমাহী গীতৰ দৰে একশ্ৰেণী গীত থকাৰ প্ৰমাণ পোৱা যায়। যেনে :

বাল আহো বালবাজক
চালা টাক্ টাক্ বাকবাজক।
চাচ গুৰি মিট্‌মাট মিট্‌মাট,
ওয়ামবং টিপ্‌টাপ টিপ্‌টাপ।

১২৬. Burling, Robbings : Rengsanggri, P-192.

আচিৰো চিৰাও চিৰাও,
চালচিনি মিট্চাও মিট্চাও।

জা আন বিলচি জাদক্জক,
মে মা ৰিবং গিলবক্জক।
টেচক আপাক মেচেংজক,
বিচা-দিচা আনচেংজক।

মাটমোচে বল্কলো নাপ্জক,
নাটিক নাবাদ ওৱাকিনা কাট্জক।
ফ্রিংঅ' চিনচিক বাজক,
বাবানা চানচি বাজক।[127]

অৰ্থাৎ,

বা কৰি আহিল বতাহ
সূৰ্যৰ প্ৰখৰ কিৰণ লৈ
সুকসৰ ৰৌদ্ৰ তাপত
পথাৰে লয় চিৰাল ফাট
খেতি পথাৰ যায় ফাটি
চাই থাকো কেনেকৈ চকু মেলি।

আহিল বছৰটোৰ বৰ্ষমাহ
উকথাকৈ নেৰাখিবা খেৰৰ চাল
টেচক গছত লাগিল ফল
ল'ৰা-ছোৱালীৰ মন টল-বল।

গাতত সোমাল এন্দুৰ-নিগনি
মাছ নামিল গভীৰ পানীত
শীত কালত আহিল জাৰ
কাপোৰ-কানি জোগাৰ কৰ।[128]

মন কৰিবলগীয়া এয়ে যে, অসমীয়া বাৰমাহী গীতসমূহত প্ৰকৃতিৰ লগতে প্ৰেম তথা বিৰহভাব প্ৰকটিত; কিন্তু গাৰো বাৰমাহী গীত প্ৰেম বা বিৰহ ভাবৰ পৰা মুক্ত। গাৰো-বাৰমাহী গীতত কেৱল বাৰটা মাহৰ প্ৰকৃতি জগতখন আৰু তাৰ পৰিবৰ্তনৰ কথাহে বৰ্ণনা কৰা হয়। মানুহৰ মানসিক জগতৰ ওপৰত পৰা প্ৰভাৱৰ বৰ্ণনা পোৱা নেযায়।

১২৭. লিখিবালা জি. মোমিন সংগৃহীত।
১২৮. উক্ত সংগ্ৰহকৰ্তাৰ অসমীয়া অনুবাদ।

এইদৰে গাৰো আৰু অসমীয়া মালিতা সম্পৰ্কে বিশ্লেষণ কৰিলে দেখা যায় যে, বাৰমাহী গীতৰ বিষয়বস্তু আৰু ভাব-অনুভূতিৰ বাহিৰে বাকীবোৰ মালিতাৰ সাদৃশ্য বিদ্যমান।

গাৰো সাধুকথা ঃ

সাধুকথাৰ ক্ষেত্ৰত গাৰো লোক-সাহিত্য বিশেষভাৱে চহকী। জীৱ-জন্তু, চিকাৰ, মাছমৰা, ভূত-প্ৰেত, প্ৰেম-প্ৰীতি, ৰজা-ৰাণী, ৰাজকোঁৱৰ-ৰাজকুঁৱৰী, জলকুঁৱৰী-বনকুঁৱৰী আদি সম্পৰ্কীয় বিভিন্ন প্ৰকাৰৰ সাধুকথা গাৰো সমাজত সিঁচৰতি হৈ আছে। তাৰে কিছু সংখ্যকে ইতিমধ্যে ছপা আখৰৰ মুখ দেখিছে যদিও, বহুসংখ্যক এতিয়াও মুখে মুখে প্ৰচলিত হৈ আছে। এই সাধুকথাসমূহ আলোচনাৰ সুবিধাৰ্থে প্ৰণালীবদ্ধভাৱে মিথ বা পুৰাণ সাধু, কিংবদন্তীমূলক সাধু, টেঙৰালি সাধু, জেজা-জেজীৰ সাধু, উপদেশমূলক সাধু, আমোদী সাধু আদি বিভিন্ন ভাগত ভাগ কৰি বিশ্লেষণ কৰিব পাৰি।

মিথ বা পৌৰাণিক সাধু ঃ

গাৰো সমাজত ভালে সংখ্যক মিথ বা পুৰাণ শ্ৰেণীৰ সাধুকথাৰ প্ৰচলন আছে। সৃষ্টি কাহিনীযুক্ত এই সাধুবোৰে সাধাৰণতে অতীত যুগৰ কথা কয়। গাৰোসকলৰ কিয় নিজা আখৰ (বৰ্ণমালা) নাই, ম'বা চৰাইৰ কেনেকৈ জন্ম হ'ল, মেঘে গৰজিলে ম'বা চৰায়ে কিয় পেখম ধৰে, এন্দুৰৰ নেজত নোম নাই কিয়, দিন-মাহ-বছৰ কেনেকৈ সৃষ্টি হ'ল, ঔষধৰ কেনেকৈ আৱিষ্কাৰ হ'ল—আদি মনমোহা সাধু কিছুমান গাৰো সমাজত প্ৰচলিত আছে।[১২৯] এইবোৰ সাধুকথাক মিথ বা পুৰাণ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। তলত, তেনে মিথজাতীয় এটি গাৰো সাধুকথা দৃষ্টান্ত হিচাপে দাঙি ধৰা হ'ল।[১৩০]

বহু যুগৰ আগতে আচিক (গাৰো) দেশত এজন বৰ চহকী মানুহ আছিল। তেওঁৰ একেজনী মাথো ছোৱালী। ছোৱালীজনী লাহে লাহে ডাঙৰ হ'ল আৰু আচিকসকলৰ নিয়ম অনুসৰি ছোৱালীজনী মাক-বাপেকৰ সম্পত্তিৰ উত্তৰাধিকাৰিণী (নোক্ৰম) হ'ল। যথা সময়ত ছোৱালীজনী দেখনিয়াৰ ডেকা এজনৰ লগত বিয়া হ'ল।

আন আন সা-সম্পত্তিৰ লগতে বাপেকে ছোৱালীজনীৰ যৌতুকত এখনি কালিকা লগা কনকৰা (ফুলতোলা) পাটৰ কাপোৰ দিলে। জীয়েক-জোঁৱায়েকে কাপোৰখন সযতনে ৰাখিলে। এটা মন্ত্ৰ নপঢ়াকে কাপোৰখনত কোনোবাই হাত দিলে চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব আৰু কাপোৰখন চৰাইৰ পাখি, নেজ হৈ পৰিব। এই কথা বাপেকে ছোৱালীজনীক মনে মনে কৈছিল আৰু মন্ত্ৰটোও শিকাই দিছিল। ছোৱালীজনীৰ গিৰিয়েকে কিন্তু এই সম্বন্ধে একো নেজানিছিল। কাপোৰখনৰ যে কি গুণ আছে সি নাজানিছিল।

এসময়ত চহকী মানুহজন আৰু ঘৈণীয়েক ঢুকাল। জীয়েক-জোঁৱায়েক ঘৰৰ গৰাকী

---

১২৯. Rongmuthu, D.S : Folk-Tales of the Garos.

১৩০ Barkataki, S.N . Tribal Folk-Tales of Assam, PP 243-244.

হ'ল। এদিন ছোৱালীজনীয়ে পেৰাৰ পৰা কাপোখন উলিয়াই ৰ'দত মেলি দিলে। তাৰ পিছত মাছ মাৰিবলৈ যাব লগা হোৱাত তাই গিৰিয়েকক দঢ়াই দঢ়াই কৈ গ'ল যে, লাগে ধাৰাসাৰে বৰষুণ হওঁক, বতাহ-ধুমুহা আহক, কাপোখন যেন সি নোচোৱে।

কিছু পৰৰ পিছত ক'লা ডাৱৰে আকাশ ছাটি পেলালে। ধাৰাসাৰ বৰষুণ আহিল। কাপোৰখন বৰষুণত তিতা দেখি গিৰিয়েকে ঘৈণীয়েকক চিএৰি চিএৰি মতাত তাই লৰা-লৰিকৈ আহিবলৈ ধৰিলে, কিন্তু তাই আহি পোৱাৰ আগতেই বৰষুণ পৰিল। সেইবাবে গিৰিয়েকে ঘৈণীয়েকৰ হাক-বচন পাহৰি কাপোৰখন সামৰি আনিবলৈ গৈ তাত হাত দিয়া মাত্রকে এটা ডাঙৰ, ধুনীয়া, নানা-বৰণীয়া পাখিৰে সুশোভিত চৰাই হৈ পৰিল। এই কাণ্ড দেখি ঘৈণীয়েকেও মন্ত্ৰৰাৰ উচ্চাৰণ কৰিবলৈ পাহৰি 'কি কৰিলা ঐ' বুলি কাপোৰখনত হাত দিয়াৰ লগে লগে তায়ো এজনী চৰাইৰ ৰূপ ল'লে।

তেতিয়াৰে পৰা মতা চৰাইটো হ'ল মতা ম'ৰা চৰাই আৰু মাইকীজনী হ'ল মাইকী ম'ৰা চৰাই। মতাটোৰ পাখি বেছ জকমকীয়া, কাৰণ ফুলতোলা কাপোৰখনৰ সৰহভাগ তাৰ নেজ আৰু পাখিত লাগি ৰ'ল। সেই কাৰণে মেঘে গৰ্জিলে বা বৰষুণ আহিবলৈ উপক্ৰম হ'লে ম'ৰা চৰায়ে চিএৰিবলৈ (পেখম) ধৰে। সিহঁতৰ ভয় লাগে কিজানিবা সিহঁতৰ ধুনীয়া পাখিবোৰ বৰষুণত তিতি নষ্ট হয়।

এনে ধৰণৰ বহু সংখ্যক মিথজাতীয় সাধুকথাৰ গাৰো সমাজত প্ৰচলন আছে। ওপৰত বৰ্ণনা কৰাটো এটা উদাহৰণহে মাত্র। আমাৰ অসমীয়া সমাজত প্ৰচলিত কুকুৰৰ শিং নাই কিয়, ম'হ মেনা হ'ল কিয়, কেকোঁৰাৰ দহ ঠেং হ'ল কেনেকৈ, চিতল মাছৰ মুৰ চেপেটা হ'ল কিয়, টোকোৰা চৰাইৰ মুৰ টকলা হ'ল কিয়---আদি এই শ্ৰেণীৰ কাহিনী বা মিথজাতীয় সাধুকথা।[১৩১] ইয়াৰ ভিতৰত টোকোলা চৰাইৰ সাধুটো গাৰো সমাজতো হুবহুভাৱে প্ৰচলন আছে। আনহাতে, গাৰোসকলৰ 'নিজা আখৰ (বৰ্ণমালা) নাই কিয়' সাধুটো প্ৰফুল্লদত্ত গোস্বামীৰ মতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ জনজাতীয় সাহিত্যতে প্ৰচলন আছে।[১৩২]

কিংবদন্তীমূলক সাধু ঃ

এই শ্ৰেণী সাধুকথাক ইংৰাজীত 'লিজেণ্ড' বোলে। সাধাৰণতে বুৰঞ্জীমূলক বিষয়ক অৱলম্বন কৰি নাইবা ঐতিহাসিক কোনো স্থানৰ সৈতে জড়িত কৰি এই কাহিনীসমূহ মুখে মুখে প্ৰচলিত হৈ থাকে।[১৩৩]

গাৰো সমাজতো এনে প্ৰকৃতিৰ ভালেমান কিংবদন্তীমূলক সাধুকথাৰ প্ৰচলন আছে। 'দুৰামাং চুংদুমাং, দাকগ্ৰিকা', 'মিঠদেইবেচা আবোজিনী', 'আবং নগা' আদি এইশ্ৰেণীৰ

১৩১ গগৈ, লীলা ঃ অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, পৃ. ২৪৪।
১৩২. গোস্বামী, প্ৰফুল্লদত্ত ঃ অসমীয়া জন-সাহিত্য, পৃ. ১০৬।
১৩৩ উক্ত গ্ৰন্থ, পৃ ১০৬।

গাৰো সাধুকথা। 'দুৰামাং চুংদুমাং দাকগ্রিকা' এই সাধুটো কিংবদন্তীমূলক সাধু হিচাপে গাৰো সমাজত বেছ জনপ্রিয়। তলত সাধুটোৰ বৰ্ণনা দিয়া হ'ল।[১০৪]

বহুদিনৰ আগৰ কথা। তুৰা পৰ্বত এদিন ব্রহ্মপুত্রৰ ওচৰলৈ আহিল। ব্রহ্মপুত্রই আদৰ-অভ্যর্থনা কৰি অহাৰ কাৰণ সুধিলে। তেতিয়া তুৰাই নিজৰ মনৰ ভাব ব্যক্ত কৰি ক'লে যে, যদি ব্ৰহ্মপুত্ৰই সন্মতি দিয়ে তেনেহ'লে তুৰাই নিজৰ জীয়েক চিম্‌ৰেৰ কাৰণে ব্ৰহ্মপুত্ৰৰ নুমলীয়া পুত্র চিংবাক নিব খোজে। ব্রহ্মপুত্রই আপত্তি নকৰাত চিংবাক তুৰাই নিজৰ ঘৰলৈ লৈ আহিল আৰু যথাবিহীতভাৱে চিম্‌ৰেৰ লগত বিয়া পাতি দিলে।

বিয়াৰ পিছত চিম্‌ৰেই গিৰিয়েকৰ কাৰণে কুকুৰা আৰু গাহৰি মাংস ৰান্ধিলে। কিন্তু মাংস ৰান্ধোতে মছলা, হালধি আদি একো নিদিলে। আঞ্জাখিনি বগা আৰু কেঁচা কেঁচা গোন্ধাই থাকিল। চিংবাই এনে মাংস খাব নোৱাৰো বুলি ক'লে। তেতিয়া চিম্‌ৰেই আঞ্জাখিনিত শুকান বাঁহৰ গাজ পেলাই দিলে। এইবাৰ বাঁহৰ গাজৰ গোন্ধত চিংবা আৰু বেছি অতিষ্ঠ হ'ল। এইদৰে সাত দিন, সাত ৰাতি চিম্‌ৰেই গিৰিয়েকৰ কাৰণে ভাত আৰু আঞ্জা ৰান্ধিলে, কিন্তু চিংবাই এদিনো খাব নোৱাৰিলে। আনহাতে, পাহাৰৰ পানীৰ বাবে পানীটোপাও চিংবাই মুখেৰে খাব পৰা নাছিল। সেইবাবে চিংবাই এদিন তুৰাক জনালে যে, এই ঠাই সি ভাল পোৱা নাই। গতিকে ইয়াত আৰু সি থাকিব নোৱাৰে। এদিন সঁচাকৈয়ে চিংবা মাক ব্রহ্মপুত্রৰ ওচৰলৈ আহিল আৰু তাৰ দুৰ্দশা বৰ্ণাবলৈ ধৰিলে, "ভোকত মোৰ পেটত জুই লাগিছে, পিয়াহত কণ্ঠ-কণ্ঠ শুকাই গৈছে। সিহঁতে দিয়া খাদ্যসমূহৰ দুৰ্গন্ধত মই সাত দিন, সাত ৰাতি একো খাব পৰা নাই।" তাৰ পাছত অনাহাৰত চিংবাৰ ব্ৰহ্মপুত্ৰৰ সন্মুখতে মৃত্যু ঘটিল।

এই ঘটনাৰ পিছত ব্রহ্মপুত্র আৰু চিংবাৰ ককায়েক জাংবাৰ খঙে চুলিৰ আগ পালে আৰু তুৰাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। বৰষুণক নিৰ্দেশ দিলে তুৰা পৰ্বতৰ ওপৰত ধাৰাসাৰে বৰষুণ বৰ্ষণ কৰি বানপানীৰ সৃষ্টি কৰিবলৈ। সেইমতে সাত দিন, সাত ৰাতি ধাৰাসাৰে বৰষুণ পৰিল আৰু তুৰাক ধ্বংস কৰিবলৈ বানপানীৰ সৃষ্টি হ'ল।

সেই সময়তে তুৰায়ো সূৰ্য দেৱতাক প্রাৰ্থনা জনালে—"হে চালগিৰা (সূৰ্যদেৱতা) যদি সঁচাই তুমি মোক ভালপোৱা, তেনেহ'লে মোক এই মহাবিপদৰ পৰা ৰক্ষা কৰা। ব্ৰহ্মপুত্ৰই বানপানীৰ সৃষ্টি কৰি মোক বিনাশ কৰিবলৈ খুজিছে, গতিকে তুমি তোমাৰ ৰৌদ্ৰ তাপেৰে এই পানী শুকাই নিয়া।" তেতিয়া আকৌ সাতদিন, সাতৰাতি সূৰ্যই ৰৌদ্ৰ তাপ তুৰাৰ ওপৰত বিকীৰণ কৰিলে। ফলত বানপানী শুকাই গ'ল।

সেইবাবেই, ব্ৰহ্মপুত্ৰই তুৰা পৰ্বতক বানপানীৰে তল নিয়াব নোৱাৰিলে। তথাপি, ব্রহ্মপুত্র আৰু তুৰাৰ মাজত শত্ৰুতাৰ অন্ত নপৰিল। সেইবাবে এতিয়াও তুৰা পৰ্বতৰ মাজে মাজে পানীৰ সোঁত বৈ থাকে।

---

১০৪ কমলা জি মোমিন সংগৃহীত।

গাৰো সমাজত প্ৰচলিত এইটো এটা কিংবদন্তীমূলক সাধুকথা। অসমীয়া সমাজতো বুৰঞ্জীক জড়িত কৰি ৰচনা কৰা এনেধৰণৰ সাধুকথাৰ প্ৰচলন আছে। 'মোমাই কটা গড়' এনেধৰণৰ কিংবদন্তীমূলক সাধুকথা।[১৩৫] ওপৰত বৰ্ণনা কৰা 'দুৰামাং চংদুমাং দাকগ্ৰিকা' গাৰো সাধুটোৰ লগত অসমীয়া 'মোমাই কটা গড়' সাধুটোৰ মিজাব পাৰি।

টেঙৰালি বা টেটোন সাধু ঃ

ধূৰ্ত্তালি বা দুষ্টালিসম্পন্ন সাধু লোক-সমাজত আটাইতকৈ জনপ্ৰিয়। লোক-সমাজে দুষ্টালি বা টেঙৰালিক এবিধ আৰ্ট বা ক'লা ৰূপে গ্ৰহণ কৰা যেন হে অনুমান হয়, নহ'লেনো বৰ বৰ চোৰেও শাস্তিৰ সলনি ৰজাৰ পৰা বঁটা-বাহন পাইনে।[১৩৬]

গাৰো লোক-সমাজতো এনে টেঙৰালি বা টেটোন শ্ৰেণীৰ ভালে সংখ্যক সাধুকথা পোৱা যায় আৰু এইশ্ৰেণী সাধুকথা তেওঁলোকৰ মাজত বেছ জনপ্ৰিয়। অসমীয়া সাধুকথাৰ লগত তুলনামূলক ধাৰণা এটা দিয়াৰ উদ্দেশ্যে তলত তেনে এটি সাধুকথাৰ বৰ্ণনা দিয়া হ'ল। গাৰো সাধুকথাটোৰ নাম 'ৰজা গাংৰে নক্‌মা চিপে'।[১৩৭]

বহু হাজাৰ বছৰ পূৰ্বে আচিক দেশত গাংৰে নক্‌মা নামেৰে এজন মানুহ আছিল। তেওঁ বৰ ধনী, প্ৰতাপী, বুদ্ধিমান আৰু সকলো কামতে পাকৈত আছিল। গাঁৱৰ মানুহে তেওঁক বাহিৰত দেখুৱাই মান কৰিছিল যদিও পেটে-পেটে একেবাৰে ভাল নেপাইছিল। এদিন গাঁৱৰ আটাইবোৰ মানুহ একগোট হৈ গাংৰেৰ ঘৰত জুই দি তেওঁক সপৰিয়ালে নাশ কৰাৰ পাং পাতিলে। গাংৰেই কথাটো গম পাই তেওঁৰ ধন-সোণ সকলো মাটিৰ তলত পুতি থৈ একো নজনাৰ ভাও ধৰি থাকিল।

পিছদিনা ৰাতি গাঁৱৰ মানুহে গাংৰেৰ ঘৰত জুই দিলে। গাংৰেই ল'ৰা-তিৰোতাৰ সৈতে পিছ দুৱাৰেদি পলাই সাৰিল, কাৰো একো হানি-বিঘিনি নঘটিল। পিছদিনা পুৱা সকলো পুৰি শেষ হ'ল বুলি গাঁৱৰ মানুহৰ আগত গাংৰেই মিছাকৈ হিয়া ঢাকুৰি কান্দিলে। সি ক'লে যে, পোৱা ছাঁইসোপাৰ বাহিৰে তাৰ এতিয়া একো নাই। এই বুলি দহোটামান বস্তাত ছাঁই এসোপা ভৰাই লৈ নগৰৰ পিনে গাংৰেই খোজ ল'লে। বাটত বস্তাকেইটা নৈত উটুৱাই দি সি ঘৰমুৱা হ'ল।

নগৰৰ পৰা ঘূৰি আহি মাটিৰ তলত পুতি থোৱা ধন-সোণবোৰ উলিয়াই গাঁৱৰ মানুহক দেখুৱাই গাংৰেই গণনা কৰাত লাগিল। আচৰিত হৈ গাঁওৰ মানুহে সেই ধন ক'ত পালে বুলি সোধাত, গাংৰেই ক'লে, "চহৰত কেতবোৰ সদাগৰে পোৱা ঘৰৰ ছাঁই কিনিবলৈ হেতা-ওপৰা লগাইছে। মোৰ ঘৰ পুৰি ভালেই হ'ল। ছাঁইবোৰ বেছি ভালেখিনি ধন পালো।"

---

১৩৫. গোস্বামী, প্ৰফুল্লদত্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৬।

১৩৬. শৰ্মা, নবী—অসমৰ সাধুকথা, পৃঃ ৫৪

১৩৭. বৰকটকী, সত্যেন্দ্ৰনাথ—পৰ্বতীয়া সাধুকথা, পৃঃ ১৬৬-১৭০

গাঁৱৰ মানুহবোৰে গাংৰেৰ কথাত পতিয়ন গৈ নিজৰ নিজৰ ঘৰত জুই দি ঘৰ পোৰা ছাঁইবোৰ ভাৰ বান্ধি চহৰ পালেগৈ। চহৰলৈ ছাঁই বেচিবলৈ অহা বুলি জানি সকলোৱে তেওঁলোকক ঠাট্টা-মস্কৰা কৰিলে আৰু কাৰো কাৰো গাত চৰ-ভুকুৱো পৰিল।

এইবাৰ গাংৰেৰ ওপৰত মানুহবোৰৰ হিংসা দুগুণে বাঢ়িল। সেইবাবে তেওঁলোকে এইবাৰ গাংৰেৰ গৰু-ছাগলি সোপাকে মাৰি খাবলৈ ঠিক কৰিলে। সেইমতে গাংৰেৰ গৰু-ছাগলিবোৰ কাটি নি ভোজভাত খালে। গাংৰেই ক'লে, "যি কৰিলা কৰিলা। মোক অন্ততঃ গৰু-ছাগলিকেইটাৰ ছাল কেইখনকে দিয়া।" ৰাইজে আপত্তি নকৰাত ছালবোৰ ফালি-চিৰি, সেইবোৰকে বান্ধি-চাটি লৈ দক্ষিণমুৱা হ'ল।

অলপ দূৰ গৈ নিজৰ ঘৰৰ ওচৰৰে মাটিত হাল বাই থকা মানুহ এজনক লগ পালে। সি নিজকে ছাগলি বেপাৰী বুলি পৰিচয় দি এটোপা টেঁচাপানী বিচাৰিলে। খেতিয়কজনে নিজৰ ঘৰটো আঙুলিয়াই দি তাত গৈ পানী খাবলৈ ক'লে। গাংৰে খেতিয়কজনৰ ঘৰলৈ গ'ল আৰু ল'ৰা-ছোৱালীকেইটাক ক'লে যে, ঘৰত যি টকা-পইচা আছে সকলো তেওঁৰ হাতত দিবলৈ দেউতাকে কৈছে। সিহঁতে গাংৰেৰ কথাত পতিয়ন নোযোৱাত খেতিয়কজনৰ পিনে চাই বিড়ি মাৰি ক'লে, "ইহঁতে দেখোন দিব নোখোজে?" দুপৰৰ টিকা-ফটা ৰ'দত হাল বাই খেতিয়কজন খঙাল হৈ আছিল। সেয়ে এইবাৰ জোকাৰি জোকাৰি খেতিয়কজনে চিএঞৰি চিএঞৰি ল'ৰা-ছোৱালী কেইটাক ক'লে, "নিদিয় কিয়? তহঁতক গৈ এছাট দি আহিব লাগে নেকি?"

বাপেকৰ মূৰ্তি দেখি ল'ৰা-ছোৱালী কেইটাই ভয়তে ঘৰৰ ভিতৰত থকা সোণ-ৰূপৰ টেকেলিটো আনি গাংৰেক দিলে। গাংৰেই সেইবোৰ মোনাত ভৰাই লৈ খেতিয়কজনৰ ওচৰলৈ গ'ল আৰু তেওঁক শলাগ জনাই ঘৰমুৱা হ'ল। বাটত গৰু-ছাগলিৰ ছালবোৰ পেলাই দি গাঁও পাই, গাঁৱৰ মানুহক দেখুৱাই দেখুৱাই সোণ-ৰূপৰ মোহৰবোৰ লেখিবলৈ ধৰিলে। এই দৃশ্য দেখি গাঁৱৰ মানুহৰ চকু জলক-তবক লাগিল। ইমান সোণ-ৰূপৰ মোহৰ ক'ত পালে বুলি সোধাত সি ক'লে—"চহৰলৈ গৰু-ছাগলিৰ ছাল কিনা ভাৰে ভাৰে সদাগৰ আহিছে। যদি তোমালোকক সোণ-ৰূপৰ মোহৰ লাগে, তেনেহ'লে গৰু-ছাগলিবোৰ মাৰি, ছালবোৰত ভাৰে ভাৰে ফুটা কৰি চহৰলৈ লৈ যোৱা।" গাংৰেৰ কথা মতে গাঁৱৰ মানুহে গৰু-ছাগলিবোৰ মাৰি, ছালবোৰত ফুটা কৰি চহৰ পালে, কিন্তু এই সোপা ফুটা ছালনো কিনিব কোনে। মানুহবোৰে ছালবোৰ লৈ আকৌ ঘৰ পালেহি।

সেইদিনা, গাংৰে বজাৰলৈ আহিল। বজাৰ সোমাওঁতেই সি এজন সাজ-পাৰৰ বেপাৰ কৰা সাউদক লগ পালে। সাউদজনে মানুহ চাই সাজ-পাৰ উঠনাকৈও দিয়ে। বজাৰৰ কাষতে ডাঙেৰীয়াৰ পকী ঘৰ আছিল। সিহঁত তেতিয়া বজাৰত, ঘৰত মাত্ৰ ল'ৰা-ছোৱালীহঁতহে আছে। গাংৰেই ভাবে এটা ঘৰত সোমাই আৰামকৈ বহি ল'লে আৰু ল'ৰা-

ছোৱালীকেইটাৰ লগত এনেকৈ কথা-বতৰা আৰম্ভ কৰিলে যেন সি সেই ঘৰৰ মালিকহে। তেনেতে সাউদজন আহি সেই ঘৰত সোমাল। গাংবক গিৰিহঁত বুলি অনুমান কৰি সাউদজনে সাজ-পাৰ বেচাৰ বাবে চেষ্টা কৰিলে। গাংবই ক'লে যে, সাজ-পাৰ তেওঁক ভালেখিনি লাগিছিল, কিন্তু তেওঁৰ হাতত এতিয়া ধন নাই। ঘৰ-বাৰীৰ পিনে চকু দি সাউদে ক'লে— "সেইটো একো ডাঙৰ কথা নহয়, পিছে-পৰে দিলেও হ'ব।" গাংবই দামী দামী সাজপাৰ কেইজোৰমান বাচি ল'লে।

সাউদজনে সেই অঞ্চলৰ দোৱান বুজি নেপাইছিল। নাম সোধাত গাংবই তেওঁৰ নাম 'অনজাবা' (অৰ্থাৎ 'নিদিয়ে') আৰু বাপেকৰ নাম 'মানজাবা' (অৰ্থাৎ 'নাপায়') বুলি ক'লে। সাউদজনে নাম দুটা টুকি লৈ এবছৰ পিছত বাকী সাধিবলৈ আহিল। 'মানজাবা'ৰ পুতেক 'অনজাবাক' (অৰ্থাৎ 'নাপায়'ৰ পুতেক 'নিদিয়ে'ক) বিচাৰি অহাত মানুহবোৰৰে সাউদৰ পিঠত ও পেলালে।

এই ঘটনাৰ পিছত গাংবই বমক-জমক সাজ পিন্ধি গাঁৱলৈ উলটি অহাত গাঁৱৰ মানুহৰ কটা ঘাঁত যেন লোণহে পৰিল। তৎক্ষণাৎ সিহঁতে গাংবক পাচি এটাৰ ভিতৰত সুমুৱাই বান্ধি পেলালে আৰু পানীত বুৰাই মাৰিবৰ বাবে পুখুৰী এটাৰ পিনে খোজ ল'লে। ভালেমান দূৰ খোজ কাঢ়ি আহি অলপ জিৰাবৰ মন কৰি পাচিটো পুখুৰীৰ পাৰত থৈ অলপ দূৰণিৰ এজোপা গছৰ তলত জলপান খাবলৈ বহিল।

এনেতে এটা গৰখীয়া ল'ৰা আহি পাচিটোত কি আছে জানিবলৈ ইকাতি-সিকাতি কৰোঁতে গাংবই ভিতৰৰ পৰা মাত দিলে, "কোন, কি লাগে?"

গৰখীয়া ল'ৰাটো নিতৌ পুখুৰীটোলৈ গৰুক পানী খুৱাবলৈ আহে। সেইদিনাও সি গৰু এজাক লৈ তালৈ আহিছিল। সি পাচিটোৰ ভিতৰত কি আছে সুধিলত, গাংবই ক'লে, "আমাৰ ৰজাৰ এগৰাকী দিপ্লিপ কুঁৱৰী আছে। তাই মোক বিয়া কৰাব খুজিছে, কিন্তু মোৰ তাইক বিয়া কৰাবৰ মন নাই। সেইবাবে ৰজাৰ লগুৱাবোৰে মোক ধৰি-বান্ধি লৈ আহিছে। লগুৱাবোৰ এতিয়া কাৰেংলৈ গৈছে ৰজাক মই অহাৰ খবৰ দিবলৈ। অলপ পৰৰ পিছতে সিহঁতে মোক দোলাত তুলি কাৰেংলৈ নি কুঁৱৰীৰ সৈতে বিয়া পাতি দিব। মই আমাৰ গাঁৱৰ ছোৱালী এজনীকহে ভাল পাওঁ আৰু তাইৰহে বিয়া কৰাবৰ মন কৰোঁ। ৰজাৰ মন্ত্ৰীয়ে কৈছে, যদি মই নিজৰ সলনি ধুনীয়া চফল ডেকা এজন আনি দিব পাৰো, লাগে সি গৰখীয়া বা হালোৱাই হওক, তেতিয়া মই এই বিয়াৰ পৰা হাত সাৰিব পাৰিম। পিছে এতিয়ালৈকে মোক উদ্ধাৰ কৰোঁতা কোনো নোলাল।"

গৰখীয়া ল'ৰাটোৱে ভেতিয়া ক'লে, "মোক সকলোৱে দেখনিয়াৰ বুলি কয়। তোমাৰ সলনি মোক যাবলৈ দিবানে?"

গাংবই ক'লে, "তুমি যদি সঁচাই ৰজাৰ জীয়ৰীক বিয়া কৰাব খোজা তেনেহ'লে

তোমাৰ ফটা-চিটা কাপোৰ সাজ মোক দি মোৰ সাজপাৰ পিন্ধি তংগালিকে পাচিত সোমোৱা।" গৰখীয়া ল'ৰাটোৱে সাজপাৰ সলনি কৰি পাচিত সোমাল। গাংবেই পাচিটো বান্ধি-চাটি থৈ গৰুজাক খেদি লৈ ঘৰমুৱা হ'ল। ইপিনে, জলপান-পাতি খাই উঠি গাঁৱৰ মানুহজাকে পাচিটো পানীত পেলাই দি, বঙতে নাচি-বাগি আহি ঘৰ পালে। পিছে, ঘৰলৈ আহি এজাক গৰুৰে সৈতে গাংবক দেখি সিহঁতৰ মুখৰ মাত হেৰাল। গাংবেই তেতিয়া বিনম্ৰ হৈ মাত লগালে—"বাইজ আপোনালোকক সত-সহস্ৰ ধন্যবাদ। সেই পুখুৰীটো কালিকালগা। পুখুৰীটোৰ তলত এখন বিতোপন গাওঁ আছে। গাওঁখনত গৰু-ম'হে গিজ্‌গিজাই আছে। সেই গাঁৱৰ মানুহবোৰে পাচি, শলা আদি বাঁহৰ সঁজুলি বৰ ভাল পায়। তাৰ সলনি গৰু-ম'হ দিয়ে। আপোনালোকেও পাচি, শলা আদি লৈ পুখুৰীটোৰ তলিলৈ যাওঁক আৰু মোৰ দৰে এজাক গৰু লৈ আহক।"

গাংবেই কেইবাবাৰো গাঁৱৰ মানুহক আভুৱা ভাৰি থৈছে। সেয়ে তাৰ কথাত পতিয়ন যাব নে নেযায় সেই বিষয়ে ভবা-গুণাত লাগিল। এনেতে এজনে মাত লগালে, "আমি নিজৰ চকুৰ আগতে তাক পানীত পেলাই দিছো। পুখুৰীটোৰ তলিত যদি গাওঁ নায়েই, তেনেহ'লে গৰুজাক ই পালে ক'ৰ পৰা? এইবাৰ সি সঁচা কথা কৈছে যেন পাইছো।" এই কথাত সকলোৱে হয় ভৰ দি গাঁৱৰ প্ৰত্যেক মানুহে একোটা পাচি লৈ পুখুৰীটোৰ পাৰ পালে। তাৰ পিছত পাচিৰ ভিতৰত সোমাই, গাংবৰ হতুৱাই পাচিবোৰ জানদৰে বন্ধালে। বান্ধি অঁতাই এটা এটাকৈ পাচিবোৰ গাংবেই পুখুৰীত পেলাবলৈ ধৰিলে।

কাম সমাধা কৰি গাংব গাঁৱলৈ ঘূৰি আহিল আৰু গাঁৱৰ সমস্ত মাটি-বাৰী, সা-সম্পত্তিৰ সি একচ্ছত্ৰী অধিকাৰী হৈ পৰিল। গাঁৱৰ মানুহবোৰৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীবোৰক প্ৰজা পাতি গাংবেই আচিক দেশৰ ৰজা হৈ ৰাজত্ব কৰিবলৈ ধৰিলে। নাক মোহাৰিলেই বুদ্ধি ওলোৱা গাংবে আচিক দেশৰ সকলোৱে মাজত জনাজাত।

এনেধৰণৰ কেইবাটাও টেঙৰালি সাধুকথা গাৰো সমাজত প্ৰচলিত হৈ আছে। আমাৰ অসমীয়া সমাজত প্ৰচলিত 'টেটোন তামুলী', 'শিয়াল পণ্ডিত', 'অজলা আৰু টেস্টন' আদি সাধুকেইটিৰ লগত গাৰো সমাজত প্ৰচলিত উক্ত সাধুটোক তুলনা কৰিব পাৰি। টোটোনে কেনেকৈ নিজৰ উপস্থিত বুদ্ধিৰ বলত ৰজাৰ পৰা এশ, এহেজাৰ আৰু এক লাখ টকা আদায় কৰাৰ উপৰিও তামুলীৰ জীয়ৰী চম্পাক বিয়া কৰাবলৈ সক্ষম হ'ল তাৰ সুন্দৰ কাহিনী সাধুটোত পোৱা যায়। এনে ধৰণৰ টেস্টন বা টেঙৰালি সাধুবোৰ প্ৰফুল্লদত্ত গোস্বামীৰ মতে মংগোলীয়সকলে অসমলৈ আনে।[১০৮] গাৰোসকল যিহেতু মংগোলীয় গোষ্ঠীৰ লোক গতিকে তেওঁলোকৰ পৰাই অসমীয়া সমাজতো টেঙৰালি সাধুৰ প্ৰচলন হয় বুলি ভাবিব থল আছে।

---

১০৮ গোস্বামী, প্ৰফুল্লদত্ত : প্ৰাগুক্ত গ্ৰন্থ, পৃ ১০৬।

তেজা-তেজীৰ সাধু ঃ

মাহী মাকে সতীয়া ল'ৰা-ছোৱালীক দিয়া যাতনাক লৈ বিবিলাক সাধুৰ প্ৰচলন আছে, তাকে কোৱা হয় তেজা-তেজীৰ সাধু। ইংৰাজীত 'চিণ্ডাৰেলা' আৰু অসমীয়াত 'তেজীমলা' এইশ্ৰেণীৰ জনাজাত সাধুকথা।[139] গাৰো সমাজতো এইশ্ৰেণীৰ সাধুকথা থকাৰ প্ৰমাণ পোৱা যায়। 'দো কুৰুণী' এই জাতীয় সাধু। অৱশ্যে, এই সাধুটোত মাহী মাক ৰূপে অৱতীৰ্ণ হৈছে আইতাকহে। সাধুটোৰ বৰ্ণনা দিলে তুলনা কৰাত সহজ হ'ব, সেয়ে তলত সাধুটো চমুকৈ দাঙি ধৰা হ'ল।[140]

এসময়ত আচিক দেশৰ এখন গাঁৱত ধনী বুঢ়া মানুহ এজনে বাস কৰিছিল। ঘৰত তেওঁৰ শাহুয়েক, ঘৈণীয়েক আৰু চাৰি জনী ছোৱালী আছিল। ডাঙৰজনী ছোৱালীৰ নাম আবিল, মাজুজনীৰ নাম চিংবিল আৰু সৰু দুজনীৰ নাম হ'ল নোজে আৰু ডিম্‌চে। ডাঙৰ দুজনী দেখিবলৈ বৰ ৰূপহী আছিল। ইদুজনী তেতিয়া সৰু। বুঢ়ী-শাহুয়েক বৰ আপচু আৰু কুচুটীয়া স্বভাৱৰ আছিল। আবিল আৰু চিংবিলক তাই চকু পাৰি দেখিব নোৱাৰিছিল, বিশেষকৈ সিহঁত দুজনী ধুনীয়া আছিল বাবে। সুবিধা পালেই সিহঁতক ঠেকত পেলোৱাৰ চেষ্টাত বুঢ়ী ব্যস্ত আছিল। সিহঁত দুজনীয়ে ধান খুন্দিলে বুঢ়ীয়ে তাত ফুটচাই আৰু পতান পেলাই দিয়ে, বন্ধা ভাতত চুলি বা নিগনিৰ লাদ পেলাই দিয়ে, নিজৰাৰ পৰা পানী আনিলে তাত বালি বা মাটি মিহলাই দিয়ে।

এদিন মাকে ভঁৰালৰ পৰা ধান উলিয়াই দি ধানখিনি খুন্দি দুপৰীয়া ভাতসাজ ৰান্ধিবলৈ ডাঙৰ জীয়েক দুজনীক কৈ পথাৰলৈ গ'ল। আবিল আৰু চিংবিল ধান খুন্দাত লাগিল। ধান খুন্দি থাকোঁতে সৰু দুজনীয়ে নদীলৈ গৈ গা-ধুৱাই দিবলৈ খাটনি ধৰিলে। আইতাকক ধানখিনি চাবলৈ কৈ চাৰিওজনী নদীলৈ গ'ল। সিহঁত যোৱাৰ পিছত বুঢ়ীয়ে ধানখিনি লুকুৱাই থ'লে। আবিল আৰু চিংবিলে উভতি আহি বুঢ়ীক ধানৰ কথা সোধাত বুঢ়ীয়ে ক'লে যে, গাহৰি আৰু কুকুৰাই ধানখিনি খাই শেষ কৰিলে। মাকে ঐ কিল দিয়াৰ ভয়ত দুয়োজনীয়ে পুনৰ ভঁৰালৰ পৰা ধান উলিয়াই খুন্দিবলৈ লাগিল। এনেতে মাক পথাৰৰ পৰা আহি পালে আৰু তেতিয়াও ধান খুন্দি থকা দেখিবলৈ পালে। ধানখিনি কুকুৰা আৰু গাহৰিয়ে সিহঁত দুজনীৰ অৱহেলাৰ বাবেই খাবলৈ পালে বুলি বুঢ়ীয়ে কথা লগোৱাত মাকৰ খং উঠিল আৰু দুয়োজনীকে গাহৰিৰ গড়াল এটাত ৰাখিটো বন্ধ কৰি থ'লে। পুৱা মাক বজাৰলৈ গ'ল। এনেতে সৰু ল'ৰাকেইটামানে খিলাগুটি খেলি থাকোঁতে চিটিকি গৈ খিলাটো গাহৰিৰ গড়ালটোত সোমাল। খিলাটো বিচাৰিলত আবিলে ক'লে, "আমাক ইয়াৰ পৰা মোকলাই দিলেহে খিলাটো দিম।" ল'ৰাটোৱে সিহঁতক মোকলাই দিলে।

তাৰ পিছত আবিল আৰু চিংবিলে কুকুৰা এটা মাৰি বাহি বাঢ়ি খালে আৰু কুকুৰাটোৰ

---

১৩৯. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৬।

১৪০. Rongmuthu, D.S. : Folk-Tales of the Garos, PP. 71-78.

পাখিবোৰ গাত লগাই ল'লে। একনী মখচি (পানী কাউৰী) চৰাইৰ সহায়ত দুয়োজনী কপৌ চৰাই হৈ ধৰৰ চালে চালে উৰি ফুৰিবলৈ ধৰিলে। এদিন আনাল আৰু ওনাল নামেৰে এহাল ভাই-ককায়ে জুমখেতি কৰ নিবাই থাকোঁতে কপৌহালে ওচৰৰ এজোপা গছত পৰি গান গাবলৈ ধৰিলে। দুয়ো ভায়েক-ককায়েকে দুখন কাণ্ পাতিলে। আনালৰ কাণত লাগিল আৰিল আৰু ওনালৰ কাণত লাগিল চিংৰিল। কপৌদুজনী ধৰিবলৈ গৈ আহিল। ধৰিবলৈ অনাৰ পিছত কপৌ দুজনীয়ে পূৰ্বৰ ৰূপ ধাৰণ কৰি ধুনীয়া গাভৰু হৈ পৰিল। আনাল আৰু ওনালে দুয়োজনীকে বিয়াৰ প্ৰস্তাৱ দিলে আৰু দুয়োজনীয়ে বিয়া হৈ সুখে-সন্তোষে দিন নিয়াব ধৰিলে।

গাৰো সমাজত প্ৰচলিত এই সাধুটোৰ কুটীয়া আৰু চকুচৰা বৃত্তীক অসমীয়া সমাজত প্ৰচলিত 'তেজীমলা' সাধুটোৰ মাহী মাকৰ লগত তুলনা কৰিব পাৰি।

উপদেশমূলক বা নীতি-শিক্ষাৰ সাধু :

পঞ্চতন্ত্ৰ চানেকিত কোনো প্ৰাণী সম্পৰ্কীয় সাধুবিলাক সাধাৰণতে ইংৰাজীত 'ফেবাইল' বুলি কোৱা হয়।[141] এই শ্ৰেণীৰ সাধুকথা নীতিশিক্ষামূলক। গাৰো সমাজতো জীৱ-জন্তুক লৈ নীতি-শিক্ষামূলক সাধুকথা একশ্ৰেণীৰ প্ৰচলন আছে। এই নীতিশিক্ষা বা বাণীসমূহ হ'ল—'ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়', 'দুষ্টক দমন শান্তক পালন', 'লোভে পাপ পাপে মৃত্যু', 'অতি ভক্তি চোৰৰ লক্ষণ', 'লোকক বুলি ছুল পুতি নিজে মৰে বুলি' ইত্যাদি। উদাহৰণ স্বৰূপে 'দাম্পো' নামৰ সাধুটিত এনে এক নীতিশিক্ষা প্ৰচাৰৰ চেষ্টা দেখা যায়। সাধুটো বৰ্ণনা দিলে প্ৰসংগটো অধিক স্পষ্ট হৈ পৰিব।[142]

পুৰণি কালত দাম্পো নামেৰে এজন লোক (গাঁৱৰ মুখিয়াল) আছিল। তেওঁৰ এটা আচৰিত গুণ আছিল যে, তেওঁ পশু-পক্ষী, জীৱ-জন্তু, কীট-পতংগৰ মাতকথা বুজি পাইছিল। এই কথা কিন্তু দাম্পোই কাকো কোৱা নাছিল, কাৰণ এই কথা আনক ক'লে তেওঁৰ খিতাতে মৃত্যু ঘটিব। এদিন তেওঁ পাতিত পৰি থাকোঁতে তেওঁৰ গোহালিৰ বলদ কনন আৰু গাধৰ কথা-বতৰা দাম্পোৰ কাণত পৰিল। গাধই বলদক কৈছে "ভাই দিনিইতেৰ কাৰণে কি খাটনি খাট, দেখিলে পুতৌ লাগে। এই হাড়ভঙা খাটনিৰ পৰা কেনেকৈ হাত সাৰিব পাৰি এটা সহজ বুদ্ধি দিওঁ শুন।" বলদে উত্তৰ দিলে, "হওঁতে কথাটো নেজেনা নহয়, কোনোচোন কেনেকৈনো মই পৰিত্ৰাণ পাম অকল সময় পাওঁ।" তেতিয়া গাধই উপায় দি ক'লে, "কামৰ পৰা কালনি কাটিব খোজা যদি নৰিয়াৰ ভাও ধোৰ। কাইলৈ খতিপুৰা যাঁহ খাবলৈ দিলে মুখ দিয়াটোই আনকালে চাই থাকিবি, কাণ দোলাই দিবি, নাকৰ পানীয়ে চকুৰ পানীয়ে এক কৰিবি। হতেঙাই তোক হালত যোঁচাবলৈ আহোঁতে কোনো মতেৰে ভাবুৰ হৈ থাকিবি। তেতিয়া তোক নৰিয়াত পৰা বুলি হালত যুৰুৱৈ।"

141. গোস্বামী, প্ৰফুল্লদত্ত : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৬।
142. মৰাণ্ডী, সত্যেন্দ্ৰনাথ : পশ্চিম সাধুকথা, পৃ. ২০২-২০৬।

শোৱা পাটিৰ পৰা গাধৰ কূটকথা শুনি দাম্পোৰ মনে মনে হাঁহি উঠিল। কিন্তু মুখ ফুটাই কাকো একো নক'লে। পিছদিনা ৰাতিপুৱা দাম্পোই গৰু-ম'হক খেৰ, ঘাঁহ দি হালত জুটিবলৈ হালোৱাো কেইজনক নির্দেশ দিলে আৰু ক'লে "হাললৈ নিয়াৰ আগতে সিহঁতৰ কাৰোবাৰ বেমাৰ-আজাৰ হৈছে নেকি ভালকৈ চাই-চিটি ল'বি।" এটা বলদৰ বেমাৰ হৈছে বুলি হালোৱাই আহি দাম্পোক খবৰ দিলে। দাম্পোই তেতিয়া ক'লে, "এই ভৰ খেতিৰ সময়ত হালখতি কৰিব নোৱাৰি, গতিকে বলদটোৰ সলনি গাধটোকে জোৰ।"

হালোৱাই নির্দেশ পাই বলদটোৰ সলনি কূট বুদ্ধি দিয়া গাধটোকে হালত জুটিলে। এইদৰে নিজৰ ফাণ্ডত গাধ নিজেই সোমাই পৰিল। টিকা-ফটা ৰ'দত হাল চোচৰাই চোচৰাই বেচেৰা গাধ আধামৰা হ'ল। ইয়াকে কোৱা হয়, "লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি।" অর্থাৎ আনৰ অপকাৰ কৰিব খুজিলে যে নিজৰহে ক্ষতি হয় এই নীতিশিক্ষাকে সাধুটোৰ যোগেদি প্রচাৰ কৰা হৈছে।

অসমীয়া সমাজত প্রচলিত 'বান্দৰ আৰু শিয়াল', 'দুই বন্ধু' আদি নীতিশিক্ষামূলক সাধুকথাৰ লগত ওপৰত বর্ণিত গাৰো সমাজত প্রচলিত 'দাম্পো' নামৰ সাধুটোক নিঃসন্দেহে তুলনা কৰিব পাৰি।

আমোদী সাধু :

ওপৰত উল্লেখ কৰা সাধুসমূহৰ উপৰিও আন একশ্রেণীৰ সাধু আছে, যিবিলাকত থাকে কল্পনাৰ বিলাস আৰু আমোদ। প্রকৃত সাধু হৈছে এইবিধহে। ইয়াক ইংৰাজীত কোৱা হয় 'ফেয়াৰি বা নগুৱৰ টেইল' (জার্মান ভাষাত কোৱা হয় মার্চেন)। অসমীয়াত প্রফুল্লদত্ত গোস্বামীয়ে ইয়াৰ নাম দিছে আমোদী সাধু।[১৪৩] জলকুঁৱৰী, কনকুঁৱৰী, অপ্সৰা, পৰীৰ দেশৰ সাধু আদি এই পর্যায়ত পৰে।

গাৰো সমাজতো এনে ধৰণৰ সাধুকথাৰ প্রচলন একেবাৰে কম নহয়। 'চাওৰাম্পৰা আৰু জলকুঁৱৰী', 'দাবান আৰু অপ্সৰা', 'ডেনং' আদি এই প্রকাৰৰ সাধুকথা। 'চাওৰাম্পৰা আৰু জলকুঁৱৰী' সাধুটি এটি আমোদী সাধু হিচাপে তলত বর্ণনা কৰা হ'ল।[১৪৪]

পূৰণি কালত আচিক দেশত চাওৰাম্পৰা নামে এজন ডেকা আছিল। এদিন সি হাবিত ফুৰি ফুৰোঁতে নৈৰ পাৰত এগৰাকী ৰূপহী জলকুঁৱৰী দেখিবলৈ পালে। চাওৰাই বুকু দাঠ কৰি জলকুঁৱৰীৰ ফালে আগবাই গ'ল। সাহসেৰে সি জলকুঁৱৰীৰ হাতত ধৰিলে গৈ। লাজতে জলকুঁৱৰীয়ে হাত আৰু চুলিৰে মুখ ঢাকিবলৈ চেষ্টা কৰিলে। লাহে লাহে লাজ এৰি জলকুঁৱৰীয়ে চাওৰাক সঁহাৰি জনালে।

জলকুঁৱৰীয়ে চাওৰাক পানীৰ তলত থকা বিৰাট শিল-পর্বতৰ গুহা এটালৈ লৈ গ'ল।

---

১৪৩. গোস্বামী, প্ৰফুল্লদত্ত : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৫।

১৪৪. Barkataki. S.N–Tribal Folk tales of Assam.

কুঁৱৰীৰ যাদু-মন্ত্ৰৰ বলত চাওৱাই মাটিত খোজ কঢ়াদি পানীতো খোজ কাঢ়িব পৰা হ'ল। এটোপা পানীও তাৰ কাণত নোসোমাল, গা অলপো নিতিতিল, আৰো অকণো নেলাগিল, বায়ত বাস কৰা দি চাওৱাই পানীৰ তলত বাস কৰিব পৰা হ'ল। গুহাৰ ভিতৰত চাওৱাক এটা জীয়া কাছৰ ওপৰত বহিবলৈ দিয়া হৈছিল। গোটেই গুহাটো সোণ-সেৰীয়া বাখৰেৰে জল্‌মলাই আছিল। চাৰিওফালে মাছে কমলীয়াই ফুৰিছিল। জলকুঁৱৰীয়ে চাওৱাৰ লগত বিয়াৰ যো-জা কৰিবলৈ লিগিৰা-লিগিৰীহঁতক দিহা দিলে।

পানীৰ তলত জীৱ-জন্তুবোৰৰ কাণ্ড-কাৰখানা চাই চাই চাওৱা বিভোৰ হ'ল। বিয়াৰ পিছত ঘঁৰিয়াল, সাপ, মাছ, কাছ সকলোৱে তাক প্ৰভু বুলি মানি ল'লে। লিগিৰা-লিগিৰীহঁতে চাওৱাৰ কথামতে চলিবলৈ ধৰিলে। বিয়া-উৎসৱো ধুমধামেৰে পতা হ'ল। চল্লিশ দিন, চল্লিশ ৰাতি খোৱা-বোৱা, নৃত্য-গীত চলিছিল। এই সময়ছোৱাত পৃথিৱীত ধাৰাসাৰে বৰষুণ হৈছিল। মেঘে গৰজিছিল, বিজুলিয়ে চকমকাইছিল। যেনে-কোটিকাৰে ওফন্দি উঠা নৈৰ বুকুৰেদি জলসপই ভাৰ বোৱা সুসজ্জিত পাৰ্কীত চাওৱা আৰু জলকুঁৱৰীয়ে বিহাৰ কৰি ফুৰিবলৈ ধৰিলে। কিছুকাল থকাৰ পিছত পানীৰ তলৰ ৰাজ্যখনৰ চাওৱা নিগাজী বাসিন্দা হৈ পৰিল। জলকুঁৱৰীৰ প্ৰেমে তাৰ হাব-ভাব, ভোক-পিয়াহ নোহোৱা কৰিলে। লাহে লাহে পানীৰ তলৰ জগতখন তাৰ নিজৰ ঘৰ যেন লগা হৈ পৰিল।

ভালে দিন এই সপোন ৰাজ্যত থকাৰ পিছত চাওৱাই জলকুঁৱৰীক লগত লৈ এদিন মোমায়েকৰ ঘৰলৈ বুলি ওলাল। ইপিনে, চাওৱা হাবিৰ পৰা ঘূৰি নহা দেখি ঘৰৰ মানুহে পানীত পৰি মৰিল বুলি ভাবিছিল। এতিয়া জলকুঁৱৰী সৈতে গাঁৱলৈ উভতি অহাত সকলোৱে অবাক হ'ল। সিহঁতক ভালকৈ খুৱাবলৈ, সোধ-পোচ কৰিবলৈ সকলোৰে মাজত উথপথপ লাগিল। পিছে মানুহৰ খাদ্য জলকুঁৱৰীৰ বাবে বিসদৃশ আছিল। তেওঁ একোকে খাব নোৱাৰে। চাওৱাৰ মোমায়েকহঁতে ইমান দিনৰ মূৰত চাওৱাক নোপোৱাই পোৱাদি পালে। কেইবাদিন, কেইবা ৰাতি নাচ-গান, ভোজ-ভাত চলিল। লাওপানী, গাহৰিৰ মাংসে উভৈনদী হৈ পৰিল। হেঁপাহ পলুৱাই খাই-বৈ চাওৱা নাচি-বাগি মতলীয়া হ'ল।

ইফালে জলকুঁৱৰীৰ লঘোন। কেতিয়ানো এই আনন্দ-উৎসৱৰ ওৰ পৰিব তাকে ভাবি-গুণি জলকুঁৱৰীৰ পেট শুকাল। চাওৱা আনন্দত এনেদৰে মতলীয়া হৈ পৰিল যে, কুঁৱৰীয়ে কিবা খাইছে নে নাই তাৰ খবৰ ল'বলৈও সময় নোহোৱা হ'ল। কেইবাদিনো লঘোনে থকাৰ পিছত জলকুঁৱৰীয়ে ঘৰলৈ উভতিবৰ বাবে চাওৱাক টানি ধৰিলে। চাওৱাই কুঁৱৰীৰ কথাত কাণ নিদি আনন্দ কৰাতহে লাগিল। সি ক'লে, "ইমান লৰ-লবিকন কিহৰে? এনে স্ফূৰ্তি আকৌ ক'তনো যেগতে পাম?" জলকুঁৱৰীয়ে মোমায়েকহঁতে কেইদিনমান থাকিবলৈ টানি ধৰিলে। উপায় নেপাই চাওৱাৰ সুখতে সুখী হৈ কেৱল বতাহ আৰু নিৰুৰ পানীকে খাই জলকুঁৱৰী কেইদিনমান থাকিবলৈ মান্তি হ'ল।

চাওৱা আকৌ পান-ভোজত মজগুল হ'ল। মদৰ ৰাগাত মতলীয়া হৈ চিঞৰি

চিএৰি গান গাবলৈ ধৰিলে। অৱশেষত অসহ্য হৈ জলকুঁৱৰীয়ে চাওবাক এৰি থৈ গুচি আহিল। কেইদিনমান পিছত কুঁৱৰীক নেদেখি চাওবাৰ জ্ঞ বিৰিল, সপোন ভাঙিল। মদৰ নিচা তেতিয়াও কিছু আছিল। এইবাৰ সি কুঁৱৰীক বিচাৰি এটা পুখুৰীৰ পাৰ পালে। সেই পুখুৰীৰ তলিত জলকুঁৱৰীৰ ৰাজ্য বুলি ভাবি সি পানীৰ তলত বুৰ মাৰিলে, কিন্তু তাত জলকুঁৱৰীক বিচাৰি নেপাই আকৌ ওলাই আহিল। পুখুৰীৰ পাৰৰ শিল এচটাত বহি সি ভাবিব-গুণিব ধৰিলে।

জলকুঁৱৰীয়ে দূৰৰ পৰা বেহ-বাপ চাই আছিল। কুঁৱৰীয়ে দুটা ঘঁৰিয়ালক চাওবাৰ ওচৰলৈ পঠিয়াই দিলে আৰু তাৰ জীৱটো লৈ আহিবলৈ নির্দেশ দিলে। এটা ঘঁৰিয়ালে ভৰি এখনত ধৰি পানীৰ তললৈ টানি নিলে আৰু আনটোৱে একে গৰাহতে চাওবাক গিলি খলে। চাওবাৰ মৰা শটো ঘঁৰিয়ালৰ পেটৰ পৰা ওলাই পানীত ওপঙি উঠিল। তাৰ জীৱটোক ঘঁৰিয়ালে জলকুঁৱৰীৰ ওচৰলৈ লৈ গ'ল।

আচিকসকলৰ বিশ্বাস যে, কোনো মানুহক জলকুঁৱৰীয়ে পাবলৈ বিচাৰিলে তাৰ দেহটো মাহুক দি জীৱটো পানীৰ তললৈ লৈ যায়। এই সাধুটোৰ লগত অসমীয়া সমাজত প্রচলিত 'বাৰী কোঁৱৰ', 'চিলনী জীয়েকৰ সাধু', 'কমল কুঁৱৰীৰ সাধু', 'তেঁকুৱৰীৰ সাধু', 'মৎস্য কন্যা' আদি সাধুকথাৰ লগত বিজনি দিব পাৰি।

গতিকে দেখা যায় যে, গাৰো সাধুকথা আৰু অসমীয়া সাধুকথাৰ মাজত বিশেষ কোনো শ্রেণীগত বা গুণগত পার্থক্য নাই। সাধুকথাৰ বিষয়বস্তু, ঘটনাৰ ক্রম, কাহিনীৰ গঢ়, চৰিত্র, পৰিৱেশ আদি সকলো ক্ষেত্রতে গাৰো আৰু অসমীয়া সাধুকথা সমগোত্রীয়। ওপৰত বর্ণিত গাৰো সাধুকথাসমূহে তাকেই প্রমাণ কৰে। অৱশ্যে এইখিনিতে উল্লেখ কৰি থোৱা প্রাসংগিক হ'ব যে, এনেধৰণৰ মিল কেৱল যে অসমীয়া আৰু গাৰো সাধুকথাৰ মাজতে বিদ্যমান এনে নহয়, পৃথিৱীৰ প্রায়বোৰ ভাষা-ভাষী লোকৰ মাজতে এনে সাদৃশ্য পৰিলক্ষিত হয়।

গাৰো ফকৰা-যোজনা ঃ

পৃথিৱীৰ অন্যান্য ভাষাৰ দৰে গাৰো ভাষাতো ফকৰা-যোজনা বা প্রবাদ-প্রবচনৰ প্রচলন আছে। গাৰো ভাষাত ফকৰা-যোজনাক কোৱা হয় 'আগানমেয়াক'। গাৰো জনজাতীয় লোকসকলৰ মাজত মৌখিক লোকসাহিত্যৰ অন্তর্গত ফকৰা-যোজনাৰ ভাগটো বৰ জনপ্রিয়। বুঢ়া-মেথাসকলে কথাই কথাই ফকৰা মাতি আলাপ-আলোচনা কৰা দেখা যায়। তেওঁলোকৰ মাজত যে কিমান ধৰণৰ ফকৰা-যোজনা আছে তাৰ লেখ-জোখ নাই। তলত গাৰো সমাজত প্রচলিত ফকৰা বা 'আগানমেয়াক' কিছু সংখ্যক উল্লেখ কৰা হ'ল। প্রত্যেকটো ফকৰাৰ লগে লগে তাৰ আক্ষৰিক অনুবাদ আৰু প্রয়োজন সাপেক্ষে তাৰ অন্তর্নিহিত অর্থৰ ব্যাখ্যাও দাঙি ধৰা হৈছে। লগতে অসমীয়া ফকৰা-যোজনাৰ লগত তাৰ তুলনা কৰি চোৱাৰ প্রয়াসো কৰা হৈছে।

১. ৰি. ইন এ. মাং নাংজা,
আংগিল চাল্‌কি ৰাজা।[145]

অনুবাদ : গাত নলগায় বোকা,
পিঠিক নিদিয়ে ৰ'দ।[146]

(এই প্ৰবাদটোৰ যোগেদি এলেহুৱা মানুহৰ কথা কোৱা হৈছে। এলেহুৱা মানুহে গাত বোকা লগাবও নোখোজে আৰু পৰিশ্ৰম কৰি পিঠি ক'লা কৰিবও নোখোজে।)

তুলনা : ধৰোঁ মাছ নুচুঁও পানী।[147]

২. ৰিত্তে গিতচাকসা চা. এন্না,
ৰিবাল ৰিম্মিতানা ডিমান্না।[148]

অনুবাদ : পদুলিত ৰঙা ফুলৰ বাগিচা,
ঘৰৰ ভিতৰত ভঙা বেৰা।[149]

তুলনা : বাহিৰত কৰ চুৰিয়াৰ কোঁচ,
ভিতৰত চকুজাৰ বেৰ।
বা
বাহিৰে ৰং চং,
ভিতৰে কোৱা-ভাতুৰি।[150]

৩ গামে চা.না ইনোৰা এগাল চাওৰেএৰি,
কো ই ৰিনো ইনোৰা চিমচেং এ. দিপি কাৰি।[151]

অনুবাদ : খেতি কৰিব খুজিলে বনে আওৰি ধৰে,
পানী খাব খুজিলে খোকা লাগি আছে।[152]

(প্ৰবাদটোৰ যোগেদি দুৰ্ভগীয়া মানুহৰ কথা কোৱা হৈছে। দুৰ্ভগীয়াসকলে

---

১৪৫ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৪৬ ভেলেন্টাইন জি মোমিনে কৰা অসমীয়া অনুবাদ।
১৪৭ অনুকৰ, প্ৰিয়দাস : প্ৰবচন কোষ, পৃ ১৫২।
১৪৮ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৪৯ ভেলেন্টাইন জি মোমিনে কৰা অসমীয়া অনুবাদ।
১৫০ ভট্টাচাৰ্য্য, নগেন্দ্ৰনাথ : ফকৰা-যোজনা, পৃ ১০।
১৫১ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৫২ ভেলেন্টাইন জি মোমিনে কৰা অসমীয়া অনুবাদ।

খেতি কৰিব খুজিলেও বনে আগুৰি ধৰে আৰু পানী খাব খুজিলেও বোকা লাগি আছে। চৌফালে নিৰাশা।)

তুলনা : অভাগা য'লৈকে যায়,
ছলে বিন্ধে, ৰবলে খায়।[১৫৩]

৪. অংখে গিতা গ্ৰোং চাচাকা,
না. চি গিতা কি. মে তাপতাপা।[১৫৪]

অনুবাদ : কেকোঁৰাই মেলে ঠেং,
মিছামাছে পাতে লেং।[১৫৫]

(কেকোঁৰাই শত্ৰু অহাৰ উমান পালেই তাৰ ঠেং আৰু চেপেনাজোৰ মেলি দিয়ে, সেইদৰে মিছা মাছেও ঠেং দুখন মেলি সজাগ হৈ থাকে। ইয়াৰ যোগেদি আত্মৰক্ষাৰ বাবে সদায় সক্ষম হৈ থকাৰ কথা কোৱা হৈছে।

তুলনা : বাচি খাবা জাগি শুবা।

৫. আম. পাং বু.চু বু.এ,
জা.পা কি.টিক চাম.এ।[১৫৬]

অনুবাদ : খেৰৰ মুৰাই বিন্ধে,
ভৰিৰ তলুৱা যায় ক্ষয়।[১৫৭]

(কটা খেৰৰ মুৰাত খালি ভৰিৰে খোজ কাঢ়িলে ভৰিত বিন্ধে আৰু ভৰিৰ তলুৱাত জখম হয় বা ক্ষয় যায়। এই প্ৰবাদটোৰ যোগেদি পৰিশ্ৰমী মানুহৰ লক্ষণৰ কথা কোৱা হৈছে।)

তুলনা : খাবৰ জীবৰ যাৰ মন,
শৌচ কৰোঁতে আজোঁৰে বন।[১৫৮]
বা
কপালৰ ঘাম মাটিত পেলোৱা।[১৫৯]

---

১৫৩. ভালুকাৰ, প্ৰিয়দাস : প্ৰৱচন কোষ, পৃ. ১৭।
১৫৪ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৫৫ চেলডাইন জি. মোমিনে কৰা অসমীয়া অনুবাদ।
১৫৬ Marak, H W. A'chik Aganbewalrang, (Original Tales of the Garos), P-91.
১৫৭. জেকিং এন চাংমাই কৰা অসমীয়া অনুবাদ।
১৫৮. ভালুকদাৰ, প্ৰিয়দাস : প্ৰৱচন কোষ, পৃ ৮১।
১৫৯. বাজখোৱা, বেণুধৰ : অসমীয়া খণ্ডবাক্য-কোষ, পৃ. ৪০।

৬. কু. চিমিকে মান. আকো জাকপা দোকে গিস্মতা।[১৬০]

অনুবাদ : পানীৰে অহা ধন পানীৰে ওলাই যায়।[১৬১]

(এই প্ৰবাদটোৰ অৰ্থ হ'ল পানীৰ দৰে অৰ্থাৎ কষ্ট নকৰাকৈ অহা ধন কোনো কামত নেলাগে। এখন হাতেৰে আহে আনখন হাতেৰে ওলাই যায়।)

তুলনা : পাপৰ ধন পৰাচিত্তত যায়।[১৬২]

৭. মেংগো গিভা দোংচিম্মা,
আচাক গিভা মিকচঙা।[১৬৩]

অনুবাদ : মেকুৰীয়ে চুপি খাকৌতে যায়,
কুকুৰে ওপৰতে খায়।[১৬৪]

তুলনা : হেপাহ আনিলে তিৰি,
বোন্দা হ'ল ওপৰতে গিৰি।

৮. মালামগিপা দো. কিমে,
ৰবাগিপা চুচিৰে।[১৬৫]

অনুবাদ : মিছা কথাৰ ঢাকোন নাই,
চন্দ্ৰৰ জ্যোতি কেউপিনে যায়।[১৬৬]

(মিছা কথা বা উৰা বাতৰি চন্দ্ৰৰ পোহৰ চাৰিওফালে বিয়পি পৰাৰ দৰে সকলোতে ততালিকে বিয়পি পৰে।)

তুলনা : ইকান সিকান সহস্ৰ কাণ।[১৬৭]

বা

ইয়াকে মাৰিলে টিপা,
গড়গাঁও পালেগৈ শিপা।

---

১৬০. Marak, H W প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৮।
১৬১. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১৬২. তালুকদাৰ, প্ৰিয়দাস : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৭৭।
১৬৩. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৬৪. চেলষ্টাইন জি. মোমিনে কৰা অসমীয়া অনুবাদ।
১৬৫. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৬৬. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১৬৭. তালুকদাৰ, প্ৰিয়দাস : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪১।

৯. কামালিনা নামজা,
আংগালবা গোএ।[১৬৮]

অনুবাদ : কমাৰ বেয়া,
এন্ডাৰো বেয়া।[১৬৯]

(কিছুমান মানুহে নিজৰ অজ্ঞতা বা দোষ ঢাকিবলৈ সদায় আনৰ গাত দোষ জাপি দিয়ে। মানুহৰ এই স্বভাৱটোক লৈয়েই উক্ত প্ৰবাদটোৰ সৃষ্টি।)

তুলনা : নাচিব নেজানে চোতালখন বেঁকা।

১০. মিত্ৰ মিচি বা. পানগোন,
টাংকা চোনা বিলটাংজন।[১৭০]

অনুবাদ : বাঁহ গছ থাকিলে জুম খেতি হয়,
বাহুত বল থাকিলে সোণ-ৰূপ পায়।[১৭১]

(গাৰোসকলৰ বিশ্বাস মতে জুমখেতিৰ পথাৰত ডাঙৰ ডাঙৰ বাঁহ গছৰ জোপোহা থাকিলে খেতি ভাল হয়, সেইদৰে যাৰ বাহুত বল থাকে অৰ্থাৎ পৰিশ্ৰমী হয়, সি ধন-সোণৰ অধিকাৰী হয়।)

তুলনা : যত্ন কৰিলেহে ৰত্ন পায়।

১১. নামান চালো ডিকী,
নামজাওদি বাল. কি।[১৭২]

অনুবাদ : সুখৰ দিনত বন্ধু বহুত,
দুখৰ দিনত মাত দিওঁতা নাই।[১৭৩]

(সুদিনত বন্ধু-বান্ধৱ, আত্মীয়-স্বজন সকলোৱে নিজৰ বুলি সাবটি লয়। কিন্তু দুৰ্দিন উপস্থিত হ'লে এজন-এজনকৈ সকলোৱে এৰা দিবলৈ ধৰে। শেষত মাতষাৰ দিবলৈও কোনো নোহোৱা হয়।)

তুলনা : বসন্তৰ কুলি, হেমন্তৰ কোন?[১৭৪]

---

১৬৮. Marak, H.W. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৭।
১৬৯. জেকিং এন. চাংবাই কৰা অসমীয়া অনুবাদ।
১৭০. Marak, H.W. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯৯।
১৭১. জেকিং এন. চাংবাই কৰা অসমীয়া অনুবাদ।
১৭২. Marak, H.W. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০০।
১৭৩. জেকিং এন. চাংবাই কৰা অসমীয়া অনুবাদ।
১৭৪. অনুপমা, ৰিমলাল : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৯৯।

১২. নিচো মাচ্চা মিক্‌কাং,
বি. পাকো দো. বোক মিৰাং।[১৭৫]

অনুবাদ : পেটৰ ভিতৰত দাঁত,
পানীৰ তলত জাল।[১৭৬]

(কিছুমান মানুহে মুখত মৰম-চেনেহ দেখুৱায়, কিন্তু ভিতৰি ভিতৰি অনিষ্ট সাধন কৰিবলৈ পাং পাতি থাকে।)

তুলনা : মুখত মিঠা পেটত তিতা।[১৭৭]

বা

ধৃতৰাষ্ট্ৰ ৰজাৰ নুবুজিলো চিত্ত,
ভিতৰি কালকূট বাহিৰে অমৃত।[১৭৮]

১৩. গিপিন্‌ছি দো. দে গিটোক,
আন. টাংচি কি. চিং গিটোক।[১৭৯]

অনুবাদ : আনৰ ঘৰলৈ গ'লে ময়ূৰৰ দৰে মেলি ধৰে,
নিজৰ ঘৰলৈ আহিলে কাছৰ দৰে লুকাই ৰাখে।[১৮০]

(সমাজত এনে কিছুমান ব্যক্তি আছে, যেওঁলোকে সদায় আনৰপৰা আদায় কৰাৰ চেষ্টাত থাকে। নিজৰপৰা হ'লে কাকো একো নিদিয়ে। তেনে মানুহক বুজাবলৈ গাৰো সমাজত এই প্ৰবাদটি প্ৰয়োগ কৰা হয়। আনৰ ঘৰলৈ গ'লে ময়ূৰে পেখম ধৰাৰ দৰে হাত পাতি আনে, কিন্তু নিজৰ ঘৰলৈ কোনোবা আহিলে দিব লাগিব বুলি কাছৰ দৰে ঠেং-মূৰ খোলাৰ তলত লুকাই ৰাখে।)

তুলনা : পৰৰ ঘৰত তিনি গৰাহ,
নিজৰ ঘৰত উপবাস

বা

পৰৰ মূৰত খায়,
ভটীয়া পানীত যায়।[১৮১]

---

১৭৫. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৭৬. জেলষ্টাইন বি. মোমিনে কৰা অসমীয়া অনুবাদ।
১৭৭. ৰাজখোৱা, বেণুধৰ : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৫।
১৭৮. তালুকদাৰ, চিত্ৰদাস : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৫৫।
১৭৯. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৮০. জেলষ্টাইন বি. মোমিনে কৰা অসমীয়া অনুবাদ।
১৮১. চক্ৰৱৰ্তী, নগেন্দ্ৰনাথ : ফকৰা-যোজনা, পৃ. ৬৩।

১৪. মেংগো কি. পিনদাপা।[১৮২]

অনুবাদ : মেকুৰীয়ে শৌচ কৰি মাটি ঢাকি থয়।[১৮৩]

(এই প্ৰবাদটোৰ যোগেদি এচাম মানুহে যে দোষণীয় কাম কৰি নিজৰ দোষ সদায় লুকুৱাই থয় তাকে ব্যক্ত কৰা হৈছে।)

তুলনা : গছৰ গুটি খাই নাম নোকোৰা।[১৮৪]

১৫. দো. কানা ত্ৰি মেচোকা গিতা।[১৮৫]

অনুবাদ : শাকনি বাৰীৰ যুঁজাৰু।[১৮৬]

(শাকনি বাৰীত ওলোমাই থোৱা মূৰ্তি একোটাৰ কথা কোৱা হৈছে। এই মূৰ্তিবোৰ একোটা প্ৰদৰ্শন মাত্ৰ কাৰ্যত ই নিৰ্জীৱ।)

তুলনা : শাকনি বাৰীৰ ছোঁ।

১৬. আ.বা বোলিতচং গিতা,
দো. পা মাংগিচিম গিতা।[১৮৭]

অনুবাদ : জুমখেতিৰ গছৰ মূৰা,
চৰাইৰ মাজত কাউৰী ক'লা।[১৮৮]

(সৰু সৰু জুমখেতিৰ গছৰ মাজত ডাঙৰ ডাঙৰ কটা গছৰ মূৰাবোৰ যেনেদৰে সহজে চকুত পৰে, তেনেদৰে বিভিন্ন চৰাইৰ মাজত থাকিলেও কাউৰী চৰাইবোৰ জিলিকি থাকে। অৰ্থাৎ ভাল বা বেয়া কাম কৰি যুৱা মানুহৰ ওপৰত সকলোৰে দৃষ্টি পৰে।)

তুলনা : ম'হৰ ক'লা,
গাখীৰ বগা।

১৭. গান্দো মাজাল পালা।[১৮৯]

---

১৮২. Marak, H W. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯৪।
১৮৩. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১৮৪ বাজখোৱা, বেণুধৰ : প্ৰাগুক্ত গ্ৰন্থ, পৃ ৩৯।
১৮৫. Marak, H W. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯৪।
১৮৬. জেকিং এন চাংমাই কৰা অসমীয়া অনুবাদ।
১৮৭. Sangma, D.K. : A.chik Golporang, Part-I. P-120
১৮৮. জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১৮৯. Marak, H.W প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯৫।

অনুবাদ : যুদ্ধৰ বাবে আহ্বান জনোৱা (সাজু হোৱা)।[১১০]

তুলনা : কঁকালত গামোছা বান্ধ্।

১৮. জিকা দিত্র বোবিল,
মা. আ লোএ জা. দিল।[১১১]

অনুবাদ : পেটৰ সন্তানে শত্ৰুতা কৰে,
বাই-ভনীয়ে মুখলৈ চায়।[১১২]

(নিজে জন্ম দিয়া সন্তানেও কেতিয়াবা মাক-বাপেকক চোৱা-চিতা কৰাৰ সলনি শত্ৰুতাহে কৰে, কিন্তু কেতিয়াবা আকৌ বাই-ভনী সদৃশ আন লোকেহে সহায় কৰে। ইয়াৰ যোগেদি পৰিস্থিতি সাপেক্ষে মানুহৰ যে, নিজৰবোৰো পৰ হৈ পৰে আৰু পৰো কেতিয়াবা আপোন হৈ পৰে তাকে ব্যক্ত কৰা হৈছে।)

তুলনা : ঘৰ বৈৰী বিভীষণ
বা
গাৰ নোমেই শত্ৰু।

১৯. মিক্কাসিনাৰিকি নিমা,
পেনাপেংচি দোকা।[১১৩]

অনুবাদ : বেঁকা চকুৰে চোৱা,
সুবিধা বুজি মাৰা।[১১৪]

(কিছুমান মানুহে আনক সদায় কুদৃষ্টিৰে চায় আৰু সুবিধা বুজি অন্যায় সাধন কৰে। গতিকে ঘোৰ শত্ৰু।)

তুলনা : চকুৰ কুটা
দাঁতৰ শাল।[১১৫]

২০. চোন মিটিংঅ দো. চোকনা দোজা. এ,
কিবো চিকো বোলগ্রোনা চোল. এ।[১১৬]

---

১১০ জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১১১. Marak. H.W প্রাগুক্ত গ্রন্থ, পৃ. ১০২।
১১২ জেকিং এন. চাংমাই কৰা অসমীয়া অনুবাদ।
১১৩. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১১৪ গিৰিবালা জি. মোমিনে কৰা অসমীয়া অনুবাদ।
১১৫ বৰুৱা, হেমচন্দ্ৰ : প্রাগুক্ত গ্রন্থ, পৃ ১১।
১১৬ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।

অনুবাদ : সৰুতে টোকোৰা চৰাইৰ দৰে বাগৰি পৰে,
ডাঙৰ হ'লে মাৰলিৰ দৰে তাৰ ওপৰতে পৰে।[197]

(এই প্ৰবাদটোৰ যোগেদি মানুহৰ বয়সৰ লগে লগে যে দায়িত্ব বাঢ়ে তাকে প্ৰকাশ কৰা হৈছে। শৈশৱ অৱস্থাত কেঁচুবাই খোজ কাঢ়িব খুজি বাৰে বাৰে টোকোৰা চৰাইৰ দৰে বাগৰি পৰে, কিন্তু বয়স প্ৰাপ্তিৰ লগে লগে তেওঁলোকৰ ওপৰতেই মাৰলিৰ ওপৰত ঘৰ এটা ভৰ পৰাৰ দৰে সকলো দায়িত্ব অৰ্পিত হয়।)

তুলনা : আপুনি বয়স ভৈলে বুদ্ধি হৈ ভাল।

২১. অংখেৰং চিকোৱা।[198]

অনুবাদ : কেকোঁৰাই পানী তোলা[199]

(এই ফকৰাটোৰ লগত এটি কাহিনী জড়িত আছে। এবাৰ বাঘ আৰু কেঁকোৰাৰ মাজত মিত্ৰতা স্থাপন হ'ল আৰু দুয়ো সখি পাতিলে। এদিন বাঘে অৰণ্যৰ পৰা চিকাৰ কৰি খাদ্য লৈ আহিল। চিকাৰৰ পৰিশ্ৰমত বাঘৰ বৰ পিয়াহ লাগিল আৰু পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গ'ল। গতিকে নদীৰপৰা পানী আনিবলৈ কেকোঁৰাক অনুৰোধ কৰিলে। কেঁকোৰাই পাত্ৰ এটা লৈ নদীলৈ পানী আনিবলৈ গ'ল। নদীৰ ওচৰ পাই কেঁকোৰাই পানীৰ টোৰোৰ হিচাপ কৰাত লাগিল। ফলত, সি যে বাঘৰ কাৰণে পানী আনিবলৈ গৈছিল, সেইকথা সমূলি পাহৰি থাকিল। এই কাহিনীটোৰ যোগেদি কৰ্তব্য পাহৰি যোৱা মানুহৰ কথা কোৱা হৈছে। গাৰো সমাজত দায়িত্বহীন মানুহক 'কেকোঁৰাই পানী তোলা' এই ফকৰাটোৰে তুলনা দিয়ে।)

তুলনা : পঠালো ৰণে
থাকিল ঘোৰ বনে।

২২. নকমানা বিচি চিকজা।[200]

অনুবাদ : ভাঙৰলৈ বিষে নাটে।[201]

(এই ফকৰাটোৰ অন্তৰালতো এটি কাহিনী জড়িত আছে। এবাৰ ভগৱানে সাপবোৰৰ মাজত বিষ বিতৰণ কৰিবলৈ মনস্থ কৰিলে। সেই অনুসৰি সকলো

১৯৭. গিৰিবালা জি. মোমিনে কৰা অসমীয়া অনুবাদ।
১৯৮. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
১৯৯. গিৰিবালা জি. মোমিনৰ অসমীয়া অনুবাদ।
২০০. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
২০১. গিৰিবালা জি. মোমিনৰ অসমীয়া অনুবাদ।

সৰু-বৰ সাপ আহি বিষ বিতৰণ কৰা ঠাইত উপস্থিত হ'ল। আটাইতকৈ ডাঙৰ সাপডালে ভাবিলে—মইেই যিহেতু আটাইতকৈ ডাঙৰ গতিকে মোৰ কাৰণে অচুতিয়াকৈ ৰাখিবই, সেয়ে লাহে-ধীৰে যাওঁ। এই বুলি সি বহু বেলি পলমকৈ আহি তাত উপস্থিত হ'ল, কিন্তু তেতিয়া বিষ বিতৰণ কৰা ইতিমধ্যে শেষ হৈছে। তাৰ কাৰণে ৰাখিছেনে নাই বুলি সোধাত ভগৱানে জনালে যে, উপস্থিত থকাসকলৰ মাজত সমস্ত বিষ বিতৰণ কৰা হৈছে। গতিকে ডাঙৰ সাপডালে বিষৰ ভাগ নেপালে। ইয়াকে গাৰো প্ৰবাদত কোৱা হয় 'ডাঙৰৰে বিষে নাটে' অৰ্থাৎ নিজক ডাঙৰ বুলি অহং ভাৱত থাকিলে তাৰ পৰা একো সুফল পোৱা নেযায় বা সময়ৰ শৰ সময়ত মাৰিব নেজানিলে বল-বুদ্ধিয়েও বহুক্ষেত্ৰত কাম নিদিয়ে।

তুলনা : সময়ৰ শৰ সময়ত মাৰিবা
বা
অতি দৰ্পে হত লংকা।

২৩. দো. পো দিবা গিতা,
আম্ৰাক চিবা গিতা।[202]

অনুবাদ : কেঁচাৰ পোৱালী
বান্দৰৰ টিএৰ।[203]

(এই প্ৰবাদটো অন্তৰালত থকা লোক-কাহিনীটো এনেধৰণৰ : একসময়ত কেঁচা আৰু মইনা চৰাই এহাল ওচৰা-ওচৰিকৈ বাস কৰিছিল। পোৱালি হ'লে মইনা চৰাইৰ পোৱালিবোৰ বৰ ধুনীয়া ধুনীয়া হয়, কিন্তু কেঁচাৰ পোৱালী হ'লে দেখিবলৈ অশুৱনী আৰু চকুকেইটা ডাঙৰ ডাঙৰ হয়। মইনাই সুধিলে কয় জন্মতে চকুকেইটা সৰুৱে আছিল, বাৰেকইতেহে মোল খুৱাই সি ডাঙৰ ডাঙৰ কৰিলে। প্ৰতিবাৰ পোৱালী হ'লে প্ৰতিবাৰেই কিবা নহয় কিবা এটা কাৰণ দৰ্শায়, কিন্তু প্ৰকৃত কথাটো নকয়। প্ৰত্যেক সমাজতে একশ্ৰেণী মানুহ আছে, প্ৰকৃত বেয়া বা দোষখিনি আনৰ আগত স্বীকাৰ কৰিবলৈ টান পায়। ফলত এটাৰ পিছত আন এটা মিছা মাতি গৈ থাকে, কিন্তু তেনে কথাত কোনোৱে পতিয়ন নেযায়। যেনেকৈ বান্দৰে টিএৰি টিএৰি আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে, কিন্তু নোৱাৰে।)

তুলনা : তেল নাইকিয়াত কপালীয়া চেলা।[204]

---

২০২. মিলিয়ন মি. মোমিন সংগৃহীত।
২০৩. উক্ত সংগ্ৰহকৰ্তাৰ অসমীয়া অনুবাদ।
২০৪. শৰ্মা, [illegible] : অসমীয়া বাক-ভংগী, পৃ. ২৮।

২৪. বিং নি.অ মেচেংআ,
চা.এ নি.অ আ.নেমা।[২০৫]

অনুবাদ ঃ পানীত ঘঁৰিয়াল, অৰণ্যত বাঘ।[২০৬]

(এই যোজনাটোৰ অৰ্থ হ'ল দুই দিশেই অসুবিধা, দুইফালেই বিপদ। পানীত নামিলে ঘঁৰিয়ালে খোৱাৰ ভয়, বামত (অৰণ্যত) থাকিলে বাঘে খোৱাৰ ভয়। এই ধাৰণাটোৰ পৰাই প্ৰবাদটোৰ উৎপত্তি)

তুলনা ঃ মূৰত থ'লে ওকণিয়ে খাব,
মাটিত থ'লে পৰুৱাই খাব।[২০৭]

২৫. তাংনাচা চা. আ,
অক্‌নাচা গাম্‌আ।[২০৮]

অনুবাদ ঃ জীয়াই থাকিবলৈ খাব লাগে,
খাব লাগিলে কৰ্ম লাগে।[২০৯]

(জীয়াই থাকিবলৈ হ'লে জীৱনটো যে কৰ্মৰ ওপৰত নিৰ্ভৰশীল সেই ধাৰণা ব্যক্ত কৰাই ফকৰাটোৰ উদ্দেশ্য।)

তুলনা ঃ দুখ কৰিলেহে মুখ ভৰা।[২১০]

২৬. মা. না ন. না অক্‌,
জিক্‌না দেনা খক্‌।[২১১]

অনুবাদ ঃ মা-ভনীয়ে চাই মুখলৈ,
স্ত্ৰী কন্যাই চাই হাতলৈ।[২১২]

(ক'ৰবাৰ পৰা আহিলে মাক বা ভনীয়েকে প্ৰথমে মুখলৈ চাই কিবা খাই আহিছে নে নাই, নে ভোক লাগিছে; কিন্তু স্ত্ৰী-কন্যাই চাই হাতলৈ, সিহঁতৰ কাৰণে কিবা আনিছে নে নাই। ইয়াৰ দ্বাৰা মাতৃ বা ভগ্নীৰ মৰম যে নিস্বাৰ্থ আৰু পত্নী বা পুত্ৰীৰ মৰম যে স্বাৰ্থপূৰ্ণ তাকেই ব্যক্ত কৰা হৈছে।)

---

২০৫. ৰেমা, চামেলি (সংগ্ৰহ) ঃ মাহবুবুল হক সম্পাদিত 'জানিয়া' পত্ৰিকা, পৃ. ১৩।
২০৬. উক্ত পত্ৰিকাৰ বঙলা অনুবাদৰ পৰা, পৃ. ১৩।
২০৭. সোণোৱাল, সৰ্বানন্দ ঃ অসমীয়া ফকৰা-যোজনা, পৃ. ১৩।
২০৮. ৰেমা, চামেলি 'জানিয়া' পত্ৰিকা, পৃ. ১৩।
২০৯. উক্ত পত্ৰিকাৰ বঙলা অনুবাদৰ পৰা, পৃ. ১৩।
২১০. বৰুৱা, বেণুধৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৪৬।
২১১. ৰমা, চামেলি (সংগ্ৰহ) ঃ উক্ত পত্ৰিকা, পৃ. ১৩।
২১২. উক্ত পত্ৰিকাৰ বঙলা অনুবাদৰ পৰা, পৃ. ১৩।

তুলনা : (অনুবাদৰ অনুৰূপ)।

২৭. চিনানা চা চুয়া,
গাম্নান মাংজিনা।[২১৩]

অনুবাদ : পকৰাৰ পাখা গজে মৰণৰ বাবে।[২১৪]

(এনেই পকৰাই জুইত পৰি মৰাৰ সম্ভাৱনা নাই, কিন্তু যেতিয়া তাৰ পাখি গজিল, তেতিয়া সি উৰিব পৰা হ'ল। উৰি গৈ জুইত পৰাত তাৰ মৃত্যু হ'ল। অৰ্থাৎ পাখি গজাটোৱেই পকৰাৰ মৃত্যুৰ কাৰণ হিচাপে পৰিগণিত হ'ল।)

তুলনা : হৰিণাৰ মাংসই বৈৰী।

২৮. মাভ আনচি তেজা কিনা।[২১৫]

অনুবাদ : নেউলৰ তেজ সকলোতে লাগি ধৰে।[২১৬]

(ইচ্ছা কৰিলে এটা নেউলৰ তেজ বহু ঠাই বিয়পাই দিব পাৰি অৰ্থাৎ ক্ষুদ্ৰ বস্তু এটাৰ পৰাও কেতিয়াবা বৃহৎ কাম এটা সম্ভৱ হ'ব পাৰে—এই ধাৰণাটোৰ পৰাই প্ৰবাদটোৰ উদ্ভৱ।)

তুলনা . কিৰিঙতিৰ পৰা খাণ্ডৱ দাহ।

ওপৰত গাৰো ফকৰা-যোজনা বা প্ৰবাদ-প্ৰবচন কিছু সংখ্যক অৰ্থেৰে সৈতে উল্লেখ কৰা হ'ল। এই ফকৰাসমূহ অসমীয়া সমাজত প্ৰচলিত ফকৰাৰ লগত তুলনা কৰি দেখা গ'ল যে, উভয়বিধ ফকৰাৰেই ভাৱগত ঐক্য বৰ্তমান। বেলেগ বেলেগ সমাজ, পৃথক পৃথক ভাষা হ'লেও গাৰো আৰু অসমীয়া ফকৰাবোৰৰ মাজত শ্ৰেণীগত, বৈশিষ্ট্যগত কোনো পাৰ্থক্য পৰিলক্ষিত নহয়। গাৰো আৰু অসমীয়া দুয়োবিধ ফকৰাৰেই সৃষ্টিটো অনুধাৱন কৰিলে এইকথা স্পষ্ট হৈ পৰে। সাৰ্বজনীন সত্যতা আৰু উপলব্ধি, উভয়বিধ ফকৰাৰেই উমৈহতীয়া লক্ষণ।

গাৰো সাঁথৰ :

ফকৰা-যোজনা বা প্ৰবাদ-প্ৰবচনৰ লগতে সাঁথৰৰ প্ৰসংগও উল্লেখযোগ্য। সাঁথৰসমূহো ফকৰাৰ সমপৰ্যায়ৰ আৰু ই লোক-সাহিত্যৰ অন্তৰ্ভুক্ত। ইয়াৰো জন্মলগ্ন অতি পুৰণি। ভাৰতবৰ্ষৰ বৈদিক সাহিত্যতেই সাঁথৰৰ সঁচ পোৱা যায়। গ্ৰীক সাহিত্যৰ প্ৰশ্ন আৰু ইডিপাছৰ

২১৩. ৰমা, চামেলি (সংগ্ৰহ) : প্ৰাগুক্ত পত্ৰিকা, পৃ. ১৩।
২১৪. উক্ত পত্ৰিকাৰ বঙলা অনুবাদৰ পৰা, পৃ ১৩।
২১৫. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
২১৬. সিলভিনা জি. মোমিনে কৰা অনুবাদ।

উত্তৰ এটি অন্যতম প্ৰাচীন সাঁথৰ। মহাভাৰতত ধৰ্মই যুধিষ্ঠিৰক সোধা প্ৰশ্নকেইটাও সাঁথৰেই।[২১৭] অসমীয়া অভিধানত সাঁথৰ শব্দৰ ব্যুৎপত্তিগত অৰ্থ দিবলৈ গৈ কৈছে, "প্ৰশ্ন শুনি অৰ্থ নেপাই পানীত পৰাৰ দৰে কক্‌বকাই থকা, সেয়ে সাঁথৰ।"[২১৮] কাৰ বুদ্ধি কিমান চোকা তাৰ প্ৰমাণ কৰাৰ বাবেই সাঁথৰ-খেলৰ উৎপত্তি। কিমান সাঁথৰ আকৌ বুদ্ধিৰ দৌৰত ধৰা নপৰে, সাধাৰণ জ্ঞানৰ জোলোঙাৰপৰাহে ওলায়। তথাপি সাঁথৰবোৰ বুদ্ধিৰ তীক্ষ্ণতা জোখা বা বুদ্ধিৰ চৰ্চা কৰা এটি লোক-সাহিত্যৰ বাহন। ইয়াৰ দ্বাৰা আদিম মানুহৰ বুদ্ধিৰ স্ফুৰণ, চৰ্চা আৰু বিশ্বাসৰ কথা জানিব পাৰি। সাঁথৰবোৰৰ বিশেষত্ব এইখিনিতেই যে, ইয়াৰ বিষয়বস্তুৰ পৰা জাতিটোৰ সামাজিক জীৱনৰ লগতে মানসিক জীৱনৰ বিষয়েও উমান পোৱা যায় আৰু সেইবাবেই লোক-সাহিত্যত সাঁথৰৰ স্থান তাৎপৰ্যপূৰ্ণ আৰু সুনিৰ্দিষ্ট।

পৃথিবীৰ অন্যান্য লোক-সাহিত্যৰ দৰে গাৰো আৰু অসমীয়া লোক-সাহিত্যতো সাঁথৰ প্ৰচলন আছিল আৰু এতিয়াও আছে। গাৰো ভাষাত সাঁথৰক কোৱা হয় 'চোমপি চোম্পা'। তলত গাৰো আৰু অসমীয়া সমাজত প্ৰচলিত কিছু সংখ্যক সাঁথৰৰ দ্বাৰা দুয়োবিধ লোক-সাহিত্যৰ মাজত থকা সাদৃশ্যৰ এটি আভাস দিবলৈ চেষ্টা কৰা হ'ল।

১. খাটাংগোপা খিমেগ্ৰি
বিকাংগোপা জা.গ্ৰি
নিবিকায়া চুখোগ্ৰি
ইয়াবা মায়া?[২১৯]

অনুবাদ : দৌৰাজনৰ নেজ নাই
খেদাজনৰ ভৰি নাই
চাই থকাজনৰ মূৰ নাই
বস্তুটোনো কি?[২২০]

২. বিফাংনি খোচাকো বিমে
বিথেনি খোচাকো বিফাং।[২২১]

অনুবাদ : গছৰ ওপৰত ফল
ফলৰ ওপৰত গছ?[২২২]

২১৭. গগৈ, লীলা : অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, পৃ. ১৫।
২১৮. বৰুৱা, হেমচন্দ্ৰ : হেমকোষ, পৃ. ১৫৩।
২১৯. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
২২০. কমল ছি. মোমিনৰ অসমীয়া অনুবাদ।
২২১. ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
২২২. কমল ছি. মোমিনৰ অসমীয়া অনুবাদ।

৩ বিক্কাংদে বাগা
বিথেদে বক্তাচাং।[223]

অনুবাদ : গছ বহুত,
ফল মাত্র এটা।[224]

৪ নিয়াটোডে নিকাটা
খিয়াডে চোকজা।[225]

অনুবাদ : চকুৰে চালে দেখা পায়,
ওচৰলৈ গ'লে আঁতৰি যায়।[226]

৫ নক দংআ দগাচিল থংজা,
মানদি দংআ খুচিক অন্জা।[227]

অনুবাদ : ঘৰ আছে দুৱাৰ নাই
মানুহ আছে মাত নাই।[228]

৬ আম্ সম্ সম্ত্রি
আৰু পাক্ৰপি কচাগ্রি।[229]

অনুবাদ : গোলাগোল ভাৰ আকাৰ
ঠাবি নাই কোমোৰাৰ।[230]

৭ আংখাতে চালাম
নাপ্‌পো চালাম।[231]

অনুবাদ : আহোঁতেও চালাম
যাওঁতেও চালাম।[232]

---

২২৩ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
২২৪ কমল জি মোমিনৰ অসমীয়া অনুবাদ।
২২৫ ক্ষেত্ৰ অধ্যয়ন যোগে সংগৃহীত।
২২৬ কমল জি মোমিনৰ অসমীয়া অনুবাদ।
২২৭ কমল জি মোমিনৰ সংগ্ৰহ।
২২৮ উক্ত সংগ্ৰহকৰ্তাৰ অসমীয়া অনুবাদ।
২২৯ কমল জি মোমিন সংগৃহীত।
২৩০ উক্ত সংগ্ৰহকৰ্তা অনূদিত।
২৩১ কমল জি মোমিনৰ সংগৃহীত।
২৩২ উক্ত সংগ্ৰহকৰ্তা অনূদিত।

৮. চা.গিবা বস্তু অংজা
উ.খন মান্দে চা.আ।[২৩৩]

অনুবাদ ঃ খোৱা বস্তু নহয়
তথাপি মানুহে খায়।[২৩৪]

৯. আ.ললি আ.ললি বি.আংই
বাংফ্রাক নিয়া চাদেংই।[২৩৫]

অনুবাদ ঃ আলিয়ে আলিয়ে যায়
মুৰ তুলি চায়।[২৩৬]

উত্তৰসমূহ ঃ (১) বেং, সাপ আৰু কেকোঁৰা
(২) আনাৰস
(৩) খোপা
(৪) নাক বা ছায়া
(৫) কবৰ
(৬) কণী
(৭) ধবৰ চিৰি
(৮) চৰ বা ভুৰু
(৯) বেঙী।

ওপৰত উল্লেখ কৰা সাঁথৰসমূহ গাবো আৰু অসমীয়া দুয়োখন সমাজতে প্ৰচলিত। ইয়াৰ পৰা আমি ক'ব পাৰো যে, গাবো আৰু অসমীয়া লোক-সাহিত্যৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। এই অধ্যায়ত লোকগীত, সাধুকথা, ফকৰা-যোজনা আৰু সাঁথৰ সম্পৰ্কে যিখিনি আলোচনা কৰা হ'ল, সেই আলোচনাই প্ৰমাণ কৰে যে, দুই এটা সৰু-সুৰা বৈসাদৃশ্যৰ বাহিৰে উভয়বিধ সাহিত্যৰ মাজতে সাদৃশ্য বিৰাজমান।

---

২৩৩. কমল জি মোমিন সংগৃহীত।
২৩৪. উক্ত সংগ্ৰহকৰ্তা অনূদিত।
২৩৫. কমল জি মোমিন সংগৃহীত।
২৩৬. উক্ত সংগ্ৰহকৰ্তা অনূদিত।

গাৰো লিখিত সাহিত্য*

(এক)

বৃটিছ ৰাজত্বৰ লগে লগে গাৰো পাহাৰত খৃষ্ট ধৰ্মৰ প্ৰচাৰ আৰম্ভ হয়। প্ৰথমতে, গোৱালপাৰাত অৱস্থিত খৃষ্টান মিছনৰ তৰফৰপৰা গাৰো পাহাৰত ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰা হৈছিল। গাৰো ভাষা-সাহিত্যৰ চৰ্চা তথা বিকাশৰ মূলতে হৈছে খৃষ্টান মিছনেৰীসকল। তেওঁলোকেই গাৰো ভাষাক লিখিত ভাষালৈ ৰূপান্তৰিত কৰে।

গাৰো লিখিত সাহিত্যৰ বুৰঞ্জী আৰম্ভ হৈছে শব্দ সংগ্ৰহ তথা অভিধান প্ৰণয়নৰ যোগেদি। বৃটিছ প্ৰশাসক তথা আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে অষ্টাদশ শতিকাৰ শেষৰফালে প্ৰথমতে লিখিত ৰূপত গাৰো শব্দ প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে। জন ইলিয়ট ঢাকাৰ উপায়ুক্ত হৈ থকা সময়তে (১৭৮৮-১৭৮৯) গাৰো অভিধানৰ বাবে শব্দ সংগ্ৰহৰ কাম আৰম্ভ কৰিছিল। এয়াই আছিল গাৰো ভাষা-সাহিত্য চৰ্চাৰ প্ৰথম পদক্ষেপ। গাৰো অভিধানৰ বাবে শব্দ সংগ্ৰহৰ দ্বিতীয় পদক্ষেপ গ্ৰহণ কৰিছিল ফ্ৰেন্সিচ হেমিলটনে তেওঁৰ 'Account of the District on Zilla of Rangpur' (1800)ৰ যোগেদি। ইয়াত ইংৰাজী, বঙলা, কোচ, ৰাভা, গাৰো, মেচ, অসমীয়া, মণিপুৰী কেইবাটাও ভাষাৰ প্ৰায় ১৮০০ তুলনামূলক শব্দ অন্তৰ্ভুক্ত কৰে। গাৰো শব্দ সংগ্ৰহৰ তৃতীয় প্ৰচেষ্টা চলায় অসমলৈ অহা প্ৰথম বেপ্তিষ্ট মিছনেৰী নাথান ব্ৰাউনে। তেওঁৰ 'Comparision of Indo-Chinese Language' প্ৰকাশ পাইছিল Royal Asiatic Society of Bengal ৰ পত্ৰিকাত ১৮৩৭ চনত। ইয়াৰ পিছতে উইলিয়াম ৰবিনচনে 'Notes on the Language Spoken by the various tribes inhabiting the valley of Assam and its mountain confines' শীৰ্ষক প্ৰবন্ধ এচিয়াটিক চ'ছাইটিৰ পত্ৰিকাত (১৮৪৯ চনত) প্ৰকাশ কৰে আৰু ভালেখিনি গাৰো শব্দ তেওঁ সংযোগ কৰে। তেনেদৰে B H. Hodgson এ তিব্বতী শব্দৰ তুলনামূলক অধ্যয়ন 'On the aborigins of North-Eastern India' নামৰ প্ৰবন্ধ ১৮৪৯ চনত এছিয়াটিক চ'ছাইটিৰ পত্ৰিকাত প্ৰকাশ পাইছিল।

১৮৬৮ চনত প্ৰকাশ পায় W W. Hunterৰ 'A comparative Dictionary of Language of India and High Asia' এই গ্ৰন্থখনিৰ এটা অংশত গাৰো শব্দমালাই

---

* এই আলোচনাটি উইলিয়াম কেৰীৰ 'Garo Jungle Book' (1966), পৰিমল চন্দ্ৰ কৰৰ 'Glimpses of the Garos' (1982), মিল্টন, এছ, চাংমাৰ 'History of Garo Literature' (1983), আৰু ডি, এন, চিৰাৰ দ্বাৰা সম্পাদিত 'MIKAOA' নামৰ গাৰো আলোচনী (১৯৮১) খনিৰ তথ্যৰ ভিত্তিত যুগুতোৱা হৈছে।

ঠাই পায়। ১৮৬৮ চনত প্ৰকাশ পায় ৰেভাৰেণ্ড মাইলচ্ ব্ৰনচনৰ 'Phrases in English of the Garo'। তাৰ পিছতে ডব্লিউ জে. উইলিয়ামচনৰ 'A vocabulary of the Garo and Konch Dialects, (1869); ই, চি, ডেণ্টনৰ 'Descriptive Ethnology of Bengal, (1872); টি, জে, কেইথৰ 'Dictionary of Garo Language' (1873) ; ৰেমকি মোমিনৰ 'Bengali-Garo Dictionary' আদি পুথি প্ৰকাশ পায়। এইবোৰৰ উপৰিও ১৮৯১ চনৰ গেইটৰ অসম লোকপিয়লত 'Comparative Garo vocabulary' প্ৰকাশ পায়।

গাৰো লিখিত সাহিত্যৰ ইতিহাস বিচাৰিবলৈ গ'লে এনেদৰে আমি প্ৰথমে গাৰো শব্দ সংগ্ৰহ বা অভিধান প্ৰণয়নৰ প্ৰচেষ্টাহে দেখিবলৈ পাওঁ। অৰ্থাৎ শব্দ সন্ধানৰ যোগেদি গাৰো লিখিত সাহিত্যৰ ইতিহাস আৰম্ভ হৈছে। এই ক্ষেত্ৰত স্থানীয় গাৰো লোকসকলতকৈ বেপ্তিষ্ট মিছনেৰী আৰু বৃটিছ শাসকসকল আছিল আগৰণুৱা। তেওঁলোকেই প্ৰথমে বিভিন্ন পত্ৰিকাত ভাবাটোৰ বিভিন্ন দিশ তথা বিভিন্ন তথ্য প্ৰকাশ কৰি গাৰো ভাষা সম্পৰ্কে সুধী সমাজৰ দৃষ্টি আকৰ্ষণ কৰে। এই ক্ষেত্ৰত Royal Asiatic Society of Bengal পত্ৰিকাৰ ভূমিকাও আছিল নিঃসন্দেহে প্ৰসংশাযোগ্য। প্ৰায়খিনি গাৰো ভাষা সম্পৰ্কীয় আলোচনা এই পত্ৰিকাখনিতে প্ৰকাশ পায়।

(দুই)

গাৰো লিখিত সাহিত্যৰ দ্বিতীয় ধাৰাটো আৰম্ভ হৈছে স্কুলীয়া পাঠ্যপুথি আৰু ধৰ্মীয় পুথি প্ৰকাশেৰে। এই সময় ছোৱাত স্কুলীয়া পাঠ্যপুথিৰ ভিতৰত কেইবাখনো গাৰো ভাষাৰ ব্যাকৰণ পায়। তাৰে ভিতৰত উইলিয়াম ৰবিনচনৰ 'Garo Grammar' (১৮৪৯) প্ৰথম। ৰবিনচনৰ পিছতে ৰেভাৰেণ্ড মাইলচ্ ব্ৰণনে ১৮৬৮ চনত দুখন পুথি ৰচনা কৰে। সেই পুথি দুখনি হ'ল 'Garo Primer' আৰু 'Brief outline of Grammar'। ব্ৰণনেই গাৰো আদিপাঠ ৰচনা কৰা প্ৰথম গৰাকী ব্যক্তি। আনহাতে, ব্যাকৰণ প্ৰণেতা হিচাপে তেওঁ ৰবিনচনৰ পিছতে দ্বিতীয় স্থানৰ অধিকাৰী। ব্ৰণনে এই দুখনৰ উপৰিও ৬০ পৃষ্ঠাৰ আন এখনি প্ৰশ্নোত্তৰ পদ্ধতিৰ পুথি প্ৰস্তুত কৰি উলিয়ায়।

পঢ়াশলীয়া পাঠ্যপুথি ৰচনা কৰা আন এগৰাকী মিছনেৰী হ'ল ড' আই.জে.ষ্টুডাৰ্ড। তেওঁ ১৮৬৭ চনৰ পৰা ১৮৭২ চনলৈ গাৰোসকলৰ মাজত থাকি কাৰ্য নিৰ্বাহ কৰিছিল। তেওঁ ছাত্ৰ ছাত্ৰীৰ উপযোগী তিনিখন বুনিয়াদী পাঠ (আদিপাঠ) প্ৰস্তুত কৰি থৈ যায়। ষ্টুডাৰ্ডৰ পিছত অহা কেইথে এই তিনিওখন পুথি ছপা কৰি উলিয়ায়। লগতে ১৮৭৪ চনত কেইথে 'An outline of Garo Grammar' প্ৰস্তুত কৰি উলিয়ায়।

পঢ়াশলীয়া পাঠ্যপুথিৰ লগে লগে এই একে সময়তে বাইবেল আদি ধৰ্ম পুথি গাৰো ভাষালৈ অনূদিত হ'বলৈ ধৰে। এই ক্ষেত্ৰত ই.জি. ফিলিপচ আৰু এম.চি. মাচনৰ নাম প্ৰথমতে ল'ব পাৰি। আমেৰিকাত অধ্যয়ন কৰি অহা প্ৰথম গৰাকী গাৰো ব্যক্তি টি. চাংমাই ডব্লিউ. আৰ. জেমচে ৰচনা কৰা যীশু খৃষ্টৰ জীৱনীমূলক গ্ৰন্থ এখনি গাৰো ভাষালৈ

অনুবাদ কৰে। মাচনে গণিত আৰু গীর্জাৰ হাত পুথি প্রস্তুত কৰিছিল যদিও ছপা হোৱাৰ আগতে জুইত পুৰি নষ্ট হয়।

এওঁলোকৰ পিছতে বোকমি মোমিনে বাইবেলৰ নিউ টেষ্টামেন্টৰ কিছু অংশ গাৰো ভাষালৈ অনুবাদ কৰে। লগতে তেওঁ ভালেমান স্তুতিগীত অসমীয়াৰ পৰা গাৰো ভাষালৈ অনুবাদ কৰে। সেইবাবে গাৰো সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত বোক্‌মি মোমিনৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

ই.জি. ফিলিপচৰ পত্নী মিছেচ ইলা ফিলিপ্‌চে ১৮৮৮ চনত 'Mental Arithmetic'ৰ প্ৰথম খণ্ড আৰু ১৮৯০ চনত দ্বিতীয় খণ্ড প্ৰকাশ কৰে। মিছেছ মাচনে 'The peep of day'ৰ গাৰো ভাষাত অনুবাদ কৰি উলিয়ায়। মিছনেৰীসকলে পেট্ৰোৰ হাতপুথি 'Mandoni padotni kitap' আৰু 'Skang Baksa' নামেৰে ১৮৯১ চনত অনুবাদ কৰি উলিয়ায়। ১৮৯৩ চনত 'Instruction of Religion'ৰ অনুবাদ 'Toromko Shichengani' প্ৰকাশ পায়। এই একে বছৰতে মিছ ইলা বোন্ডে 'Outline of world Hisotory'ৰ অনুবাদ প্ৰস্তুত কৰি উলিয়ায়। তেনেদৰে বাকাল চাংমাই 'The way of Health' গাৰো ভাষালৈ 'An'sengani Rama' নামেৰে অনুবাদ কৰে। আনহাতে, বেভাৰেণ্ড ফিলিপ্‌চে ১৮৯৬ চনত 'The Mirror of Heart' গাৰো ভাষালৈ 'Ka'tongani Janera' নামেৰে অনুবাদ কৰে।

এইবোৰৰ উপৰিও ভ ব্ৰোডাচে 'Catechism in Scripture Teaching', ছিমেন আৰু বৰ্টিনে 'Outline study of the life of Christ', মাচনে 'The life of Christ', ৰূপসিং চাংমাই 'An Introduction to Bengoli', মাচনে, 'An Introduction to English for Garo pupil' আদি ৰচনা কৰি ছপা কৰি উলিয়ায়।

এনেদৰে গাৰো লিখিত সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে আমি দেখিবলৈ পাওঁ যে, উনৈছ শতিকাৰ শেষলৈকে গাৰো সাহিত্যৰ বিকাশত অৱদান আগবঢ়াইছে সোতৰখন অভিধান বা শব্দ সংগ্ৰহ সম্পৰ্কীয় পুথি, ছখন আদিপাঠ, ছয়খন ব্যাকৰণ সম্পৰ্কীয় পুথি, এখন গণিত পুথি, দুখন নেওতা সম্পৰ্কীয় পুথি, ছখন পাঠ্যপুথি (বিভাৰ), সাতখন ধৰ্মীয় বিষয়ৰ পুথি, চাৰিখন প্ৰশ্নোত্তৰ জাতীয় পুথি, দুখন স্তুতিগীতৰ পুথি আৰু বাইবেল আদিৰ অনুবাদে। কিন্তু ধৰ্ম নিৰপেক্ষ বিষয়ৰ গল্পপুথি, নাটক, কবিতা, উপন্যাস আদি এই সময়ছোৱাত ভিতৰত ৰচিত হোৱা নাছিল।

(তিনি)

১৯২৪ চনৰ লগে লগে গাৰো সাহিত্যলৈ সামান্য পৰিমাণে হ'লেও পৰিৱৰ্তন অহা দেখা যায়। পূৰ্বৰ ধৰ্মীয় বিষয়বস্তুৰ পৰা আঁতৰি আহি ধৰ্ম-নিৰপেক্ষ সাহিত্য ৰচিত হ'বলৈ ধৰে। সেইবাবে এই ধাৰাটোক 'ধৰ্ম-নিৰপেক্ষ সাহিত্যৰ ধাৰা' বুলি আখ্যা দিব পাৰি। ইতিমধ্যে বিশ্ব বিয়পা ৰোমান্টিক আন্দোলনৰ লগত এচাম শিক্ষিত গাৰোলোকৰ পৰিচয়

ঘটে। আনহাতে, ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা প্ৰথমাৰ্দ্ধৰ মিছনেৰী বেভাৰেণ্ড ফিলিপচ আৰু বেভাৰেণ্ড মাচনে ক্ৰমে ১৯২১ আৰু ১৯২৪ চনত গাৰো পাহাৰ ত্যাগ কৰে। এওঁলোক দুজনৰ প্ৰত্যাৱৰ্তনৰ ফলত ধৰ্মীয় সাহিত্যৰ সৃষ্টিতো সামান্য পৰিমাণে হ'লেও দুৰ্বল হৈ পৰে।

ধৰ্ম নিৰপেক্ষ সাহিত্যৰ ধাৰাটোত নাৰায়ণ এম. মাৰাকে দুখন পুথি সংযোগ কৰে। সেই দুখন হ'ল 'Bengaliko Nengrae Shiani (বঙলা ভাষা শিকাৰ সহজ পদ্ধতি) আৰু 'Hindi-Bengali-Garo Ko altuae Shiani' (হিন্দী, বঙলা, গাৰো ভাষা শিকাৰ সহজ পদ্ধতি)।এই দুয়োখন পুথি ১৯২৫ চনত প্ৰকাশ পায়। ইয়াৰ পিছতে জোবৰাং ডি, মাৰাক আৰু চিমিচন আৰ. চাংমাই যুটীয়াভাৱে 'A'chik Aganani Barsa' ১৯২৭ চনত প্ৰকাশ কৰে। ই ২২ টা লোকগীত আৰু সাধুকথাৰ সংকলন। তেনেদৰে 'Rikki Dikki', Suurini Rani (ৰবফৰ ৰাণী), Daknanggijagipa Do'gep (কুৎচিত হাঁহ পোৱালি) ১৯২৯ চনত প্ৰকাশ হয়। এই একেই ধৰ্ম-নিৰপেক্ষ আৰ্হিত 'Chongipa Milgipa Gangu (এটা সৰু শকত ল'ৰা), Tombetgipa Jelabi (ঘূৰণীয়া জিলাপী) ১৯৩০ চনত প্ৰকাশ পায়। এই সময়ছোৱাৰ ভিতৰতে সাধুকথাসমূহে লিখিত ৰূপ পাবলৈ আৰম্ভ কৰে। বিভিন্ন ধৰণৰ সাধুকথা সংগ্ৰহ কৰি আনি ফোইৱি মোমিনে ১৯৩২ চনত প্ৰকাশ কৰে 'Sonumi Chengipa Bari' (চলুৰ সৰু বাগিচা) নামেৰে।

ধৰ্ম নিৰপেক্ষ সাহিত্যৰ বিকাশত আন এক উল্লেখযোগ্য সংযোজন হ'ল 'Ithasani Katarang' (মহৎ লোকৰ জীৱনী)। এই জীৱনীমূলক সংকলটিত মিছনেৰী আৰু স্থানীয় মুঠতে ৩৩ গৰাকী ব্যক্তিৰ জীৱনী প্ৰকাশ পাইছে। তেনেদৰে প্ৰকৃতি সম্পৰ্কীয় আন এক উল্লেখনীয় প্ৰকাশ হ'ল 'Nature study' (১৯৩৪)। জীৱবিদ্যা, উদ্ভিদ বিজ্ঞান, জ্যোতিষ আদি বিভিন্ন বিষয় এই পুথিখনিয়ে সামৰি লৈছে। এই গ্ৰন্থখনিয়ে প্ৰথমবাৰৰ বাবে বিজ্ঞান জগতৰ লগত গাৰো পাঠকৰ পৰিচয় কৰাই দিয়ে। গাৰো বিজ্ঞান সাহিত্যৰ অন্যতম পথিকৃৎ এই পুথিখনি প্ৰস্তুত কৰি উলিয়াইছিল মধুৰাম ৰংডোৱে। মূলতঃ ইয়াত সন্নিবিষ্ট বিষয়সমূহৰ আলোচনা ইংৰাজী, বঙলা, অসমীয়া আদি ভাষাত প্ৰকাশিত পুথিৰ অনুবাদহে।

গাৰো সাহিত্যত মহিলাসকলৰ এক সামূহিক প্ৰচেষ্টাৰ স্বাক্ষৰ হ'ল 'Miss Bondko Gisik Ra'atani (মিছ বোণ্ডৰ সোঁৱৰণত)। ১৯৩২ চনত প্ৰকাশিত এই গ্ৰন্থখনিত মিছ বোণ্ড নামৰ মিছনেৰী গৰাকীক স্মৰণ কৰি তেওঁলোকে ইয়াৰ অন্তৰ্গত প্ৰবন্ধসমূহ ৰচনা কৰিছিল।

এই সময়ছোৱাত দুখন উল্লেখযোগ্য পুথি গাৰো ভাষালৈ অনূদিত হয়। এখন হ'ল মিছ এল, এম হ্'লড্ৰকৰ 'ঈছপৰ সাধু' আৰু আনখন হ'ল মিছ ভেৰ্ণা ব্ৰেকেলিৰ 'Angni Dong chakgipa Nok' (১৯৩৬)। এই গ্ৰন্থখনি ইংৰাজী 'The wonderful House I live in'ৰ অনুবাদ। ১৯৩০ চনত জোবাং ডি মাৰাকে তেওঁলোকৰ আদি বাসস্থান আৰু তাৰ পৰা কেনেকৈ প্ৰব্ৰজন হৈ গাৰো পাহাৰ পালে, সেই কাহিনীসমূহ 'Garo History' নাম

দি প্ৰকাশ কৰে। মাবাকৰ আন আন ৰচনাসমূহ হ'ল 'Chengoni A'gilsak aro Chengoni Mande' (আদিম পৃথিৱী আৰু আদিম মানব) আৰু 'Odek Education' (শিক্ষাৰ মূল আৰু বিকাশ)।

এইদৰে আলোচনা কৰিলে দেখা যায় যে, ১৯২৪ চনৰ পৰা গাৰো সাহিত্যই ধৰ্মীয় পৰিধি অতিক্ৰম কৰি সাধুকথা, জ্ঞান-বিজ্ঞান, জীৱনী, খুৱঙী, স্মৃতিগ্ৰন্থ আদি বিভিন্ন বিষয়ক সামৰি ল'বলৈ ধৰে। ফলত খৃষ্ট ধৰ্মৰ প্ৰচাৰমুখী সাহিত্যৰ ধাৰাটো লাহে লাহে ডবাং হৈ আহিবলৈ ধৰে। লগতে গাৰো সাহিত্যই প্ৰকৃত সাহিত্যৰ ফালে অগ্ৰসৰ হ'বলৈ ধৰে।

(চাৰি)

১৯৪০ চনৰ পৰা গাৰো সাহিত্যত আন এটি ধাৰাৰ উত্থান ঘটে। এই ধাৰাটো হ'ল আলোচনী সাহিত্যৰ ধাৰা। গাৰো সাহিত্যৰ সমৃদ্ধিত আলোচনীসমূহে কেনেদৰে ভূমিকা পালন কৰিছিল, পৰৱৰ্তী অধ্যায়ত তাক সুকীয়াভাৱে বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

১৯৪০ চনৰ সময়ছোৱাত গাৰো সাহিত্যত কেইবাগৰাকীও প্ৰতিভাশালী লেখকৰ আৱিৰ্ভাৱ ঘটে। তেওঁলোক প্ৰত্যেকেই আছিল গাৰো সাহিত্যৰ ক্ষেত্ৰত একো-একোটা মাইলৰ খুঁটি স্বৰূপ। তেনে কেইগৰাকীমান নেতৃস্থানীয় গাৰো লেখকৰ পৰিচয় তলত দিবলৈ চেষ্টা কৰা হ'ল:

অধ্যাপক হাৱাৰ্ড ডেনিচন ডব্লিউ মোমিন : এওঁ গাৰো সাহিত্যলৈ অৱদান আগবঢ়োৱা প্ৰথমশ্ৰেণীৰ লেখক। বিশেষকৈ এদল শিক্ষিত ডেকাক লগত লৈ ডেনিচনে ১৯৪০ চনত 'আচিক কুৰাঙ' (গাৰো কণ্ঠস্বৰ) নামৰ এখনি সংবাদপত্ৰ প্ৰকাশ কৰে। 'আচিক কুৰাঙ'ৰ প্ৰকাশৰ লগে লগে গাৰো সাহিত্যত এটি নতুন যুগৰ সূচনা হয়।

ডেনিচনে মাত্ৰ নবছৰ বয়সতে কলিকতাৰ চেণ্ট জেমচ ইংলিচ স্কুলত ভৰ্তি হয় আৰু প্ৰতিটো শ্ৰেণীতে প্ৰথম স্থান লাভ কৰি এগৰাকী প্ৰতিভাসম্পন্ন ছাত্ৰৰ পৰিচয় দিবলৈ সক্ষম হয়। পৰৱৰ্তী কালত ইংৰাজী বিষয়ত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গুৱাহাটীৰ কটন কলেজৰ ইংৰাজী বিভাগত অধ্যাপক ৰূপে যোগদান কৰে। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ১৯৪৩ চনত তেওঁ অধ্যাপক চাকৰি ইস্তফা দি বাৰ্মাদেশৰ শৰণাৰ্থীসকলক সহায় কৰিবলৈ মণিপুৰলৈ যায়। কিন্তু মণিপুৰতে তেওঁ ৰোগত আক্ৰান্ত হয় আৰু সেই ৰোগতে ১৯৪৪ চনত মৃত্যু মুখত পৰে।

অধ্যাপক হাৱাৰ্ড ডেনিচন মাবাক মাত্ৰ ৩১ বছৰকাল জীয়াই আছিল। বহুক্ষেত্ৰত দেখা যায় প্ৰতিভাশালী লোকসকলৰ কম বয়সতে মৃত্যু ঘটে। ডেনিচনেই আছিল প্ৰথমগৰাকী গাৰো স্নাতকোত্তৰ ডিগ্ৰীধাৰী তথা কটন কলেজৰ অধ্যাপক হোৱাৰ গৌৰৱ অৰ্জনকাৰী প্ৰথম গাৰো ব্যক্তি। এওঁ সুদক্ষ শিক্ষকেই নাছিল, এগৰাকী ভাল চিত্ৰশিল্পীও আছিল। ডেনিচনে অংকন কৰা চিত্ৰ লণ্ডনত অনুষ্ঠিত প্ৰদৰ্শনীত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম

হৈছিল। ডেনিচনে সুকীয়াকৈ কোনো গ্ৰন্থ ৰচনা কৰা নাছিল। কিন্তু বিভিন্ন সংবাদ পত্ৰত তেওঁ ভালেমান কবিতা ৰচনা কৰিছিল। তেনে কবিতা কিছুমান হ'ল—'A'chik Ku'rang' (গাৰো কণ্ঠস্বৰ), 'Nang'ko Gisik Ra'gen' (তুমি মোক মনত পেলাবা), 'Do'maskini Git' (চৰাইৰ গীত), 'Bilsi Gital' (নৱবৰ্ষ), 'Me'chik aro To'mkku' (নাৰী আৰু ধপাত) আদি। তাৰোপৰি ডেনিচনে নোবেল বঁটা বিজয়ী ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলি' গাৰো ভাষালৈ অনুবাদ কৰিছিল।

গাৰো সাহিত্যলৈ আগবঢ়োৱা এনে অৱদানৰ বাবেই ডেনিচনক 'আধুনিক গাৰো সাহিত্যৰ পিতৃ' বুলি অভিহিত কৰা হয়।

ৰংগাম জি, মোমিন ঃ গাৰো সাহিত্য জগতৰ আন এগৰাকী উল্লেখনীয় লেখক হ'ল ৰংগাম জি, মোমিন। এওঁ কলিকতাৰ স্কটিচ চাৰ্চ কলেজত শিক্ষাগ্ৰহণ কৰিছিল। শিক্ষা গ্ৰহণৰ সমাপ্তিত এওঁ সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰে। মিছনেৰীসকলৰ সহায়ত এওঁ বাইবেল অনুবাদ কৰাৰ উপৰিও 'Bi'sarangko skie Tarisoanl' (শিশুসকলৰ প্ৰশিক্ষণ), 'English Grammar and composition', 'English-Garo Dictionary', 'Warning about the seventhday adventist' ৰ অনুবাদ 'Seventh day Adventistni Gimin Mikratani' ৰচনা কৰে। লগতে ১৯৪২ চনৰপৰা ১৯৪৫ চনলৈ পাঁচ বছৰ কাল 'A'chikna U'lani' নামৰ সংবাদ পত্ৰ এখনি সম্পাদনা কৰে। ইয়াত তেওঁৰ ভালে সংখ্যক প্ৰবন্ধ প্ৰকাশ পায়।

দোবোন সিং চাংমা ঃ গাৰো সাহিত্যৰ বিকাশ তথা সমৃদ্ধিত বিশেষভাবে অৰিহণা যোগোৱা আন এগৰাকী লেখক হ'ল দোবোন সিং চাংমা। এওঁ গাৰো লোকগীতসমূহ সংগ্ৰহ কৰি তিনিটা খণ্ডত প্ৰকাশ কৰে। ইয়াত তেওঁ গাৰো লোকগীতৰ উপৰিও প্ৰবাদ প্ৰবচন, সাঁথৰ, নীতিকথা আদিও সংযোগ কৰে। সেইবাবে এওঁক 'গাৰো লোকগীত সংগ্ৰহৰ পিতৃ' বুলি অভিহিত কৰা হয়।

দেৱান সিং ৰংমুথু ঃ গাৰো আৰু ইংৰাজী দুয়োটা ভাষাতে সাহিত্য সাধনা কৰা আন একগৰাকী যশস্বী লেখক হ'ল দেৱান সিং ৰংমুথু। গাৰো সাহিত্যলৈ আগবঢ়োৱা এওঁৰ উল্লেখযোগ্য কাব্য গ্ৰন্থখনি হ'ল 'Aphako Gisik Ra'ani' (দেউতাৰ সৌৰৱণত)। আনহাতে, 'Apasong Agana' (১৯৭০) ত (ককা-দেউতাসকলে যেনেদৰে কৈছিল) গাৰো জনশ্ৰুতি, পৌৰাণিক কাহিনী, পৰম্পৰাগত বুৰঞ্জীৰ উপৰিও ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাঁথৰ আদিও সংযোগ হৈছে। 'Jodoreng' (The psycho-physical culture of the Garos, ১৯৯৩) গ্ৰন্থত গাৰো সমাজৰ যাদুমূলক বিশ্বাস, কিংবদন্তী আদিৰ উপৰিও পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ বিষয়ে আলোচনা আছে।[১]

গাৰো ভাষাৰ উপৰিও ইংৰাজী ভাষাতো ৰংমুথুৰ ভালেমান গহীন, মূল্যবান প্ৰবন্ধ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পায়। ৰংমুথুৰ গৱেষণামূলক গ্ৰন্থ দুখনি হ'ল—'The

১. মোমিন, মিৰিবালা জি.—বীৰেন্দ্ৰনাথ দত্ত দ্বাৰা সম্পাদিত 'বিহুৱোৰ'ৰ পঞ্চমখণ্ড, পৃঃ ২৮৭

Folktales of the Garos' (১৯৬০) আৰু 'The Epic lore of the Garos' (১৯৬৭)। উল্লেখযোগ্য যে, এই গ্ৰন্থ দুখনিৰ গুৰুত্ব তথা মূল্য বুজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগে দুয়োখনকে ছপা কৰি উলিয়াইছিল। আনহাতে 'The Traditional Dances of the Garos', (১৯৯৬) গাৰো নৃত্য-গীত সম্পৰ্কীয় গৱেষণামূলক গ্ৰন্থ।

উইলচন কে. মাৰাক : গুৱাহাটীৰ কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথম দুগৰাকী ছাত্ৰৰ এগৰাকী হ'ল উইলচন কে. মাৰাক। এওঁ ১৯৩০ চনত কটনৰ পৰা কলা বিভাগত স্নাতক ডিগ্ৰী লাভ কৰিছিল।

গাৰো সাহিত্যলৈ এওঁ অৱদান আগবঢ়াইছে অনুবাদৰ যোগেদি। এওঁৰ প্ৰথম সাহিত্য কৰ্ম হ'ল জন বণিয়নৰ 'Pilgrims Progress'ৰ গাৰো ৰূপান্তৰ 'Songregipani Songreani' (1936)।প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে, 'Pilgrims Progress' 'যাত্ৰিকৰ যাত্ৰা' নামেৰে অসমীয়ালৈও অনুবাদ কৰা হৈছিল। উইলচনে গাৰো ভাষালৈ অনুবাদ কৰা আন এখনি গ্ৰন্থ হ'ল—'The Origin and Movement of Scout'ৰ ৰূপান্তৰ 'Scoutko Skiani Bewal', (1942) ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ অনুবাদ 'Rabindranath Tagoreni Basegimin Golporang aro Poedorang (1962), The Burning of Rome Cityৰ অনুবাদ 'Rome Songjinmako Wa'al Kama' (1960), 'The Brave Messenger' ৰ অনুবাদ 'Ka'donge Baltigipa (1966), আৰবীয়ান নাইটৰ অনুবাদ 'Aravian walrang (1970) আৰু ছেক্সপিয়েৰৰ গল্পৰ অনুবাদ 'Shakespearni Golporang (1971)। এনে অনুবাদ কৰ্মৰ উপৰিও উইলচনে গাৰো ভাষাত ভালেসংখ্যক মননশীল প্ৰবন্ধ ৰচনা কৰিছে; যিবোৰ প্ৰবন্ধত তেওঁৰ মৌলিক চিন্তা তথা শৈলী এটি প্ৰতিফলিত হৈছে।

কান্দুৰা ডব্লিউ মোমিন : এওঁ কুৰকী ৰচনাৰে গাৰো সাহিত্যলৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। 'Assamni katta' (অসমৰ কুৰকী, ১৯৫২) আৰু 'Indiani katta' (ভাৰতৰ কুৰকী, ১৯৫৩) মোমিনৰ উল্লেখযোগ্য কুৰকীৰ কিতাপ। গাৰো ভাষাত কুৰকী ৰচনাৰ এয়েই প্ৰথম প্ৰয়াস। সেইকালৰ পৰা পুথি দুখনিৰ গাৰো সাহিত্যত বিশেষ ঐতিহাসিক মূল্য আছে। কান্দুৰা মোমিনৰ আন ৰচনাৰ ভিতৰত 'English-Garo Dictionary', (1955) আৰু 'Rev. Rakhme Mominni Janggi Tangeni' (ৰেভাৰেণ্ড ৰোকমি মোমিনৰ জীৱনী) উল্লেখনীয়।

চামচন কে. চাৰো : এওঁ তিনিখন পুথি ৰচনাৰে গাৰো সাহিত্যৰ উৎকৰ্ষলৈ অৱদান আগবঢ়াইছে। তিনিওখন পুথিৰ বিষয়বস্তু পৃথক পৃথক। চামচনৰ ভূগোল বিষয়ৰ গ্ৰন্থ "Geography of Assam and India' (1934); 'A'Chik Poraiani (গাৰো পাঠক, ১৯৭০) আৰু 'A'chik Grammar' (গাৰো ব্যাকৰণ, ১৯৭১)—তিনিওখনৰে সাহিত্য জগতত বিশেষ মূল্য আছে।

কাৰ্থেচ আৰ. মাৰাক ঃ কটন কলেজৰ পৰা ১৯৩০ চনত কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথম দুগৰাকী ছাত্ৰৰ ভিতৰত আন এগৰাকী হ'ল কাৰ্থেচ আৰ. মাৰাক। গাৰো ভাষাত মাৰাকৰ তিনিখন পুথি প্ৰকাশ পাইছে। পুথি কেইখন হ'ল—'Garo Primary Schools skiani Niamrang aro Bewarirang' (প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাদান পদ্ধতি); শেক্সপিয়েৰৰ বিখ্যাত ট্ৰেজেদি 'মেকবেথ'ৰ গাৰো অনুবাদ আৰু 'The Garo Customary Laws and Usages'।

হৰেন্দ্ৰ ডব্লিউ মাৰাক ঃ হৰেন্দ্ৰ মাৰাক গাৰো সাহিত্যৰ এগৰাকী লেখকেই নহয়, তেওঁ অকলেই আছিল গাৰো ভাষা-সাহিত্যৰ এটা অনুষ্ঠান স্বৰূপ। আইন-কানুন সম্পৰ্কীয় ভালেমান পুস্তিকাৰ উপৰিও ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলিৰ' ১০৩ টা কবিতা তেওঁ গাৰো ভাষালৈ অনুবাদ কৰে। কিন্তু তেওঁৰ গাৰো সাহিত্যলৈ নজহা-নপমা অৱদান হ'ল —'A'chik Golporang' (গাৰো লোককথা ১৯৫৭), 'A'chik Aganbewairang' (গাৰো লোকগীত ১৯৫৯) আৰু 'Kubidik' (১৯৭৫)। 'A'chik Golporang'ত ৪২টা সাধুকথা সন্নিবিষ্ট হৈ আছে। 'A'chik Aganbewairang', হ'ল গাৰোসকলৰ মাজত পৰম্পৰাগতভাৱে চলি অহা লোকগীত, প্ৰবাদ, সাঁথৰ আদিৰ সংকলন। তৃতীয় খন অৰ্থাৎ 'Kubidik' হ'ল মাৰাকৰ আটাইতকৈ শ্ৰমসাধ্য সৃষ্টি। এইখন গাৰো-অসমীয়া আৰু ইংৰাজীৰ অভিধান। Assam Academy for Cultural Relation এ প্ৰকাশ কৰা এই অভিধানে সমাদৰ অকল গাৰোসকলৰ মাজতে নহয়, অসমতো ই সমানেই সমাদৃত।

দিংমিন নেংমিন্জা ঃ এওঁ স্কুলীয়া পৰ্যায়ৰ বহুকেইখন পাঠ্যপুথি, অভিধান প্ৰণয়ন কৰাৰ উপৰিও 'Seokgimin Poetyrang' (1958) নামেৰে এখনি কাব্য সংকলন আৰু 'Chimonggimin Golporang' (1972) নামেৰে এখনি গল্পপুথি প্ৰকাশ কৰে। আনহাতে, বিশ্ব সাহিত্যৰ বিখ্যাত বিখ্যাত কিছুমান চুটিগল্প গাৰো ভাষালৈ অনুবাদ কৰি গাৰো পাঠকক বিশ্ব সাহিত্যৰ সোৱাদ ল'বলৈ সুযোগ দিয়ে 'Mingsinggipa Golporang' ৰ যোগেদি। একেদৰে 'Battle of Troy' শীৰ্ষক ইংৰাজী ভাষাত ৰচিত গ্ৰন্থখনি এওঁ গাৰো ভাষালৈ অনুবাদ কৰে 'Troy Songjinmo Dakgrikani Katta' নামেৰে।

মাকেনচন ৰংমিথি ঃ শেক্সপিয়েৰৰ 'The Winters tale' আৰু 'The Merchant of Venice' গ্ৰন্থ দুখনি মাকেনচন ৰংমিথিয়ে গাৰো ভাষালৈ ক্ৰমে 'Sinkarani Katta' আৰু 'Veniceni Badnggipa' নামেৰে অনুবাদ কৰিছিল। তদুপৰি 'আচিক কুৰুঙ'ৰ সম্পাদক ৰূপেও মাকেনচনে গাৰো সাহিত্যলৈ অৰিহণা দি গৈছে।

দুলিন্দ্ৰ মাৰাক ঃ 'চিবিচিক' নামৰ তিনিমহীয়া আলোচনীৰ জন্মদাতা মাৰাকে গাৰো সাধুকথাৰ সংকলন 'A'chik Me'apa Gitcham Rongni Agananirang' (প্ৰাচীন গাৰোসকলে কোৱা সাধু) প্ৰকাশ কৰে। কিন্তু এইগৰাকী লেখক শিশু সাহিত্যিক হিচাপেহে গাৰো সুৰক্ষীত সুকীয়া আসনৰ অধিকাৰী। তেওঁ শিশুসকলৰ উপযোগী ভালেমান গীত ৰচনা কৰি তিনিটা খণ্ডত 'A'chik Bi'sarangna' নাম দি প্ৰকাশ কৰে। আনহাতে,

ফেয়াৰী টেইলচ বা পৰীৰ সাধুৰ আৰ্হিত একশ্ৰেণী নতুন সাধুকথাৰ সৃষ্টি কৰে আৰু 'Sylsehni katta Rongchu' (story of sylesh) নামেৰে প্ৰকাশ কৰে ১৯৫১ চনত।

পৰেন্দ্ৰ বাংচাল ঃ সাহিত্য আৰু চিত্ৰশিল্পলৈ বৰঙণি যোগোৱা এইগৰাকী ব্যক্তিৰ 'আচিক কুৰুঙ'ত বহু সংখ্যক মননশীল প্ৰবন্ধ প্ৰকাশ পায়। কিন্তু তেওঁ সাহিত্যৰ যুৰ্ণীত স্থান অধিকাৰ কৰিছে দুটা খণ্ডত প্ৰকাশ কৰা 'Sonajing' (প্ৰেমৰ কবিতা) নামৰ কাব্যপুথিৰ যোগেদিহে।

ওপৰত নাম উল্লেখ কৰি অহা গাৰো লেখক লেখিকাসকলৰ উপৰিও লেভিচন এন. চাংমাই ভালেসংখ্যক স্কুলীয়া পাঠ্যপুথি টোডিং মাৰাকে ৰাণী ভিক্টোৰিয়াৰ জীৱনী আৰু গাৰো গোত্ৰৰ বিষয়ে 'A'chik Ma'chongrany'; ইভিলিয়ান আৰ. মাৰাকে কবিতা ৰচনাৰ যোগেদি গাৰো সাহিত্যৰ বিকাশত ইতিবাচক ভূমিকা পালন কৰিছে।

গাৰো সাহিত্যলৈ মহিলাৰ অৱদান ঃ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত গাৰো মহিলাসকলো পিছ পৰি থকা নাছিল। মহিলা সাহিত্য-চৰ্চাকাৰীসকলৰ ভিতৰত ফোইবি মোমিন, জেকমি চিৰা, টিওদোৰা মোমিন, প্ৰবীনবালা মোমিন, বোচালিণ্ড চাংমা, হিৰোইন বাংচাল, জোনমণি চিৰা আদিৰ নাম প্ৰণিধানযোগ্য। ফোইবি মোমিনে ১৯৩২ চনত ৰন্ধন কলাৰ পুথি 'Song'ani kitap'ৰ উপৰিও ইতিহাসৰ প্ৰসিদ্ধ বাৰগৰাকী ব্যক্তিৰ জীৱনী 'Ithasani katarang' ৰচনা কৰে। আনহাতে, আলোচনীৰ পাতত তেওঁৰ ভালেমান কবিতা আৰু প্ৰবন্ধ প্ৰকাশ পায়। গাৰো পত্ৰিকাত প্ৰবন্ধ লিখি প্ৰতিষ্ঠা লাভ কৰা আন এগৰাকী গাৰো মহিলা হ'ল জেকমি চিৰা। প্ৰবন্ধৰ উপৰিও তেওঁ 'Ithasani katarang' নামৰ এখনি জীৱনীমূলক গ্ৰন্থও ৰচনা কৰে।

টিওদোৰা মোমিনে প্ৰাৰ্থনা সম্পৰ্কীয় পুথি 'Olakiani kitap' ৰচনা কৰে। প্ৰবীনবালা মোমিন দাসে 'General Knowledge in Garo' আৰু 'Bangbangni Katta' নামৰ জ্যোতিষ বিদ্যা সম্পৰ্কীয় এখনি গ্ৰন্থ ৰচনা কৰে। বোচালিণ্ড চাংমাই ৰামবাইৰ জীৱন সম্পৰ্কে 'Pandita Rambai' ৰচনা কৰে। আনহাতে, জৱাহৰলাল নেহৰুৰ জীৱন কাহিনী ৰচনা কৰে হিৰোইন বাংচালে 'Jawaharlal Nehru' শীৰ্ষনামেৰে।

গতিকে দেখা যায় যে, গাৰো সাহিত্যৰ ক্ষেত্ৰত মহিলা লেখিকাসকলৰ অৱদানো একেবাৰে কম বুলি ক'ব নোৱাৰি।

গাৰো সাহিত্যৰ সমৃদ্ধিত এটি নতুন মাত্ৰা প্ৰদান কৰে কেনিথ জি. মোমিনে। প্ৰায় বাৰ বছৰ কালজুৰি 'আচিক কুৰুঙ' সম্পাদনা কৰা মোমিন আধুনিক নাট্য সাহিত্যৰো জন্মদাতা। তদুপৰি তেওঁ 'A'chik composition' আৰু 'Chanchibewale Scanirang' (ৰচনাৰ পুথি) যুগুত কৰি উলিয়ায়। আনহাতে, মোমিনে 'কেনেল' গাৰো ভাষালৈ অনুবাদ কৰে। ১৯৭৩ চনত এবেই নতুন প্ৰজন্মৰ কবিসকলৰ কবিতা সংকলন 'Chasong Gital A'chik Poetry' নামেৰে প্ৰকাশ কৰি উলিয়ায়।

মিলাৰ্ট কে. মাৰাকে বাইবেলৰ নিউ টেষ্টামেন্ট সংশোধিত সংস্কৰণ এটা প্ৰকাশ

কৰে 'Bible Society of India'ৰ সহযোগত। ইয়াৰ পিছতে তেওঁ ১০০ টা স্বৰচিত কবিতাৰ সংকলন 'Ang Gisik Ku'aning' প্ৰকাশ কৰে। লগতে তেওঁ ১৯৭৪ চনত 'Sastroni Mingsinggipa Rainrang' (বাইবেলৰ বিখ্যাত বাণী) আৰু 'Ruth' ৰচনা কৰে। এইবোৰৰ উপৰিও তেওঁ নিয়মীয়াভাৱে বিভিন্ন পত্ৰিকাত প্ৰবন্ধ পাতি ৰচনা কৰিছে।

বেভাৰেণ্ড কাৰবেনচন চাংমাই পাঁচখন পুথি ৰচনা কৰি গাৰো সাহিত্যৰ বুৰঞ্জীত উল্লেখযোগ্য স্থানৰ অধিকাৰী হৈছে। তেওঁ ৰচনা কৰা পুথিকেইখন হ'ল—'Kristoni Janggi Tanganina Ge'etgimin Niamrang' (ভালদৰে জীয়াই থাকিবলৈ খ্ৰীষ্টৰ উপদেশ), 'Chu'sokgipa Ong'na Poraini Bewalrang (কৃতকাৰ্যতাৰ বাবে অধ্যয়নৰ নিয়ম), 'A'chik Dalgipa Krimako A'bachengani' (বেগুিষ্ট গাৰোসকলৰ বুৰঞ্জী) ৰ লগতে আছে 'Eisenhower' আৰু John F. Kennedyৰ জীৱনী।

নৰউইন চাংমাই দুখন পুথি আধুনিক গাৰো সাহিত্যৰ ভঁৰাললৈ আগবঢ়াইছে। প্ৰথমখন হ'ল 'Kindikgipa' (চুটিগল্প) আৰু আনখন হ'ল 'Sinbadni Skanggipa Songreani' (চিনবাদৰ প্ৰথম সমুদ্ৰ যাত্ৰা)।

লিউইন আৰ, মাৰাকে গাৰো ভাষাত প্ৰথম সঙ্গীত সম্পৰ্কীয় পুথি 'Ring'ni Bimik'ৰ প্ৰথম খণ্ড প্ৰকাশ কৰে ১৯৬৮ চনত। এওঁৰ ভালেমান প্ৰবন্ধ বিভিন্ন গাৰো পত্ৰিকাত সিচঁৰতি হৈ আছে।

ইংৰাজী আৰু গাৰো দুয়োটা ভাষাতে কেইবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰা পৰিমল চন্দ্ৰ কৰ আছিল একাধাৰে সাহিত্যিক, সাংবাদিক তথা গৱেষক। গাৰো ভাষাত ৰচনা কৰা 'A'chik Aro A'chik Asong' (গাৰো আৰু গাৰো দেশখন, ১৯৭২) তেওঁৰ এক মূল্যবান সংযোজন। তেওঁ গাৰোসকলৰ বিভিন্ন দিশ সম্পৰ্কে ' Glimpses of the Garos' (1982), 'British Annexation of Garo Hills' (1970), 'Fr. Cost's Garo Code of Law' (1975) আদি কেইবাখনো গৱেষণামূলক গ্ৰন্থ ৰচনা কৰে।

এইদৰে ১৯৮০ চনৰ পৰা ১৯৭৮ চনলৈ গাৰো সাহিত্যৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে, এই সময়ছোৱাৰ ভিতৰত বিভিন্ন বিষয়ৰ সৰু-বৰ এক বৃহৎ সংখ্যক পুথিয়ে গাৰো সাহিত্যৰ ভঁৰাল চহকী কৰি তোলাত বৰঙণি আগবঢ়াইছে। লগতে দেখা গৈছে, পূৰ্বৰ ধৰ্মীয় ধাৰাটো প্ৰায় শুকাই গৈ আধুনিক সাহিত্যৰ ধাৰাটোৱে সজীৱতা লাভৰ পথেৰে অগ্ৰসৰ হৈছে।

(পাঁচ)

আধুনিক সাহিত্যৰ আৰম্ভণি

নাটক : নাটকক গাৰো ভাষাত 'Dakmesokna Seani' বোলে। ১৯৬৯ চনত গাৰো নাট্য সাহিত্যত আধুনিক যুগৰ সূচনা হয়। গাৰো ভাষাত প্ৰথম আধুনিক নাটখনি ৰচনা কৰে তুৰা চৰকাৰী কলেজৰ অধ্যক্ষ কেনিথ জি, মোমিনে। এওঁ ৰচনা কৰা নাটখনি

হ'ল 'নোকদাং' (পৰিয়াল)। এই সামাজিক নাটখনিত গাৰো সমাজ জীৱনৰ চিত্ৰ অঙ্কন কৰা হৈছে। এই একেবছৰতে গাৰো ভাষাত দ্বিতীয়খন আধুনিক নাট ৰচিত হয়। তুৰা চৰকাৰী কলেজৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপক আৰ্জিচন জি, মোমিনে ৰচনা কৰা এই নাটখনিৰ নাম হ'ল 'Kamni Bite'। নাটখনিৰ মূল বিষয়বস্তু হৈছে সময়ৰ পৰিৱৰ্তন। এজন মানুহে নিজৰ ঘৰ ত্যাগকৰি গুচি যায় আৰু বিশ বছৰৰ মূৰত পুনৰ ঘূৰি আহে। ঘূৰি অহাৰ পিছত সমাজৰ যি বিৰাট পৰিবৰ্তন দেখিবলৈ পাঁয়, সেয়েই নাটখনিৰ মূল বক্তব্য বিষয়।

তৃতীয়খন নাটক হ'ল শ্বেক্সপিয়েৰৰ বিখ্যাত ট্ৰেজেদি 'মেকবেথৰ' অনুবাদ। ১৯৭০ চনত গাৰো ভাষালৈ কাৰ্ণেচ আৰ, মাৰাকে একে শীৰ্ষোনামাৰে অনুবাদ কৰে। ১৯৮১ চনত আন এখনি নাট ছপা হৈ ওলায়। সেইখন হ'ল কাটিন আৰ, মাৰাকে ৰচনা কৰা 'Sin'Kan' (শীতকাল)। এনেদৰে এই চাৰিখন নাটৰ যোগেদি গাৰো নাট্য সাহিত্যত আধুনিক যুগৰ শুভাৰম্ভ ঘটে।

উপন্যাস : উপন্যাসক গাঁৰো ভাষাত 'Songsarni Golpo' বোলা হয়। গাৰো সাহিত্যত উপন্যাসৰ জয়যাত্ৰা আৰম্ভ হৈছে অনূদিত উপন্যাসৰ যোগেদি। ১৯৩৬ চনত জন বণিয়নৰ 'Pilgrims Progress' গাৰো ভাষালৈ অনুবাদ কৰিছিল উইলচন চাংমাই। মৌলিক কাহিনীৰে উপন্যাস ৰচনাৰ প্ৰথম প্ৰচেষ্টা হ'ল 'Khalsin aro Sonalchi'। ১৯৭২ চনত ৰচনা কৰা এই উপন্যাসখনিৰ প্ৰকৃত লেখক কোন, সেই সম্পৰ্কে মতভেদ আছে। কিছুমানৰ মতে, বেডিন মেৰ্কি এই উপন্যাসখনিৰ ৰচক। আন কিছুমানৰ মতে, এই উপন্যাসখনিৰ প্ৰকৃত লেখক হ'ল উপেন্দ্ৰ চন্দ্ৰ মোমিনহে। বেডিন মোমিনে কিছু পৰিৱৰ্তন তথা সংশোধনহে কৰে।

ইয়াৰ পিছত ৰচনা কৰা উপন্যাসখনি এখন অনূদিত উপন্যাস। প্ৰখ্যাত বঙলা উপন্যাসিক তাৰকনাথ গাঙ্গুলীৰ 'স্বৰ্ণলতা' উপন্যাসখনি গাৰো ভাষালৈ অনুবাদ কৰে চিমিচন আৰ, চাংমাই 'Sonabai Me'chik' নামেৰে। এনেদৰে মৌলিক আৰু অনূদিত উপন্যাসৰ যোগেদি গাৰো উপন্যাস সাহিত্যৰ আৰম্ভণি ঘটে।

চুটিগল্প : চুটিগল্পক গাৰো ভাষা 'Golpo' বোলে। গাৰো চুটিগল্প সাহিত্যৰো ইতিহাস আৰম্ভ হৈছে অনূদিত গল্পৰ যোগেদি। ১৯৬২ চনত উইলচন কে, মাৰাকে বঙলা ভাষাৰ পৰা ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্প অনুবাদ কৰি প্ৰকাশ কৰে 'Rabindranath Tagoreni Baregimin Golporang aro Poedorang' নামেৰে। এয়েই গাৰো গল্প সাহিত্যৰ আৰম্ভণি। ইয়াৰ পিছতে ১৯৭২ চনত দিংমিন নেংমিনজাই মৌলিক গল্প ৰচনা কৰি প্ৰকাশ কৰে 'Chimonggimin Golporang' শীৰ্ষোনামাৰে। দিংমিনে মৌলিক গল্পপুথিৰ উপৰিও পৃথিৱীৰ বিভিন্ন ভাষাত ৰচিত বিখ্যাত বিখ্যাত চুটিগল্প কিছুসংখ্যক গাৰো ভাষালৈ অনুবাদ কৰে। দিংমিনে অনুবাদ কৰা সংকলনটোৰ নাম হ'ল 'Mingsingaipa Golporang'। গাৰো গল্প সাহিত্যলৈ অবিহণা যোগোৱা আন এগৰাকী গল্পকাৰ হ'ল নৱউইন চাংমা। এওঁৰ

গল্প পুথিখনিৰ নাম হৈছে 'Kındik Gipa'।

কবিতা ঃ গাৰো সাহিত্যৰ আটাইতকৈ সমৃদ্ধিশালী শাখাটো হৈছে কবিতা। গাৰোসকল সঙ্গীতপ্ৰিয়। সেইবাবে আধুনিক শিক্ষাৰে শিক্ষিত হোৱাৰ আগতেই তেওঁলোকে মুখে মুখে গীত ৰচনা কৰি উৎসৱ-অনুষ্ঠান আদিত নৃত্যৰ লগত পৰিৱেশন কৰিছিল। এনে এটা পৰম্পৰা থকা বাবেই বোধকৰোঁ নাটক, উপন্যাস, চুটিগল্প আদিৰ তুলনাত কবিতাৰ সংখ্যা সৰহ।

গাৰো কবিসকলৰ ভিতৰত ৰোকমি জি, মোমিন, টুনীৰাম আৰ. মাৰাক, কোচান জি. মোমিন, ফোবি ডব্লিউ মোমিন, হৰাৰ্ড-ডেনিচন মোমিন, ইভিলিয়ান আৰ. মাৰাক, জোনমণি দি. চিৰা, দেৱান সিং ৰংমুথু, কাৰ্ণেচ আৰ মাৰাক, মাকেনচন ৰংমিথি, কোপলানি জি মোমিন বাৰেন্দ্ৰ বাংচাল, গিলাবাৰ্ট কে, মাৰাক, গান্দিচোৰ চাংমা, অৰবিন্দ চাংমা, ডাইৰেকচন মাৰাক, হৰেন্দ্ৰ মাৰাক আদিৰ নাম উল্লেখযোগ্য।

ৰোকমি মোমিনৰ কবিতাসমূহৰ বেছিভাগেই স্কুলীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হৈছে। সুকীয়াকৈ প্ৰকাশিত কাব্যপুথি তেওঁৰ পোৱা নেযায়। টুনীৰাম মাৰাকৰ মাত্ৰ তিনিটা কবিতা পোৱা গৈছে আৰু তিনিওটাই গাৰো পত্ৰিকা 'Phring Pharang'ত প্ৰকাশ হৈছিল। কবিতা তিনিটা হ'ল—'Do'kua', 'Drongo' আৰু 'Hagar'। কোচান মোমিনে ৰচনা কৰা কবিতাসমূহৰ ভিতৰত 'Segrınını Sıntea' (বিধবাৰ দুখ), 'Gamgipa' (খেতিয়ক), '*Wachimıtıng*' (*গ্ৰীষ্ম*), '*Pring*' (*ৰাতিপুৱা*), '*Askirang*' (*তৰাবোৰ*), '*Kamnı Bite*' (শ্ৰমৰ আনন্দ), 'Seng'wat' (উকাজুই) আদি উল্লেখযোগ্য। ফোইবি মোমিনৰ প্ৰকাশিত কবিতাৰ সংখ্যা মাত্ৰ দুটা। এটা হ'ল 'Rongtala Cholon Mıngrama Bımung' আৰু আনটো হ'ল 'Ku'rang' (কণ্ঠস্বৰ)। দুয়োটা কবিতাৰে মূল ভাব হৈছে স্বদেশপ্ৰেম।

ডেনিচন মাৰাক উচ্চ শিক্ষাৰে শিক্ষিত আছিল। ইংৰাজী বিষয়ৰ ছাত্ৰ তথা অধ্যাপক হোৱা সূত্ৰে তেওঁ পাশ্চাত্য সাহিত্যৰ ভাৱধাৰাৰ সৈতে ঘনিষ্ঠভাৱে পৰিচিত আছিল। সেইবাবে তেওঁৰ কবিতাসমূহত পশ্চিমীয়া ৰীতিৰ প্ৰভাৱ সহজে অনুভৱ কৰিব পাৰি। ডেনিচন মাত্ৰ ৩১ বছৰ জীয়াই আছিল। সেইবাবে তেওঁ ৰচনা কৰা কবিতাৰ সংখ্যা তেনেই সীমিত। তাৰে ভিতৰত 'A'chik Ku'rang' (গাৰো কণ্ঠস্বৰ), 'Nang'ko Gısık Ra'gen' (তুমি মোক মনত ৰাখিবা), 'Bılsı Gital' (নৱবৰ্ষ) উল্লেখনীয়। প্ৰথম কবিতাটিত গাৰো সমাজক জাগ্ৰত কৰাৰ প্ৰয়াস, দ্বিতীয়টোত অকালতে বিয়োগ ঘটা তেওঁৰ ভনীয়েকৰ স্মৃতিচাৰণ আৰু তৃতীয়টোত নতুন বছৰলৈ আদৰণি তথা আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটিছে।

ইভিলিয়ান আৰ মাৰাকৰ বাৰটা কবিতা বিভিন্ন পত্ৰিকাত প্ৰকাশ পাইছে। তীব্ৰ ৰোমাণ্টিক ভাব বহন কৰা এওঁৰ কবিতাসমূহ হ'ল—'Ang Chame' (মোৰ প্ৰিয়তমা), 'Ka'sakugen' (মই এতিয়াও ভাল পাওঁ), 'Golop Bıbal' (গোলাপ ফুল), 'Nang'na' (তোমাৰ

বাবে), 'Dora' (এগৰাকী কাল্পনিক প্ৰেয়সী) আদি উল্লেখযোগ্য। এই কবিতাসমূহত আছে একালে ৰোমাণ্টিক আবেগ-অনুভূতি, আনকালে আছে প্ৰেয়সীক নোপোৱাৰ মৰ্মান্তিক বেদনা।

গাৰো কাব্য জগতত উচ্চমানৰ কবিতা ৰচনা কৰা মহিলা কবিসকলৰ এগৰাকী হ'ল জোনমণি চিৰা। তেওঁৰ দ্বাৰা ৰচিত কবিতাসমূহ হ'ল 'Do'kru' (পাৰ চৰাই), 'Daisy', 'Basako' (যেতিয়া), 'Mikgongani' (লক্ষ্য), 'Mikjumang A'gilsok' (নিশাৰ সপোনৰ পৃথিৱী)। তেওঁৰ আটাইবোৰ কবিতা 'আচিক কুৰাঙ' পত্ৰিকাত প্ৰকাশ পায়।

দেৱান সিং ৰংমুথু গৱেষক তথা চিন্তাশীল লেখকেই নাছিল, এগৰাকী কবিও আছিল। তেওঁৰ প্ৰায় একুৰি কবিতা প্ৰকাশ পাইছে। তাৰে ভিতৰত আধা সংখ্যক মৌলিক আৰু বাকীখিনি ইংৰাজী তথা বঙলা ভাষাৰ কবিতাৰপৰা অনুবাদ কৰা। এই আটাইখিনি কবিতা তেওঁৰ কাব্য সংকলন 'Aphako Gisik Ra'anio'ত সন্নিবিষ্ট হৈছে।

কাৰ্ণেচ জি. মোমিনৰ 'Segmin Ripengko Gisik Ra'ani' এটি উল্লেখযোগ্য কবিতা। কবিতাটিও তেওঁৰ কলেজীয়া জীৱনৰ সহপাঠী তথা বন্ধু প্ৰাৰ্জন মাৰাকৰ অকাল মৃত্যুৰ স্মৃতিত ৰচনা কৰা। আন এটি প্ৰকাশিত কবিতা হ'ল 'Man'rikani' (উত্তৰাধিকাৰী)। মাকেনচন ৰংমুথুই ভালে সংখ্যক কবিতা ৰচনা কৰিছে; তাৰে পাঁচটা কবিতা কলেজীয়া স্তৰৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত। তেওঁৰ কবিতা কেইটিমান হ'ল—'Panleni Gisik Ra'ani', 'Randi Me'chikni sintea', 'Pante Bilsi chichat' আদি।

ৰাজেন্দ্ৰ বাংচাঙে 'Sonajing' নামৰ এগৰাকী পৰম্পৰাগত গাৰো গাভৰুৰ নামেৰে ৰোমাণ্টিক কাব্য দুটা খণ্ডত প্ৰকাশ কৰি উলিয়ায়। গিলবাৰ্ট মাৰাকৰ এখন কবিতাৰ সমষ্টি হ'ল 'Ang Gisik Ku'aning' (মোৰ হৃদয়ৰ শব্দ)। এই কাব্য পুথিখনি কলেজীয়া পৰ্যায়ৰ পাঠ্যপুথি ৰূপে প্ৰচলিত।

ওপৰত পৰিচয় দি অহা গাৰো কবি তথা কবিতাসমূহৰ উপৰিও গান্ধিজোৰ চাংমা, অৰবিন্দ চাংমা, ডাইবেকচন চাংমা, হৰেন্দ্ৰ মাৰাক আদি কবিসকলে ভালেখিনি কবিতা ৰচনা কৰিছে। তাৰে কিছু সংখ্যক কবিতা বিভিন্ন পত্ৰিকাত প্ৰকাশ পাইছে যদিও বহুসংখ্যকে প্ৰকাশৰ মুখ নেদেখিলে। এনেদৰে প্ৰকাশিত, অপ্ৰকাশিত বিভিন্ন কবিৰ কবিতাই গাৰো সাহিত্যৰ সমৃদ্ধিত অৰিহণা যোগাইছে।*

---

* এই আলোচনাটিত ১৯৭৮ চনলৈকে প্ৰকাশিত গাৰো সাহিত্যৰ্কিসমূহৰ সামৰি লোৱা হৈছে।

গাৰো সংবাদ-পত্ৰ*

গাৰো সংবাদ-পত্ৰ তথা সাংবাদিকতাৰ বুৰঞ্জী একেবাৰে অৰ্বাচীন বুলি ক'ব নোৱাৰি। গাৰো ভাষাই লিখিত ৰূপ পোৱাৰ প্ৰায় এশ বছৰৰ পিছত সংবাদ জগতত প্ৰৱেশ কৰে। অসমীয়া জাতীয় জীৱনত সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলৰ অবদান যিমান সুদূৰপ্ৰসাৰী, গাৰো জাতীয় জীৱনতো বেপ্তিষ্ট মিছনেৰীসকলৰ ভূমিকা সিমানেই গুৰুত্বপূৰ্ণ। এই মিছনেৰীসকলেই অসমীয়া ভাষাটোক প্ৰতিষ্ঠিত কৰিবলৈ ১৮৪৬ চনত 'অৰুনোদই' কাকত উলিয়াই অসমত প্ৰথমবাৰৰ বাবে সাংবাদিকতাৰ পাতনি মেলিছিল। সেইদৰে, গাৰো পাহাৰতো মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ কাৰণে প্ৰথমে পঢ়াশালী স্থাপনৰ যোগেদি গাৰোসকলক শিক্ষিত কৰি লৈছিল আৰু পিছত পুথি-পাঁজি ৰচনা কৰি খৃষ্টধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল। পঢ়াশালী স্থাপন আৰু পুথি-পাঁজি ৰচনাৰ পিছতে মিছনেৰীসকলে ১৮৭৯ চনত পোন-প্ৰথমবাৰৰ বাবে গাৰো ভাষাত 'আচিকনি ৰিপেং' (গাৰোসকলৰ বন্ধু) নামেৰে মাহেকীয়া কাকত এখন প্ৰকাশ কৰিবলৈ লয়। এইখনেই গাৰোসকলৰ 'অৰুনোদই' সদৃশ প্ৰথম বাতৰি কাকত। আঠৰ পৰা বাৰ পৃষ্ঠা জোৰা এই কাকতখনিৰ যোগেদিয়েই গাৰোসকলে প্ৰথমবাৰৰ বাবে সংবাদ পত্ৰৰ লগত পৰিচিত হৈ তাৰ সোৱাদ ল'বলৈ সুযোগ পায়। সেইবাবে ১৮৭৯ চন আৰু 'আচিকনি ৰিপেং' গাৰো জাতীয় জীৱনত এটি তাৎপৰ্যপূৰ্ণ আৰু অবিস্মৰণীয় ঘটনা। এই কাকতখন প্ৰথম অৱস্থাত বঙলা লিপিতহে (বৰ্ণমালা) ছপা হৈছিল। (উল্লেখনীয় যে, গাৰো ভাষা লিখিবৰ বাবে ১৮৬৫ চনৰ পৰা বঙলা লিপিহে ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তীকালত বঙলাৰ সলনি অসমীয়া লিপি আৰু শেষত ১৯০২ চনত ৰোমান (ইংৰাজী) লিপি গাৰো ভাষা লিখিবৰ বাবে ব্যৱহাৰ কৰা হয় আৰু ই এতিয়াও চলি আছে)। 'আচিকনি ৰিপেঙ'ৰ প্ৰচলনৰ লগে লগে দেখা দিয়ে ছপাশালৰ সমস্যাই। কাৰণ, তেতিয়াও গাৰো পাহাৰত ছপাশাল স্থাপন হোৱা নাছিল। সেয়ে প্ৰথম পৰ্যায়ৰ 'আচিকনি ৰিপেং' হাতে লিখা কাকত হিচাপেই এবছৰকাল প্ৰচলিত আছিল। ১৮৮১ চনত এম চি মাচনে গাৰো পাহাৰৰ তুৰা চহৰত এটি ছপাশাল পাতে আৰু তেতিয়াই উক্ত কাকতখনি ছপা আখৰত প্ৰচাৰ হ'বলৈ ধৰে। ১৮৮১ চনৰ পৰা ১৮৯৪ চনলৈ 'আচিকনি ৰিপেং' এই ছপাশালতে ছপা হৈ আছিল। কিন্তু ১৮৯৪ চনৰ পৰা কলিকতাত অৱস্থিত বেপ্তিষ্ট মিচন প্ৰেছত ছপা হ'বলৈ ধৰে। ইতিমধ্যে গাৰো ভাষা লিপিৰো পৰিৱৰ্তন ঘটিল আৰু ১৯০৬ চনৰ পৰা বঙলাৰ সলনি ৰোমান লিপিত 'আচিকনি ৰিপেং' ছপা হ'বলৈ ধৰে।

---

* এই আলোচনাটি William Carey ৰ 'Garo Jungle Book', PC Kar ৰ 'Glimpses of the Garos', Milton Sangma ৰ History of Garo Literature' ৰ তথ্যৰ ভিত্তিত যুগুত কৰা হৈছে।

'আচিক্‌নি বিপেঙ'ৰ প্ৰথম সম্পাদক আছিল যুটীয়াভাৱে এই দুগৰাকী মিছনেৰী বেভাৰেণ্ড এম.চি. মাচন আৰু ই.জি. ফিলিপ্‌চ। এই কাকতখনত ধৰ্মীয় স্তুতিগীত, যীশুখৃষ্টৰ বাণীসমূহৰ অনুবাদ, খৃষ্টিয়ান ধৰ্মীয় আন্দোলনৰ বাতৰিসমূহ প্ৰধানভাৱে প্ৰকাশ পাইছিল। সন্দেহ নাই, খৃষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য সন্মুখত ৰাখিয়েই মিছনেৰীসকলে এই কাকতখন প্ৰকাশ কৰিছিল, কিন্তু তাৰ লগে লগে গাৰো সমাজত এচাম পাঠক আৰু শিক্ষিত লোকৰ সৃষ্টিৰ মূলতেও আছিল এই কাকতখন। পৰৱৰ্তী কালত স্থানীয় গাৰোসকলে প্ৰকাশ কৰা অনেক বাতৰি কাকত আৰু আলোচনীৰ মূল উৎস আৰু অনুপ্ৰেৰণা আছিল এই কাকতখনেই। 'আচিক্‌নি বিপেঙ'ৰ বিষয়বস্তু প্ৰথম অৱস্থাত যদিও আছিল খৃষ্ট ধৰ্ম সম্পৰ্কীয়; তথাপি পৰৱৰ্তী কালত সময়ৰ লগত খোজ মিলাই সাধুকথা, নীতিকথা, প্ৰবন্ধ, ফকৰা-যোজনা, সাঁথৰ, দেশ-বিদেশৰ বাতৰি, জ্ঞান-বিজ্ঞান সম্পৰ্কীয় কথা আদিও প্ৰকাশ কৰি গাৰোসকলৰ আগত বিশ্বৰ জ্ঞান ভাণ্ডাৰ মুকলি কৰি দিছিল। এম.চি. মাচন আৰু ই.জি. ফিলিপ্‌চ এই দুগৰাকী মিছনেৰী সুদীৰ্ঘ ৩৫ বছৰ কাল এই কাকতখনৰ সম্পাদকৰ দায়িত্বত আছিল। এওঁলোক দুজনৰ পিছতে দুগৰাকী গাৰো ব্যক্তিয়ে ১৯১৪ চনত সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। সেই ব্যক্তি দুগৰাকী হ'ল জংকা চাংমা আৰু ৰাম সিং চাংমা। ১৯১৬ চনত আন দুগৰাকী গাৰো ব্যক্তিয়ে সম্পাদক ৰূপে নিয়োজিত হয়, তেওঁলোক হ'ল মধুনাথ মোমিন আৰু জোন সিং মাৰাক। এওঁলোক দুজনে ২০ বছৰ কাল 'আচিক্‌নি বিপেঙ'লৈ সেৱা আগবঢ়ায়'। ইয়াৰ পিছতে ৰেভাৰেণ্ড এফ ডব্লিউ. হাৰ্ডিং আৰু এ.এফ. মেৰিলে সাময়িকভাৱে সম্পাদকৰ দায়িত্ব বহন কৰিছিল। ৯৮ বছৰ কাল জীয়াই থকা এই কাকতখনে যিদৰে এচাম পাঠকৰ সৃষ্টি কৰিছিল, তেনেদৰে এচাম লিখক সৃষ্টিতো অৰিহণা যোগাইছিল। 'আচিক্‌নি বিপেঙ'ৰ প্ৰথম সংখ্যাটো প্ৰকাশ পাইছিল মাত্ৰ ২০০ কপি। শেষ পৰ্যায়ত, ইয়াৰ ছপা সংখ্যা আছিল দুহেজাৰতকৈ অধিক। নকলেও হ'ব যে, কোনো এটা ভাষাৰ প্ৰথম বাতৰি কাকতখন সুদীৰ্ঘ ৯৮ বছৰ কাল জীয়াই থাকিবলৈ সক্ষম হোৱাটো কম গৌৰৱৰ কথা নহয়। পৃথিৱীত এনে অভিলেখ খুবেই বিৰল।

১৯৩২ চনত গাৰো পাহাৰলৈ ৰোমান কেথলিকসকলৰ আগমন ঘটে আৰু তেওঁলোকে ১৯৩৩ চনত 'আচিক্‌নি বিপেঙ'ৰ দৰে একে বৈশিষ্ট্যপূৰ্ণ 'চেংৰো' নামেৰে আন এখনি কাকত প্ৰকাশ কৰে। কেথলিক ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে প্ৰকাশ কৰা এই কাকতখনৰ প্ৰথম গৰাকী সম্পাদক আছিল ৰেভাৰেণ্ড পিয়ানজী আৰু এই কাকতখনৰ ছপা সংখ্যাৰ পৰিমাণ আছিল ১৫০০ কপি।

খৃষ্ট ধৰ্মৰ বাণী আৰু আদৰ্শ প্ৰকাশক ইতিমধ্যে দুখনকৈ কাকতৰ প্ৰচলন থাকিলেও, সাহিত্যৰ দিশত সংবাদ পত্ৰ প্ৰকাশৰ পৰীক্ষা-নিৰীক্ষা তেতিয়াও আৰম্ভ হোৱা নাছিল। সাহিত্য ধৰ্মী প্ৰথমখন মাহেকীয়া আলোচনী প্ৰকাশৰ গৌৰৱ অৰ্জন কৰে মধুনাথ জি.মোমিন আৰু জোবাং দি. মাৰাকে। এওঁলোক দুয়োজনেই আমেৰিকাত উচ্চ শিক্ষা লাভ কৰা সুশিক্ষিত গাৰো লোক আছিল। 'পিৰিং পাৰাং' (প্ৰভাতী তৰা) নামৰ এই সাহিত্য-ধৰ্মী আলোচনীখন প্ৰকাশ পায় ছেপ্টেম্বৰ মাহত, ১৯১২ চনত। এই আলোচনীখনৰ যোগেদিয়েই

গাৰো সংবাদ জগতত ধৰ্ম-নিৰপেক্ষ সাহিত্য সৃষ্টিৰ বাতাবৰণে গঢ় লৈ উঠে। সাহিত্যৰ উপৰিও বাতৰি, বাহিৰৰ মতামত, পৃথিৱীৰ সাম্প্ৰতিক ঘটনাৱলী, স্থানীয় বাতৰি আদিও কাকতখনত প্ৰকাশ পাইছিল। মধুনাথ জি. মোমিন আছিল এই আলোচনীখনৰ প্ৰথম সম্পাদক। কিন্তু এই আলোচনীখন মাত্ৰ দুবছৰহে (১৯১৪চনলৈ) জীয়াই আছিল।

গাৰো সংবাদ জগতত আন এক নতুন সংযোজন হ'ল 'আচিং কুৰাং' (গাৰো কণ্ঠস্বৰ)। 'পিৰিং পাৰাঙ'ৰ অপমৃত্যুৰ সুদীৰ্ঘ ২৬ বছৰ পিছত ১৯৪০ চনত সাহিত্য জগতৰ নতুন নতুন সম্ভাৰ লৈ এই আলোচনীখনৰ জন্ম হয়। জন্ম দিলে সেই সময়ত গুৱাহাটীৰ কটন কলেজত পঢ়ি থকা কেইজনমান গাৰো আগৰণুৱা ছাত্ৰই। এই ছাত্ৰসকলৰ লগত আলোচনীখন প্ৰকাশৰ তত্বাৱধান কৰিলে সেই সময়ৰ কটন কলেজৰ ইংৰাজী বিভাগৰ এগৰাকী গাৰো অধ্যাপক হাৱাৰ্ড দি. মোমিনে আৰু এই কলেজৰে এগৰাকী গাৰো মেধাৱী ছাত্ৰ ইভিলিয়ান মাৰাকে। মোমিন আছিল আলোচনীখনৰ প্ৰথম সম্পাদক আৰু মাৰাক আছিল সহকাৰী সম্পাদক। তিনিমহীয়া 'আচিক কুৰাং' আলোচনীখনিত গল্প, কবিতা, লোকগীত, প্ৰবন্ধ, বানান সমস্যা, ৰবীন্দ্ৰনাথ ঠাকুৰ আদিৰ দৰে বিশ্ববিখ্যাত লেখকসকলৰ লেখনিৰ গাৰো অনুবাদ আদি প্ৰকাশ পাইছিল। সাহিত্য-ধৰ্মী আলোচনী হিচাপে এই আলোচনীখনে গাৰো সাহিত্যলৈ স্থায়ী অৱদান আগবঢ়াই গৈছে।

'আচিক কুৰাং' আলোচনীখনিৰ লগত অসমীয়া 'জোনাকী' কাতৰ ভালেখিনি সাদৃশ্য পৰিলক্ষিত হয়। কলিকতালৈ পঢ়িবলৈ যোৱা তিনিগৰাকী অসমীয়া ছাত্ৰৰ উদ্যোগত যেনেদৰে এদিন 'জোনাকী' কাকতৰ জন্ম হৈছিল, ঠিক তেনেদৰেই গাৰো পাহাৰৰ পৰা গুৱাহাটীলৈ পঢ়িবলৈ অহা কেইজনমান গাৰো ছাত্ৰৰ উদ্যোগতে এদিন 'আচিং কুৰাঙ'ৰ জন্ম হৈছিল। কিন্তু কলেজীয়া ছাত্ৰসকলে অধ্যয়ন সমাপ্ত কৰি নিজ নিজ কৰ্মক্ষেত্ৰলৈ ঢাপলি মেলাৰ লগে লগে 'আচিক কুৰাঙ'ৰ মাত্ৰ দুবছৰৰ পিছতে প্ৰকাশ বন্ধ হৈ পৰিল।

'আচিক কুৰাঙ'ৰ প্ৰকাশ স্তব্ধ হৈ পৰাৰ সাত বছৰ পিছত, সেই আলোচনীখন পুনৰ্জীৱিত কৰিবলৈ চেষ্টা কৰিলে নিচিনগ্ৰাম হাইস্কুলৰ শিক্ষক মাকেনচন ৰংমুথুই। তেওঁৰ প্ৰয়াসতে 'আচিক কুৰাং' মাহেকীয়া আলোচনী হিচাপে ১৯৪৯ চনৰ জুন মাহত পুনৰ প্ৰকাশ পালে। কিন্তু এই প্ৰয়াসো স্থায়ী নহ'ল। জুন মাহৰ পৰা চেপ্তেম্বৰ মাহলৈ মাত্ৰ চাৰিটা সংখ্যা ওলায়েই আলোচনীখনে নিভাজ মাৰিলে। সুখৰ বিষয় যে, অনুৰাগীসকলে ইয়াক জীয়াই ৰখাৰ বাবে আকৌ এবাৰ চেষ্টা চলালে। এই প্ৰচেষ্টাত ১৯৫৩ চনৰ মে' মাহত মাকেনচন ৰংমুথু আৰু ৰাবেন্দ্ৰ ৰাংচনৰ যুটীয়া সম্পাদনাত তৃতীয়বাৰৰ বাবে প্ৰকাশ পালে। জন্মতে মৃত্যুৰ কল পৰা 'আচিক কুৰাং' ১৯৫৪ চনৰ এপ্ৰিল মাহত প্ৰকাশ আকৌ বন্ধ হ'ল। তথাপি, আলোচনীখনিৰ প্ৰকাশৰ ক্ষেত্ৰত কোনো গাৰোসকলে পৰাজয় বৰণ কৰিব খোজা নাছিল। নল গজালিৰ দৰে যিমানে কাটে, সিমানে বাঢ়ে। সেয়ে সুদীৰ্ঘ দহ বছৰ প্ৰকাশ বন্ধ হৈ থকা 'আচিক কুৰাং' চতুৰ্থবাৰৰ বাবে এক নতুন ৰূপত সজাই পৰাই প্ৰকাশৰ দায়িত্বভাৰ বহন কৰিলে 'গাৰো সাহিত্য সমাজে'। তুৰা চৰকাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক কে.এম. মোমিনৰ সম্পাদনাত ১৯৬৫ চনৰ আগষ্ট মাহৰ পৰা পক্ষেকীয়া

আৰু কেতিয়াবা মাহেকীয়া হিচাপে ১৯৭৫ চনলৈ দহবছৰ নিৰবচ্ছিন্ন গতিৰে প্ৰকাশ পাইছিল। ১৯৭৫ চনত এই আলোচনীখন অন্তিম বাৰৰ বাবে প্ৰকাশ পায়। 'আচিক খুৰাঙ'ৰ মৃত্যুৰ লগে লগে গাৰো সাহিত্য জগতত এটি গৌৰবময় অধ্যায়ৰো অন্ত পৰিল। যদিও আলোচনীখনৰ মৃত্যু ঘটিল, তথাপি ৩৫ বছৰীয়া তাৰ কাৰ্যকালে এচাম লিখকৰ উত্থানত যিদৰে অৰিহণা যোগাইছিল, তেনেদৰে সাহিত্য জগতত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ এই কাকতখনেই বহুতৰ বাবে আছিল কঠিয়াতলী স্বৰূপে। চাৰিশকৈ প্ৰকাশ বন্ধ কৰিবলগীয়া হোৱাৰ মূল কাৰণ আছিল অৰ্থনৈতিক দুৰাৱস্থা।

এই একে সময়তে ১৯৬৬ চনত 'গাৰো মাতৃ সঙ্ঘ'ই মহিলা আলোচনী প্ৰকাশ কৰিছিল। পৰেকীয়া এই আলোচনীখনৰ নাম আছিল 'ন'কদাঙনি বিপেং' (পৰিয়ালৰ বন্ধু) আৰু ইয়াৰ প্ৰথমগৰাকী সম্পাদিকা আছিল ইমোজিনি মাৰাক। আলোচনীখন প্ৰথম পৰ্যায়ত ১৯৬৯ চনলৈ প্ৰকাশিত হৈছিল। মাজতে পাঁচ বছৰ প্ৰকাশ বন্ধ থাকি পুনৰ ১৯৭৪ চনৰ পৰা ত্ৰিমাসিক ৰূপত আত্মপ্ৰকাশ ঘটে।

১৯৫৬ চনত গুৱাহাটীৰ বিভিন্ন কলেজত অধ্যয়ন কৰি থকা এচাম আগৰণুৱা যুৱকে 'কুবাৰাংবো' নামেৰে এখনি মাহেকীয়া কাকতৰ প্ৰচলন কৰিছিল। কিন্তু এটা সংখ্যা ওলায়েই এইখনিও পাহৰণিৰ গৰ্ভত লীন গ'ল। আকৌ, ১৯৪৩ চনত গাৰো পাহাৰৰ প্ৰাথমিক শিক্ষকসকলৰ বৌদ্ধিক উন্নতিৰ বাবে সুধীন্দ্ৰ মাৰাকৰ সম্পাদনাত 'চিৰিচিক' (নিজৰা) নামেৰে এখনি কাকত প্ৰকাশ পাইছিল। এবছৰ পিছতেই 'চিৰিচিকে'ও শক্তি-সামৰ্থ হেৰুৱাই পেলালে।

১৯৪৫ চনত গতানুগতিক আলোচনীসমূহৰ পৰা কিছু কালৰি কাটি আহি সম্পূৰ্ণ জিজ্ঞাসধৰ্মী এখনি কাকতৰ আবিৰ্ভাৱ ঘটে। 'আচিকনা ইউনি' (গাৰোসকলৰ জ্ঞানৰ বাবে) নামৰ পৰেকীয়া এই কাকতখনিৰ প্ৰকাশক আৰু সম্পাদক আছিল বংগাম জি. মোমিন। কাকতখনে জ্ঞান-পিপাসু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভালেখিনি চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছিল। কাকতখনি ১৯৫০ চনলৈ অৰ্থাৎ পাঁচ বছৰ কাল ধৰি চলিছিল। কিন্তু সম্পূৰ্ণ সংবাদ-ধৰ্মী কাকত এখনি প্ৰকাশ পায় ১৯৫৩ চনত নাৰায়ণ মাৰাকৰ সম্পাদনাত। চাৰি পৃষ্ঠা জোৰা এই সাপ্তাহিক কাকতখনৰ নাম আছিল 'আচিক সংবাদ'। দেশৰ ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি, ধৰ্ম আদি সকলো দিশ এই কাকতখনে সামৰি লোৱাৰ উপৰিও দেশ-বিদেশৰ বাতৰি, চৰকাৰী বিজ্ঞাপন, জাননী আৰু স্থানীয় সংবাদ পৰিবেশন আছিল এই কাকতখনিৰ অন্যতম বিশেষত্ব। কাকতখন ১৯৭৫ চনলৈ প্ৰচলিত আছিল।

লোকসভাৰ প্ৰাক্তন অধ্যক্ষ তথা কেন্দ্ৰীয় মন্ত্ৰী পূৰ্ণ এ. চাংমাৰ সম্পাদনাত এই একে সময়তেই তিনিদিনীয়া কাকত এখনৰ প্ৰকাশ হৈছিল। 'চানদাৰবি কুবাং' (যুব কণ্ঠস্বৰ) নামৰ এই কাকতখনৰ প্ৰচলন থকাৰ সময়ত সম্পাদক পূৰ্ণ.এ. চাংমা আছিল একগৰাকী জেলা অধিবক্তা। আন আন সংবাদ পত্ৰসমূহৰ দৰে এইখনিৰো আয়ুস আছিল মাত্ৰ চাৰি বছৰহে।

এইবোৰৰ উপৰিও সম্পূৰ্ণ চৰকাৰৰ অৰ্থ সাহায্যত ১৯৬০ আৰু ১৯৬৪ চনত দুখন বাতৰি কাকতে আত্মপ্ৰকাশ লাভ কৰিছিল। প্ৰথমখন হ'ল 'আচোংমি সংবাদ' (মাতৃভূমিৰ বাতৰি) আৰু দ্বিতীয়খন হ'ল 'চোঙনি বিপেং' (দেশ বন্ধু)। গৌৰৱৰ বিষয় যে, এই

দুয়োখন গাৰো পত্ৰিকাৰে সম্পাদক আছিল এগৰাকী অসমীয়া ব্যক্তি ড° ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰ। গুৱাহাটী বিশ্ববিদ্যালৰ নৃতত্ত্ব বিভাগৰ প্ৰাক্তন অধ্যাপক ড° মজুমদাৰে গাৰো পাহাৰৰ চেলচেলা আৰু বাঘমাৰাৰ পৰা এই সংবাদ-পত্ৰ দুখনি প্ৰকাশ কৰিছিল। মজুমদাৰে সেই সময়ত গাৰো পাহাৰৰ খণ্ড উন্নয়ন বিষয়া হিচাপে কাৰ্য-নিৰ্বাহ কৰিছিল। এই দুখনৰো আয়ুস আছিল যথাক্ৰমে দুবছৰ আৰু এবছৰহে। এনে ধৰণৰ কম আয়ুস লগত লৈ আৰু কেইবাখনো কাকতৰ জন্ম হৈছিল। তেনে কাকত কেইখনমান হ'ল 'দো আমেক', 'ছিংগা', 'কুবিচিক', 'গাৰো বুলেটিন', 'কুমিন্দি' আদি। তাৰোপৰি 'গাৰো স্নাতক সন্থা'ই ১৯৬৮ চনৰ পৰা একেৰাহে তেওঁলোকৰ বাৰ্ষিক মুখপত্ৰ 'মিকাঅ' প্ৰকাশ কৰি সংবাদ জগতলৈ অৰিহণা যোগাবলৈ সক্ষম হৈছে। এই মুখপত্ৰখনত গাৰো আৰু ইংৰাজী দুটা শিতানত মননশীল প্ৰবন্ধ প্ৰকাশ কৰি সুধী সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্নপৰ হৈছে। ১৯৯৩ চনত তুৰাৰ পৰা মানস চৌধুৰীৰ সম্পাদনাত 'জানেৰা' (দাপোণ) নামৰ সাপ্তাহিক এখন প্ৰকাশ হয়। তুৰাৰ পৰা প্ৰকাশিত আন এখনি সপ্তাহিক হ'ল বালছেং আৰেঙৰ সম্পাদনাত প্ৰকাশিত 'আদিল' (ম'হৰ শিঙৰ পেঁপা)। তেনেদৰে শ্বিলঙৰ পৰা প্ৰকাশিত হয় মেথিউ বিপ্ আৰ মাৰাকৰ সম্পাদনাত 'আৰ্টাছিঃপাম' (জন্মভূমি)।

ওপৰত গাৰো সংবাদ-পত্ৰ সম্পৰ্কে সামগ্ৰিক আলোচনা এটি দাঙি ধৰা হ'ল। বিশ্লেষণ কৰিলে দেখা যায় যে, গাৰো সংবাদ-সাহিত্যৰ জয়যাত্ৰা একেবাৰে মসৃণ নাছিল। নানা প্ৰতিকূল পৰিবেশ অতিক্ৰম কৰি আহি আজিৰ এই স্তৰত উপনীত হৈছে। ১৮৭৯ চনত মিছনেৰীসকলে সূচনা কৰাৰ পৰা আজিলৈ গাৰো ভাষাত কুৰিখনতকৈও অধিক সংবাদ পত্ৰৰ জন্ম হৈছে। তাৰে ভিতৰত কোনোৱে ভূমিষ্ঠ হৈয়েই মৃত্যুক সাবতি লৈছিল, কোনোৱে চালুকীয়া অৱস্থাত মৃত্যুৰ ক্ষণ গণিছিল আৰু খেনোৱে মৰি মৰিও জীয়াই থকাৰ সপোন দেখিছিল। সংবাদ-পত্ৰ সমন্বিতে বহু কাকত-আলোচনী গাৰো সাহিত্য জগতলৈ আহিল আৰু গ'ল। সকলোৰে সকলোৰে অৰিহণা মিলি আজিৰ গাৰো সাংবাদিকতাৰ জগতখন নিৰ্মিত হৈছে।

গাৰো ভাষাত প্ৰকাশিত প্ৰথমখন দৈনিক বাতৰি কাকত হ'ল 'আচিক মুকাছাল'। মেথিউ বিপ মাৰাকৰ সম্পাদনাত শ্বিলঙৰ পৰাই এই কাকতখনি প্ৰকাশ হয়। ১৯৯৭ চনৰ পৰা বৰ্তমানলৈ এই কাকতখন চলি আছে।

শেষত ক'ব পাৰি যে, মিছনেৰীসকলৰ দ্বাৰা প্ৰৱৰ্তিত 'আচিকনি বিপেং' কেৱল খৃষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে প্ৰকাশ কৰিলেও বাতৰি কাকত, ব্যৱসায় আৰু সাংবাদিকতাৰ সূচনা কৰে এই কাকতখনেই। লগতে, গাৰো ভাষাৰ বিকাশ আৰু উন্নতিৰ মূলতেও হৈছে এই কাকতসমূহেই। মিছনেৰীসকলে বাট দেখুৱাই নিদিয়া হ'লে গাৰো ভাষা-সাহিত্য হয়তো আৰু কেইবাটাও দশকত পিছ পাৰি ৰ'লহেঁতেন। সেয়ে অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ-প্ৰতিষ্ঠাত মিছনেৰীসকলৰ ভূমিকা যিমান গুৰুত্বপূৰ্ণ; গাৰো ভাষা-সাহিত্যৰ ক্ষেত্ৰতো মিছনেৰীসকলৰ অৱদান সিমানেই গুৰুত্বপূৰ্ণ।

ষষ্ঠ অধ্যায়

গাৰো লোক-উৎসৱ

ইতিহাসে ঢুকি নোপোৱা অতীজৰেপৰা জীৱ-শ্ৰেষ্ঠ মানৱ জাতিয়ে তেওঁলোকৰ নিজ নিজ সমাজৰ লগত খাপ খুৱাই কৰ্মময় জীৱনত কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠানক সামৰি লৈছিল। ইয়াৰে ভালেখিনি আনন্দ-বিনোদনৰ লগত জড়িত আৰু আন কিছুমান সামাজিক, ভৌগোলিক, ধৰ্মীয় বিশ্বাস আদিৰ লগত সংযুক্ত। পৃথিৱীৰ প্ৰায়বোৰ সমাজতে বছৰটোৰ কোনো এটা ভাগ এফলীয়া কৰি থোৱা দেখা যায় উৎসৱ অনুষ্ঠানৰ কাৰণে। এই উৎসৱ-অনুষ্ঠানসমূহ সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ। উৎসৱ অনুষ্ঠানসমূহ পালনৰ উদ্দেশ্য হ'ল সমূহীয়াভাৱে আনন্দ প্ৰকাশ কৰা। প্ৰাকৃতিক শোভা সৌন্দৰ্যই যেতিয়া মানুহৰ মনত আনন্দৰ ঢৌ তুলিছিল, সেই আনন্দ বা ভাব-অনুভূতি প্ৰকাশ কৰিছিল গীত বা কবিতাৰ মাধ্যমত। সকলো জাতিৰ সভ্যতাৰ আদিম স্তৰতে সৃষ্টি হৈছে গীত-মাতৰ। সেইবাবেই প্ৰায়বোৰ উৎসৱ-অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ আছে লোকসাহিত্য। উৎসৱসমূহত পৰম্পৰাগত গীত মাত, অভিনয়, আবৃত্তি আদি পৰিৱেশন কৰা হয়। সেইবাবে স্মিথে কৈছে, গীত মাত নৃত্য অধ্যয়নৰ বাবে উৎসৱ-অনুষ্ঠানসমূহ কেন্দ্ৰস্বৰূপ।[৩]

এই অধ্যায়ত গাৰো লোক-উৎসৱসমূহৰ এটি পৰিচয় দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

১। ৱানগালা :

'ৱানগালা' গাৰোসকলৰ প্ৰধান উৎসৱ। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ উৎসৱসমূহ যেনেদৰে কৃষিক কেন্দ্ৰ কৰি উৎপত্তি হৈছে, তেনেদৰে গাৰোসকলৰ জাতীয় উৎসৱ 'ৱানগালা'ৰো সৃষ্টি হৈছে কৃষিক কেন্দ্ৰ কৰিয়েই। গাৰো সমাজত বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ পালন কৰা হয়। সেইবোৰৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য হ'ল 'ৱানগালা' উৎসৱ।[৪]

---

১ শৰ্মা, নবীনচন্দ্ৰ : 'কামৰূপৰ উৎসৱ-অনুষ্ঠান' প্ৰবন্ধ, ভুবনেশ্বৰ ডেকা সম্পাদিত 'প্ৰবন্ধ প্ৰবাহ' গ্ৰন্থ, পৃ ৬৪।

২ গোস্বামী, উপেন্দ্ৰনাথ : ভাষা আৰু সাহিত্য, পৃ ৫২।

৩ Smith, Robert J Festivals and Celebration (Folklore and Folklife, Ed R M Dorson), P-167

৪ Choudhury, B N Some Cultural and Linguistic Aspects of the Garos, P-26

খেতি চপোৱাৰ ঠিক পিছতেই 'ওৱানগালা' উৎসৱ অনুষ্ঠিত হয়। লখিমী চপোৱাৰ উৎসৱ পৃথিৱীৰ প্ৰায়বোৰ সমাজেই পালন কৰে।[৫] আহিন-কাতি মাহত জুম খেতি চপোৱা শেষ হ'লে পথাৰৰ মানুহখিনি গাঁৱলৈ উভতি আহে। গাঁওলৈ উভতি অহাৰ পিছত 'আহায়া' বুলি আন এটি সৰু উৎসৱ পালন কৰা হয়। 'আহায়া' প্ৰধান উৎসৱ 'ওৱানগালা'ৰ আগজাননী স্বৰূপ।[৬] 'আহায়া' পালনৰ বাবে ঘৰে ঘৰে 'চু' (মদ) প্ৰস্তুত কৰা হয়। ঢোল, শিঙা আদি বাদ্য গাঁৱৰ মুখিয়ালজনৰ ঘৰৰপৰা আনি বজোৱা হয় আৰু গাঁৱৰ ডেকাসকলে সুঁহুৰিওৱাৰ দৰে শব্দ কৰি উৎসৱৰ জাননী দিয়ে। এই উৎসৱ আৰম্ভ হোৱাৰ প্ৰথম দিনা জুম খেতিৰ উৎপন্নৰ এটি অংশ প্ৰথমে দেব-দেৱীলৈ আগবঢ়োৱা হয়। গাঁৱত 'চু' শেষ নোহোৱালৈকে এই উৎসৱ অব্যাহত থাকে। এই উৎসৱ অৰ্থাৎ 'আহায়া'ৰ সামৰণি পৰাৰ লগে লগে মূল উৎসৱ 'ওৱানগালা'ৰ বাবে প্ৰস্তুতি চলোৱা হয়।

'আহায়া' শেষ হোৱাৰ প্ৰায় দুসপ্তাহমানৰ ভিতৰতেই 'ওৱানগালা' আৰম্ভ হয়। কিন্তু 'ওৱানগালা' উদ্‌যাপন কৰাৰ বাবে কোনো নিৰ্দিষ্ট দিন-বাৰ বা তাৰিখ নেথাকে।[৭] গাওঁবাসীৰ সুবিধা অনুযায়ী অনুষ্ঠিত কৰা হয়। এই উৎসৱ উপলক্ষে ডেকা-গাভৰু, ল'ৰা-বুঢ়া সকলোৱে নতুন কাপোৰ পৰিধান কৰে, বাট-পথৰ হাবি-বন কাটি পৰিষ্কাৰ কৰে আৰু প্ৰতি ঘৰে ঘৰে অপৰ্যাপ্ত পৰিমাণে মদ তৈয়াৰ কৰে। 'ওৱানগালা'ৰ আগদিনা দূৰৰ পৰা ইষ্ট-কুটুম্ব আহি ঘৰ ভৰি পৰে। এই উৎসৱ সাধাৰণতে গধূলি আৰম্ভ হয়। প্ৰথমতে গাঁৱৰ মুখিয়ালজনৰ (নোক্‌মা) ঘৰত 'চালজং' অৰ্থাৎ সূৰ্য দেৱতালৈ 'চু' আৰু আন উৎপাদিত শস্য আগবঢ়াই উৎসৱৰ পাতনি মেলা হয়।[৮] ইয়াকে 'নোক্‌মা ওৱানগালা' বুলিও কোৱা হয়। দেৱতালৈ আগবঢ়োৱাৰ পিছত নোক্‌মাজনে তেওঁৰ ঘৰত উপস্থিত হোৱা সমস্ত বাইজক চু, ভাত আদিৰে আতিথ্য কৰে। খোৱা-বোৱাৰ পিছত ঘৰৰ ভিতৰতে নাচ আৰম্ভ হয়। প্ৰথমতে বুঢ়া-বুঢ়ী বা বয়সস্থসকলে নাচে। তাৰ পিছত ডেকা-গাভৰুৱে ঘৰৰ ভিতৰত অলপ নাচি চোতালৈ ওলায়। 'ওৱানগালা'ৰ প্ৰথম ৰাতিটো এনেদৰে নৃত্য-গীত আৰু আমোদ-প্ৰমোদেৰে পাৰ কৰা হয়।

ৰাতিপুৱা গোটেই বাইজ আকৌ মুখিয়ালজনৰ ঘৰলৈ উভতি আহে। ইয়াৰ ওৱানগালাৰ দ্বিতীয় অংশ 'চাচাত' পালন কৰা হয়।[৯] 'চাচাত'ত বিশেষ ধৰণে ঢোল, নাগাৰা, শিঙা আদি

---

৫. দাস, ভুবনমোহন : 'অসমৰ জনজাতীয় সংস্কৃতি' প্ৰবন্ধ, হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ সম্পাদিত 'অসমীয়া সংস্কৃতি' গ্ৰন্থ, পৃ. ২৫৮।

৬. মজুমদাৰ, ধীৰেন্দ্ৰ নাৰায়ণ : গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃ. ২১।

৭. মাৰাক, মনোৰঞ্জন : 'ওৱানগালা : এটি চমু আলেখ্য' প্ৰবন্ধ, অসম সাহিত্য সভাৰ দুধনৈ অধিবেশনৰ 'আগলতি' স্মৃতিগ্ৰন্থ, পৃ. ১৮।

৮. Rongmuthu, D.S. : Wangala (SPECTRUM) ed. B. Das, P-9.

৯. উক্ত গ্ৰন্থ, পৃ. ৯।

বজোৱা হয়। বয়সস্থসকলে হাতত ঢাল-তৰোৱাল লৈ পূৰ্বপুৰুষ বীৰসকলৰ বীৰত্বৰ কাহিনী স্মৰণ কৰি একপ্ৰকাৰ ভংগীত নাচে। এই নাচ আৰু গীতক 'গ্ৰীকা' বোলে।[১০] এনেকৈ নাচ নাচোঁতে প্ৰত্যেককে সন্মানেৰে 'চু' আগবঢ়োৱা হয়। কোনো কোনো গাঁৱত 'চাচাত'ৰ সময়ত ধূনা জ্বলোৱাৰ নিয়ম। অৱশ্যে, ধূনা অকল মুখিয়ালজনেহে জ্বলাব পাৰে আৰু এইটো তেওঁৰ বিশেষ অধিকাৰ বুলি গণ্য কৰা হয়। ইয়াৰ পিছত চাউলৰ গুৰি পানীৰ লগত মিহলাই ডেকাসকলে ঘৰৰ বেৰবোৰত লেপি দিয়ে আৰু উপস্থিত বাইজৰ গাত ছটিয়াই দিয়ে। এইটো 'ওৱানগালা'ৰ পবিত্ৰ চিন বুলি বিশ্বাস কৰা হয়। মুখিয়ালজনৰ ঘৰত 'চাচাত' শেষ হোৱাৰ পিছত প্ৰত্যেক ঘৰে ঘৰে একে ধৰণেই 'চাচাত' পালন কৰা হয়। 'চাচাত'ৰ পিছত ওৱানগালাৰ নৃত্য-গীত, আমোদ-প্ৰমোদ প্ৰায় এসপ্তাহলৈ চলে।[১১] এই উৎসৱতে ডেকা-গাভৰুৱে এজিয়া, দোৰোৱা, আম্বেঙনি অনেহ্যা, গ্ৰীকা আদি গীত গায়। অৰ্থাৎ এই কেইবিধ গীত গাৰোসকলৰ পৰম্পৰাগত লোক-উৎসৱ 'ওৱানগালা'ৰ লগত জড়িত।

প্ৰত্যেক ঘৰে ঘৰে 'ওৱানগালা'ৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা 'চু' শেষ হ'লেহে এই উৎসৱৰো সামৰণি পৰে। এইদৰে এখন গাঁৱত 'ওৱানগালা'ৰ সামৰণি পৰাৰ পিছত আন এখন গাঁৱত 'ওৱানগালা' পাতনৰ প্ৰস্তুতি আৰম্ভ হয়। অৰ্থাৎ 'ওৱানগালা' উৎসৱটো একেটা সময়তে আটাইবোৰ গাঁৱতে পালন কৰা নহয়। এখনৰ পিছত আন এখন গাঁৱত উদ্‌যাপিত হয়। সেইবাবে 'ওৱানগালা' উৎসৱ গাৰো সমাজত প্ৰায় দুই-তিনিমাহ ধৰি লেঠাৰি নিছিগাকৈ চলি থাকে।[১২] (অৱশ্যে আজিকালি 'ওৱানগালা' উপলক্ষে চৰকাৰীভাৱে এটা দিন বন্ধ ঘোষণা কৰা হৈছে আৰু সেইদিনা সমূহীয়াভাৱে মুকলি পথাৰত এই উৎসৱ পালন কৰা হয়)। এই উৎসৱৰ সমাপ্তিৰ লগে লগে গাৰোসকলৰ এটা খেতিৰ বছৰৰো ওৰ পৰে।[১৩]

গাৰোসকলৰ এই 'ওৱানগালা' উৎসৱক অসমীয়া সমাজৰ 'বিহু' উৎসৱৰ লগত তুলনা কৰিব পাৰি। ওৱানগালা যেনেদৰে কৃষিভিত্তিক উৎসৱ, তেনেদৰে বিহুও অসমীয়াসকলৰ কৃষিকেন্দ্ৰিক উৎসৱ। ভোগালী বিহু যেনেদৰে শস্য চপোৱাৰ পিছত উদ্‌যাপন কৰা হয়, গাৰোসকলৰ ওৱানগালাও উদ্‌যাপন কৰা হয় জুমখেতি চপোৱাৰ পিছত। আনহাতে, ৰঙালী বিহুৰ ডেকা-গাভৰুৰ নৃত্য-গীত, আমোদ-প্ৰমোদ ওৱানগালা উৎসৱতো বিদ্যমান। এজিয়া, দোৰোৱা, আম্বেঙনি অনেহ্যা, গ্ৰীকা আদি গীত-মাত যেনেদৰে

১০. Playfair, A. : The Garos, P-54.

১১. Basic Facts of Meghalaya, P-10.

১২. মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ : গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃ.

১৩. উক্ত গ্ৰন্থ, পৃ.

ওৱানগালা উৎসৱৰ অপৰিহাৰ্য অংগ, তেনেদৰে বিহুগীত, হুচৰি গীত, বনগীত আদিও বঙালী বিহুৰ অপৰিহাৰ্য অংগ। নৃত্য-গীতৰ ফালৰপৰা বিহুৰ লগত ওৱানগালাৰ সাদৃশ্য থকা বুলি প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য দেৱেও ইংগিত দিছে।[১৪] সৰ্বোপৰি, ওৱানগালা আৰু বঙালী বিহু ক্ৰমে গাৰো আৰু অসমীয়া দুয়োখন সমাজৰে দুটা জাতীয় উৎসৱ।

২। দোচীয়া ঃ

দোচীয়া হ'ল গাৰোসকলৰ বিয়া উৎসৱ। প্ৰত্যেক সমাজতে বিবাহ উৎসৱ কিছুমান সামাজিক ৰীতি-নীতিৰ মাজেৰে পালন কৰা দেখা যায়। এনে ৰীতি-নীতি বা পৰম্পৰাসমূহ সমাজভেদে সুকীয়া সুকীয়া। গাৰো সমাজতো বৈবাহিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত কিছুমান পৰম্পৰাগত ৰীতি-নীতি আদিম কালৰে পৰা প্ৰচলিত হৈ আছিছে।

গাৰো সমাজখন প্ৰধানকৈ পাঁচোটা গোত্ৰত বিভক্ত ঃ চাংমা, মাৰাক, মোম্মিন, চিৰা আৰু আৱেং।[১৫] এই গোত্ৰ শ্ৰেণীক গাৰো ভাষাত 'চাৎচী' বোলে। পৰম্পৰাগত গাৰো ৰীতি অনুসৰি একেটা গোত্ৰৰ ভিতৰত বিবাহ নিষিদ্ধ।[১৬] অৰ্থাৎ মাৰাকে মাৰাকক বা চাংমাই চাংমাক বিয়া কৰাব নোৱাৰে। ল'ৰা মাৰাক হ'লে ছোৱালী চাংমা বা অন্য গোত্ৰৰ হ'ব লাগিব। ঠিক সেইদৰে ছোৱালী যদি চাংমা হয়, ল'ৰা মাৰাক বা অন্য গোত্ৰৰ হ'ব লাগিব। প্ৰকৃতাৰ্থত এই বিবাহ ব্যৱস্থাৰ যোগেদি এটা গোত্ৰই আন এটা গোত্ৰৰ সৈতে আত্মীয়তাৰ এক নিবিড় সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰয়াস কৰে।

গাৰো সমাজত বিবাহ দুই প্ৰকাৰৰ। প্ৰত্যেক পৰিয়ালে যিকোনো এগৰাকী কন্যাক উত্তৰাধিকাৰিণী ৰূপে মনোনীত কৰে (যদিহে তেনে পৰিয়ালত একাধিক কন্যা সন্তান থাকে)। এই উত্তৰাধিকাৰিণীক 'নোক্ৰম' বোলে আৰু উত্তৰাধিকাৰিণীৰ বিয়াক 'নোক্ৰম' বিয়া বোলে।[১৭] এই বিয়াৰ তাৎপৰ্য হ'ল বিয়াৰ পিছত দৰাই কইনাৰ ঘৰলৈ আহি তেওঁলোকৰ পৰিয়ালৰ সদস্য হৈ পৰে। উত্তৰাধিকাৰিণীৰ বাহিৰে পৰিয়ালৰ আন আন কন্যা সন্তানক 'আগাতে' বোলে আৰু এনে কন্যাৰ বিয়াক 'আগাতে' বিয়া বুলি কোৱা হয়।[১৮] আগাতে বিয়াৰ পিছত দৰা-কইনাই ইচ্ছা কৰিলে শহুৰ-শাহুৰ ঘৰত নেথাকি অন্য ঠাইতো সংসাৰ পাতিব পাৰে।

---

১৪. ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ ঃ অসমৰ লোক-উৎসৱ, পৃ.১৮।

১৫. Goswami, M.C. and Mazumder, D.N., Social Institution of the Garo of Meghalaya, P-35

১৬ Burling, Robbins . Garo Kinship Terminology (Man in India), PP 203-218

১৭. হক, মাহবুবুল ঃ 'গাৰো সমাজ ও বিবাহ প্ৰথা' প্ৰবন্ধ, মনুহবুল হাসান সম্পাদিত 'জানিয়া' পত্ৰিকা, পৃ. ৬।

১৮. উক্ত গ্ৰন্থ, পৃ. ৭।

নোক্ৰম বিবাহৰ ক্ষেত্ৰত নিজ ভাগিনীয়েকক জোঁৱাই হ'বলৈ অগ্ৰাধিকাৰ দিয়া হয়।[19] সেইবাবে নোক্ৰম শৈশৱ অৱস্থাতে মনোনীত কৰা হয়। মনোনীত ল'ৰাজনক যেতিয়া জোঁৱাইৰূপে আনিবৰ সময় হয়, তেতিয়া গাঁৱৰ ল'ৰা কেইজনমানে ভাবি-দবাৰ গাঁৱলৈ যায় আৰু ল'ৰাজনক যতে দেখে তাতে ধৰাই বলেৰে কইনাৰ ঘৰলৈ ধৰি আনে। ধৰি অনাৰ পিছত যথাবিহীতভাৱে 'দোচীয়া' প্ৰথাৰে বিয়া কৰাই দিয়া হয় আৰু ৰাতি ছোৱালীজনীৰ লগত একেটা ঘৰত শুবলৈ দিয়া হয়। ল'ৰাজন যাতে পলাই যাব নোৱাৰে তাৰ বাবে সেই ঘৰটোৰ আশে-পাশে ডেকাইতে ৰাতি পহৰা দিয়ে। অৱশ্যে ইয়াৰ মাজতে সুবিধা পালে ল'ৰাজনে নিজৰ মাক-দেউতাকৰ ঘৰলৈ পলাই যায়। এনেকৈ পলাই যোৱাৰ পিছত ছোৱালীজনীয়ে ডেকাইতক লগত লৈ আকৌ ল'ৰাজনক ধৰি আনে। ধৰি অনাৰ পিছত এবাৰো পলাবলৈ চেষ্টা নকৰি বৈ যোৱা মানুহক সমাজে হেয়জ্ঞান কৰে। কাৰণ, সকলোৱে ভাবে যে, অইন ঠাইত জোঁৱাই হৈ থাকিবলৈ সুবিধা নেপাব বুলি ভয় কৰিয়েই এইখনত থাকিবলৈ সুবিধা পাই থাকিবলৈ ব্যস্ত হৈ পৰিছে। অৱশ্যে ল'ৰাজন যদি উপৰ্যুপৰি তিনিবাৰ পলাই যায়, তেনেহ'লে ল'ৰাজন নোক্ৰম হ'বলৈ সম্পূৰ্ণ অনিচ্ছুক বুলি ধৰা হয় আৰু এনে ক্ষেত্ৰত আন এজনক নোক্ৰম মনোনীত কৰি ধৰি আনিবলগীয়া হয়।[20]

নোক্ৰম ধৰি অনাৰ পিছত 'দোচীয়া' অৰ্থাৎ বিয়া উৎসৱ উদযাপন কৰা হয়। এই ক্ষেত্ৰত কন্যাৰ পিতৃয়ে এটি আড়ম্বৰপূৰ্ণ উৎসৱৰ আয়োজন কৰে। উৎসৱৰ উপলক্ষে এটি শুভ দিন নিৰ্দিষ্ট কৰি গাঁৱৰ পুৰোহিতক (কামাল) অনুষ্ঠানটি সম্পন্ন কৰাৰ বাবে নিমন্ত্ৰণ জনোৱা হয়। পুৰোহিতে দুটা কুকুৰা চৰাই আনি নৱ-দম্পতীৰ পিঠিত চপৰিয়াই দিয়ে। তাৰ পিছত দৰা-কইনাই কুকুৰা দুটিৰ পিঠিত কোবাই কোবাই সিদিনাৰ পৰা বৈবাহিক জীৱন আৰম্ভ কৰাৰ বাবে সন্মতি দিয়ে। এই সময়খিনিতে পুৰোহিতে বিভিন্ন দেৱ দেৱীৰ উদ্দেশ্যে সুৰ লগাই মন্ত্ৰ পাঠ কৰে আৰু তেওঁলোকক সাক্ষী কৰি নৱ-দম্পতীৰ মাজত অবিচ্ছেদ্য সম্পৰ্কৰ সূচনা কৰে। তাৰ পিছত কুকুৰা দুটাৰ মূৰ ছিঙি পেলোৱা হয় আৰু তাৰ তেজ দৰা কইনাৰ পিঠিত ঘঁহি দিয়া হয়। এই প্ৰথাক গাৰো সমাজত 'দো দকজা' বুলি কোৱা হয়।[21] বধ কৰা কুকুৰা দুটা ৰান্ধি সেই মাংস দৰা-কইনাক খাবলৈ দিয়া হয় আৰু আন এটি কুকুৰা দেৱ-দেৱীৰ উদ্দেশ্যে উৎসৰ্গা কৰা হয়। এই সকলো অনুষ্ঠান দিনৰ ভাগতে শেষ হয়। সূৰ্যাস্তৰ আগে আগে দৰা-কইনাই উপস্থিত ৰাইজৰ লগত লৈ গাঁৱৰ মাজেৰে এপাক ঘূৰি অহাৰ নিয়ম। ৰাতিৰ ভাগত প্ৰতিবেশী, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোকে নিমন্ত্ৰণ কৰি পান-ভোজনেৰে আপ্যায়িত কৰা হয়। ৰাতি পান-ভোজনৰ সময়খিনি নানা বং ধেমালি,

১৯. Nakane, Chie Garo and Khasi, P-43.

২০. Gurdan, P R T Garo Wedding Chant. (Journal of Assam Society, Vol LXCC, P-18

২১. জেংচাম, সুভাষ : গাৰোসকলৰ সাংস্কৃতিক জীৱনধাৰা।

আনন্দ-উলাহেৰে পালন কৰা হয় আৰু এনেদৰে গাৰো সমাজত নৱ-দম্পতীক বৈবাহিক জীৱন আৰম্ভ কৰাৰ বাবে সামাজিক স্বীকৃতি তথা আশীৰ্বাদ দিয়া হয়। এয়ে গাৰোসকলৰ 'দোচীয়া' উৎসৱ। এই উৎসৱৰ লগত 'দোচীয়া' আৰু 'চেকেকাটা' গীতধ্বনি জড়িত।[22]

গাৰোসকলৰ দোচীয়া উৎসৱক সহজে অসমীয়া বিয়া উৎসৱৰ লগত বিজাব পাৰি। দুয়োটা উৎসৱৰে উদ্দেশ্যে একেটাই—বৈবাহিক জীৱনৰ বাবে ডেকা-গাভৰুক সামাজিক স্বীকৃতি প্ৰদান। কিন্তু অসমীয়া সমাজত বিয়া উৎসৱৰ আনুষ্ঠানিকতা আৰু জাকজমকতা গাৰো সমাজতকৈ বহুখিনি বেছি। আনহাতে, খিচাগীত, বিয়াগীত আদি যিদৰে অসমীয়া বিয়া উৎসৱৰ একো-একোটা অংগ, তেনেদৰে দোচীয়া, চেকেকাটা আদি গীতসমূহো গাৰো বিয়া উৎসৱৰ একো একোটা অংগ স্বৰূপ। অৱশ্যে, অসমীয়া সমাজত আয়তীসকলে বিয়াগীত, খিচাগীত আদিৰে ৰভাতলী যিদৰে উদুলি-মুদুলি কৰি ৰাখে, গাৰো সমাজত বিয়াগীত গাবলৈ কোনো আয়তী নেথাকে। বিয়া সম্পাদন কৰা পুৰোহিত বা কামালজনেই সুৰ লগাই মন্ত্ৰ পাঠ কৰে। বাকী পান আনন্দ-উলাহ, আলহী-অভ্যৰ্থনা আদি দুয়োখন সমাজৰেই উৎসৱ দুটিৰ সাধাৰণ বৈশিষ্ট্য, যদিও সমাজভেদে বিয়া উৎসৱৰ সৌন্দৰ্য আৰু আনন্দ সুকীয়া সুকীয়া।

৩। আচোংটাটা, আমুৱা, অথ্‌লা ঃ

এইকেইটা গাৰোসকলৰ ভক্তিমূলক অনুষ্ঠান। গাৰোসকল ভূত-প্ৰেত, দেৱ-দেৱী বা অলৌকিক শক্তিত বিশ্বাসী। সেইবাবে বিভিন্ন পৰিস্থিতিত যেনে—বেমাৰ-আজাৰৰ পৰা ৰক্ষা পাবলৈ, বতাহ-বৰষুণ-ধুমুহা আদি প্ৰাকৃতিক বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ অথবা কু-দৃষ্টিৰ পৰা শস্য ৰক্ষাৰ বাবেও এই উৎসৱসমূহ পালন কৰা হয়।

গাৰোসকলে ভালে সংখ্যক দেৱ-দেৱী বা ভূত-প্ৰেতক পূজা কৰে। তাৰ ভিতৰত এইসকল মুখ্য—চালজং (সূৰ্য দেৱতা), চুচিমে (সম্পত্তিৰ ৰক্ষা-বেক্ষণকাৰী), বিচি (ঘৰৰ সুখ-শান্তি বৃদ্ধি কৰোঁতা), তাতাৰা-ৰাবুগা (সৃষ্টি কৰ্তা), গায়েৰা (বজ্ৰ দেৱতা), কালকামে (প্ৰাকৃতিক বিপদৰ পৰা ৰক্ষা কৰোঁতা), নৱাং (দৈত্য-দানৱ)[23] ইত্যাদি। প্ৰত্যেকবিধ বেমাৰ-আজাৰ বা পৰিস্থিতিভেদে বেলেগ বেলেগ দেৱতাক সন্তুষ্ট কৰিবলৈ পূজা কৰা হয়। গাৰো দেৱতাসকলৰ বাবে কুকুৰা, হাঁহ, গাহৰি, ছাগলি আদি বিভিন্ন জন্তু বলি দিয়াৰ প্ৰথা আছে। কিন্তু দেৱতাসকলক পূজা কৰাৰ বাবে কোনো মূৰ্তি বা প্ৰতিকৃতি সজা নহয়। সেইবাবে দেৱ-দেৱীৰ মন্দিৰ আদিও দেখিবলৈ পোৱা নেযায়।[24] সাধাৰণতে এটা মাটিৰ ঢাপ আৰু

২২. Rangmuthu D.S.-The Traditional Dances of the Garos, P-22

২৩. Siman, I.M. : Meghalaya, P-29.

২৪. Saddell, L.A. : The Tribes of the Brahmaputra Valley, P-57.

কাষে কাষে নানা ধৰণৰ ফুল কটা বাঁহৰ চুঙা আৰু 'চাকক' গছৰ পাতেৰে কিমিণ্ডা সজোৱা হয়। বেদী (কিমিণ্ডা) সজ্জিত এই প্ৰথাক 'চাৰাচিয়া' বোলে।[২৫] পূজা সম্পাদিত কৰে গাৰো কামাল অৰ্থাৎ পুৰোহিতে। পূজা কৰাৰ বিনিময়ত পুৰোহিতে কোনো দান-দক্ষিণা বা পাৰিশ্ৰমিক নলয়। পূজা-বিধিৰ প্ৰধান অংগ হ'ল বলি। যি বলি উপযুক্ত বুলি মঙ্গল চাওঁতে ঠিৰাং কৰা হয়, সেই বলি দেৱ-দেৱীৰ নামত কাটি বেদীৰ ওপৰত তেজ ছটিয়াই দিয়া হয়। প্ৰায়বোৰ পূজাতে মদৰ (চু) প্ৰয়োজন হয়। দেৱ-দেৱীৰ বাবে আছুতিয়াকৈ ৰখা মদ বেদীৰ ওপৰত ঢালি মন্ত্ৰ উচ্চাৰণ কৰা হয়। মন্ত্ৰবোৰৰ তাৎপৰ্য হ'ল দেৱতাৰ নাম উচ্চাৰণ কৰি উদ্দেশ্য সিদ্ধিৰ বাবে আবেদন জনোৱা। যদি কোনো বিশেষ ব্যক্তিৰ ৰোগ নিৰাময়ৰ বাবে পূজা দিয়া হয়, তেনেহ'লে সেই ব্যক্তিজনকো বেদীৰ ওচৰত বহুৱাই লোৱা হয় আৰু বলিৰ তেজ, মদ আদি ৰোগগ্ৰস্ত ব্যক্তিজনৰ গাত ছটিয়াই দিয়া হয়। এই পূজা কেতিয়াবা ঘৰৰ ভিতৰত, কেতিয়াবা চোতালত আৰু কেতিয়াবা গাঁৱৰ বাহিৰত, আনকি হাবিৰ মাজতো অনুষ্ঠিত কৰা হয়। গাৰোসকলৰ বিশ্বাস এনেদৰে পূজা কৰিলে ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি, অপায়-অমঙ্গল আঁতৰি যায় আৰু মানসিক শান্তি লাভ হয়। সেই বাবে আধুনিক চিকিৎসা পদ্ধতিতকৈও এচাম মানুহৰ এনেধৰণৰ পূজা-পাতলৰ প্ৰতি আকৰ্ষণ অধিক।[২৬]

গাৰো সমাজত প্ৰচলিত এই আচোংটাটা, আমুৱা, অথ্‌লা আদি পূজা উৎসৱসমূহক অসমীয়া সমাজত প্ৰচলিত অপেচৰা সবাহ, আইনাম, শীতলা পূজা, কুমাৰী পূজা, মাৰৈ পূজা, সুবচনী পূজা, লখিমী পূজা[২৭] আদিৰ লগত তুলনা কৰিব পাৰি। সেইদৰে, ৱাকেগাটা আৰু কৃতাঅমুৱা গীতসমূহ যেনেদৰে গাৰো সমাজত প্ৰচলিত উক্ত পূজা-উৎসৱকেইটিৰ লগত জড়িত, তেনেদৰে অপেচৰা নাম, আইনাম, শীতলা নাম আদি গীতসমূহো অসমীয়া সমাজত প্ৰচলিত উক্ত উৎসৱকেইটিৰ লগত সংযুক্ত। মুঠতে, দুয়োখন সমাজৰেই এই উৎসৱসমূহ হৈছে ভক্তিমূলক।

৪। আগালমাকা, দামা গোগাতা ঃ

জুম খেতিৰ সৰ্বাংগীন মঙ্গলৰ বাবে প্ৰথমে যিটো অনুষ্ঠান পালন কৰা হয় তাকেই গাৰোসকলে 'আগালমাকা' বোলে।[২৮] বছৰৰ আৰম্ভণিতেই শস্য সিঁচাৰ আগে আগে এই অনাড়ম্বৰ অনুষ্ঠানটি পালিত হয়। পাহাৰত বাস কৰা গাৰোসকলে পাহাৰৰ হাবি-বননি

---

২৫. মজুমদাৰ, বীৰেন্দ্ৰনাৰায়ণ ঃ গাৰো সংস্কৃতিৰ ৰূপৰেখা, পৃ. ৫১।

২৬. Choudhary, B.N. : Some Cultural and Linguistic Aspects of the Garos, P-20.

২৭. বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোক-সংস্কৃতি, পৃ. ৭৭-৯১।

২৮. Sangma, Milton : Hostory and Culture of the Garos, P-86.

কাটি জুই দি জুম খেতি কৰে। গোটেই গাঁওখনৰ মানুহে এটা বছৰৰ বাবে কোনো এটা অঞ্চল কৃষিৰ বাবে বাচি লয়। জুমখেতিৰ বাবে ঠাইখিনি পৰিস্কাৰ আৰু উপযোগী হৈ উঠাৰ পিছত মানুহখিনি গাঁওলৈ উভতি আহি 'আগালমাকা' উৎসৱ পান কৰে। উৎসৱটি পালনৰ উদ্দেশ্য হ'ল কৃষি-কৰ্মৰ সকলো প্ৰকাৰৰ অপায়-অমঙ্গল দূৰ কৰা আৰু দেৱ-দেৱীয়ে যাতে নিয়মিত বৃষ্টিপাত ঘটাই তাৰ বাবে প্ৰাৰ্থনা কৰা।

অনুষ্ঠানটিৰ আৰম্ভণিতে, এডোখৰ দীঘল বাঁহ মাটিত পোতা হয়। বাঁহ ডোখৰৰ গুৰিত কলপাত পাৰি সিদ্ধ ধান, ভাত, মাংস, শুকান মাছ আদি ৰখা হয়। তাৰ লগতে এটি পাত্ৰত কিছু 'চু' (মদ) ৰখা হয়। তাৰ পিছত দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ ডেকা-গাভৰুৱে 'চু' পান কৰি গোৰে ৰাতি নাচ-গান কৰি কটায়। পিছদিনাও গোটেই দিন-ৰাতি সকলো মানুহে আনন্দ-উৎসৱ কৰি কটায়। দ্বিতীয় দিনা ৰাতিহে আনন্দ-উৎসৱ শেষ হয়। উৎসৱৰ সামৰণিক 'দামা গোগাতা' বোলে।[২৯] 'আগালমাকা' উৎসৱৰ সমাপ্তিৰ পিছদিনাৰ পৰা শস্যৰ গুটি সিঁচিবলৈ আৰম্ভ কৰে।

এই 'আগালমাকা' উৎসৱত যি নৃত্য কৰা হয়, সেই নৃত্যৰ লগত 'আচিৰোকা' গীত পৰিবেশন কৰা হয়। গতিকে 'আচিৰোকা' হ'ল কৃষি উৎসৱ 'আগালমাকা'ৰ লগত জড়িত গীত। এই 'আগালমাকা' উৎসৱক অসমীয়া 'গোছ দিয়া' বা 'ৰোৱা পোতা'[৩০] উৎসৱৰ লগত তুলনা কৰিব পাৰি। অসমীয়া সমাজত শালিখেতি কৰবলৈ আৰম্ভ কৰাৰ দিনা এই উৎসৱ পালন কৰা হয়।

৫। ৰংচুগালা ঃ

কৃষিৰ লগত জড়িত আন এটি গাৰো উৎসৱ হ'ল 'ৰংচুগালা'। ধান পকিবলৈ আৰম্ভ কৰিলে ঘৰে ঘৰে 'চু' তৈয়াৰ কৰি এই উৎসৱ পালন কৰা হয়। 'ৰংচু' মানে চিৰা। এই উৎসৱৰ প্ৰকৃত অৰ্থ হ'ল নতুন খেতিৰ শস্য খাবলৈ আৰম্ভ কৰা। এই উৎসৱ পালন কৰাৰ আগেয়ে খেতিৰ শস্য খোৱা নিষেধ। 'ৰংচুগালা' উৎসৱ পালন কৰাৰ সময়ত ধান সম্পূৰ্ণকৈ নপকে। আধা পকা ধান ভাজি চিৰা খুন্দা হয় আৰু সেই চিৰা দেৱ-দেৱীলৈ আগবঢ়াই গাঁৱৰ মানুহে খায়।

গাৰো সমাজত প্ৰচলিত এই 'ৰংচুগালা' উৎসৱক অসমীয়া সমাজত প্ৰচলিত 'ন-খোৱা'[৩১] উৎসৱৰ লগত ৰিজনি দিব পাৰি।

---

২৯ উক্ত গ্ৰন্থ, পৃ ৮৬।
৩০ শৰ্মা, হেমন্ত কুমাৰ ঃ 'লোক সংস্কৃতি ঃ কৃষি উৎসৱ' প্ৰবন্ধ, ভুবনেশ্বৰ ডেকা সম্পাদিত 'প্ৰবন্ধ প্ৰবাহ' গ্ৰন্থ, পৃ ২৫-২৬।
৩১ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক-সংস্কৃতি, পৃ. ১২।

৬। জামে গাপ্‌পা ঃ

কৃষিৰ লগত জড়িত আন এটি আনুষংগিক গাৰো উৎসৱ হ'ল 'জামে গাপ্‌পা'।[৩২] এই উৎসৱটি হ'ল জুমখেতি চপোৱাৰ প্ৰাৰম্ভিক উৎসৱ। 'ৰংচুগালা' উৎসৱৰ সামৰণিৰ পিছত এই উৎসৱটি অনুষ্ঠানীয়াভাৱে পালন কৰা হয়।

'জামে গাপ্‌পা' উৎসৱ উপলক্ষে গাৰো ডেকাসকলে চিৎকাৰ কৰাৰ দৰে বিকট শব্দ সমবেতভাৱে উচ্চাৰণ কৰি (কেঁতিয়াবা সুৰ্য্যৰিয়াই) গাঁৱৰ মাজৰ বাটে পথে ধ্বনি দিয়ে।[৩৩] এই ধ্বনিৰ যোগেদি গাৰো ডেকাসকলে মনৰ আনন্দ প্ৰকাশ কৰে। বিশেষকৈ, সন্ধিয়া আৰু আগৰাতি এইদৰে ডেকাসকলে ধ্বনি তুলি উৎসৱ পালনৰ জাননী দিয়ে। এনে ধৰণৰ ধ্বনিক সুভাষ জেংচামে বিদেশীসকলৰ 'হিপ্ হিপ্ হুৰে' ধ্বনিৰ লগত তুলনা কৰিছে।[৩৪]

শস্য চপোৱা প্ৰাৰম্ভিক এই উৎসৱটিক অসমীয়া সমাজত প্ৰচলিত 'আগ অনা' বা 'আগ লোৱা'[৩৫] উৎসৱৰ লগত তুলনা কৰিব পাৰি।

৭। মাঙোনা ঃ

গাৰোসকলৰ মৃত্যু সম্পৰ্কীয় এটি লেখত ল'বলগীয়া উৎসৱ হ'ল 'মাঙোনা'।[৩৬] গোটেই বছৰটোৰ ভিতৰত মৃত্যু হোৱা গাঁও এখনৰ লোকসকলৰ সমূহীয়া শ্ৰাদ্ধৰ নামেই হৈছে মাঙোনা। সাধাৰণতে, গাৰো সমাজত কোনো ব্যক্তিৰ মৃত্যু ঘটিলে শিঙা বজাই গাঁৱত জাননী দিয়া হয়। মৃত্যুৰ পিছত মৃতদেহ সমূহীয়াভাৱে সৎকাৰ কৰা হয়। সৎকাৰৰ পিছত মৃত ব্যক্তিৰ উদ্দেশ্যে এটি সৰু ঘৰ (দেলাং) তৈয়াৰ কৰি মৃতকৰ অশৰীৰি আত্মাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সমূহ তাত ৰখা হয়।[৩৭] দেলঙৰ লগতে মৃত ব্যক্তিৰ ঘৰৰ পদূলিমুখত 'কিমা' (মূৰ্তি বিশেষ) সজাই ৰখা হয়। 'কিমা' হ'ল মৃতকৰ স্মৃতিচিহ্ন।[৩৮] এইদৰে বছৰটোৰ শেষত মৃত্যু হোৱাৰ আটাইবোৰ ব্যক্তিৰ প্ৰেতাত্মাৰ শুদ্ধিৰ বাবে 'মাঙোনা' উৎসৱ পালন কৰা হয়।

'মাঙোনা' উৎসৱৰ লগত গাৰো সমাজত প্ৰচলিত 'কাৰে' (মালিতা) গীতবিলি জড়িত। 'মাঙোনা' উৎসৱক অসমীয়া সমাজৰ বছৰেকীয়া তিথি বা শ্ৰাদ্ধৰ লগত ৰিজাব পাৰি।

---

৩২ Rongmuthu, D S Wangala (SPECTRUM) ed B Das), P-9

৩৩ জেংচাম, সুভাষ ঃ গাৰোদেৰ সাংস্কৃতিক জীৱনধাৰা, পৃ ৩৭।

৩৪. উক্ত গ্ৰন্থ, পৃ ৮৬।

৩৫. বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোক-সংস্কৃতি, পৃ ৬০।

৩৬ ভট্টাচাৰ্য্য প্ৰমোদচন্দ্ৰ ঃ অসমৰ লোক-উৎসৱ, পৃ ১০০।

৩৭ Choudhary, B.N. : Some Cultural and Linguistic Aspects of the Garos, p. 45.

৩৮. Playfair, A The Garos, P-113

৮। ঘোঁড়ী-ৰ.আ ঃ

এই উৎসৱৰ নামটোৰ তাৎপৰ্য হ'ল ঘোঁৰাৰ সৈতে নৃত্য কৰা অৰ্থাৎ উৎসৱ পালন কৰা। গাৰোসকল যুঁজাৰু জাতি। বিভিন্ন সময়ত বিভিন্ন শক্তিৰ বিৰুদ্ধে তেওঁলোকে সংঘৰ্ষত লিপ্ত হ'বলগীয়া হৈছিল। পূৰ্বপুৰুষসকলৰ বহু ত্যাগৰ বিনিময়তহে তেওঁলোকে এটা জাতি হিচাপে পৃথিৱীত নিজৰ পৰিচয় ৰাখিব পাৰিছে। সেই পূৰ্বপুৰুষৰ স্মৃতিচাৰণৰ উদ্দেশ্যেই প্ৰতিবছৰে এই উৎসৱ পালন কৰা হয়।[৩৯] এই উৎসৱ পালনৰ যোগেদি তেওঁলোকৰ অতীত শৌৰ্য-বীৰ্যৰ কথা স্মৰণ কৰি গৰ্ব অনুভৱ কৰে।

এই উৎসৱত এটা ঘোঁৰাৰ মূৰ্তি তৈয়াৰ কৰি বিভিন্ন ৰঙৰ কাপোৰ তাত মেৰিয়াই দিয়া হয়। তাৰ লগতে ডিঙি, কপাল, ঠেং আদিত বিভিন্ন অলংকাৰ পিন্ধাই দিয়ে। ঘোঁৰাটোৰ দৰে মানুহবোৰেও একেধৰণৰ সাজ-পোছাক, অলংকাৰপাতি পিন্ধে আৰু হাতত তৰোৱাল, ঢাল, ধনু-কাঁড়, যাঠি আদি লৈ ঘোঁৰাটিৰ লগত নৃত্য কৰে। নৃত্যৰ লগে লগে বিভিন্ন বাদ্যও বজোৱা হয়। নৃত্য কৰাৰ আগতে যথাবিহীতভাৱে ঘোঁৰাৰ মূৰ্তিটিক 'চু' ঢালি পূজা কৰা হয়। নৃত্যবোৰ সাধাৰণতে যুদ্ধৰ কৌশলত আৰু বিভিন্ন মুদ্ৰাৰ অংগিভংগিত অভিনয় কৰাৰ দৰে পৰিৱেশন কৰে। এই উৎসৱ তিনিদিন ধৰি চলে। নৃত্যৰ লগত 'গ্ৰীকা' গীত পৰিৱেশন কৰা হয়। উৎসৱটিত আদিম সভ্যতাৰ কিছু আভাস পোৱা যায়। গাৰোসকলৰ এই 'ঘোঁড়ী-ৰ.আ' উৎসৱটি অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা সুঁৱৰি উৎসৱৰ অন্তৰ্গত 'হানা ঘোঁৰা'[৪০] নৃত্যৰ লগত তুলনীয়।

ওপৰত বৰ্ণনা কৰা উৎসৱ-পাৰ্বণসমূহৰ উপৰিও আৰু ভালেসংখ্যক উৎসৱ গাৰো আৰু অসমীয়া সমাজত প্ৰচলন আছে।

---

৩৯. মিয়া, আবদুৰ ৰশীদ ঃ 'গাৰো লোকাচাৰ কৃষ্টি' প্ৰবন্ধ, মাহবুবুল হাসান সম্পাদিত 'জানিৰা' পত্ৰিকা, পৃ. ২৬।

৪০. মজুমদাৰ, বিমল ঃ 'হানাঘোঁৰা নৃত্য' প্ৰবন্ধ, জগন্নাথ বৰ্মন আৰু হিতেন ভট্ট সম্পাদিত (অসম সাহিত্য সভাৰ সৰ্থেবাৰী অধিৱেশনৰ চৈ) 'নামনি অসমৰ লোক-সংস্কৃতি' গ্ৰন্থ, পৃ. ৬৭-৬৯।

গ্ৰন্থপঞ্জী

(লেখকৰ উপাধিৰ বৰ্ণানুক্ৰমত)

ইংৰাজী ঃ

Abrams, M.H. : A Glossary of Literary Terms, 1986, Macmillan, Madras.

Allan, B.C. : Assam District Gazetters, Vol. I.II 1905, Shillong.

Barkataki, S.N. : Tribal Folktales of Assam, 1982, Publication Board, Assam, Guwahati.

Bertrand, Gabricile : Secret Lands where woman Reign, 1958, Robert Hall, London.

Bescom, W.R. : Contribution to Folkloristics, 1969, Meerut.

Bhattacharya, P.C. : A Descriptive Analysis of the Boro Language, 1977, Gauhati University.

Borgohain, B.K. : Folktales of Meghalaya and Arunachal Pradesh, 1990, Sterling Publication, New Delhi.

Carey, William : The Garo Jungle Book, 1966, Tura Book Home, Tura, Garo Hills.

Chattarji, S.K. : The Place of Assam in the History and Civilization of India, 1955, Gauhati University.

Chattarji, S.K. : Kirata-Jana-Kriti, 1974, The Asiatic Society, Calcutta.

Chottopadhaya. D.P. : Lokayata, 1981, Peoples Publishing House, Delhi.

Choudhary. B.N. : Some Cultural and Linguistic Aspects of the Garos, 1969, Lawyers Book Stall, Guwahati.

Das. Kamal Narayan : Social Dimension of Garo Language, 1986, Unpublished Ph.D. thesis, Gauhati

University.

Datta, Birendranath (Ed): Traditional performing Arts of North East India, 1990 Assam Academy for Cultural Relations, Guwahati, Assam.

Dhawan, R.K. (Ed.) : Comparative Literature, 1987, Creative Books, New Delhi.

Frazer, James : The Golden Bough, 1959, Macmillan & Co., Ltd., London.

Gait, Edward : History of Assam, 1963, Thacker Spink and Co., Calcutta.

Goswami, G.C. : Structure of Assamese Language, 1982, Guwahati.

Goswami, M.C. And Mazumdar, D.N. : Social Institutions of the Garo of Meghalaya, 1972, Nababharat Publishers, Calcutta.

Goswami, P.D. : Ballads and Tales of Assam, 1970, Gauhati University, Guwahati.

Griarson, G.A. : Linguistic Survey of India, Vol. I, Part-I, 1967.

Guha, B.S. : The Recial Element of Indian Population 1938, Oxford.

Herold, J, Laski : A Grammar of Politics, 1963, New Delhi.

Das, Jogesh : Folklore of Assam, 1992, Publication Board, Assam, Guwahati.

Kar, P.C. : Glimpses of the Garos, 1982, Tura Book Home, Tura, Garo Hills.

Kakati, B.K. : Assamese Its Formation and Development, 1972, Guwahati.

Kumar, B.B. : Folklores and Folklore Motifs, 1993, Omson Publication, New Delhi.

Marak, K.R. : The Garos and Their Customary Laws and Wages, 1964, Tura, Garo Hills.

Mazumder, D.N. : Cultural Change in two Garo Villages, 1978, Anthropological Survey of India, Calcutta.

.... : The Garos, 1996, Lawyers Book Stall, Guwahati.

Melville. J.H.	:	Cultural Anthropology, 1974, Oxford & I.B.H. Publishing Co. Pvt. Ltd., New Delhi.
Mohan, Chandra (Ed.)	:	Aspects of Comparative Literature, 1989, Creative Books, New Delhi.
Mosahari, R.N.	:	Social History of the Boros of Assam, 1986, Unpublished Ph.D. thesis, NEHU, Shillong.
Nakane, Chie	:	Garo and Khasi, 1967, Mouton & Co., Paris.
Nath, R.M.	:	The Background of Assamese Culture, 1948, Shillong.
Pradhan, S.N.	:	Chronology of Ancient India, 1979, New Delhi.
Playfair, A.	:	The Garos, 1975, United Publishers, Guwahati & Calcutta.
Rabha, Rajen	:	The Rabhas, 2002, Anandaram Baruah Institute of Language Art and Culture, Assam, Guwahati-30.
Rajkhowa, B.	:	Assamese Popular Superstitions and Assamese Demonology, 1973, Gauhati University.
Stith, Thompson	:	The Folktales, 1946, New Delhi.
Rongmuthu, D.S.	:	The Epic Lore of the Garos, 1967, Gauhati University.
	:	The Folktales of the Garos, 1960, Gauhati University.
Sangma, Milton	:	History of Garo Literature, 1983, North-East Hill University Shillong.
....	:	History and Culture of the Garos, 1985, North East Hill University, Shillong.
Sarma, N.C.	:	Essays on the North-Eastern India, 1988, Bani Prakash, Guwahati.
Simen, I.M.	:	Meghalaya, State of our Union, 1980, Ministry of Information and Broadcasting, New Delhi.
....	:	Khasi and Jayantia Tales and Beliefs, 1966, Gauhati University.

Winternize, M. : History of India Literature, Vol. I. 1927, Calucutta.

অসমীয়া :

কটকী, প্ৰফুল্ল : সাহিত্য আৰু সংজ্ঞা, ১৯৭১, গুৱাহাটী বিশ্ববিদ্যালয়।

গগৈ, লীলা : অসমৰ সংস্কৃতি, ১৯৮৬, বনলতা, ডিব্ৰুগড়।

.... : অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, ১৯৯২, বনলতা, ডিব্ৰুগড়।

গগৈ, লীলা : বিহুগীত আৰু বনঘোষা, ১৯৬৯, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

গগৈ, লীলা : বিহুগীত আৰু বনঘোষা, ১৯৬৯, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

গন্ধীয়া, জয়কান্ত (সম্পাদনা): বিহু সংস্কৃতিৰ ৰূপৰেখা, ১৯৮৮, ষ্টুডেণ্টচ্‌ এম্পৰিয়াম, ডিব্ৰুগড়।

.... : ছবি : মুকলি বিহু আৰু বিহুনাচ, বনলতা, ডিব্ৰুগড়, (প্ৰকাশৰ চন উল্লেখ নাই)।

গোস্বামী, উপেন্দ্ৰনাথ : ভাষা আৰু সাহিত্য, ১৯৮৫, মণি মাণিক প্ৰকাশ, গুৱাহাটী।

.... : অসমীয়া লিপি, ১৯৮৭, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

গোস্বামী, প্ৰফুল্লদত্ত : অসমীয়া জন-সাহিত্য, ১৯৮৬, বাণী প্ৰকাশ, গুৱাহাটী।

.... : বাৰ মাহৰ তেৰ গীত, ১৯৬২ সাহিত্য একাডেমী, নতুন দিল্লী।

.... : অসম দেশৰ সাধু, ১৯৯১, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

গোস্বামী, হেমচন্দ্ৰ : অসমীয়া সাহিত্যৰ চানেকি, ১৯২৯, কলিকতা বিশ্ববিদ্যালয়, কলিকতা।

ছেত্ৰী, মন বাহাদুৰ : অসমীয়া নেপালী সমাজ আৰু সংস্কৃতি, ১৯৮৩, অসম সাহিত্য সভা।

ঠাকুৰ নগেন : পৃথিৱীৰ বিভিন্ন ভাষা, ১৯৮৪, যোৰহাট, অসম।

ডেকা, ভুবনেশ্বৰ (সম্পাদনা): প্ৰবন্ধ প্ৰবাহ, ১৯৮৮, বীণা লাইব্ৰেৰী, গুৱাহাটী।

তালুকদাৰ, প্ৰিয়দাস : প্ৰবচন কোষ, ১৯৯১, এল, ডোবাডো পাব্লিকেচন্‌চ, গুৱাহাটী।

দত্ত, বীৰেন্দ্ৰনাথ (সম্পাদনা): [illegible], ১৯৮৬, গ্ৰন্থপীঠ, গুৱাহাটী।

দাস, ভুবনমোহন (সম্পাদনা) : অসমৰ মানুহ, ১৯৮৬, অসম সাহিত্য সভা।

নাজী, ভবেন : বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৮৫, বীণা লাইব্ৰেৰী, গুৱাহাটী।

নেওগ, ডিম্বেশ্বৰ : প্ৰাক্-ঐতিহাসিক অসম, ১৯৪৮, গুৱাহাটী, অসম।

নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৮৬, বাণী মন্দিৰ, ডিব্ৰুগড়।

.... : চটাই পৰ্ব্বত আৰু জিৰি লুইত, ১৯৬৪, বাণী প্ৰকাশ, গুৱাহাটী।

.... : অসমীয়া গীতি-সাহিত্য, ১৯৫৮, চন্দ্ৰ প্ৰকাশ, তিহু, অসম।

নেওগ, হৰিপ্ৰসাদ
আৰু
পগে লীলা (সম্পাদনা) : অসমীয়া সংস্কৃতি, ১৯৮৯, বনলতা, ডিব্ৰুগড়।

বৰদলৈ, নিৰ্মলপ্ৰভা : দেৱী, ১৯৮৭, সাহিত্য প্ৰকাশ, গুৱাহাটী।

.... : অসমৰ লোক কবিতা, ১৯৮৭, বীণা লাইব্ৰেৰী, গুৱাহাটী।

.... : অসমৰ লোক-সংস্কৃতি, ১৯৮৭, অসমৰ লোক-সংস্কৃতি, ১৯৮৭, বীণা লাইব্ৰেৰী, গুৱাহাটী।

বৰকটকী, সত্যেন্দ্ৰনাথ : পৰ্বতীয়া সাধু, ১৯৯০, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি, ১৯৮৫, বীণা লাইব্ৰেৰী, গুৱাহাটী।

.... : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৬৩, বীণা লাইব্ৰেৰী, গুৱাহাটী।

বৰ্মন, জগন্নাথ (সম্পাদনা) : নামনি অসমৰ লোক-সংস্কৃতি, ১৯৯৫, অসম সাহিত্য সভাৰ সৰ্থেবাৰী অধিৱেশন।

বৰ্মন, শিৱনাথ : লোকসংস্কৃতিৰ উৎস, ১৯৮২, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

বৰ্মন, শিৱনাথ : অসমৰ জনজাতি সমস্যা, ১৯৯৫, প্ৰগেছিভ বুক হাউচ, গুৱাহাটী।

ভট্টাচাৰ্য্য, আশুতোষ : বাংলা জনশ্ৰুতি, ১৯৮৩, লেখালেখা বুক ট্ৰাষ্ট, নতুন দিল্লী।

ভট্টাচাৰ্য্য, জয়ন্ত ভূষণ : কছাৰী ৰাজ্য উত্থান আৰু পতন, ১৯৯৩, অসম সাহিত্য সভা।

ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ : অসম লোক-উৎসৱ, ১৯৯১, জাৰ্ণাল এম্প'ৰিয়াম, নলবাৰী, অসম।

............................(সম্পাদন): অসমৰ জনজাতি, ১৯৯৩, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ : গাৰো সংস্কৃতিৰ ৰূপৰেখা, ১৯৭৪, অসম সাহিত্য সভা।

ৰাজগুৰু, সৰ্বেশ্বৰ : অসমীয়া প্ৰবাদ, ১৯৭২, স্বকীয় প্ৰকাশ, নগাঁও, অসম।

ৰাভা হাকাচাম, উপেন : অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা, ২০০০, গুৱাহাটী।

শৰ্মা, নবীনচন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস, ১৯৯০, বাণী প্ৰকাশ, গুৱাহাটী।

শৰ্মা, শশী : অসমীয়া লোক-সাহিত্য, ১৯৯৩, ষ্টুডেণ্টচ্ ষ্টোৰ, গুৱাহাটী।

শৰ্মা, শশী : অসমৰ সাধুকথা, ১৯৯৭, বুক হাইভ, গুৱাহাটী।

শৰ্মা, সত্যেন্দ্ৰনাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮৬, সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিচাৰ্চ, গুৱাহাটী।

শৰ্মা, হেমন্ত কুমাৰ : কামৰূপী লোক-গীতি সংগ্ৰহ, ১৯৯১, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

হাজৰিকা, পৰীক্ষিত : চৰ্য্যাপদ, ১৯৮৭, ডালিমী প্ৰকাশন, গুৱাহাটী।

.... : অসমীয়া ফকৰা-যোজনা, ১৯৮৩, স্বকীয়, প্ৰকাশ, ডিব্ৰুগড়।

গাৰো :

Kar, P.C. : A'chik aro A'chik Asong, 1972, Tura Book Home, Garo Hills.

Marak, Gilbert : Ang'gisik Ku'aning, 1982, A.B. Mission, Tura, Garo Hills.

Marak, H.W. : A'chik Aganbewalrang, 1983, North East Hill University, Shillong.

.... A'chik Golparang, Junilla Book Deptt., Tura (Date of publication not mentioned).

Rongmuthu, D.S. : Apasang Agana, 1970, Bagmara, Garo Hills.
Sangma, D.K. : A'chik Golparang, Part-I.II, & III, 1984, Tura Book Home, Garo Hills.

বাংলা :

জেংচাম, সুভাষ : গারোদের সাংস্কৃতিক জীবনধারা, ১৯৮৬, ইউজিন, ই. হোমারিক, টাংগাইল, বাংলাদেশ।
বিশ্বাস, হেমাংগ : লোক সংগীত সমীক্ষা : বাংলা ও আসাম, ১৩৮৫ (বাংলা), এ. মুখার্জী আণ্ড কোং, কলিকতা।
ভট্টাচার্য্য, আশুতোষ : বাংলার লোকসাহিত্য, (প্রথম খণ্ড), ১৩৮০ (বাংলা), কলকাতা।
ভৌমিক, নির্মলেন্দু : শ্রীহট্টের লোক-সংগীত, ১৯৬৬, কলকাতা বিশ্ববিদ্যালয়, কলকাতা।

আলোচনীর সমালোচনামূলক নিবন্ধ :

ইংরাজী :

Burling Robbins & P.C. Bhattacharya : 'Lexicostatistic dating of Boro-Garo Linguistic Separation.'; Journal of Gauhati University Vol VII, 1956.
Burling Robbins : 'A Garo Grammar' . Journal of Linguistic Society of India, 1961, Poona.
Goswami, M.C. & D.N. Mazumdar : 'Mahari Among the Garo of Assam'; Journal of Gauhati University, 1966.
Goswami, P.D 'Folklore in North Eastern India'; Seminar on Folklore studies in North East Inida. Gauhati University, 1981.
Gurdon, P.R.T. : 'Garo Wedding chant'; Journal of the Asiatic Society, Bengal, 1903.
Mazumdar, D.N. : 'A Study of Legal Concept Among the Garo of Assam'; Journal of the Assam Science Society, Vol-IX, 1966.
Mazumdar, D N. : 'Depiction of Life After Death in Garo Folktales'; Bulletin of the Deppt. of

Folklore Research, Gauhati University, 1993.

Raha, M.K. : 'The Garos'; Bulletin of the Cultural Research Institute, West Bengal, (Vol. I-V), 1966.

Waddel, M.B. : 'The Tribes of the Brahmaputra Valley' ; Journal of the Asiatic Society, (Vol. III), Bengal, 1900.

অসমীয়া ঃ

খাউণ্ড, মলয়া ঃ 'গাৰো মহিলা', অসম সাহিত্য সভা পত্ৰিকা, (সম্পাদক ঃ ছয়মছিং হাক্সে), ৪১ শ বৰ্ষ, ২য় সংখ্যা, ১৯৮৫।

গন্ধীয়া, জয়কান্ত ঃ 'লোক-সংস্কৃতি, পৰম্পৰা আৰু পৰম্পৰাৰ পৰিবৰ্তন', প্ৰান্তিকত প্ৰকাশিত, (সম্পাদক ঃ ৺বেন্দ্ৰনাথ শইকীয়া), একাদশ বৰ্ষ, ৯ ম, সংখ্যা, ১৯৯২।

বেজবৰা, নী ৰাজনা মহন্ত ঃ 'তুলনামূলক ভাৰতীয় সাহিত্য', গৰীয়সীত প্ৰকাশিত (সম্পাদক ঃ চন্দ্ৰপ্ৰসাদ শইকীয়া), ১ম বছৰ, ৭ম সংখ্যা, ১৯৯৪।

মাৰাক, মনোৰঞ্জন ঃ 'ওৱানগালা', অসম সাহিত্য সভাৰ দুধনৈ অধিবেশনৰ স্মৃতিগ্ৰন্থ 'আগলতি'ত প্ৰকাশিত, (সম্পাদক ঃ জ্ঞানশংকৰ খাখলাৰী আৰু অনিল দাস), ১৯৯১।

মজুমদাৰ, . বিমল ঃ 'গাৰো সমাজৰ পৰম্পৰাগত লোক-উৎসৱ', বকো বঙালি বিহু সন্মিলনৰ স্মৃতিগ্ৰন্থ 'বাৰখু'ত প্ৰকাশিত (সম্পাদক ঃ কমল ঠাকুৰীয়া) ১৯৯৩।

ৰাভা হাকাচাম, উপেন ঃ 'অসমৰ জনজাতীয় ঐতিহ্য-পৰম্পৰা আৰু বৰ্তমান ইয়াৰ স্বৰূপ' 'পথিকৃৎ'ত প্ৰকাশিত প্ৰথম বছৰ, দ্বিতীয় সংখ্যা, ২০০০।

শৰ্মা, দেৱব্ৰত ঃ 'গাৰো মাতৃ সমাজ', 'গৰীয়সী'ত প্ৰকাশিত (সম্পাদক ঃ হেমন্ত বৰ্মন ৬ষ্ঠ বছৰ, ৩য় সংখ্যা, ১৯৯২।

গাৰো ঃ

Marak, L.R. : 'A'chikrangni British rang Bakra Bon Dakgrika', Published in 'MIKAOA' (Annual Megazine of Garo Graduates' Union, Editor-L.D. Shira), Tura.

বাংলা ঃ

মিয়া, আব্দুৰ ৰশীদ : 'গারো লোকাচার কৃষ্টি', (উপজাতীয় গবেষণা সাময়িকী 'জানিরা'ই প্রকাশিত, (সম্পাদক : মাহফুজুল হাসান), ২য় বর্ষ, ১ম সংখ্যা, ময়মনসিং. বাংলাদেশ।

বাতৰি কাকত ঃ

ইংৰাজী ঃ

The Assam Tribune : 'Meghalaya' (Meghalaya Supliment, Editor-N.N. Deka), Dec' 25, 1991.

The Hindustan Times . 'Nursery Rhymes', by Seema Burman, Dec' 12, 1992.

The Sentinal 'Love and Marriage in Garo Society' by Sayeed Anjum, Sunday issue, (Editor-D.N Bujar Barua), 1990.

অসমীয়া ঃ

অগ্ৰদূত ঃ 'গাৰো সমাজ ব্যৱস্থাত বিবাহ', মনোৰঞ্জন মালাকৰ প্ৰবন্ধ (সম্পাদক ঃ কনকসেন ডেকা), ১ জুলাই, ১৯৮৭।

আজিৰ অসম ঃ 'অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ মানুহ ঃ নৃতাত্ত্বিক পৰিচয়', অমল কুমাৰ দাসৰ প্ৰবন্ধ, (সম্পাদক ঃ ৰাধিকা মোহন ভাগৱতী), ৩ জানুৱাৰী, ১৯৯৩।

আজিৰ বাতৰি ঃ 'লোক-সাহিত্যৰ মণি মুকুতা', নলিনীধৰ ভট্টাচাৰ্য্যৰ প্ৰবন্ধ (সম্পাদক ঃ হীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী), ২১ মে, ১৯৯৩।

নতুন দৈনিক : গাৰোসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন', দিলীপ কুমাৰ শৰ্মাৰ প্ৰবন্ধ (সম্পাদক : চন্দ্ৰপ্ৰসাদ শইকীয়া), ২৩ মে', ১৯৯২।

অভিধান :

Maria, Leach : Standard Dictionary of Folklore, Mythology and Legend, 1972, Harper & Row Publishers, Cambridge.

Bhattacharyya, Buddhindranath : Anglo-Assamese Dictionary, 1993 Lawyers Book Stall, Guwahati.

Tylor, E.B. : Dictionary of Anthropology 1999, Goyal Sääb, Delhi.

Scott, William P. : Dictionary of Sociology 1999, Goyal Sääb, Delhi.

Marak, H.W. : 'Ku. BIDIK' (Garo-English-Assamese Dictionary), 1975, Assam Academy for Cultural Relations, Guwahati.

দত্ত, বীৰেন্দ্ৰনাথ (সম্পাদিত : বিশ্বকোষ (পঞ্চমখণ্ড)।

বৰুৱা, হেমচন্দ্ৰ : 'হেমকোষ', ১৯৮৫, হেমকোষ প্ৰকাশন, গুৱাহাটী।

নেওগ, মহেশ্বৰ,
দেৱশৰ্মা, ৰজনীকান্ত : আধুনিক অসমীয়া অভিধান,
বৰুৱা, নৱকান্ত ১৯৭৭, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

-০-০-